
কোচ-ৰাজবংশী সাংস্কৃতিক পৰিষদ

কোচ-ৰাজবংশী সাংস্কৃতিক সমাৰোহ

স্মৃতিগ্রন্থ



২০০৪ ঃ অভয়াপৰী

স্মৃতিগ্রন্থ

কোচ ৰাজবংশী সাংস্কৃতিক পৰিষদ

কোচ ৰাজবংশী সাংস্কৃতিক পৰিষদৰ উদ্যোগত

কোচ ৰাজবংশী সাংস্কৃতিক সমাৰোহ

স্থান ঃ ৰাণী অভয়েশ্বৰী ক্ষেত্র, অভয়াপুৰী

তাৰিখঃ ২৮, ২৯, ৩০ আৰু ৩১ মার্চ ২০০৪

OKDISCD

সম্পাদনা

উপেন বৰুৱা

স্মৃতিগ্রন্থ ঃ কোচ ৰাজবংশী সাংস্কৃতিক পৰিষদৰ উদ্যোগত
কোচ ৰাজবংশী সাংস্কৃতিক সমাৰোহ
স্থান ঃ ৰাণী অভয়েশ্বৰী ক্ষেত্র, অভয়াপুৰী
তাৰিখ ঃ ২৮, ২৯ , ৩০ আৰু ৩১ মার্চ ২০০৪

প্রকাশক ঃ ভাস্কৰ সিংহ
হিৰন্ময় ৰায়
যুটীয়া সম্পাদক, কোচ ৰাজবংশী সাংস্কৃতিক পৰিষদ

প্রকাশ ঃ ২৮ মার্চ ২০০৪

সম্পাদনা ঃ
উপেন বৰুৱা

অলঙ্কৰণ ঃ
বিষ্ণুৰাম দাস
বিভু চক্রবর্ত্তী
কামাখ্যা প্রসাদ ৰায়

কম্পিউটাৰ গ্রাফিকছ ঃ
বিশ্বনাথ বৰুৱা, প্রীতম দত্ত

বেটুপাতৰ ছবি ঃ
চিৰখাত হুচেইন

অক্ষৰ বিন্যাস
বিজয় মণ্ডল, ৰঞ্জিত দাস

ছপাৰ দায়িত্ব ঃ
মাইক্র কম্পিউটাৰ,
অভয়াপুৰী ♦ বঙাইগাঁও
দূৰভাষ ঃ ২৮১৫৮১, ২৮২০০১

মূল্য ঃ ৩৫.০০ টকা মাত্র

স্মৃতিগ্রন্থ সম্পাদনা সমিতি

সভাপতি ঃ
অম্বিকাচৰণ চৌধুৰী
উপ-সভাপতি ঃ
সুনীল বর্মন
সম্পাদক ঃ
উপেন বৰুৱা
সহঃ সম্পাদক ঃ
কমল কান্তি চক্রবর্ত্তী
সদস্য ঃ
মৰমী বৰঠাকুৰ তালুকদাৰ
বিশোৰ দাস
দিপাঙ্কৰ শর্মা

OKDISCD

স্মৃতিগ্রন্থ

উচৰ্গা



ভাগি গ'ল বীণা খনি
ছিগি গ'ল তাঁৰ
ৰৈ গ'ল অৱশেষ
অমিয়া জোকাৰ .....

..... সময়ৰ বালিচৰত
খোজ পেলাই
ক্লান্তি হীনভাবে
শিল্প সংস্কৃতিৰ বৰ পথাৰ খনক
পোহৰাই তোলা প্রতিজন
শিল্পী সৈনিকৰ নামত
উচৰ্গিত হ'ল
এই স্মৃতি গ্রন্থ খনি



OKDISCD

কোচ ৰাজবংশী সাংস্কৃতিক সমাৰোহ

J. P. RAJKHOWA, I.A.S.
Chief Secretary
GOVERNMENT OF ASSAM

CHIEF SECRETARY'S BLOCK
ASSAM SECRETARIAT
DISPUR
GUWAHATI-781006
Telephones : 2261120
2262258
Fax : 2260900

শুভেচ্ছা বাণী

কোচ ৰাজবংশী সকলৰ নিজস্ব সাহিত্য-সংস্কৃতি অতিশয় ঐতিহ্যমণ্ডিত। তেওঁলোকৰ ৰঙালি অবিহনে আজি অসমৰ সাহিত্য-সংস্কৃতি ইমান বৰ্ণাঢ্য নহলহেতেন।

আমাৰ ৰাজ্যখনত বিভিন্ন জনগোষ্ঠীৰ লোকে অতীজৰে পৰা মিলাপ্রীতিৰে বসবাস কৰি অহাৰ লগতে ভাষা-সাহিত্য-কলা-শিল্প-সংস্কৃতি আদিৰ ক্ষেত্রসমূহো নিজৰ সুকীয়া অৱদানেৰে পৰিপুষ্ট কৰিছে। প্রতিটো জনগোষ্ঠীয়ে ৰাজ্যখনৰ সমুহীয়া সাহিত্য-সংস্কৃতি নিজস্ব ৰঙালিৰে সমৃদ্ধ কৰাৰ উপৰিও নিজৰ সুকীয়া বৈশিষ্ট অব্যাহত ৰাখিলেহে বৈচিত্রৰ লগতে ঐক্যও সুৰক্ষিত হব ।

বিশ্ব-বিশ্রুত মহাবীৰ চিলাৰায়ৰ দৰে পাণ্ডিত্যপূর্ণ ব্যক্তিত্বৰ লোকে -(যিজনে নৌকি অসমৰ সর্বকালৰ শ্রেষ্ঠ গুৰু মহাপুৰুষ শ্রীমন্ত শঙ্কৰদেৱকো মহাৰাজ নৰনাৰায়ণৰ ৰাজ সভাত সাহিত্য সৃষ্টিত পৃষ্ঠপোষকতা কৰিছিল)- যিটো জনগোষ্ঠীক প্রতিনিধিত্ব কৰিছে - সেইহেন জাতিৰ সাহিত্য-সংস্কৃতি কেতিয়াও মোলান নপৰে । অৱশ্যে নিষ্ঠাসহকাৰে এই ক্ষেত্রত আমি অবিৰত প্রচেষ্টা চলাব লাগিব ।

মার্চমাহৰ শেষৰ চাৰিদিনত আয়োজন কৰা কোঁচ-ৰাজবংশী সাংস্কৃতিক সমাৰোহে এই দিশত আলোকপাত কৰিব পাৰিব বুলি মোৰ বিশ্বাস । সমাৰোহৰ কৃতকার্য্যতা কামনা কৰি মই শুভেচ্ছা জ্ঞাপন কৰিছো ।

১০ মার্চ, ২০০৪

জ্যোতি প্রসাদ ৰাজখোৱা
মুখ্য সচিব
অসম চৰকাৰ

Shri Chandan Kumar Sarkar MLA
Chairman
Assam State Development
Corporation for Scheduled Castes Ltd.
Sarumotoria, Dispur
Guwahati - 781006
E-mail:- chandankrsarkar@rediffmail.com

☎ 0361- 2262998 (R)
03664- 281401(R), 281480(R)
Mobile 98640- 29619
Fax 03664- 281702



Date:.....22/3/2008

শুভেচ্ছা বাণী

ইতিহাস প্রসিদ্ধ অভয়াপুৰী চহৰত বণার্ঢ্য কার্যসূচীৰে উত্তৰ পূর্বাঞ্চল সহ উত্তৰ বঙ্গঁক সামৰি লৈ অহা ২৮ মার্চৰ পৰা ৩১ মার্চ২০০৪ ইং লৈ কোচ ৰাজবংশী সাংস্কৃতিক সমাৰোহৰ আয়োজন কৰাৰ বাবে উদ্যোক্তা সকলক মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

আশা ৰাখিছো এই সাংস্কৃতিক সমাৰোহে ঐতিহাসিক কমতাপুৰৰ হেৰাই যাবলৈ উপক্রম কৰা সাহিত্য সংস্কৃতিক এনে এটা সংকটময় অৱস্থাৰ পৰা পুনৰুদ্ধাৰৰ ক্ষেত্রত এক বলিষ্ঠ পদক্ষেপ সময় উপযোগী হৈছে। সেয়ে মই এই সাংস্কৃতিক সমাৰোহৰ সর্বাঙ্গীন সাফল্য কামনা কৰিছো।

22/3/2008

শ্রী চন্দন কুমাৰ সৰকাৰ
বিধায়ক
অভয়াপুৰী দক্ষিণ (অনুঃ) বিধান সভা সমষ্টি

(Sri Chandan Kr. Sarkar)
M. L. A.
Abhayapuri South (S.C) L.A.C.

OKDISCD

Phone : 571130

সদৌ অসম ছাত্র সন্থা
ALL ASSAM STUDENTS' UNION
মুখ্য কার্য্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়
H.O. : GUWAHATI, GUWAHATI - 781014

প্রসঙ্গ ঃ

দিনাংক ঃ ২৫।০৩।০৪

শুভেচ্ছা বাণী

কোচ-ৰাজবংশী সাংস্কৃতিক পৰিষদৰ দ্বাৰা দেৱদাৱু নগৰী অভয়াপুৰী চহৰত অনুষ্ঠিত কোচ-ৰাজবংশী সাংস্কৃতিক সমাৰোহৰ লগত সংগতি ৰাখি এখনি স্মৰনিকা প্রকাশ কৰি উলিয়াব বুলি জানিব পাৰি আনন্দিত হ'লো । স্মৃতিগ্রন্থ খনিত এসময়ৰ ৰাজকীয় মর্য্যদা সম্পন্ন, উত্তৰ পূর্বাঞ্চলৰ বৃহত্তম এই জনগোষ্ঠীটোৰ ইতিহাস - ভাষা - সংস্কৃতি অবলুপ্তিৰ কাৰণ আৰু ইয়াক পুণৰ প্রতিষ্ঠাৰ উপায়ৰ নির্মোহ আলোচনা হ'ব বুলি আশা কৰিলোঁ । কোচ-ৰাজবংশী সাংস্কৃতিক পৰিষদৰ এই যোগাত্মক চিন্তাই বছৰে বছৰে সমাজত ভাতৃত্ববোধ, চেতনাবোধ আৰু ঐক্যতাৰ বাণী কঢ়িয়াই আনক ।

সমাৰোহৰ লগত জড়িত সকলক সদৌ অসম ছাত্র সন্থাৰ কেন্দ্রীয় সমিতিৰ ফালৰ পৰা শুভেচ্ছা জনালোঁ । সমাৰোহৰ পূর্ণ সফলতা কামনা কৰিলোঁ ।

(শংকৰ প্রসাদ ৰায়)
উপ-সভাপতি,
সদৌ অসম ছাত্র সন্থা

OKDISCD

সম্পাদকীয়

পৃথিৱীৰ প্ৰত্যেক জাতি বা জনগোষ্ঠীৰে নিজা নিজা বৈশিষ্ট্য পূৰ্ণ সংস্কৃতি আছে আৰু সেই সংস্কৃতিৰ পটভূমিতে জাতি বা গোষ্ঠীটোৰ সাংস্কৃতিক স্বকীয়তা প্ৰকাশ পায়। সেয়েহে কোৱা হয়- সংস্কৃতি জাতি এটাৰ উন্নতিৰ সোপান। কাৰণ যি জাতি বা গোষ্ঠী সাংস্কৃতিক ভাৱে চহকী সেই জাতি সভ্যতাৰ বহু শিখৰত উঠা বুলি কোৱা হয়। সাহিত্য-সংস্কৃতিৰ মাজতে কোনো এটা জাতিৰ প্ৰকৃত পৰিচয় লুকাই থাকে। কোনো এটা জাতিৰ সাংস্কৃতিক ইতিহাস অধ্যয়ন কৰিলে; সেই জাতিৰ সামাজিক পৰিৱেশ মানসিক বিকাশ, আশা- আকাংখ্যা, আচাৰ- অনুষ্ঠান, সৌন্দৰ্যবোধৰ লগতে সেই জাতিৰ অতীত আৰু বৰ্তমানৰ পৰিচয়ো পাব পাৰি।

প্ৰাচীন ঐতিহ্যৰে সমৃদ্ধিশালী কোচ ৰাজবংশী জনগোষ্ঠীৰো এক মহান সাংস্কৃতিক পৰম্পৰা অতীজৰ পৰাই চিৰপ্ৰবাহমান হৈ আছে। ভাৰতীয় মহাকাব্য ৰামায়ণ, মহাভাৰত, পুৰাণ আদি প্ৰাচীন শাস্ত্ৰ সমূহত উল্লেখ থকা কোচ - ৰাজবংশী জনগোষ্ঠীৰ সাংস্কৃতিক পৰিচয়ো প্ৰাচীন । কোচ সাম্ৰাজ্যৰ ৰজা মহাৰজা সকলে এই সাংস্কৃতিক পৰম্পৰা আৰু ঐতিহ্য অক্ষুন্ন ৰখাৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। এই সময়ছোৱাত ৰাজ পৃষ্ঠপোষকতাত যি এক সাংস্কৃতিক জাগৰণ হৈছিল সেয়া সৰ্বজনবিদিত। বিশেষকৈ কোচ নৃপতি মহাৰাজ নৰনাৰায়ণ আৰু তেখেতৰ কণিষ্ঠ ভ্ৰাতৃ বিশ্ব মহাবীৰ চিলাৰায়ৰ পৃষ্ঠপোষকতাত ৰাজদৰবাৰত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰমুখ্যে বিদ্বান মণ্ডলীক স্থান দিয়াৰ ফলত সাহিত্য -সংস্কৃতিৰ যি উত্তৰণ ঘটিছিল তাৰ তুলনা বিচাৰি পাবলৈ নাই। যি জাতিৰ ভাষা-সাহিত্য, কলা - সংস্কৃতি পিছ পৰি থাকে সেই জাতিয়ে সভ্য জাতি হিচাপে কেতিয়াও স্বীকৃতি নাপায়। আনহাতে 'সকলো আছিল, সকলো আছে নুগুণো নলওঁ গম' ৰ দৰে কোচ ৰাজবংশী জনগোষ্ঠীৰ যি ঐতিহ্যপূৰ্ণ সাংস্কৃতিক পৰম্পৰা আছে আজিৰ নতুন প্ৰজন্মই পুণৰুদ্ধাৰ আৰু সংৰক্ষণৰ বাবে গুৰুত্ব দিয়াৰ পৰিবৰ্তে তাক অৱহেলা কৰাহে পৰিলক্ষিত হয়। যাৰ ফলত জনগোষ্ঠীটোৰ ভাষা- সাহিত্য, কলা-সংস্কৃতি কালৰ কুটিল গৰ্ভত বিলীন হৈ যোৱাৰ উপক্ৰম হৈছে। কোৱা হয় যে, যি জাতি বা গোষ্ঠীৰ সংস্কৃতি হেৰায়, সেই জাতি বা গোষ্ঠীৰ সকলো বিলুপ্ত হৈ যায়। প্ৰাচীন কোচ সাম্ৰাজ্যৰ খিলঞ্জীয়া ভূমিপুত্ৰসকলৰ আজি আত্মপৰিচয়েই বিপন্ন হৈ পৰিছে। সম্প্ৰতি অতি আধুনিকতাৰ ধামখুমীয়াত স্বকীয় আচাৰ- ৰীতি, পৰম্পৰা ব্যাহত হৈ সু- প্ৰাচীন বৰ্ণাঢ্য ইতিহাস সময়ৰ গতিত লয় হোৱাৰ উপক্ৰম হৈছে। সু - পৰিকল্পিত আঁচনিৰ জৰিয়তে স্বকীয় সাংস্কৃতিক পৰম্পৰা পুণৰুদ্ধাৰ আৰু সংৰক্ষণৰ যোগেদি আজিৰ নতুন প্ৰজন্মক এই দিশত দৃষ্টি আকৰ্ষণ কৰাব পাৰিব লাগিব। ইয়াৰ বাবে আজি এক 'সাংস্কৃতিক বিপ্লৱ'ৰ প্ৰয়োজনবোধ হৈছে। এই বিপ্লৱ হব লাগিব প্ৰাচীন বৰ্ণাঢ্য সাংস্কৃতিক পৰম্পৰাবোৰ ধৰি ৰখাৰ লগতে বৰ্তমানৰো 'প্ৰয়োজনীয় আৰু সময়োচিত পৰম্পৰা' খিনি সংমিশ্ৰণ কৰি।

পলমকৈ হ'লেও কোচ ৰাজবংশী জনগোষ্ঠীৰ কিছুমান উদ্যোগী লোকৰ প্ৰচেষ্টাত ইং১৯৯৩ চনত 'কোচ ৰাজবংশী সাহিত্য সভা' আৰু বিগত বৰ্ষত 'কোচ ৰাজবংশী সাংস্কৃতিক পৰিষদ' নামৰ দুটা সাহিত্য-সাংস্কৃতিক অনুষ্ঠানৰ জন্ম হৈছে। আমি আশা কৰিছোঁ - এই অনুষ্ঠানে দেশ - বিদেশৰ চুকে কোণে সিঁচৰতি হৈ থকা জনগোষ্ঠীটোৰ ভাষা- সাহিত্য আৰু সাংস্কৃতিক ক্ষেত্ৰত অতি মূল্যবান মণি- মুকুতা বোৰ বুটলি আনি সোণ- পানী চতিয়াই জাজ্বল্যমান কৰি তুলিব। এই পদক্ষেপৰে এক অংশ হিচাপে 'কোচ ৰাজবংশী সাংস্কৃতিক পৰিষদে' তেনেই চালুকীয়া অৱস্থাতে থলুৱা কলা- সংস্কৃতিৰ এখন বিশাল সমাৰোহ আয়োজনৰ জৰিয়তে জনগোষ্ঠীটোৰ স্বকীয় সংস্কৃতিক জনমুখী কৰাৰ প্ৰয়াস কৰিছে। ইয়ে নিশ্চয় গোষ্ঠীটোৰ বাবে এক শুভ বাৰ্তা কঢ়িয়াই আনিছে। প্ৰজাবৎসল্যা ৰাণী অভয়েশ্বৰী দেৱীৰ ৰাজধানী দেৱদাৰু নগৰীখ্যাত অভয়াপুৰীত আৰম্ভ কৰা এই প্ৰয়াসেই এক সাংস্কৃতিক বিপ্লৱৰ ৰূপ লৈ তথাকথিত অপসংস্কৃতিৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰিব বুলি আমি আশাবাদী। তাৰ লগে লগে 'কোচ ৰাজবংশী সাহিত্য সভা' আৰু 'কোচ ৰাজবংশী সাংস্কৃতিক পৰিষদ'ৰো আৰু অধিক প্ৰসাৰ তথা প্ৰচাৰ হোৱা অতি জৰুৰী হৈছে। 'কোচ ৰাজবংশী সাংস্কৃতিক সমাৰোহ' উপলক্ষে থলুৱা ভাষা-সাহিত্য, কলা-সংস্কৃতি তথা জনগোষ্ঠীটোৰ আৰ্থ-সামাজিক দিশৰ আলোকপাত কৰি এখন সামগ্ৰীক প্ৰতিচ্ছবি সমাজত দাঙি ধৰাৰ প্ৰয়াসেৰে 'স্মৃতিগ্ৰন্থ'খন প্ৰকাশৰ আমাৰ হেঁপাহ আছিল। পিছে তাকৰীয়া সময় আৰু সীমিত কলে�ৰৰ হোৱা বাবে ইয়ে জনগোষ্ঠীটোৰ সামগ্ৰীকভাৱে সেই ছবিখন দাঙি ধৰিবলৈ সক্ষম নোহোৱাটোৱে স্বাভাৱিক । তাৰোপৰি বহু গুৰুত্বপূৰ্ণ লেখনি সময়মতে আহি নোপোৱাটোও তাৰ এক অন্যতম কাৰণ । তথাপিও আমি একেবাৰে আশাহত হবলগীয়া হোৱা নাই। ভালেকেইগৰাকী লিখকে তেওঁলোকৰ কলমেৰে নিঃ সৃত লেখনি সময়মতে দি আমাক কৃতজ্ঞতাৰ পাশেৰে বান্ধ খুৱাই ৰাখিলে। আমি আগলৈও এই ধাৰা অব্যাহত থাকিব বুলি আশা কৰিছোঁ।

সদৌ শেষত স্মৃতিগ্ৰন্থ খন প্ৰকাশৰ ক্ষেত্ৰত লেখক-লেখিকা, বিজ্ঞাপনদাঁতা, মাইক্ৰ কম্পিউটাৰৰ কৰ্মীসকল তথা প্ৰতিজন শুভাকাংখীলৈ এই সম্পাদকীয় পৃষ্ঠাৰ জৰিয়তে আন্তৰিক কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিছোঁ।

শ্ৰদ্ধাৰে -

তাৰিখ ঃ ২৮-০৩-০৪

অভয়াপুৰী

(উপেন বৰুৱা)

ORDER

কোচ-ৰাজবংশী সাংস্কৃতিক পৰিষদৰ উদ্যোগত

কোচ-ৰাজবংশী সাংস্কৃতিক সমাৰোহ

স্মৃতিগ্রন্থৰ পৃষ্ঠাই পৃষ্ঠাই ...

◆ গোৱালপৰীয়া নৃত্য-গীতত আর্য উপাদান	ড° নীলমোহন ৰায়	১
◆ ৰাজ-পৃষ্ঠপোষকতা আৰু অসমীয়া সাহিত্য দৰঙী ৰাজপৃষ্ঠপোষকতা বিশেষ উল্লিখনসহ	ড° পৰমানন্দ ৰাজবংশী	৪
◆ ৰাজবংশী ভাষাৰ উদ্ভৱ, গঠন আৰু বিকাশ	ড° দ্বিজেন্দ্র নাথ ভকত	৯
◆ প্রবাহিত সংস্কৃতিয়েই জনগোষ্ঠীৰ আত্মিক পৰিচয়	অম্বিকাচৰণ চৌধুৰী	২১
◆ 'নটুয়া'-বিৰোগেৰ গান	অমল কান্তি ৰায়	২৫
◆ বৃটিছ ডিপ্লোমেচিঃএখন বিতর্কিত ঐতিহাসিক বিবাহ	ৰঞ্জিতকলিতা	২৭
◆ উপভাষাৰ আলোকত দেশী কথাৰ অভয়াপুৰী	বিৰূপাক্ষ	৩৫
◆ ৰাজবংশী পোসাক-আসাক	লাবণ্য ভকত	৩৮
◆ ৰাজবংশীসকলৰ মাজত - হুদুমদেওৰ পূজা আৰু চৰক পূজাৰ পৰম্পৰা	দ্বীপেন্দ্র নাথ ৰায়	৪০
◆ বঙাইগাঁও জিলাৰ লোকদেৱতা আৰু অপদেৱতা	কালীন্দ্র দেৱশর্মা	৪২
◆ মান্য ৰাজবংশী ভাষা	বিভু চক্রৱর্ত্তী	৪৪
◆ বিজনী ৰাজ্যৰ লোক -সংস্কৃতিৰ পথাৰত	পার্থ কলিতা	৪৫
◆ কোচ ৰাজবংশী সমাজৰ সাঁথৰ -এক চমু আভাস	কামাখ্যা প্রসাদ ৰায়	৫০
◆ ৰাজবংশী পদবী পৰিচয়	দীপক কুমাৰ ৰায়	৫৩
◆ ৰাজবংশী ভাষা সংস্কৃতিৰ সৰবৰহী অনুষ্ঠান ঃ কুশান গান	নিৰঞ্জন ৰায়	৫৭
◆ ৰাজবংশী কৃষ্টি	যামিনী কুমাৰ বৰুৱা	৫৯
◆ ৰাজবংশী ভাষাত 'ভাংনি' ঃ 'শ্রীমদ্ভগবদ্গীতা'ৰ বিষয়ে কিছু অনুভৱ	মৰমী বৰঠাকুৰ তালুকদাৰ	৬৭
◆ কোচ ৰাজবংশী জাতিৰ সর্বাংগীন উন্নতিৰ বাবে কোচ-ৰাজবংশী সম্মিলনীৰ দায়িত্ব	প্রভাত চন্দ্র কাকতি	৭০
◆ ভাৰতত কোচ - ৰাজবংশী জনগোষ্ঠীৰ 'পৰিচিতি'	বিপিন বর্মণ	৭১
◆ বিৰল প্রতিভাৰ মহীয়সী পদ্মশ্রী প্রতিমা বৰুৱা পাণ্ডে	অৰুণা চক্রৱর্তী	৭২
◆ কোচ- ৰাজবংশী জনগোষ্ঠীৰ সাজ-পাৰ আৰু আ- অলংকাৰ	ৰমলা ৰায় সৰকাৰ	৭৪
◆ কোচ- ৰাজবংশী মহিলাৰ কর্মসংস্কৃতি	শর্মাৰাম দাস	৭৭
◆ বৃহত্তৰ অসমীয়া জাতি গঠনত কোচ ৰাজবংশী জনগোষ্ঠীৰ ভূমিকা	পৰমেশ্বৰ ৰায়	৭৯
◆ কুশান নৃত্য গীত	নির্মলেন্দু বণিক্য	৮১
◆ অসমীয়া জাতি গঠনত কোচ ৰাজবংশী সকলৰ ভূমিকা	কুঞ্জ বিহাৰী ৰায়	৮৪
◆ কোচ ৰাজবংশী জন গোষ্ঠীৰ নীৰৱ সাধক হেমেন সিংহ	তৰুণ সিংহ	৮৫
◆ কোচ ৰাজবংশী সংস্কৃতিৰ ওস্তাদ ৰমণীকান্ত ৰায়ৰ অৱদান	ভাগিৰথী ৰায়	৮৬
◆ ভাষা মৰিবাৰ বাদে জন্মে না	ড. নিখিলেশ ৰায়	৮৮
◆ চিক্নাঝাৰ আৰো চিদলী ৰাজ্যৰ ইতিহাস	জ্ঞানেন্দ্র নাৰায়ণ চৌধুৰী	৯০
◆ কালু পণ্ডিত (কবিতা)	সুনীল বর্মণ	৯৮
◆ উমাৰো অতীত আছিল (কবিতা)	বিভু চক্রৱর্তী , লিপিকা চক্রৱর্তী	৯৯

ODISD

গোৱালপৰীয়া নৃত্য-গীতত আৰ্য উপাদান

ড° নীলমোহন ৰায় প্ৰ

বিভিন্ন জনগোষ্ঠী ৰ লোকে বসবাস কৰিলেও অবিভক্ত গোৱালপাৰা জিলা মূলত কোচ-কছাৰী, ক্ষত্ৰিয়-ৰাজবংশী সম্প্ৰদায় অধ্যুষিত অঞ্চল । কোচ আৰু ৰাজবংশীসকল একেই জনগোষ্ঠীভুক্ত হয় নে নহয়, সেই বিষয়ে মতদ্বৈধ আছে। অৱশ্যে নৃতাত্ত্বিক গৱেষণাত এই জনগোষ্ঠীৰ মাজত একাধিক জনজাতিৰ সংমিশ্ৰণ থকাৰ কথা প্ৰমাণিত হৈছে । সেয়া হ'লেও কোচ - ৰাজবংশীসকল মূলতঃ মংগোলীয় গোষ্ঠীৰ লোক। খ্ৰীষ্টিয় এহেজাৰ বছৰৰ পূৰ্বে উত্তৰ- পূব ভাৰততে মংগোলীয় সংস্কৃতিৰ প্ৰভাৱ পৰিছিল। সেই সময়ত আৰ্যসকলৰ সংস্কৃত বেদৰ সংকলনৰ কাম সমাধা হয়। যজুৰ্বেদ আৰু অথৰ্ববেদত মংগোলীয় মানুহক কিৰাত বোলা হৈছে। তিব্বতৰ মংগোলীয়সকল পোনে-পোনে দক্ষিণলৈ আহি হিমালয়ৰ দাঁতিকাষৰীয়া ঠাইবোৰত বসতি কৰাৰ কাৰণে সংস্কৃত 'কক্ষৰাত' বা 'কচ্ছাত' শব্দৰ পৰা 'কিৰাত' আৰু 'কছাৰী' শব্দৰ উৎপত্তি হৈছে বুলি পণ্ডিতসকলে ধাৰণা কৰে। পণ্ডিতসকলৰ মতে, খ্ৰীষ্টিয় এহেজাৰ বছৰৰ পূৰ্বে এৰিয়ান-মংগোলীয়ান বা আৰ্য - কিৰাতৰ মাজত সাংস্কৃতিক সমন্বয় গঢ়ি উঠে। সেয়ে পৰৱৰ্তী কালত এই অঞ্চলৰ সংস্কৃতি বিভিন্ন নৰগোষ্ঠী তথা জাতি- প্ৰজাতিৰ বিভিন্ন উপাদানৰ সংমিশ্ৰণত গঢ়ি উঠা এক বৈচিত্ৰ্যপূৰ্ণ সংস্কৃতি। এই ক্ষেত্ৰত অষ্ট্ৰিক মংগোলীয় দ্ৰাবিড়, আলপাইন আৰ্য প্ৰভৃতি বিভিন্ন নৰগোষ্ঠীৰ স্বকীয় আৰু মিশ্ৰিত সংস্কৃতিৰ উপাদানৰ কথা বিশেষভাৱে উল্লেখযোগ্য। সম্প্ৰতি গোৱালপৰীয়া সংস্কৃতি বোলোতে মানাহৰ পৰা সোণকোষলৈ ব্যাপ্ত থকা এক সংহত সাংস্কৃতিক পৰিমণ্ডলকেই বুজোৱা হৈছে। লগতে গোৱালপৰীয়া সংস্কৃতিৰ মুখ্য দুটি বিভাগ সংগীত আৰু নৃত্যকহে মাথোঁ আলোচনাৰ পৰিধিভুক্ত কৰি লোৱা হৈছে।

সংগীত আৰু নৃত্য গোৱালপৰীয়া সংস্কৃতিৰ প্ৰকল্প আৰু অত্যুজ্জ্বল দুটি ধাৰা। সংগীতৰ অন্তৰ্গত ধাৰাটোত বাদ্যযন্ত্ৰ আৰু গীতৰ কথা বস্তু সোমাই থাকে। আনহাতে নৃত্যৰ মাজত আছে নাট্য বা পৰিৱেশ্য কলা আৰু উৎসৱ বা পূজা পাৰ্বণকেন্দ্ৰিক নৃত্যসমূহ। সংগীতৰ অন্তৰ্ভুক্ত বাদ্যযন্ত্ৰত ভাৰতীয় শাস্ত্ৰীয় ধাৰাৰ কিছু বাদ্যযন্ত্ৰৰো উল্লেখ পোৱা যায়। গোৱালপৰীয়া সংগীতত সততে ব্যৱহৃত বাদ্য যন্ত্ৰসমূহ হ'ল - সাৰিন্দা, বাঁশি, বেনা, দোতৰা, খঞ্জৰী, মৃদংগ, হাৰমোনিয়াম প্ৰভৃতি। ভাৰতীয় বাদ্যযন্ত্ৰৰ তালিকাতো সাৰেংগী, বংশি, মৃদংগ, বীণা আদিৰ নাম পোৱা যায়।

আনহাতে গীতসমূহৰ কথাবস্তু লোকায়ত জীৱনৰ পটভূমিত আৰু স্বকীয় ভংগীত সৃষ্টি কৰি লোৱা হ'লেও তাৰ মাজত আৰ্য প্ৰভাৱ প্ৰসূত ভাৰতীয় শাস্ত্ৰ, পু�ৰাণ-উপপুৰাণ আৰু বৈষ্ণৱীয় ভাৱ-দৰ্শনৰ সংমিশ্ৰিত ৰূপ পোৱা যায়। ভাৰতীয় মহাকাব্য ৰামায়ণ- মহাভাৰত আৰু অন্যান্য পুৰাণ আদিৰ কাহিনী সম্বলিত গীত আৰু আখ্যানকথনৰ কথাবস্তুই গোৱালপৰীয়া সংগীতত আৰ্য প্ৰভাৱকে সূচায় । তদুপৰি ভাৰতীয় ৰসশাস্ত্ৰত উল্লিখিত আৰু চৰ্চিত বিভিন্ন ৰস বিশেষকৈ আদি বা শৃংগাৰ , কৰুণ, হাস্য আদিৰ সণ্ঢালনি প্ৰয়োগ এই অঞ্চলৰ গীত আৰু আখ্যানৰ কথাবস্তু অবিচ্ছেদ্যভাৱে মিহলি হৈ আছে। বিৰহ একমাত্ৰ মধ্যযুগীয় বৈষ্ণৱধাৰাৰেই নহয়, ভাৰতীয় সাহিত্য - সংগীতৰেই এক বহুল ব্যৱহৃত ভাৱ-ঐশ্বৰ্য। গোৱালপৰীয়া গীত আৰু আখ্যানতো এই বিষয় ভাবনাই বিশেষ স্থান দখল কৰি আছে। ৰামায়ণত ৰাম-সীতাৰ বিৰহ, মেঘদূতৰ যক্ষ-বিৰহ আৰু বৈষ্ণৱশাখাৰ ৰাধাকৃষ্ণ বিৰহৰ অনুসৃতি গোৱালপৰীয়া সংগীতত বৰ নিবিড় আৰু গভীৰভাৱে উপলব্ধ হয়। সেইদৰে জয়দেৱৰ 'গীতগোবিন্দ'ৰ ৰাধাকৃষ্ণৰ প্ৰেম-প্ৰণয় আৰু বিৰহৰ দৰেই বিদ্যাপতি, চণ্ডিদাস, বড় চণ্ডীদাস আদিৰ প্ৰণয়-সম্ভোগ আৰু বিৰহৰ প্ৰতিধ্বনিত গোৱালপৰীয়া বিভিন্ন বিষয়ৰ গীতত দকৈ অনুভূত হয়। প্ৰাচীন ভাৰতীয় কাব্য আৰু মধ্যযুগীয় বৈষ্ণৱকাব্যত বহুচৰ্চিত পোষিতভৰ্তৃকা নায়িকাৰ বিৰহগাথাঁ যেন গোৱালপৰীয়া নাৰীহৃদয়নিঃসৃত বাৰমাস্যৰ গীতত অঙ্গাঙ্গীভাৱে বিজড়িত হৈ আছে।

গোৱালপৰীয়া গীতৰ বিস্তৃত অংশ আৱৰি আছে মানুহৰ গান, মৈষালৰ গান, গাৱোৱালৰ গান আৰু নাইয়া (নাৱৰীয়া) ৰ গানৰ দ্বাৰা। এই গীতবোৰৰ বেছি ভাগৰে বিষয়বস্তু লৌকিক প্ৰেম আৰু বিৰহ। এইবোৰৰ উপৰিও দেহতত্ত্বমূলক ভালেসংখ্যক গীতো আছে। এই শ্ৰেণীৰ গীতৰ মাজেৰে বৈৰাগ্যমূলক ভাৱধাৰা,

দেহবিচাৰ আৰু আধ্যাত্মিক তত্ত্ব প্ৰকাশ পাইছে।

উপযুক্ত গীতধাৰাৰ বিষয়বস্তু আৰু পৰিৱেশন ৰীতিৰ মাজত ভাৰতীয় প্ৰেম- প্ৰণয়ৰ ধাৰণা আৰু আধ্যাত্মিক তথা ধৰ্ম- দৰ্শনৰ কেতিয়াবা স্পষ্ট আৰু কেতিয়াবা প্ৰচ্ছন্ন উপস্থিতি লক্ষ্য কৰা যায়। সেইদৰে মাৰৈ গান, পদ্মাপুৰাণৰ গান আদিতো ভাৰতীয় ৰাগ-ৰাগিনী আৰু বিভিন্ন দেৱ-দেৱীৰ উল্লেখ এইবোৰত আৰ্যসংস্কৃতি ৰ অনুসৃতি ঘটাকেই সূচিত কৰে। গোৱালপৰীয়া সংস্কৃতিত 'পালাগান' নামেৰে এবিধ গীত আছে। 'পালাগান'ৰ আখ্যান মহাভাৰতৰ হৰিশ্চন্দ্ৰ, নল-দময়ন্তী, দাতাকৰ্ণ, বৃষকেতু আদি পৌৰাণিক কাহিনীৰ পৰা লোৱা হয়। কিছুমান কাল্পনিক পালাগানো আছে; যেনে - মদনকুমাৰ, কমলাৰ বনবাস, বেলমতী, শীতবসন্ত প্ৰভৃতি। এইবোৰো স্বৰূপতে আৰ্য আৰু আৰ্যতেৰ সাংস্কৃতিক উপাদানৰ সংমিশ্ৰিত ৰূপহে।

গোৱালপৰীয়া সংস্কৃতিৰ এটি বলিষ্ঠ আৰু বৈচিত্ৰ্যমণ্ডিত ধাৰা হ'ল নৃত্য। এই নৃত্যধাৰা যিদৰে স্বাতন্ত্ৰ্যদীপ্ত, সেইদৰে ই বহুধা বিচিত্ৰ। 'গোৱালপৰীয়া লোকসংস্কৃতি আৰু লোকগীত' নামৰ গ্ৰন্থত ড° ধীৰেন দাসে গোৱালপৰীয়া নৃত্যক প্ৰধানকৈ এঘাৰটা বিষয়ত বিভক্ত কৰিছে ঃ

১। কাতিপূজাৰ নৃত্য
২। বাঁশপূজাৰ নৃত্য
   (ক) মাদাৰ
   (খ) চাতালী
৩। হুদুমপূজাৰ নৃত্য
৪। চৰকপূজাৰ নৃত্য
   (ক) চণ্ডীকাচ
   (খ) গোৱালনী
৫। সোনাৰায় পূজাৰ নৃত্য
৬। গোৰখ্নাথ পূজাৰ নৃত্য
৭। ৰাবাণ নৃত্য
৮। চণ্ডীনৃত্য
৯। মাগন নৃত্য
১০। চট্‌কা বা থেৰ্‌কা নৃত্য
১১। পয়াৰ নৃত্য
   (ক) কুশান পয়াৰ
   (খ) পালাগানৰ পয়াৰ

(ঘ) পদ্মাপুৰাণৰ পয়াৰ

গীতৰ সৈতে নৃত্যৰ সম্বন্ধ অতি মধুৰ, অবিচ্ছেদ্য। গীতত উদ্বেলিত হৈ উঠিলেই দেহতো তাৰ স্পন্দন জাগে। অন্যান্য লোকনৃত্যৰ দৰেই গোৱালপৰীয়া নৃত্যবোৰো সহজ- সৰল স্বতঃস্ফূৰ্ত। তদুপৰি এই নৃত্য প্ৰাণচাঞ্চল্যেৰে মুখৰিত, স্পন্দিত। গোৱালপৰীয়া লোকনৃত্যৰ সহজেই চকুত পৰা কেইটামান সাধাৰণ বৈশিষ্ট্য হ'ল ঃ

১। ই কিছুক্ষেত্ৰত লয়লাস ভঙ্গিমাযুক্ত, বিশেষকৈ ৰাধাকৃষ্ণৰ প্ৰেম-প্ৰণয় বিষয়ক নৃত্যগীতবোৰ। ই আৰ্য প্ৰভাৱৰ ফল বুলি ভাবিব পাৰি, কিয়নো আৰ্যতেৰ নৃত্য-গীতত লয়লাস ভঙ্গিমাৰ স্থান নাই।

২। নৃত্য-বচন প্ৰকাশ কৰিবলৈ কেতিয়াবা মাথো দৈহিক অংগ- প্ৰত্যংগৰ সঞ্চালন কৰা হয় যদিও কেতিয়াবা ইয়াৰ লগতে বাঁহৰ সৰু লাঠি, খৰ্গ বা তৰোৱাল, চোঁৰৰ, কুলা, ধনুকাঁড় আদিও ব্যৱহাৰ কৰা হয়।

৩। ক্ষেত্ৰবিশেষে বিবিধ মুখা পিন্ধিও নৃত্যক হৃদয়গ্ৰাহী কৰি তোলা হয়।

৪। নৃত্যসমূহৰ অধিকসংখ্যক ঘূৰণীয়া আৰু কেতিয়াবা অথালি- পথালিকৈ নচা নৃত্য।

৫। নৃত্যত পদ আৰু হস্ত সঞ্চালন ধীৰ আৰু মন্থৰ; কেতিয়াবা বিষম সঞ্চালনো আছে।

৬। বেছিভাগ নৃত্যই কোমল (polite), কমসংখ্যক নৃত্যতহে তাণ্ডৱীয় (rough) গুণ আছে।

৭। বেছিভাগ লোকনৃত্যই গঢ়ি উঠিছে বিভিন্ন পূজা পাৰ্বণক কেন্দ্ৰ কৰি।

গোৱালপাৰাৰ প্ৰসিদ্ধ কেইটামান লোক-নৃত্যানুষ্ঠান হ'ল- কাতিপূজা, বাঁশপূজা, হুদুম্‌দেও পূজা, সোনাৰায় পূজা প্ৰভৃতি।

১। কাতি পূজা ঃ স্ত্ৰী-আচাৰ প্ৰাধান্যযুক্ত এটি অনুষ্ঠান হ'ল কাতিপূজা। পুত্ৰ কামনা কৰা দম্পত্তিয়ে কাৰ্তিক দেৱতালৈ এই পূজা আগবঢ়ায়। কাৰ্তিক স্বীকৃত শাস্ত্ৰীয় দেৱতা। স্কন্ধপুৰাণত এই পূজাৰ উল্লেখ আছে। কিন্তু শাস্ত্ৰীয় পূজাবিধিৰ বহুতো অনুষংগই ইয়াত অনুপস্থিত। কাৰ্তিকৰ সৈতে যিদৰে সন্তান জন্মৰ অনুষংগ জড়িত হৈ থাকে, সেইদৰে বিজড়িতহৈ থাকে শস্য কামনাৰ বিশ্বাসো। স্থানীয় ভিন্ন বয়সৰ তিৰোতাই কাৰ্তিক-মূৰ্তিৰ সন্মুখত অশ্লীলতাৰ গোন্ধ থকা নগ্ন নৃত্য-গীতত মত্ত হৈ উঠে। ঢাকুৰা (ঢাক বজাওতা)ৰ বাহিৰে কোনো পুৰুষৰেই এই পূজা বা নৃত্যানুষ্ঠানত অংশগ্ৰহণ নিষেধ। সন্তান কামনা আৰু শস্য কামনা

দুয়ো একেলগে মিলি যায় এই অনুষ্ঠানত। প্রাচীন কৃষিজীৱী সমাজত নাৰীৰ ভুমিকা কেনে আছিল তাৰ এটি দুৰণিবটীয়া আভাস পোৱা যায় এই অনুষ্ঠানৰ জৰিয়তে। মাতৃতান্ত্রিকতাৰ অৱশেষ হয়তো এই পূজাৰ নৃত্যানুষ্ঠানৰ মাজত এতিয়াও ৰৈ গৈছে। এই অনুষ্ঠান আর্য আৰু আর্যতেৰ বৈশিষ্ট্যৰ সংমিশ্রিত ৰূপ বুলি নিঃসন্দেহে ক'ব পাৰি।

২। বাঁশ পুজা ঃ চ'ত মাহৰ মদন চতুর্দশীত বাঁশপূজা অনুষ্ঠিত হয়। এই পূজাৰ উপলক্ষ কামদেৱ। যৌৱন আৰু কামনা-বাসনাক ধৰি ৰখাৰ তাগিদাতেই পুৰুষসকলেএই পূজা কৰে। দুডাল বাঁহক বগা আৰু ৰঙা কাপোৰেৰে মেৰিয়াই লোৱাৰ মাজত নাৰীপুৰুষৰ মিলনৰ ইংগিত নিহিত থকা বুলি ধৰিব পাৰি। গাঁৱৰ বাহিৰত আদি ৰসাত্মক গান গাই নৃত্য কৰি কৰা এই পূজাবিধিৰ মাজতেই নিহিত আছে জনজাতীয় বিশ্বাসৰ পৰিচয়।

৩। হুদুমদেও পূজা ঃ এই পূজানুষ্ঠানো সম্পূর্ণ স্ত্রী আচাৰ যুক্ত। বহুদিন ধৰি অনাবৃষ্টি চলি থাকিলে বৰষুণ অনাৰ উদ্দেশ্যে তিৰোতাসকলে দলবদ্ধভাৱে নগ্ন অৱস্থাত লোকালয়ৰ বাহিৰলৈ গৈ এই পূজানুষ্ঠান পাতে। সেই নিশা পুৰুষসকলৰ বাহিৰলৈ ওলোৱা নিষেধ। খৰাংপীড়িত পৃথিৱীৰ বুকুলৈ বৰষুণ নামি অহা কার্যক নৰনাৰীৰ মিলনৰ ৰূপক বুলি গণ্য কৰা হয়। সেই হেতুকেই মেঘদেৱতাৰ প্রতীকৰূপী কলগছজোপাক আলিংগন কৰে নগ্ন প্রধানা পূজাৰিণীয়ে। উদ্দীপক গান আৰু নৃত্যৰ বিভিন্ন মুদ্রাত পূজাভাগ চলি থাকে। সেয়ে এই পূজাই সহজেই মনলৈ আনি দিয়ে সেই সমাজৰ প্রতিচ্ছবি, য'ত সমাজ পৰিচালনাত মাতৃকুলৰ ভুমিকা আছিল অধিক সক্রিয় আৰু বেছি সন্মানজনক। সেই সমাজত পূজানুষ্ঠান হৈছিল সম্পূর্ণ পার্থিৱ কামনাত, য'ত যজ্য আৰু যজমানৰ মাজত পুৰোহিততন্ত্রৰ কোনো প্রয়োজন নাছিল। উল্লেখ্য যে, হুদুমদেও পূজাৰ ব্যুৎপত্তি সম্পর্কে আলোকপাত কৰি বহুতেই ইয়াক মংগোলীয় জনগোষ্ঠীৰ তথা বড়োমূলীয়া সংস্কৃতি সম্ভূত বুলি কৈছে।

৪। সোনাৰায় পূজা ঃ সোনাৰায় কোনো শাস্ত্রীয় দেৱতা নহয়, বনৰ বাঘেই সোনাৰায় ৰূপে পূজিত হয়; সেয়ে এই পূজাত মন্ত্র আৰু পুৰোহিতৰ প্রয়োজন নাই। অৰণ্যৰ হিংস্র জন্তু বাঘক সন্তুষ্ট কৰিবলৈয়ে গৰখীয়াসকলে এই পূজানুষ্ঠানৰ আয়োজন কৰে। ফুলৰ দ্বাৰা মেৰিয়াই লোৱা লাঠিকেই সোনাৰায়ৰ প্রতীক কৰি গৰখীয়াসকলে ঘৰে-ঘৰে ধান মাগি ফুৰে। শেষত সেই ধানেৰে লগভাত খায়। পুৰণিকালত অৰণ্যসংলগ্ন অঞ্চলত বসবাসকাৰী মানুহৰ কাৰণে বাঘ আছিল সাক্ষাৎ যমসদৃশ। সেই যমৰাজক সন্তুষ্ট ৰখাৰ বাসনাতেই এই পূজাৰ উৎপত্তি। বড়ো জাতিৰ মাজতো এই বাঘপূজা আছে। বড়ো ভাষাত বাঘক 'মৌছা' আৰু বাঘৰ উপাসকসকলক 'মৌছাহাৰী' বোলে। মুঠতে সোনাৰায় জন-জাতীয় সংস্কৃতিৰ অন্তর্ভূক্ত এবিধ গীতানুষ্ঠান।

এইবোৰৰ উপৰি মাদাৰৰ গীত- নৃত্য, চৰকৰ গীত-নৃত্য আদিৰ কথাও এই প্রসংগত উল্লেখ কৰিব পাৰি। বিশেষকৈ চৰক পূজাৰ সময়ত মাজনিশা কৰা খর্গৰে সজ্জিত কালীচণ্ডীৰ নাচৰ উদ্দামতা সঁচাকৈয়ে উপভোগ্য নৃত্যানুষ্ঠান। আনহাতে গোৱালপৰীয়া নৃত্যগীতত পৰা আর্য প্রভাৱৰ এটি স্বচ্ছ উদাহৰণ হ'ল- কুশান গান। গীত, নৃত্য আৰু নাট্যৰ সমন্বয়ত গঢ়ি তোলা কুশানগান দলীয় পৰিৱেশ্য কলা। ইয়াক লোক নাট্যানুষ্ঠানৰ শাৰীত পেলাব পাৰি। ৰামায়ণৰ কুশ নামৰ পৰাই এই নৃত্যাভিনয়ৰ নামকৰণ হৈছে আৰু ইয়াৰ মুখ্য পৰিৱেশ্য বিষয়য়েই হ'ল ৰামায়ণৰ আখ্যান। অৱশ্যে কেতিয়াবা মহাভাৰতৰ আখ্যান-উপাখ্যানো পৰিবেশিত হয়। কুশানগানত সাধাৰণতে ব্রহ্মা, বিষ্ণু, মহেশ্বৰ, বাগদ্বেৰী সৰস্বতী, পর্বত, সাগৰ, দশোদিশ আদিৰ বন্দনা কৰা হয়। তদুপৰি দশৰথ, ৰাম, জানকী, হনুমান প্রভৃতিৰ বন্দনা ৰীতিও এই অনুষ্ঠানৰ অংগীভূত। এইবোৰেই অনুষ্ঠানৰ আর্যমূলকতা প্রমাণ কৰে। এনে অনুষ্ঠানমূলক অন্যান্য লোকনাট্যানুষ্ঠান যেনে- ময়নামতী, গোৱালিনী, মৰিচমতী, ভেলোৱাসুন্দৰী, আইনামতী প্রভৃতিৰ মাজেৰেও নৃত্য আৰু অভিনয়ৰ যৌথ উপাদান পৰিলক্ষিত হয়।

শেষত এই কথা ক'ব পাৰি যে, একমাত্র গোৱালপৰীয়া সংগীত আৰু নৃত্যৰ মাজতেই যে আর্য আৰু আর্যতেৰ ধাৰা মিলিত হৈছে এনে নহয়, সামগ্রিক ভাৱে গোৱালপৰীয়া সংস্কৃতিয়েই মিলি গৈছে বিভিন্ন নৰগোষ্ঠী তথা জাতি- উপজাতিৰ বিভিন্ন সাংস্কৃতিক উপাদানৰ সন্মিলিত বিশাল মোহনাত। ❑

প্রসঙ্গ পুথি ঃ

১। দাস, ধীৰেন ঃ গোৱালপৰীয়া লোকসংস্কৃতি আৰু লোকগীত; প্রথম প্রকাশ, ১৯৯৪।
২। চৌধুৰী, অম্বিকাচৰণ ঃ কোচ- ৰাজবংশী জাতিৰ ইতিহাস আৰু সংস্কৃতি।
৩। পাল, সুকান্ত ঃ প্রসংগ ঃ লোকসংগীত; প্রথম প্রকাশ, ১৯৯৫।
৪। বৰুৱা, নীহাৰ ঃ প্রান্তবাসীৰ ঝুলি, প্রথম প্রকাশ, ২০০২।

ৰাজ-পৃষ্ঠপোষকতা আৰু অসমীয়া সাহিত্য

দৰঙী ৰাজপৃষ্ঠপোষকতা বিশেষ উল্লিখনসহ

ড° পৰমানন্দ ৰাজবংশী

বিশ্ব সাহিত্যৰ যি কেইটা গৌৰৱময় যুগ আছেইয়াৰ ভিতৰত এলিজাবেথীয় যুগ শ্ৰেষ্ঠ। আনহাতে গ্ৰীছৰ পেৰিকিল্‌ছৰ যুগ, ৰোমৰ আগষ্টৰ যুগ, ফ্ৰান্সৰ চতুৰ্দশ লুইৰ যুগ সংশ্লিষ্ট দেশৰ ভাষা-সংস্কৃতি বিকাশৰ এক গৌৰৱোজ্জ্বল অধ্যায়। আনকি ভাৰতৰ দ্বিতীয় চন্দ্ৰগুপ্তৰ সময় ভাষা সাহিত্য বিকাশৰ এক স্বৰ্ণময় যুগ। ভাষা- সংস্কৃতি বিকাশৰ দিশটোৰ লগত ৰাজনৈতিক উত্থান-পতনৰ দিশটোও জড়িত হৈ থাকে। এক অনুকূল ৰাজ পৃষ্ঠপোষকতা অবিহনে ভাষা সাহিত্য সংস্কৃতিৰ আশানুৰূপ উন্নতি সম্ভৱপৰ নহয়।

অসমীয়া ভাষা সাহিত্যৰ বিকাশতো ৰজাঘৰীয়া পৃষ্ঠপোষকতা পৰিলক্ষিত হৈ আহিছে। চচাৰৰ যুগৰ পৰা এলিজাবেথীয়া যুগত ভৰি দিয়াৰ লগে লগে যেনেদৰে ইংৰাজী সাহিত্য ফলে-ফুলে জাতিষ্কাৰ হৈ উঠিল, একেদৰে অসমীয়া সাহিত্যও বৰাহী ৰজা মহামাণিক্যৰ দিনৰে পৰা ৰজাঘৰীয়া পৃষ্ঠপোষকতা লাভ কৰি ঠন ধৰি উঠিছে। ইয়াৰ পাচত কোচবেহাৰত কেন্দ্ৰীভূত হৈ পৰা অসমীয়া সাহিত্যৰ বিকাশত শ্ৰীমন্ত শঙ্কৰদেৱৰ সৈতে সহযোগ কৰিলে অন্যান্য শিষ্য প্ৰশিষ্যসকলে।

খ্ৰীষ্টীয় চতুৰ্দশ শতিকাত মহামাণিক্য দুৰ্ল্লভনাৰায়ণ, ইন্দ্ৰনাৰায়ণৰ পুণ্যোদ্যোগ আৰু কথাৰসাস্বাদৰ অনুৰাগেই শংকৰপূৰ্ব অসমীয়া সাহিত্যক তাৰ সত্ত্বা দান কৰিছে।[১] অথচ এই সময়ছোৱাতে অসমখন আছিল কেইবাখনো সৰু-সৰু ৰাজ্যত বিভক্ত। এসময়ৰ কামৰূপ ৰাজ্যই গোৱালপাৰা আৰু উত্তৰ বংগৰ কিছু অঞ্চল সামৰি কমতা ৰাজ্য হিচাপে ত্ৰয়োদশ শতিকাৰ মাজভাগত আত্মপ্ৰকাশ কৰে। ফলত ১৪৯৮ খৃষ্টাব্দলৈকে কমতা পুৰেই অসমীয়া সাহিত্য চৰ্চাৰ কেন্দ্ৰস্থল হৈ থাকে।[২] এই কমতা ৰাজ্যৰ ৰজাসকলৰ বিষয়ে সবিশেষ জনাৰ কোনো উপায় নাই। যিহেতু নিৰ্ভৰযোগ্য তথ্য পাতিৰ অভাৱ। কিন্তু এই কমতা ৰাজ্যৰ কেইবাজনো ৰজাক আজিকোপতি অসমীয়া সাহিত্যত জীয়াই ৰাখিছে তদানীন্তন অসমীয়া কবি কেইগৰাকীমানে।

এই পৃষ্ঠপোষক ৰজা কেইজন হ'ল- দুলৰ্ভনাৰায়ণ, পুতেক ইন্দ্ৰ নাৰায়ণ আৰু তাম্ৰধ্বজ। চতুৰ্দশ শতিকাৰ কছাৰী ৰজা মহা মাণিক্যৰ ৰাজ-পৃষ্ঠপোষকতাত অপ্ৰমাদী কবি মাধব কন্দলিয়ে বাল্মীকি ৰামায়ণৰ পদ-ভাঙনি কৰি অসমীয়া সাহিত্যৰ বিকাশত উল্লেখযোগ্য অৰিহণা আগবঢ়াইছিল।

ইয়াৰ পিছতেই কমতাপুৰৰ ৰজা দুৰ্লভনাৰায়ণৰ ৰাজ পৃষ্ঠপোষকতাত হৰিবৰ বিপ্ৰই 'লৱ-কুশৰ যুদ্ধ', 'বভ্ৰুবাহনৰ যুদ্ধ' আৰু 'তাম্ৰধ্বজৰ যুদ্ধ' ৰচনা কৰিছিল। এই কমতা ৰজাৰ অনুপ্ৰেৰণাতেই হেম সৰস্বতীয়ে 'প্ৰহ্লাদ চৰিত্ৰ' আৰু 'হৰগৌৰী সম্বাদ', ৰজা ইন্দ্ৰনাৰায়ণৰ পৃষ্ঠপোষকতাত কবিৰত্ন সৰস্বতীয়ে 'জয়দ্ৰথ বধ' আৰু ৰুদ্ৰ কন্দলিয়ে 'সাত্যকি প্ৰৱেশ' ৰচনা কৰিছিল।

অসমীয়া সাহিত্যৰ বুৰঞ্জীত উল্লিখিত কছাৰী ৰজা আৰু কমতা ৰজাৰ পৃষ্ঠপোষকতাৰ সাহিত্যৰ যুগটো প্ৰাক শংকৰী যুগ হিচাপে পৰিচিত। ৰামায়ণ, মহাভাৰতৰ উপৰিও পুৰাণৰ পদৰ প্ৰতি কবিসকল আগ্ৰাহান্বিত হোৱা কথাটো এই যুগৰ বিশেষ লক্ষ্যণীয়। বিশেষকৈ 'জৈমিনীয়াশ্বমেধ'ৰ ওপৰত ভিত্তি কৰি লিখা কাব্য এই সময়ৰ উল্লেখযোগ্য কৃতি। কমতাপুৰৰ পতনৰ পিছত পুনৰ অসমখন ক্ষুদ্ৰ-ক্ষুদ্ৰ ৰাজনৈতিক শক্তিৰ ছত্ৰছায়াত বিভিন্ন খণ্ডিত ৰাজ্যৰ ৰূপ লয়।

ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে মধ্য অসমত কছাৰী, উত্তৰ পাৰে ভুঞা, পূৰ্বাঞ্চলত চুতীয়া আদি জনগোষ্ঠীৰ ৰজাসকলে শাসন কৰিছিল। ত্ৰয়োদশ শতিকাৰ প্ৰাৰম্ভতে পাটকাই পৰ্বত পাৰ হৈ উত্তৰ-পূৱ ব্ৰহ্মদেশৰ পৰা শ্বানজাতীয় আহোমসকলে অসমৰ পূৱ প্ৰান্তত প্ৰৱেশ কৰি ক্ৰমে ৰাজ্য বিস্তাৰ কৰিবলৈ ধৰিলে।[৩] সাতৰাজ মাৰি একৰাজ কৰা আহোমসকলে লাহে-লাহে কলিয়াবৰলৈকে নিজ ৰাজ্যৰ কলেৱৰ বহল কৰে।

পুৰণি কমতা ৰাজ্যৰ দুৰ্বল ভেটিত পঞ্চদশ শতিকাৰ শেষভাগত আন এক কোচ ৰাজবংশই মূৰ দাঙি উঠে। এই ৰাজবংশ বিশ্বসিংহই প্ৰতিষ্ঠা কৰাৰ পিছত নৰনাৰায়ণ আৰু চিলাৰায়ৰ নেতৃত্বত সবল ৰূপ ধাৰণ কৰে। আনকি কোচ ৰজাসকলে প্ৰতাপী আহোমকো তলতীয়া কৰে। বিদ্যোৎসাহী, জ্ঞানী-গুণী মহাৰাজ নৰনাৰায়ণ আৰু দেৱান চিলাৰায়ৰ উদ্যোগত

OKDISCD

ৰাজধানী কোচবেহাৰৰ ৰাজসভা বিক্রমাদিত্যৰ ৰাজসভা সদৃশ হৈ পৰিল। আহোম প্রমুখ্যে বিভিন্ন প্রতিকূল শক্তিৰ বাধা নিষেধত সাহিত্য সৃষ্টিৰ অনুকূল পৰিবেশ নোপোৱাত এই সময়তেই শ্রীমন্ত শঙ্কৰদেৱে চিলাৰায়ৰ নির্ভয় ছত্রছায়াত কোচবেহাৰ ৰাজ সভালৈ কাব্যচর্চাত মনোনিবেশ কৰিলে। পণ্ডিত পীতাম্বৰ সিদ্ধান্ত বাগীশ, ৰাম সৰস্বতী আদি বিদ্বান মণ্ডলীকো কোচবেহাৰ ৰাজসভালৈ আদৰি অনা হ'ল।

শঙ্কৰদেৱৰ নেতৃত্বত অসমীয়া ভাষা - সাহিত্যৰ চর্চা অব্যাহত থাকিল। মূলতঃ বৈষ্ণৱ ধর্ম প্রচাৰৰ বাবে ৰচিত হ'লেও কাব্যিক বিচিত্র গুণেৰে সুষমামণ্ডিত বৈষ্ণৱ সাহিত্যই গীত - পদ- নাটৰ মাধ্যমেৰে অসমীয়া সাহিত্যৰ সৌধ ক্রমান্বয়ে উচ্চ কৰিলে।

শ্রীশ্রী মাধৱদেৱেই প্রকৃতার্থত কোচবেহাৰত কেন্দ্রীভূত হোৱা অসমীয়া সাহিত্যক বিকেন্দ্রীকৰণত উদ্যোগ ল'লে।[৪] যেতিয়া বৈষ্ণৱ ধর্ম প্রচাৰৰ বাবে তেৰাই কেইবাজনো সন্ত-মহন্তক কামৰূপ অসমৰ বিভিন্ন ঠাইলৈ প্রেৰণ কৰিলে সেইসকলৰ উদ্যোগতেই গঢ়ি উঠা সত্রসমূহ হৈ পৰিল অসমীয়া ভাষা সাহিত্যৰ উপকেন্দ্র সদৃশ। পঞ্চদশ শতিকাৰ শেষভাগত কোচবেহাৰত উদ্ভৱ হোৱা ৰাজনৈতিক অস্থিৰতাৰ সুযোগলৈ চিলাৰায়ৰ পুত্র ৰঘুদেৱ নাৰায়ণে ফালৰি কাটি বিজয়নগৰক ৰাজধানী হিচাপে লৈ সুকীয়া ৰাজ্য গঢ়ি তুলিলে। ফলত কোচবেহাৰৰ ৰাজসভাত অসমীয়া ভাষা-সাহিত্যৰ চর্চা বাধাগ্রস্ত হ'ল। তেতিয়া ৰাম সৰস্বতী, পীতাম্বৰ সিদ্ধান্ত বাগীশ প্রমুখ্যে এচাম পণ্ডিত ৰঘুদেৱনাৰায়ণৰ ৰাজসভালৈ আহি স্থিতি ল'লেহি।

শ্রীশ্রী মাধৱদেৱে তেনে পৰিস্থিতিত অকলেই নৰনাৰায়ণৰ পুত্র লক্ষ্মীনাৰায়ণৰ ৰাজসভাত অসমীয়া সাহিত্যৰ চর্চাত মুখ্য ভূমিকা গ্রহণ কৰিব লগা হ'ল। শ্রীশ্রী মাধৱদেৱৰ তিৰোধানৰ পিছত কোচবেহাৰৰ অসমীয়া সাহিত্যত বংগীয় প্রভাৱ পৰিল। কোচবেহাৰত শংকৰ-মাধৱ-ৰামসৰস্বতীয়ে গঢ়ি তোলা সাহিত্যিক পৰম্পৰা অব্যাহত থাকিল যদিও বংগীয় প্রভাৱত ই ক্রমাৎ অচিন ৰূপ ল'বলৈ ধৰিলে।

কোচবেহাৰৰ শক্তিশালী কোচ ৰাজ্যৰ ভেটি সোলোক-ঢোলোক হোৱাত ক্রমাৎ শক্তিশালী ৰাজশক্তি হিচাপে মূৰ দাঙি উঠা আহোমসকলৰ পৃষ্ঠপোষকতাত ৰংপুৰক কেন্দ্র কৰি অসমীয়া সাহিত্যৰ দ্বিতীয়টো বৰভেটি গঢ় লৈ উঠিল। স্বর্গদেউ জয়ধ্বজ সিংহই (১৬৪৫-৬৩) আগে ৰাজপৃষ্ঠপোষকতা নোপোৱা বৈষ্ণৱ সন্ত-মহন্তসকলক প্রত্যক্ষভাৱে গুৰুত্ব দিয়াৰ লগে লগে সাহিত্য চর্চাৰ স্থবিৰতা ক্রমান্বয়ে নোহোৱা হৈ আহিল। বৈষ্ণৱ সত্র সমূহত বৈষ্ণৱ পদাৱলী, অঙ্কীয়া নাটৰ আর্হিত নাট সৃষ্টি, চৰিত সাহিত্যৰ চিন্তা-চর্চা অব্যাহত থাকিল। আনপিনে ৰূদ্রসিংহ, শিৱসিংহ, বৰৰজা ফুলেশ্বৰী, ৰাজেশ্বৰ সিংহ, কমলেশ্বৰ সিংহ, চন্দ্রকান্ত সিংহ আদি স্বর্গদেউসকলৰ উপৰিও বিভিন্ন ৰাজবিষয়া কর্মচাৰীৰ সহযোগত অসমীয়া ভাষা-সাহিত্যই এক নতুন গতি লাভ কৰিলে। কোচবিহাৰৰ ভাগৱত পুৰাণকেন্দ্রিক সাহিত্যৰ সুঁতিটি আহি যেন ৰংপুৰত বৈচিত্র্যময় ৰূপত আত্মপ্রকাশ কৰিলে।

অসমীয়া শৈৱ-শাক্ত সাহিত্যৰ উদ্ভৱস্থলী ৰূপে অসমীয়া শৃংগাৰ ৰসাত্মক সাহিত্য সৃষ্টিৰ প্রেৰণাভূমি ৰূপে আৰু অসমীয়া বুৰঞ্জী সাহিত্যৰ সৃষ্টি ভূমি হিচাপে আহোমৰ ৰাজধানী ৰংপুৰ যেনেকৈ বুৰঞ্জীত চিৰস্মৰণীয় হৈ ৰ'ল, তেনেকৈ আহোম ৰাজ - পৃষ্ঠপোষকতা অতি উল্লেখযোগ্য হৈ থাকিল।

আহোম ৰাজ-পৃষ্ঠপোষকতাৰ উপৰিও পৃষ্ঠপোষক স্বর্গদেউ কেইগৰাকী মানে নিজে অসমীয়া সাহিত্যৰ চর্চা কৰিছিল। স্বর্গদেউ ৰূদ্রসিংহ, শিৱসিংহই শাক্ত ভাৱাপন্ন গীত ৰচনা কৰিছিল আৰু স্বর্গদেউ জয়ধ্বজ সিংহই ৰামায়ণৰ বিষয়বস্তু লৈ গীত ৰচনা কৰিছিল। আনহাতে স্বর্গদেউ ৰাজেশ্বৰ সিংহই 'কীচক বধ' নাটক ৰচনা কৰিছিল।[৫]

এই আহোম ৰাজ পৃষ্ঠপোষকতাতে শ্রেষ্ঠ কবি কবিৰাজ চক্রৱর্তীয়ে 'ব্রহ্মবৈৱর্ত পুৰাণ', 'গীত-গোবিন্দ', 'শংখচূড়-বধ', 'শকুন্তলা', 'ভাস্বতী' আদি ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাললৈ বিশিষ্ট অৱদান আগবঢ়াইছিল।

ইয়াৰোপৰি সুকুমাৰ বৰকাইথৰ 'হস্তী-বিদ্যার্ণৱ'ৰ সাৰ সংগ্রহৰ দৰে ব্যৱহাৰিক জ্ঞানৰ পুথিৰ কাৰণেও আহোমৰ ৰাজ পৃষ্ঠপোষকতা উল্লেখযোগ্য।

ড° সত্যেন্দ্রনাথ শর্মাই সেয়ে আহোম যুগৰ বৈচিত্র্যময় সাহিত্যখিনিক নিম্নোক্ত ধৰণে চাৰিটা শ্রেণীত ভাগ কৰি দেখুৱাইছে।

(১) আদি ৰসাত্মক পৌৰাণিক অনুবাদ।

(২) শাক্ত সাহিত্য

(৩) বুৰঞ্জী সাহিত্য

(৪) ব্যৱহাৰিক সাহিত্য

কোচবেহাৰ ত্যাগ কৰি ৰঘুদেৱ নাৰায়ণে যেতিয়া বিজয়নগৰত ৰাজধানী স্থাপন কৰি আন এখন সুকীয়া ৰাজ্য প্রতিষ্ঠা কৰিলে (ইং১৫৮০-১৫৯৩) তেতিয়া পীতাম্বৰ সিদ্ধান্ত বাগীশ, ৰামসৰস্বতী প্রমুখ্যে কেইগৰাকীমান পণ্ডিতে কোচবেহাৰ ত্যাগ

কৰি বিজয়নগৰলৈ আহিল । পিছে ৰঘূদেৱনাৰায়ণ আৰু তেওঁৰ পুত্ৰ পৰীক্ষিত নাৰায়ণৰ (ইং ১৫৯৩-১৬০৬) দিনত অসমীয়া সহিত্য চকুত পৰা বিকাশ পৰিলক্ষিত নহ'ল। হয়তো অস্থিৰ ৰাজনৈতিক পৰিস্থিতিৰ বাবেই এনে হ'ল । তথাপিও পীতাম্বৰ সিদ্ধান্ত বাগীশ আৰু ৰামসৰস্বতীৰ সাহিত্য চৰ্চা থমকি ৰোৱা নাছিল। মাথো কোচবেহাৰৰ দৰে ব্যাপকতা লাভ কৰিব পৰা নাছিল।

পিছে পৰীক্ষিত নাৰায়ণক মোগলে দিল্লীলৈ ধৰি নিয়াৰ পিছত ভাতৃ বলিনাৰায়ণে সপৰিয়ালে দৰঙলৈ আহি ভুঞা এঘৰত আহি আশ্রয় লয়।[৭] শেষত আহোম স্বর্গদেউ প্রতাপসিংহৰ ওচৰলৈ অহাত মিত্র ৰজাৰ বংশধৰ বুলি স্বর্গদেৱে বলিনাৰায়ণক ধর্মনাৰায়ণ নাম দি এগৰাকী সোণাৰী ছোৱালী বিয়া দি সমস্ত দৰঙ্গখন যৌতুকত দিয়ে।

দৰঙী-ৰাজ -পৃষ্ঠপোষকতা ঃ

গুণী-জ্ঞানী বিদ্যোৎসাহী ৰজা ধর্মনাৰায়ণে (ইং১৬০৮-১৬৩৪) পিতৃ পিতামহৰ আদর্শ সাৰোগত কৰি মঙলদৈৰ হাউলী মোহনপুৰত পতা ৰাজধানী কোচবেহাৰৰ আর্হি অনুসৰি গঢ়াত মনোযোগ দিলে। বিশেষকৈ নিজৰ ৰাজসভালৈ পণ্ডিত পীতাম্বৰ সিদ্ধান্ত বাগীশক আদৰি আনি ৰাজপুৰোহিতৰ মর্যাদা দিলে আৰু ৰাম সৰস্বতীক দিলে পিতামহদ্বয়ে যঁচা পাঠকৰ সন্মান।

ৰাম সৰস্বতীক সকলো প্রকাৰৰ সহায় - সহযোগ কৰিলে বিশেষকৈ পুত্র গোপীনাথ আৰু দামোদৰ দ্বিজে। ইয়াৰোপৰি কংসাৰি; শ্রীমন্ত গাভৰ খাঁ, পীতাম্বৰ, ৰত্নকন্দলি, দামোদৰ, কবিৰাজ মিশ্র, কবিচন্দ্র আদি কবিসকলৰ সহযোগত কোচবেহাৰ, বিজয়নগৰৰ পৰা মঙলদৈৰ নিজ জন্মস্থানলৈ আহি একানপতীয়াকৈ মহাসাগৰ সদৃশ মহাভাৰতৰ পদ- ভাঙনিত গুৰুত্ব দিয়ে। কোচবেহাৰ, বিজয়নগৰ আৰু দৰঙী ৰাজ-পৃষ্ঠপোষকতাৰ ৰচিত ৰামসৰস্বতীৰ একক আৰু যুটীয়া প্রচেষ্টাৰ কাব্যকৃতিসমূহ এনেধৰণৰ-

(১) আদি পর্ব ঃ ৰাম সৰস্বতীৰ একক প্রচেষ্টা।

(২) সভা পর্ব ঃ পুত্র গোপীনাথৰ সহযোগ।

(৩) বনপর্ব ঃ ৰামসৰস্বতীৰ একক প্রচেষ্টা।

(৪) বিৰাট পর্ব ঃ কংসাৰি, শ্রীমন্ত গাভৰ খাঁ আৰু পীতাম্বৰ এই তিনিগৰাকীৰ যুটীয়া ভাঙনি।

(৫) উদ্যোগ পর্ব ঃ ৰাম সৰস্বতীৰ একক প্রচেষ্টা।

(৬) দ্রোণ পর্ব ঃ পুত্র গোপীনাথ, ৰত্ন সৰস্বতী, ৰূদ্র কন্দলি আৰু দামোদৰ এই চাৰিগৰাকীৰ সহযোগ।

(৭) কর্ণ পূর্ব ঃ কবিৰ একক প্রচেষ্টা।

(৮) শল্য পর্ব ঃ দামোদৰ নামৰ কবিৰ দ্বাৰা একাংশ ৰচিত।

(৯) গদা পর্ব ঃ কবিৰাজ মিশ্র আৰু কবিচন্দ্রৰ দ্বাৰা ভাঙনি।

ইয়াৰোপৰি বনপর্বৰ পতিব্রতা মাহাত্ম্য পার্বণৰ আধাৰত ৰচিত 'সাবিত্রী-উপাখ্যান' ৰাম সৰস্বতীৰ অন্তিম কৃতি।

বধকাব্য হিচাপে প্রখ্যাত দ্বিতীয় শ্রেণীটো ৰামসৰস্বতীৰ একক প্রচেষ্টা । বনপর্বৰ আধাৰত ৰচিত এই আখ্যানসমূহ কবিগৰাকীৰ মৌলিক সৃষ্টি বুলিও ক'ব পাৰি । এই কাব্যসমূহ হৈছে-

(১) পুৰুষহৰণ উপপর্ব।
(২) মণিচন্দ্রঘোষ উপপর্ব।
(৩) বিজয় উপপর্ব।
(৪) বঘাসুৰ বধ।
(৫) যজ্ঞ পর্ব।
(৬) খটাসুৰ বধ।
(৭) অশ্বকর্ণ বধ।
(৮) জংঘাসুৰ বধ।
(৯) কুলাচল বধ।
(১০) সিন্ধু যাত্রা।
(১১) ভোজকুট বধ।
(১২) কালকুব্জ-শোষক বধ।
(১৩) ভীম চৰিত।
(১৪) জটাসুৰ বধ।
(১৫) পাঞ্চালী বিবাহ।
(১৬) ব্যাসাশ্রম।
(১৭) ব্যঞ্জন পর্ব।

ভাগৰত-পুৰাণৰ 'ৰাস- পঞ্চাধ্যায়' আৰু দেৱান চিলাৰায়ৰ 'সাৰৱতী সাৰ' টীকা মিলাই ভাঙনি কৰা জয়দেৱৰ 'গীত -গোবিন্দ' ৰামসৰস্বতীৰ অন্য এক বিৰল কৃতি।

দৰঙী ৰাজসভাৰ (বিশেষকৈ ধর্মনাৰায়ণৰ) অন্য এগৰাকী বিশিষ্ট কবি হৈছে ৰামসৰস্বতীৰ পুত্র গোপীনাথ পাঠক। এখেতৰ ৰজাঘৰীয়া পৃষ্ঠপোষকতাৰ ফলশ্রুতিৰ কাব্যসমূহ হৈছে।

(১) সভাপর্ব (পিতৃ ৰামসৰস্বতীৰ সৈতে)

(২) দ্রোণ পর্ব (পিতৃ ৰামসৰস্বতী আৰু দামোদৰৰ

OKDISCD

সহযোগত)

(৩) স্বর্গাৰোহণ পর্ব (একক প্রচেষ্টা)

দৰঙী ৰাজসভাত ৰামসৰস্বতীৰ নেতৃত্বত চলা মহাভাৰতৰ পদ ভাঙনিত মহৎ অভিযানৰ আন এগৰাকী বিশিষ্ট সহযোগী আছিল দামোদৰ দ্বিজ। তেখেতে ধর্মনাৰায়ণৰ পুত্র মহিন্দ্রনাৰায়ণ বা সুন্দৰনাৰায়ণৰ প্রচেষ্টাত 'শল্য পর্ব'ৰ পদ-ভাঙনি কৰিছিল।

ধর্ম আৰু সংস্কৃতিত উদাৰ মনোভাৱ গ্রহণ কৰা ধর্মনাৰায়ণৰ ৰাজ-পৃষ্ঠপোষকতাত ব্যাস সংগীত আৰু সুকনানি ওজাপালিয়ে ঠন ধৰি উঠিল। ফলত ব্যাসকৃত মহাভাৰতীয় সাহিত্যৰ চর্চা হোৱাৰ উপৰিও সুকবি নাৰায়ণদেৱৰ দ্বাৰা ৰচিত হ'ল পাঁচালি সাহিত্য 'পদ্মাপুৰাণ'। বিশিষ্ট বৈষ্ণৱ কবি গোবিন্দ মিশ্রই ৰচনা কৰিলে অসমীয়া সাহিত্যৰ অমূল্য সম্পদ 'শ্রীমদ্ভাগৱতগীতা' অথবা 'পদগীতা'।

ধর্মনাৰায়ণৰ পাছৰ ৰজাসকলে ধর্মনাৰায়ণৰ দৰে অসমীয়া সাহিত্যৰ বিকাশত আশানুৰূপ ভূমিকা দেখুৱাব নোৱাৰিলেও দৰঙী ৰাজত্বৰ শেষ কালছোৱা 'ব্রহ্মবৈবর্ত পুৰাণ'ৰ পদ-ভাঙনি আৰু কোচ ৰাজবংশৰ ধাৰাবাহিক বিৱৰণ সম্বলিত বংশাৱলী সাহিত্যৰ উদ্ভৱ আৰু পয়োভৰ।

'ব্রহ্মবৈৱর্ত পুৰাণ'ৰ পদ আহোম যুগত ভাঙনি হ'লেও দৰঙী ৰাজ-পৃষ্ঠপোষকতা এই ভাঙনিৰ বাটকটীয়া বুলি ক'বই লাগিব। হয়নাৰায়ণৰ ৰাজত্বকালত ৰজাই নিজে এই পুৰাণৰ পদ-ভাঙনিত গুৰুত্ব দিছিল। দৰঙী কবিয়ে 'ব্রহ্মবৈৱর্ত পুৰাণ'ৰ পদ ভাঙনি কৰোঁতে এই পুৰাণৰ পূর্বৰ পদ-ভাঙনি বিচাৰি নোপোৱা কথাই ইয়াৰ গুৰুত্ব বঢ়াই তুলিছে। সম্পূর্ণ পদ ভাঙনি দৰঙী ৰাজ পৃষ্ঠপোষকতাৰ অন্যতম কৃতি।

আহোম ৰাজসভাৰ বুৰঞ্জী আৰু বৈষ্ণৱ সত্রসমূহত গঢ়ি উঠা চৰিত সাহিত্যৰাজিৰ সমান্তৰালভাৱে দৰঙী ৰাজসভাত ৰচিত হোৱা বংশাৱলী সাহিত্যখিনিৰ গুৰুত্ব পৰৱর্তীকালত প্রৱলভাৱে ঘণীভূত হয়। অসমীয়া সাহিত্য জগতত এই বংশাৱলীৰ গুৰুত্ব সাহিত্য কর্মতকৈয়ো ঐতিহ্যাসিক কাব্য হিচাপেহে অধিক।

দৰঙী এই বংশাৱলীক অনুকৰণ কৰিয়েই অসমীয়া ভাষাত বিভিন্ন ধৰণৰ বংশাৱলীৰ সৃষ্টি হোৱাটো মনকৰিবলগীয়া। এয়া বংশাৱলী কেইখনেৰেই সুদুৰ প্রসাৰী ফল।

দৰঙী ৰজা কৃষ্ণনাৰায়ণৰ সময়তে অহা ড° জনপিটাৰ ৱেড নামৰ এগৰাকী ইংৰাজ ঐতিহাসিকবিদ মঙলদৈলৈ আহি এই বংশাৱলী সাহিত্যৰাজি অধ্যয়ণ কৰি তেখেতৰ 'দ্যা হিষ্টৰী অব আসাম' (১৮০০) নামৰ বুৰঞ্জীত দৰঙী ৰজাসকলৰ বিষয়ে কিছু বিস্তৃত আলোচনা আগবঢ়ায়।[৯]

চাৰ এডোৱার্ড গেইটেও মঙলদৈৰ মহকুমাধিপতি হিচাপে কার্যনির্বাহ কৰোঁতে দৰং ৰজাৰ বংশাৱলী অনুবাদ কৰিছিল। তেখেতে 'এছিয়াটিক ছোচাইটি অৱ বেংগল' আলোচনীত এইবোৰ তথ্য সম্বলিত বিশ্লেষণেৰে প্রৱন্ধ এটিও লিখিছিল।[১০] তেখেতৰ অমূল্য সৃষ্টি 'এ হিষ্টৰী অৱ আসাম' গ্রন্থতো এই বংশাৱলীৰ ওপৰত ভিত্তি কৰি কোচ ৰজসকলৰ বিৱৰণ দিয়া পৰিলক্ষিত হয়।

খাঁ চৌধুৰী আমনতউল্লা আহমদে তেখেতৰ আপুৰুগীয়া সৃষ্টি 'কোচবেহাৰৰ ইতিবৃত্ত' গ্রন্থত দৰঙী ৰাজবংশাৱলী কেইখনৰ পুংখানুপুংখ বিৱৰণ দাঙি ধৰিছে।[১১] আৰু গোটেই গ্রন্থখনিত এই বংশাৱলীসমূহৰ তথ্যপাতি গুৰুত্ব সহকাৰে বিচাৰ কৰিছে।

পুৰণি অসমীয়া সাহিত্যৰ অগ্রদূতস্বৰূপ পণ্ডিত হেমচন্দ্র গোস্বামী নিজে মঙলদৈলৈ গৈ দৰং ৰাজবংশাৱলীকেইখন অধ্যয়ন কৰে আৰু সমুদ্র নাৰায়ণৰ বংশাৱলী খন সম্পাদনা কৰি প্রকাশ কৰে।[১২]

আধুনিক অসম বুৰঞ্জী প্রণয়নত আৰু অসমীয়া সাহিত্যৰ বুৰঞ্জী ৰচনাত এই কোচ বংশাৱলীকেইখনৰ গুৰুত্ব কোনোৰেও অস্বীকাৰ কৰা নাই।

সমগ্র অসমৰ জনসাধাৰণৰ মাজত ৰামসৰস্বতী, গোপীনাথ পাঠক আৰু দামোদৰ দ্বিজৰ মহাভাৰতৰ পদৰ প্রভাৱ সুদূৰপ্রসাৰী। সেইদৰে সাগৰখড়ি দৈৱজ্ঞৰ 'কুর্মাৱলী বধ' কাব্য আৰু গোবিন্দ মিশ্রৰ পদগীতাৰ জনপ্রিয়তা আজিও আছে। সমগ্র নামনি অসমত সুকবি নাৰায়ণদেৱৰ 'পদ্মা পুৰাণ' ৰ জনপ্রিয়তা আজিও অব্যাহত।

প্রায়ে একো একোজন জনপ্রিয় কবিৰ সাহিত্যই পৰৱর্তীকালৰ কবিসকলৰ ওপৰত গতানুগতিক প্রভাৱ পেলায়। অৱশ্যে এনে প্রভাৱ অনুমেয়হে। দৃশ্যমান নহয়। শঙ্কৰদেৱে অপ্রমাদী কবি মাধৱ কন্দলিক স্বীকাৰ কৰাৰ দৰে দৰঙী কবিসকলেও শংকৰ-মাধৱক স্বীকাৰ কৰিছে। 'ব্রহ্মবৈৱর্ত পুৰাণ'ৰ অন্যতম পদ - ভাঙোতা ৰতিকান্ত দ্বিজেও শংকৰদেৱৰ নাম শ্রদ্ধা সহকাৰে লৈছে।[১৩]

একেদৰে অসমৰ বেদব্যাস স্বৰূপ ৰামসৰস্বতীৰ কাব্যৰ সুৰ পৰৱর্তী বহু কবিৰ কাব্যত শুনিবলৈ পোৱা যায়। বিশেষকৈ পৰৱর্তী কোচবেহাৰ আহোম যুগৰ মহাভাৰতৰ কবিসকলৰ কাব্যত এই প্রভাৱ অনুভূত হয়। পঞ্চদশ শতিকাৰ তৃতীয় দশকত ৰচিত ভোগনাৰায়ণ কোঁৱৰৰ মিত্রাক্ষৰ, অমিত্রাক্ষৰ ছন্দত ৰচিত 'ৰাজনীতিৰ লক্ষণ' গ্রন্থখনি অসমীয়া সাহিত্যত এক ব্যতিক্রম

সংযোজন । দৰঙী কোঁৱৰ মধুনাৰায়ণ কোঁৱৰৰ 'যমৰ ঘৰত জীয়ন্তা মনুষ্য' কাব্যখনত ৰামসৰস্বতীয়ে সৃষ্টি কৰা লৌকিক পৰিৱেশৰ প্ৰভাৱ পৰিলক্ষিত হয়।

মুঠৰ ওপৰত অসমীয়া ভাষা -সাহিত্যৰ বিকাশত দৰঙী ৰাজপৃষ্ঠপোষকতাৰ যিদৰে এক গুৰুত্ব আছে, ঠিক একেদৰে পৰৱৰ্তী অসমীয়া সাহিত্যত ইয়াৰ সৰ্বাঙ্গীন প্ৰভাৱ অনস্বীকাৰ্য।

ইংৰাজী সাহিত্যৰ পৰিৱৰ্তী কাল যেনেদৰে এলিজাবেথীয় যুগৰ ওচৰত ঋণী, একেদৰে অসমীয়া সাহিত্যৰ বিকাশৰ ক্ষেত্ৰতো কোচবেহাৰ, মঙলদৈৰ কোচ আৰু ৰংপুৰৰ আহোম ৰাজ পৃষ্টপোষকতাৰ বৰঙণি গুৰুত্বপূৰ্ণ।

প্ৰসংগ পুথি ঃ

১। মহেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃ - ৪৭

২। সত্যেন্দ্রনাথ শৰ্মা ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ - ৫৮

৩। সত্যেন্দ্রনাথ শৰ্মা ঃ অ.সা. স. ই, পৃ - ৫৯

৪। মহেশ্বৰ নেওগ ঃ অ.সা. ৰূ. পৃ- ১৫৩

৫। মহেশ্বৰ নেওগ ঃ অ. সা. ৰূ. পৃ- ১৮৬

৬। সতেন্দ্রনাথ শৰ্মা ঃ প্রাগুক্ত গ্রন্থ, পৃ - ২১১

৭। বঙ্গালত নথাকয় মান যে মর্য্যাদ।
কামৰূপ চলি গৈলা ভাবিয়া প্রমাদ।।
দৰঙ্গ দেশত ৰৈলা মণিয়ৰি গ্রাম।
বড়ভুঁয়া গৃহে পাছে কৰিলা পৰিশ্রম।
দৰঙ্গ ৰাজবংশাৱলী

৮। জদি পূর্বে মহন্ত পণ্ডিত সমস্তয়
ইতো পুৰাণৰ পদ কৰিয়া আচয়।
বিচাৰিয়া নৃপতি নপাইলা জতন কৰি
তেবেসে আমাক আজ্ঞা কৰিলা সাদৰি।।
দ্বিজ, ৰতিকান্ত 'ব্রহ্মবৈৱর্ত পুৰাণ'

৯। 'The History of Assam : Edited by Benudhar Sarma (First impression), P. - 219.

১০। "When I was Sub-divisional officer of Mangaldai in in the Darrang District I caused a translation to be prepared of the Bansabali or family history of the Darrang Rajas, which contains a grat deal of information regarding the Koch dynesty and gave an analysis of if in a paper contributed to the Journal of the Ariatic Society of Bengal ' A History of Assam, P. (Vi)"

১১। কোচবেহাৰৰ ইতিবৃত্ত, প্রথম খণ্ড (১৯৯০) পৃ. ১৪/ ১৫

১২। ইং ১৯১৭ চনতে পণ্ডিত হেমচন্দ্র গোস্বামীয়ে কলিকতাৰ বেপ্টিষ্ট মিছন প্রেছৰ পৰা এই বংশাৱলী ছপা কৰিছিল। এই গ্রন্থখনি বর্তমানে দুষ্প্রাপ্য।

১৩। হৰিনাম ধর্ম্মচয় সুনিলাত মহোদয়
প্রকাসিল শ্রীমন্ত সংকৰে।
শ্লোকভাঙ্গি পদচয় ৰচিলন্ত কৃপাময়
আনন্দে গাৱয় সর্বনাৰে।।
ব্রহ্মবৈৱর্ত পুৰাণ।

******

OKDISCD

ৰাজবংশী ভাষাৰ উদ্ভৱ, গঠন আৰু বিকাশ

ডঁ দ্বিজেন্দ্র নাথ ভকত

প্রস্তাৱনা ঃ সমতল ভূমিত বসবাস কৰা মঙ্গোলীয় জনগোষ্ঠীৰ ৰাজবংশী অর্থাৎ কোচ ৰাজবংশী - ক্ষত্রিয়সকলৰ কথিত ভাষাৰ নাম ৰাজবংশী। পণ্ডিত সকলে ভাষাটোৰ বিস্তৃতিলৈ লক্ষ্য কৰি ইয়াক বাংলাৰ উত্তৰবাংলা [১], অসমীয়াৰ গোৱালপৰীয়া উপভাষা [২], কমতা, [৩] কামৰূপী[৪], দেশী ভাষা [৫] আদি বুলি নামকৰণ কৰা দেখা যায়। ব্যুৎপত্তিৰ ফালৰ পৰা ই আচলতে নৃগোষ্ঠীয় এটি ভাষা। কোচৰজা মহাৰাজ নৰনাৰায়ণৰ সময়ত পূর্ণ বিকাশ লাভ কৰি ই সকলো শ্রেণীৰ লোকৰে গ্রহণযোগ্য এটি ভাষা হৈ পৰে। প্রাচীন কমতাপুৰৰ সাহিত্য ৰাজি এই ভাষাতে লিখা হৈছিল। তদুপৰি চর্যাপদ, কৃষ্ণকীর্তন আদি প্রাচীন গ্রন্থ বোৰতো ইয়াৰ নিদর্শন আছে, সম্প্রতি অসমৰ পশ্চিম অঞ্চল, পশ্চিম বঙ্গৰ উত্তৰাঞ্চল (উত্তৰ বঙ্গ), বিহাৰৰ দক্ষিণাঞ্চল, নেপালৰ মোৰং- ঝাপা অঞ্চল, বাংলাদেশৰ প্রাচীন ৰংপুৰ ইত্যাদি অঞ্চলত এই ভাষা কোৱা হয়। আমাৰ হাতত পৰা ১৯৯১ চনৰ লোকপিয়লৰ আধাৰত যুগুত কৰা এটি চৰকাৰী তথ্যমতে ৰাজবংশী ভাষা কোৱা বিভিন্ন জিলাৰ লোকৰ শতকৰা হাৰ এনে ধৰণৰ [৬] - কোচবিহাৰ ৫০%, দার্জিলিং ৩০%, জলপাইগুৰি ৬০%, মালদহ ৪০%,পশ্চিম দিনাজপুৰ ৬০%, ধুবুৰী ৩০%, বঙাইগাঁও ৭০%, আৰু কোকৰাঝাৰ জিলাত ৩৫% লোকে ৰাজবংশী ভাষা কয়। এই সংখ্যা ৰাজবংশী জনসংখ্যাৰ আধাৰত কৰা হৈছে যেন লাগে। আমাৰ ধাৰণা অন্যান্য জনগোষ্ঠীও এই ভাষা কোৱাৰ বাবে এই সংখ্যা আৰু বৃদ্ধি হ'ব পাৰে।

ৰাজবংশী ভাষাৰ উৎপত্তি আৰু গৃহভূমিঃ

ৰাজবংশী ভাষাৰ উৎপত্তিৰ আলোচনা এক জটিল বিষয়। আমি পোৱা তথ্যৰ আধাৰত ইয়াক বিচাৰ কৰিবলৈ যত্ন কৰিছোঁ। ৰাজবংশী হ'ল নব্য ভাৰতীয় এটি আর্য ভাষা। ই মূলতঃ মাগধীয় ভাষা। প্রাচীন মগধেই আছিল আর্য সংস্কৃতিৰ মূল কেন্দ্র আৰু পূর্ব মাগধী আছিল আর্য সংস্কৃতিৰ পূৱ অঞ্চলৰ ভাষা। পূর্ব ভাৰতৰ আধুনিক ভাষা বিলাকৰ জননী হিচাপে পূর্ব মাগধীৰ নাম উল্লেখযোগ্য। আন আন প্রাকৃতৰ তুলনাত অনার্য ভাষাৰ প্রভাৱত মাগধী প্রাকৃততে ধ্বনি বিকৃতি বেছি হৈছিল। মাগধী প্রাকৃতে পূৱ ফালে গতি কৰি নতুন ৰূপ লয়। সেয়ে এই ভাষাটো মগধৰ

পৰা আহি প্রাচীন কামৰূপ ৰাজ্যৰ পশ্চিম ফালেদি প্রবেশ কৰে আৰু উত্তৰ বঙ্গ অঞ্চলৰ কোচ ৰাজ্যত অর্থাৎ কোচ বা ৰাজবংশী সকলৰ মাজত প্রথম 'ৰাজবংশী- উপভাষা' হিচাপে গঠন হয় অর্থাৎ মগধ (বিহাৰ) আৰু বঙ্গ অতিক্রম কৰি কোচৰাজ্যত ই নব্যআর্য ৰাজবংশী ভাষা হিচাপে কম বেছি পৰিমাণে ৰূপ পৰিগ্রহ কৰি আজিৰ অৱস্থলৈ আহে। জর্জ এব্রাহাম গ্রিয়াৰছনে অভিমত প্রকাশ কৰিছে [৭] যে, 'এই উপভাষা সাধাৰণতে ৰাজবংশী বুলি জনাজাত, উক্ত জনজাতিৰ পৰাই এই নাম দিয়া হৈছে। ইয়াক সঘনাই ৰংপুৰী বুলি সেই নামৰ জিলা এখনত কোৱা হয়।'

তেওঁ কয় 'সর্বজন বিদিত এই উপভাষা দেশৰ উত্তৰ পূর্বাঞ্চলত কোৱা হয়, য'ত উত্তৰবঙ্গীয় ভাষা কোৱা হৈ আছে। উত্তৰ বঙ্গ সীমান্তত কোচ সকলে আধিপত্য বিস্তাৰ কৰিছিল, কিন্তু এই আধিপত্য ইতিমধ্যে সম্পূর্ণ হৈ গৈছে আৰু কোচ জনজাতিয়ে এই দেশ পূর্বতে শাসন কৰিছিল। যিসকল কোচ, সম্প্রতি হিন্দু বুলি জনাজাত তেওঁলোকৰ বেছিভাগেই ৰাজবংশী বুলি পৰিচিত। কিন্তু তেওঁলোকৰ বেছিভাগেই ইতিমধ্যে মুছলমান হৈ গৈছে সেয়ে কম সংখ্যক ৰাজংবশী জনজাতিৰ মাজত কোনো ধাৰণা কৰি নোৱাৰি যে কিমান কোচ মানুহ এই দেশত আছে। কোচ নামটো এতিয়াও কোচৰাজ্য বা কোচবিহাৰৰ নামেৰে বর্তি আছে। কোচসকল মূলতে ব্রহ্মপুত্র নদী পাৰ হৈ আহিছিল, সম্প্রতি তেওঁলোকে বাংলা কবলৈ লৈছে, তথ্য সমৃদ্ধ ভাৱে তেওঁলোকে পূৱ মূলৰ বুলি ধাৰাণা কৰিব পাৰি। এই ক্ষেত্রত এইটোৱেই পৰিলক্ষিত হয় । ৰাজবংশী উপভাষাৰ লগত পূর্ব বাংলাৰ উপভাষাৰ বহুত ক্ষেত্রত সাদৃশ্য দেখা যায়।'

তেওঁৰ মতে 'অকল বঙ্গ প্রদেশতে উক্ত উপভাষা সীমাবদ্ধ নহয়, অসমৰ গোৱালপাৰ জিলালৈকে সম্প্রসাৰিত হৈছে, ই লাহে লাহে অসমীয়া ভাষাৰ লগত মিলি গৈছে। উক্ত জিলাৰ পশ্চিম আৰু দক্ষিণ পশ্চিমত এই ভাষা কোৱা হয়। দক্ষিণৰ ফালে তিব্বত বর্মী ভাষা গাৰো পাহাৰত ব্যৱহাৰ হোৱাৰ বাবে ই স্থগিত হৈছে। বঙ্গত পূৱৰ ফালে ব্রহ্মপুত্র নদীৰ দ্বাৰা আৰু বিপৰীত ফালে গাৰো পাহাৰেৰে আগুৰি আছে। একেবাৰে দক্ষিণ পূৱ কোণত, সামান্যভাৱে ময়মন সিংহৰ পূর্ব বাংলাক স্পর্শ কৰিছে আৰু নদীও

ORDISCD

এটা উপভাষিক গোট অন্য এটাৰ পৰা ওলোৱাৰ প্ৰশ্ন নুঠে। একে কেন্দ্ৰৰ পৰা বিকাশ হোৱাৰ বাবে ইহঁতৰ ইটোৰ লগত সিটোৰ সম্পৰ্ক আছে যদিও সিহঁতে নিজা নিজা বিকাশ ধাৰা অনুসৰণ কৰিছে।

তদুপৰি ড° কাকতিয়ে পশ্চিম অসমৰ ভাষাৰ বিষয়ে কয় যে 'গোৱালপাৰা জিলাৰ কথিত উপভাষাৰ লগত ৰাজবংশী ভাষাৰ মিশ্ৰণ ঘটি অধিক কলুষিত কৰিছে। এই উক্তিটো আমি গোৱালপাৰাৰ পূৰ্বাঞ্চলৰ ভাষাৰ ক্ষেত্ৰত প্ৰযোজ্য বুলি কব পাৰোঁ, পশ্চিমাঞ্চলৰ ভাষাৰ ক্ষেত্ৰত নহয়। গ্ৰিয়াৰছনৰ মতে পশ্চিম গোৱালপাৰা অৰ্থাৎ বৰ্তমানৰ ধুবুৰী জিলাৰ ভাষা খাটি ৰাজবংশী। ড° কাকতিয়ো গ্ৰিয়াৰছনৰ অভিমত গ্ৰহণ কৰিছে আৰু নিজে ৰাজবংশী ভাষা হিচাপে শ্ৰেণী বিভাজন কৰিছে। [১৮]

ৰাজবংশী সাহিত্য আৰু ভাষাৰ যুগ বিভাগ ঃ

ৰাজবংশী ভাষাৰ সাহিত্য আমি দুই ভাগত বিভক্ত কৰিব পাৰোঁ। লিখিত সাহিত্য আৰু লোক সাহিত্য। খৃ ঃ সপ্তম শতিকাৰ পৰা বৰ্তমান লৈকে লিখিত সাহিত্যৰ পৰম্পৰাৰ ধাৰা ৰাজবংশী ভাষাত আছে। লোক সাহিত্য হিচাপে জনপ্ৰিয় ভাওয়াইয়া সঙ্গীত, তন্দ্ৰ-মন্ত্ৰ, বিভিন্ন পূজা পাৰ্বণ যেনে - বিষহৰি,মাৰাই, হুদুম, কাতি আদি পূজাৰ গান; ছিলকা সাথঁৰ প্ৰবাদ- প্ৰবচন ইত্যাদি সমুহ আমি ৰাজবংশী ভাষাত পাওঁ। লোক সাহিত্যৰ ক্ষেত্ৰত ৰাজবংশী ভাষা যথেষ্ট চহকী বুলি ক'ব পাৰি। লিখিত সাহিত্যৰ নিদৰ্শনৰ আধাৰত আমি ৰাজবংশী ভাষাৰ যুগ বিভাগ তলত দিয়া ধৰণে কৰিব পাৰোঁ।

যথা (ক) উদ্ভৱ কাল ঃ (৭ ম শতিকাৰ পৰা ১২ শ শতিকালৈ) এই কালৰ নিদৰ্শন হিচাপে 'তামৰ ফলি', 'চৰ্যাপদ', বড়ু চণ্ডী দাসৰ 'শ্ৰীকৃষ্ণ কীৰ্তন' আদি ধৰিব পাৰি।

(খ) প্ৰাচীন কাল ঃ (১৩ শ শতিকাৰ পৰা ১৬ শ শতিকালৈ) এই ভাগত কমতাপুৰ আৰু কোচৰজা সকলৰ পৃষ্ঠপোষকতাত যিবোৰ সাহিত্য ৰচনা হৈছে সকলো বোৰকে ৰাজবংশী ভাষাৰ প্ৰাচীন নিদৰ্শন হিচাপে ধৰিব পাৰোঁ। এই সময়ৰ বিশিষ্ট কবি সকলৰ ভিতৰত হেম সৰস্বতী, হৰিবৰ বিপ্ৰ, পীতাম্বৰ, নাৰায়ণদেৱ, শংকৰদেৱ, মাধৱদেৱ আদি।

(গ) মধ্য যুগ ঃ (১৭ শ শতিকাৰ পৰা ১৯ শ শতিকাৰ প্ৰথম ভাগলৈ) কোচ ৰাজসভাৰ পৃষ্ঠপোষকতাৰ উপৰি ৰাজ সভাৰ বাহিৰত কোচ ৰাজ্যত যিবোৰ সাহিত্য ৰচনা হৈছে সেইবোৰ যেনে- কৃষ্ণদাস বৈৰাগীৰ - 'গোসানী মঙ্গল', 'নাথ সাহিত্য', 'অদ্ভতাচাৰ্যৰ - 'ৰামায়ণ', 'চৰিত সাহিত্য' ইত্যাদি।

এইখিনিতে এটি মন কৰিবলগীয়া কথা হ'ল আমি ওপৰোক্ত যুগবোৰত যিবোৰ সাহিত্যৰ কথা উল্লেখ কৰিছোঁ সেইবোৰ ইতিমেধ্য বাংলা আৰু অসমীয়া ভাষাৰ পণ্ডিতসকলে নিজৰ ভাষাৰ সাহিত্য হিচাপে অন্তৰ্ভক্ত কৰিছে। বিশেষকৈ কমতাপুৰৰ সাহিত্য ৰাজিত প্ৰাচীন অসমীয়াৰ নিদৰ্শন হিচাপে উল্লেখ কৰা হৈছে। কিছুমান পণ্ডিতে আকৌ কমতাপুৰৰ সাহিত্য ৰাজিক বাংলা ভাষাৰ প্ৰাচীন নিদৰ্শন হিচাপে দেখুৱায়। আমি ভাবো এই যুগৰ সাহিত্যৰাজিৰ ভাষাৰ লগত অৰ্থাৎ প্ৰাচীন বাংলা আৰু প্ৰাচীন অসমীয়া ভাষাৰ মাজত প্ৰাচীন ৰাজবংশী ভাষাৰ তেনে এটা কোনো পাৰ্থক্য নাই। কমতাপুৰ আৰু কোচৰাজ দৰবাৰৰ সাহিত্য ৰাজিক যদি প্ৰাচীন অসমীয়া সাহিত্যৰ নিৰ্দশন হিচাপে কোৱা হয়, তেনেহ'লে আমি ক'ব লাগিব যে ৰাজবংশী ভাষাৰো অনেক বৈশিষ্ট্য আছে।

(ঘ) আধুনিক কাল ঃ (১৯ শ শতিকাৰ শেষ ভাগৰ পৰা বৰ্তমান লৈকে) আধুনিক আৰু অসমীয়া ভাষাৰ প্ৰতিষ্ঠাৰ সময়তে পশ্চিম অসম তথা উত্তৰ পূৰ্ববঙ্গত ৰাজবংশী ভাষাও প্ৰতিষ্ঠা লাভ কৰে। আধুনিক কালৰ ৰাজবংশী ভাষাৰ আদি নিদৰ্শন হিচাপে আমি পাওঁ ৰতিৰাম দাসৰ (১৮ শ শতিকাৰ মাজ ভাগৰ কবি) জাগগান, পঞ্চানন বৰ্মাৰ (১৯ শতিকাৰ মাজভাগৰ কবি) 'ডাংধৰী মাও', 'বেটাছওয়াৰ প্ৰতি' আদি কবিতা। বৰ্তমান কালত পশ্চিম অসম, উত্তৰ বঙ্গ, নেপাল, বিহাৰ আদি ঠাইত অনেক ৰাজবংশী ভাষাৰ গ্ৰন্থ ৰচিত হৈছে (এই বিষয়ত অধিক তথ্য লাভৰ বাবে আমাৰ ৰচিত 'ৰাজবংশী ভাষা - সাহিত্যৰ পৰিচয়' গ্ৰন্থ চাওক)।

এইখিনিতে এটি উল্লেখযোগ্য কথা কোৱা ভাল হ'ব যে ৰাজবংশী ভাষাৰ নিজস্ব লিপিৰ বিষয়টো এতিয়াও বিতৰ্কিত। ড° গ্ৰিয়াৰছনে বাংলা আৰু অসমীয়া বৰ্ণমালাক তিৰহুত ব্ৰাহ্মণৰ দ্বাৰা প্ৰযুক্ত বৰ্ণমালাৰ অনুৰূপ বুলি বৰ্ণনা কৰে আৰু এই লিপি একাদশ শতিকাৰ পৰা স্বতন্ত্ৰভাৱে ৰূপ লয় বুলি কয়। [১৯] সম্প্ৰতি অসম, বঙ্গ,বিহাৰ আৰু নেপালৰ ৰাজবংশী লেখক সকলে তেওঁলোকৰ নিজৰ ঠাইৰ লিপি অৰ্থাৎ অসমীয়া, বাংলা, দেৱনাগৰী আদি লিপি গ্ৰহণ কৰা দেখা যায়। লিপিৰ বিষয়টো অধ্যয়ন সাপেক্ষ বাবে আমি ইয়াত তুলি ধৰিব নোৱাৰিলোঁ।

ৰাজবংশী ভাষাৰ বিশেষ বৈশিষ্ট্য ঃ

ৰাজবংশী ভাষাৰ নিজস্ব সুদীৰ্ঘ ইতিহাস আছে। বাংলা আৰু অসমীয়া ভাষাৰ মাজত ইয়াৰ বহুত পাৰ্থক্য পাওঁ। ধ্বনিতত্ব, ৰূপতত্ত্ব, শব্দ সম্ভাৰ এনেকি প্ৰবাদ, প্ৰবচন, সাঁথৰ-খণ্ডবাক্য আদিৰ ক্ষেত্ৰত ই কোনোপধ্যেই সাধু বাংলা আৰু মান্য অসমীয়াৰ লগত নিমিলে। কিছুমান বৈশিষ্ট্য আৰু লগতে পাৰ্থক্য আমি তলত উল্লেখ কৰিলোঁ।

ধ্বনিতাত্ত্বিক (Phonological) ঃ

(১) ৰাজবংশী ভাষাত আদি 'ল' ৰ ঠাইত সাধাৰণতে 'ন' উচ্চাৰণ হোৱা দেখা যায়। সাধু বাংলা আৰু মান্য অসমীয়াত 'ল' তলত

এটা উপভাষিক গোট অন্য এটাৰ পৰা ওলোৱাৰ প্ৰশ্ন নুঠে। একে কেন্দ্ৰৰ পৰা বিকাশ হোৱাৰ বাবে ইহঁতৰ ইটোৰ লগত সিটোৰ সম্পৰ্ক আছে যদিও সিহঁতে নিজা নিজা বিকাশ ধাৰা অনুসৰণ কৰিছে।

তদুপৰি ড° কাকতিয়ে পশ্চিম অসমৰ ভাষাৰ বিষয়ে কয় যে 'গোৱালপাৰা জিলাৰ কথিত উপভাষাৰ লগত ৰাজবংশী ভাষাৰ মিশ্ৰণ ঘটি অধিক কলুষিত কৰিছে। এই উক্তিটো আমি গোৱালপাৰাৰ পূৰ্বাঞ্চলৰ ভাষাৰ ক্ষেত্ৰত প্ৰযোজ্য বুলি কব পাৰোঁ, পশ্চিমাঞ্চলৰ ভাষাৰ ক্ষেত্ৰত নহয়। গ্ৰিয়াৰছনৰ মতে পশ্চিম গোৱালপাৰা অৰ্থাৎ বৰ্তমানৰ ধুবুৰী জিলাৰ ভাষা খাটি ৰাজবংশী। ড° কাকতিয়ো গ্ৰিয়াৰছনৰ অভিমত গ্ৰহণ কৰিছে আৰু নিজে ৰাজবংশী ভাষা হিচাপে শ্ৰেণী বিভাজন কৰিছে। [১৮]

ৰাজবংশী সাহিত্য আৰু ভাষাৰ যুগ বিভাগ ঃ

ৰাজবংশী ভাষাৰ সাহিত্য আমি দুই ভাগত বিভক্ত কৰিব পাৰোঁ। লিখিত সাহিত্য আৰু লোক সাহিত্য। খৃ ঃ সপ্তম শতিকাৰ পৰা বৰ্তমান লৈকে লিখিত সাহিত্যৰ পৰম্পৰাৰ ধাৰা ৰাজবংশী ভাষাত আছে। লোক সাহিত্য হিচাপে জনপ্ৰিয় ভাওয়াইয়া সঙ্গীত, তন্দ্ৰ-মন্ত্ৰ, বিভিন্ন পূজা পাৰ্বণ যেনে - বিষহৰি,মাৰাই, হুদুম, কাতি আদি পূজাৰ গান; ছিলকা সাথঁৰ প্ৰবাদ- প্ৰবচন ইত্যাদি সমুহ আমি ৰাজবংশী ভাষাত পাওঁ। লোক সাহিত্যৰ ক্ষেত্ৰত ৰাজবংশী ভাষা যথেষ্ট চহকী বুলি ক'ব পাৰি। লিখিত সাহিত্যৰ নিদৰ্শনৰ আধাৰত আমি ৰাজবংশী ভাষাৰ যুগ বিভাগ তলত দিয়া ধৰণে কৰিব পাৰোঁ।

যথা (ক) উদ্ভৱ কাল ঃ (৭ ম শতিকাৰ পৰা ১২ শ শতিকালৈ) এই কালৰ নিদৰ্শন হিচাপে 'তামৰ ফলি', 'চৰ্যাপদ', বড়ু চণ্ডী দাসৰ 'শ্ৰীকৃষ্ণ কীৰ্তন' আদি ধৰিব পাৰি।

(খ) প্ৰাচীন কাল ঃ (১৩ শ শতিকাৰ পৰা ১৬ শ শতিকালৈ) এই ভাগত কমতাপুৰ আৰু কোচৰজা সকলৰ পৃষ্ঠপোষকতাত যিবোৰ সাহিত্য ৰচনা হৈছে সকলো বোৰকে ৰাজবংশী ভাষাৰ প্ৰাচীন নিদৰ্শন হিচাপে ধৰিব পাৰোঁ। এই সময়ৰ বিশিষ্ট কবি সকলৰ ভিতৰত হেম সৰস্বতী, হৰিবৰ বিপ্ৰ, পীতাম্বৰ, নাৰায়ণদেৱ, শংকৰদেৱ, মাধৱদেৱ আদি।

(গ) মধ্য যুগ ঃ (১৭ শ শতিকাৰ পৰা ১৯ শ শতিকাৰ প্ৰথম ভাগলৈ) কোচ ৰাজসভাৰ পৃষ্ঠপোষকতাৰ উপৰি ৰাজ সভাৰ বাহিৰত কোচ ৰাজ্যত যিবোৰ সাহিত্য ৰচনা হৈছে সেইবোৰ যেনে- কৃষ্ণদাস বৈৰাগীৰ - 'গোসানী মঙ্গল', 'নাথ সাহিত্য', 'অদ্ভতাচাৰ্যৰ - 'ৰামায়ণ', 'চৰিত সাহিত্য' ইত্যাদি।

এইখিনিতে এটি মন কৰিবলগীয়া কথা হ'ল আমি ওপৰোক্ত যুগবোৰত যিবোৰ সাহিত্যৰ কথা উল্লেখ কৰিছোঁ সেইবোৰ ইতিমেধ্য বাংলা আৰু অসমীয়া ভাষাৰ পণ্ডিতসকলে নিজৰ ভাষাৰ সাহিত্য হিচাপে অন্তৰ্ভক্ত কৰিছে। বিশেষকৈ কমতাপুৰৰ সাহিত্য ৰাজিত প্ৰাচীন অসমীয়াৰ নিদৰ্শন হিচাপে উল্লেখ কৰা হৈছে। কিছুমান পণ্ডিতে আকৌ কমতাপুৰৰ সাহিত্য ৰাজিক বাংলা ভাষাৰ প্ৰাচীন নিদৰ্শন হিচাপে দেখুৱায়। আমি ভাবো এই যুগৰ সাহিত্যৰাজিৰ ভাষাৰ লগত অৰ্থাৎ প্ৰাচীন বাংলা আৰু প্ৰাচীন অসমীয়া ভাষাৰ মাজত প্ৰাচীন ৰাজবংশী ভাষাৰ তেনে এটা কোনো পাৰ্থক্য নাই। কমতাপুৰ আৰু কোচৰাজ দৰবাৰৰ সাহিত্য ৰাজিক যদি প্ৰাচীন অসমীয়া সাহিত্যৰ নিৰ্দশন হিচাপে কোৱা হয়, তেনেহ'লে আমি ক'ব লাগিব যে ৰাজবংশী ভাষাৰো অনেক বৈশিষ্ট্য আছে।

(ঘ) আধুনিক কাল ঃ (১৯ শ শতিকাৰ শেষ ভাগৰ পৰা বৰ্তমান লৈকে) আধুনিক আৰু অসমীয়া ভাষাৰ প্ৰতিষ্ঠাৰ সময়তে পশ্চিম অসম তথা উত্তৰ পূৰ্ববঙ্গত ৰাজবংশী ভাষাও প্ৰতিষ্ঠা লাভ কৰে। আধুনিক কালৰ ৰাজবংশী ভাষাৰ আদি নিদৰ্শন হিচাপে আমি পাওঁ ৰতিৰাম দাসৰ (১৮ শ শতিকাৰ মাজ ভাগৰ কবি) জাগগান, পঞ্চানন বৰ্মাৰ (১৯ শতিকাৰ মাজভাগৰ কবি) 'ডাংধৰী মাও', 'বেটাছওয়াৰ প্ৰতি' আদি কবিতা। বৰ্তমান কালত পশ্চিম অসম, উত্তৰ বঙ্গ, নেপাল, বিহাৰ আদি ঠাইত অনেক ৰাজবংশী ভাষাৰ গ্ৰন্থ ৰচিত হৈছে (এই বিষয়ত অধিক তথ্য লাভৰ বাবে আমাৰ ৰচিত 'ৰাজবংশী ভাষা - সাহিত্যৰ পৰিচয়' গ্ৰন্থ চাওক)।

এইখিনিতে এটি উল্লেখযোগ্য কথা কোৱা ভাল হ'ব যে ৰাজবংশী ভাষাৰ নিজস্ব লিপিৰ বিষয়টো এতিয়াও বিতৰ্কিত। ড° গ্ৰিয়াৰছনে বাংলা আৰু অসমীয়া বৰ্ণমালাক তিৰহুত ব্ৰাহ্মণৰ দ্বাৰা প্ৰযুক্ত বৰ্ণমালাৰ অনুৰূপ বুলি বৰ্ণনা কৰে আৰু এই লিপি একাদশ শতিকাৰ পৰা স্বতন্ত্ৰভাৱে ৰূপ লয় বুলি কয়। [১৯] সম্প্ৰতি অসম, বঙ্গ,বিহাৰ আৰু নেপালৰ ৰাজবংশী লেখক সকলে তেওঁলোকৰ নিজৰ ঠাইৰ লিপি অৰ্থাৎ অসমীয়া, বাংলা, দেৱনাগৰী আদি লিপি গ্ৰহণ কৰা দেখা যায়। লিপিৰ বিষয়টো অধ্যয়ন সাপেক্ষ বাবে আমি ইয়াত তুলি ধৰিব নোৱাৰিলোঁ।

ৰাজবংশী ভাষাৰ বিশেষ বৈশিষ্ট্য ঃ

ৰাজবংশী ভাষাৰ নিজস্ব সুদীৰ্ঘ ইতিহাস আছে। বাংলা আৰু অসমীয়া ভাষাৰ মাজত ইয়াৰ বহুত পাৰ্থক্য পাওঁ। ধ্বনিতত্ব, ৰূপতত্ত্ব, শব্দ সম্ভাৰ এনেকি প্ৰবাদ, প্ৰবচন, সাঁথৰ-খণ্ডবাক্য আদিৰ ক্ষেত্ৰত ই কোনোপধ্যেই সাধু বাংলা আৰু মান্য অসমীয়াৰ লগত নিমিলে। কিছুমান বৈশিষ্ট্য আৰু লগতে পাৰ্থক্য আমি তলত উল্লেখ কৰিলোঁ।

ধ্বনিতাত্ত্বিক (Phonological) ঃ

(১) ৰাজবংশী ভাষাত আদি 'ল' ৰ ঠাইত সাধাৰণতে 'ন' উচ্চাৰণ হোৱা দেখা যায়। সাধু বাংলা আৰু মান্য অসমীয়াত 'ল' তলত

দিয়া ধৰণে ব্যৱহাৰ হয়। যেনে-

সংস্কৃত	ৰাজবংশী	সা. বাংলা	মা. অসমীয়া
অলাবু	নাউ (pumkin)	লাও	লাউ
লৱণ	নুন (salt)	লবণ	লোণ /নিমখ
লক্ষ্মী	নক্ষি (Lakshmi)	লক্ষী	লখিমি
লজ্জাজ	নইজ্জা (shame)	লজ্জা	লাজ
লেখা	নেখা(writting)	লেখা	লিখা
লোক	নোক (person)	লোক	লোক
লৌহ	নোঙা (iron)	লোহা	লো
লোম	নোম (hair of the body)	লোম	লোম ইত্যাদি।

(২) বাংলা আৰু অসমীয়া ভাষাৰ দৰে ৰাজবংশী ভাষাত স্বৰধ্বনি সংকোচন নহয়। (contraction of vowels) [২০] যথা-

ৰাজবংশী	সা. বাংলা	মা. অসমীয়া
সাতুয়া (accompany)	সাথী	লগৰী
থাকিয়া (having remaind)	থেকে	থাকি
কৰিয়া (having done)	কৰে	কৰি
বান্ধিয়া (having kept)	বেধেঁ	বান্ধি
কান্দিয়া (having wept)	কেদেঁ	কান্দি
শুনিয়া (having heard)	শুনে	শুনি
পঢ়িয়া (having read)	পড়ে	পঢ়ি
দেখিয়া (having seen)	দেখে	দেখি
ঠাকুৰাণী (a goddes)	ঠাকুৰণ	ঠাকুৰণী / গোসানী / শীতলা ইত্যাদি।

(৩) ৰাজবংশী ভাষাত মহাপ্রাণ স্পর্শ (aspirate plossives) ধ্বনিবোৰ মধ্যস্থানত অল্পপ্রাণধ্বনি হিচাপে উচ্চাৰণ হোৱা দেখা যায় [২১] কিন্তু সাধু বাংলা আৰু মান্য অসমীয়া ভাষা তেনে নহয়। যেনে-

ৰাজবংশী	সা. বাংলা	মা. অসমীয়া
বন্দু (friend)	বন্ধু	বন্ধু
আদেক / আদা (half)	আধেক / অর্ধেক	অর্ধেক / আধা
শোবা (beauty)	শোভা	শোভা

(৪) আদি ব্যঞ্জন ৰাজবংশী ভাষাত মহাপ্রাণ আনহাতে বাংলা আৰু অসমীয়া ভাষাত অল্পপ্রাণ হিচাপে উচ্চাৰিত হয়। যথা-

OKDISCD

ৰাজবংশী	সা. বাংলা	মা. অসমীয়া
ভাসা (nest)	বাসা	বাহা / বাহ
খেতা (torn cloth's blanket)	কাঁথা	কঁথা
ভেশ (dress)	বেশ	বেশ
ভোন্দা (mail cat)	-	বোন্দা

(৫) কোনো ব্যঞ্জন ধ্বনিৰ আগতে ই থাকিলে ৰাজবংশী ভাষাত আপিনিহিতি বা স্বৰ বিপর্যয় (apenthesis) ঘটে আৰু কেতিয়াবা পূর্ব স্বৰৰ লগত সমীভূত বা পৰিবর্তন (অভিশ্রুতি, umlaut) বা লোপ হয় । [২২] যেনে -

ৰাজবংশী	সা. বাংলা	মা. অসমীয়া
গেছিনু (gone)	গিয়েছিলাম	গৈছিলোঁ
খাছি / খায়া আছি (eating)	খাইতেছি	খাই আছোঁ
হছি (become)	হয়েছিলাম	হৈছিলোঁ

(৬) মান্য অসমীয়াৰ আদি আ অক্ষৰ সাধাৰণতে ৰাজবংশীত লোপ পায় আৰু কেতিয়াবা পদান্তৰ দ্বিস্বৰধ্বনি- অই > আই হিচাপে উচ্চাৰিত হোৱা দেখা যায়। যথা-

ৰাজবংশী	সা. বাংলা	মা. অসমীয়া
খৈ (fried paddy)	খৈ	আখৈ
মাৱৈ (friend's mother)	মাসিমা	আমৈ
গৰাই (a kind of fish)	ষাটি	গৰৈ
মিঠাই (sweet meat)	মিষ্টি	মিঠাই
দলাই (priest of temple)	দলে	দলৈ

(৭) মান্য ভাষাত কোনো শব্দৰ ওচৰা-ওচৰি দুটা ধ্বনি থাকিলে ৰাজবংশী আৰু বাংলা ভাষাত আ থাকি যায় কিন্তু অসমীয়া ভাষাত অ লৈ ৰূপান্তৰিত হয় । য়েনে-

ৰাজবংশী	সা. বাংলা	মা. অসমীয়া
ৰাজা (king)	ৰাজা	ৰজা
চাকা (wheel)	চাকা	চকা
কাণা (blind of one eye)	কাণা	কণা
তাৰা (star)	তাৰা	তৰা

(৮) আমি বাংলা সাধু ভাষা আৰু ৰাজবংশী ভাষাত সংখ্যাবাচক শব্দৰ আগত 'এক' (< একা) পাওঁ। আনহাতে অসমীয়াত পাওঁ 'এ' যেনে-

ৰাজবংশী	সা. বাংলা	মা. অসমীয়া
একবাৰ (once)	একবাৰ	এবাৰ
একবুক (breast deep)	একবুক	এবুকু

OKDISCD

একফালা (one side)	একফালা	এফাল
এক চামুচ (one tea spoon full)	একচামুচ	এচামুচ ইত্যাদি

(৯) ৰাজবংশী আৰু বাংলাত শব্দৰ আদি অক্ষৰত শ্বাসাঘাত (stress) পৰা দেখা যায়। কিন্তু মান্য অসমীয়াত শ্বাসাঘাত উপাধা অক্ষৰতহে (penultimate stress system) পৰে। যথা-

ৰাজবংশী	সা. বাংলা	মা. অসমীয়া
এগাৰো (eleven)	এঘাৰো	এঘাৰ
কাক্ৰা (crab)	কাকড়া	কেকোঁৰা
কুম্ৰা (pumkin)	কুমুৰা	কোমোৰা
সত্ৰো (seventeen)	সতৰো	সোতৰ ইত্যাদি

(১০) ৰাজবংশী ভাষাত আৰু বাংলাত কেতিয়াবা দ্বিত্ব ব্যঞ্জনৰ ৰূপ (gemination or doubling of consonants) পাওঁ। আনহাতে অসমীয়াত তেনে ৰূপ নাই যেনে-

ৰাজবংশী	সা. বাংলা	মা. অসমীয়া
ছোট্ট (little)	চোট্ট	সৰু
থাপ্পৰ (slap)	থাপ্পৰ	চাপৰ / থাপৰ
এক্কেবাৰে (at a time)	এক্কেবাৰে	একেবাৰে
কিচ্ছু (any thing)	কিচ্ছু	কিছু
পট্টু (skilled)	পট্টু	পটু ইত্যাদি

(১১) প্রগত (progressive) পৰাগত (regressive) আৰু অন্যান্য (mutual) সমীভৱন আমি ৰাজবংশী ভাষাত দেখা পাওঁ এই ৰীতি অন্যান্য ভাষাতো নোহোৱা নহয়। ৰাজবংশী ভাষাৰ উদাহৰণ চাওক-

প্রগত আগৰ ধ্বনিয়ে পিছৰ ধ্বনিৰ পৰিবর্তন ঘটালে প্রগত হয় যেনে-

ৰাজবংশী	সা. বাংলা	মা. অসমীয়া
পদ্দ (lotus)	পদ্ম	পদুম
আত্তা (soul)	আত্মা	আত্ম
চক্কৰ (wheel)	চক্র	চক্র

পৰাগত- পদান্তৰ ধ্বনিয়ে আগৰ ধ্বনিৰ পৰিবর্তন ঘটালে পৰাগত বুলি কোৱা হয় যথা-

ৰাজংবশী	সা. বাংলা	মা. অসমীয়া
কদ্দুৰ (how far)	কতদূৰ	কিমানদূৰ
যদ্দুৰ (how far)	যতদূৰ	যিমানদূৰ
বজ্জাত (wicket)	বদজাত	দুষ্ট / শয়তান
চাইট্টা (four)	চাৰটা	চাৰিটা
ভত্তি (full)	ভর্তি	পুৰা / পৰিপূর্ণ

OKDISCD

অন্যান্য - য'ত পৰস্পৰ প্ৰভাৱত দু য়োটা ধ্বনিয়ে পৰিবৰ্তন হয় তাক অন্যান্য বোলে । যেনে-

ৰাজবংশী	সা. বাংলা	মা. অসমীয়া
কিচ্ছু (any thing)	কিছু	কিছু
নাড্ডু (Laddu)	লাড়ু	লাড়ু
ভইশ (buffalo)	মহিষ	ম'হ
সচ্চা (true)	সত্য	সঁচা ইত্যাদি

(১২) ৰাজবংশী ধ্বনিৰ অল্পপ্ৰাণীকৰণ (deaspiration) অন্যতম প্ৰধান বৈশিষ্ট্য । যথা-

সংস্কৃত	ৰাজবংশী	সা. বাংলা	মা. অসমীয়া
শৃঙ্খল	ছিকল (chain)	শৃঙ্খল	শিকলি
সৌগন্ধ	সোন্দা (sweet smelling)	সুগন্ধ	সোন্দা
মহার্ঘ	মঙ্গা (costly)	মঙ্গা / অভাৰ	মহঙ্গা
শিৰ ঃ স্থান	শিতান (head of a bed)	শিৰস্থান	শিতান
পদ ঃস্থান	পৈতান (foot of a bed)	পদস্থান	পথান ইত্যাদি

ৰূপতাত্ত্বিক (morphological) :

(১) ৰাজবংশী ভাষাৰ বহুবচনৰ প্ৰত্যেয়বোৰৰ লগত অসমীয়া আৰু বাংলা ভাষাৰ কোনো মিল নাই। যথা-

ৰাজবংশী	সা. বাংলা	মা. অসমীয়া
মানুষগুলা (men)	লোকগুলি	মানুহবোৰ
ছওয়াগুলা (childrens)	চেলেমেয়েগুলি	ল'ৰা-ছোৱালীবোৰ
চেংৰালা (boys)	ছেলেৰা	ল'ৰা বিলাক / বোৰ
ছওয়াৰঘৰ (childrens)	ছেলেমেয়েৰা	ল'ৰা - ছোৱালীহঁত ইত্যাদি

(২) ৰাজবংশী ভাষাৰ ক্ৰিয়া বিশেষণৰ (adverbial formation) ৰূপবোৰৰ লগত বাংলা আৰু অসমীয়া ভাষাৰ কোনো মিল নাই। মান্য ভাষাৰ লগত এইটো ডাঙৰ পার্থক্য। যেনে-

ৰাজবংশী	সা. বাংলা	মা. অসমীয়া
এলায় / এলা (now)	এখন	এতিয়া
এটাই / এটি (on this side)	এখানে	ইয়াত
সেটাই /সেটি (on that side)	সেখানে	তাত / তাতে
এংকৰিয়া / এমন কৰিয়া (in this way)	এমন কৰে / এমনিভাৱে	এনেকৈ
টক কৰিয়া / চটকৰিয়া (suddenly)	তাৰাতাৰি	সোনকালে ইত্যাদি ।

(৩) ৰাজবংশী ভাষাৰ স্বার্থিক প্রত্যয়ৰ (pleonastic suffix) ৰূপবোৰ সাধু বাংলা আৰু অসমীয়াতকৈ সম্পূর্ণ পৃথক ৰাজবংশী ভাষাত যায়া, তো, ভালা, বোল, নে, না আদি ব্যৱহাৰ হয় ।

ৰাজবংশী ঃ

OKDISCD

ভাত খা যায় (go and take meals, request)

স্কুলত যাতো (go to school, order)

যাও তো ভালা (you please go, honou)

আসিস্ বোল (thou will please come, request)

খা নে ('go' and do eat)

যা না (do go, order)

সাধু বাংলা ঃ

ভাত খাও গিয়ে

স্কুলে যাওঁ

যান এখন

আসবে কিন্তু

খেয়ে নেও

এখন যাওঁ

মান্য অসমীয়া ঃ

ভাত খা গৈ,

স্কুললৈ যোৱাচোন,

যাওকচোন বাৰু,

আহিবাচোন,

খোৱা গৈ,

যোৱা গৈ।

(৪) ৰাজবংশী ভাষাৰ নির্দিষ্টতাৰাচক প্রত্যয়বোৰ (definitives) বাংলা আৰু অসমীয়াতকৈ কিছু পৰিমাণে পৃথক। যেনে-

ৰাজবংশী ঃ

মাছ খুতুৰা (a piece of fish)

মানুষটা (the man)

ছওয়াখোনা (the child)

সাধু বাংলা ঃ

মাছটুকুৰা,

লোকটি,

OKDISCD

বাচ্চাটি

মান্য অসমীয়া ঃ মাছটুকুৰা, মানুহজন, শিশুটো ইত্যাদি।

(৫) চর্ত সাপেক্ষ বাক্যবোৰত (conditional sentence) ৰাজবংশী ভাষাত 'হয়' বাংলাত 'তাম' আৰু অসমীয়াত হেঁতেন' ব্যৱহাৰ হয়। ৰাজংবশী 'হয়' টো পৰিণামী উপবাক্যৰ (apodosis) অতীত কাল হিচাপে যোগ হয়। আদিতে 'হইলে' বা 'ইলে' (অসমীয়াত 'হেঁতেন') আদি ক্রিয়াৰ ভূত কালৰ কৃদন্ত (past participle) হিচাপে উপসংযোগ হয়। যথাঃ

ৰাজবংশী ঃ

উয়ায় আইসা হইলে / আসিলে মুই উমাৰ সাথতে গেলুং হয় । (had he come, I would have gone with him)

উয়ায় কওয়া হইলে / কইলে মুই তাক টাকা দশটা দিলুং হয়। (had he said, I would have given him ten rupees)

মা. অসমীয়া ঃ

সি যদি আহিলহেঁতেন মই তাৰ লগতে গলোঁহেঁতেন।

সি যদি ক'লেহেঁতেন মই তাক টকা দহটা দিলোহেঁতেন।

সা. বাংলা ঃ

সে যদি আসতো আমি তাৰ সঙ্গে যাইতাম / যেতাম।

সে যদি বলতো আমি তাকে টাকা দশটি দিতাম / দেতাম।

(৬) ৰাজবংশী ভাষাত বাংলা বা অসমীয়াতকৈ বিশেষ্য (noun) ৰ আৰু কৃদন্তৰ (participles) পৰা ক্রিয়া গঠন কৰাৰ প্রৱণতা বেছি। ৰাজবংশী ভাষাত বেছি ভাগ নাম ধাতুৱে (denominative roots) বিশেষ্যৰ পৰাই গঠন হোৱা দেখা যায়, বিশেষ্য প্রকৃতি (noun stem) ৰ লগত 'আ' প্রত্যয় যোগ হয়। যেনে-

কাম (work) কাম - আ কামা (to earn)

টাকা কাম (earn money)

দাড়ি কামা (the shaving beard)

কিল (a blow) কিলা (to beat with a blow),

কোব (a stroke with a stick) কোৱা (to strike, to beat)

খুৰ (razor) খুৰা (to shave)

চৰ (a slap) চৰা (to shave)

চাক (bee hive) চাকা (to test) ইত্যাদি।

(৭) অতীত কালত তৃতীয় পুৰুষৰ প্রত্যয় হিচাপে বাংলাত লো, ইলো, অসমীয়াত- লে, ইলে আৰু ৰাজবংশীত লো, ইলো ব্যৱহাৰ হয়। যেনে-

ৰাজবংশী	সা. বাংলা	মা. অসমীয়া
উয়ায় খাইলেক (he eat)	সে খাইলো	সি খালে
উয়ায় শুনিলেক / শুন্লেক (he heard)	সে শুনিলো / শুনলো	সি শুনিলে

(৮) তুমুনন্ত (infinitive) বুজাবলৈ ৰাজবংশী ভাষাত বিভিন্ন প্রত্যয় যোগ হয়। যেনে-

OKDISCD

ৰাজবংশী	সা. বাংলা	মা. অসমীয়া
খাবাৰ যাং (go to eat)	খেতে যাই	খাবলৈ যাওঁ
খাওৱা জল (water to drink)	খাবাৰ জল	খাবলৈ পানী বা খোৱা পানী
খাবাৰ বাদে / গোনে / জইন্নে		
নাগি আইসে (comes to eat)	খাবাৰ জন্য আসে	খাবলৈ আহে
শোনাৰ সমায় (time to hear)	শোনাৰ সময়	শুনিবলৈ সময়

(৯) কৰণ কাৰক (instrumental sense) বুজাবলৈ ৰজবংশী ভাষাত 'দিয়া' অসমীয়াত 'ৰে' আৰু সাধু বাংলাত 'দিয়ে' ব্যৱহাৰ হয়- যথা-

ৰাজবংশী	বাংলা	অসমীয়া
হাত দিয়া (with hand)	হাতদিয়ে	হাতেৰে
জলদিয়া (with water)	জলদিয়ে	পানীৰে
আলু দিয়া (with potato)	আলুদিয়ে	আলুৰে ইত্যাদি।

(১০) কর্মনি প্রয়োগত (passive sense) ৰাজবংশী আৰু সাধু বাংলাত ক্রিয়াৰ ভূতকালি কৃদন্তৰ পিছত (past participle form) 'যা' ধাতু যোগ হয় কিন্তু অসমীয়াত 'হ' ধাতু যোগ হয়। যেনে-

ৰাজবংশী	সা. বাংলা	মা. অসমীয়া
কৰা যাইবে (will be done)	কৰা যাবে	কৰা হ'ব

শব্দ ভাণ্ডাৰ (vocabulary)

ৰাজবংশী ভাষাৰ শব্দ সম্ভাৰক আমি কেবাটাও ভাগত ভাগ কৰিব পাৰোঁ যথা-

(১) সংস্কৃত শব্দ

(ক) তৎসম - প্রাণ, কৃপণ, মাতৃ, পিতৃ ইত্যাদি

(খ) অর্দ্ধতৎসম - পৰাণ, ধৰণ, সোয়ামী, গোসাই ইত্যাদি

(গ) তদ্ভৱ - পেচা, থুপা, বইনী ইত্যাদি

(২) অনার্য শব্দ

(ক) অষ্ট্রিক- তোতলা, কামতা, বাইগন ইত্যাদি

(খ) তিব্বতবর্মী- বোকালি, আৰালি, আলোয়া ইত্যাদি

(গ) টাই আহোম - খাং, টাকালি, কাঙ্কিণী ইত্যাদি

(ঘ) দ্রাবিড়ী শব্দ - ভেলা, বল্লম, পাৰা ইত্যাদি

(৩) অন্যান্য ভাষাৰ শব্দ-

(১) ভাৰতীয়

(ক) বাংলা ভাষা - অকাট্য, কাণ্ডজ্ঞান, উড়ণচণ্ডী, পটোলতোলা ইত্যাদি

OKDISCD

(খ) অসমীয়া - আইও, বাইও, জঞ্জাল, পালী, শিক্ষক ইত্যাদি।

(গ) উড়িয়া - সেজা মুতুৰা, আটকুৰা, হৰিনুট ইত্যাদি।

(ঘ) হিন্দী- আপোচ, খতম, খাতা, খুন, জান ইত্যাদি

(ঙ) গুজৰাটী - হৰতাল

(চ) মাৰাঠী - হালকা, গাং ইত্যাদি

(২) অভাৰতীয়

(ক) ইংৰাজী- অফিচ, ফাইল, চেয়াৰ, টেবিল ইত্যাদি

(খ) পর্ত্তুগীজ - বাৰান্দা, বেহালা, মিস্ত্রী ইত্যাদি

(গ) আৰবী- আতৰ, উকিল, খবৰ, খাজনা ইত্যাদি।

(ঘ) ফার্চী- আন্দাজ, কবৰ, গৰীব, খৰিদ্দাৰ ইত্যাদি।

(ঙ) নেপালী - খাল, চেপটা, ঝাপৰী, দ্রাব্রাদাব্রী ইত্যাদি।

বাংলা, অসমীয়া আদি ভাষাৰ দৰে শব্দবোৰ ৰাজবংশী ভাষাও গ্রহণ কৰিছে। ওপৰোক্ত শ্রেণী বিভাজনৰ উপৰি ৰাজবংশী ভাষাৰ অন্যান্য অসংখ্য শব্দ পাওঁ। যিবোৰ শব্দক আমি ৰাজবংশী ভাষাৰ নিজস্ব শব্দ বুলি ক'ব পাৰোঁ। এই শব্দবোৰ বাংলা আৰু অসমীয়া ভাষাত পোৱা নাযায় মানৰ ফালৰ পৰা শব্দবোৰ বাংলা আৰু অসমীয়া ভাষাতকৈ কোনো গুণে হীন বা কম নহয়। ৰাজবংশী ভাষাত ল'ৰা-ছোৱালী উভয়কে বুজাবলৈ ছওয়া, ছওয়াপোয়া, ছওয়াছোটো আদি ৰূপ ব্যৱহাৰ কৰা হয়। আনহাতে আমি মান্য অসমীয়া বা বাংলা ভাষাত বুজাবলৈ তেনে ৰূপ দেখা নাপাওঁ। বাংলা আৰু অসমীয়া ভাষাত ব্যৱহাৰ নোহোৱা তেনে অসংখ্য শব্দ ৰাজবংশী ভাষাতঁ আছে। বিস্তাৰৰ ভয়ত উল্লেখ কৰা নহ'ল।

ৰাজবংশী ভাষাৰ ভেদ (variation of Rajbansi) ঃ

ৰাজবংশী ভাষিক গুষ্ঠীৰ মাজত আমি কিছু পার্থক্য দেখা পাওঁ। কিছুমান ভাষাক বিভাষা হিচাপেও কোৱা দেখা যায়। যিহেতু অভিভক্ত গোৱালপাৰাৰ পশ্চিম অঞ্চল অর্থাৎ বর্তমান ধুবুৰী জিলা, ৰংপুৰ, জলপাইগুৰি আৰু কোচবিহাৰৰ ভাষাই পৰস্পৰাগত ভাবে আহি ভাষা হিচাপে প্রতিষ্ঠা লাভ কৰিছে। আমাৰ আলোচনাত আমি উক্ত অঞ্চলৰ ভাষাকে মান্য ভাষা হিচাপে (standard form) স্থান দিছোঁ। গ্রিয়াৰছনে গোৱালপাৰা, ৰংপুৰ, জলপাইগুৰি, মালদহ, দেশীয় ৰাজ্য কোচবিহাৰ আৰু বাহে বিভাষা দার্জিলিং আদি ছ খন জিলাৰ ভাষাৰ কথা উল্লেখ কৰিছে। তেওঁৰ মতে উক্ত জিলা কেইখনৰ ভাষাৰ মাজত সিমান এটা পার্থক্য নাই। ৰংপুৰ জিলাৰ ৰাজবংশী উপভাষাৰ মাজত আমি কিছু নাসিক্য ধ্বনিৰ প্রাধান্য লক্ষা কৰিছোঁ। মালদহৰ ৰাজবংশী উপভাষাৰ লগত কোচ ভাষাৰ মিশ্রন ঘটিছে আৰু দার্জিলিং জিলাৰ ৰাজবংশী উপভাষা আৰু শিলিগুৰি মহকুমাৰ (sub- divison) তৰাই অঞ্চলৰ ভাষাৰ লগত উক্ত চাৰিখন জিলাৰ ভাষাৰ কিছু শব্দগতআৰু ক্রিয়াগত পার্থক্য দেখা যায়। গতিকে আমি আমাৰ দার্জিলিঙৰ ভাষাক ৰাজবংশী বিভাষা হিচাপে উল্লেখ কৰিব পাৰো বুলি গ্রিয়াৰছনে কয়। সেই হিচাপে আমি আমাৰ আলোচনাত পূর্বোল্লিখিত চাৰিখন জিলাৰ (পশ্চিম গোৱালপাৰা, ৰংপুৰ, কোচবিহাৰ আৰু জলপাইগুৰি) ভাষাক ৰাজবংশী মান্য ভাষা আৰু মালদহ আৰু দার্জিলিঙৰ ভাষাক ৰাজবংশী উপভাষা হিচাপে স্থান দিব পাৰোঁ।

ব্লুমফিল্ডৰ মতে 'কোনো এটি অঞ্চলত বিভিন্ন ভাষিক গুষ্ঠীৰ লোকক শোহন (absorption) কৰিলে এনে পার্থক্য হ'ব পাৰে। আকৌ কোনো দেশত যদি বহু কাল ধৰি একে ভাষিক গুষ্ঠী থাকে তেনেহ'লে স্থানীয় পার্থক্য অধিক হয়[২৩]।

ৰাজবংশী ভাষাৰ বর্তমান অৱস্থা ঃ

কোনো এটি ভাষাৰ উন্নতি নির্ভৰ কৰে সেই ভাষাৰ সাহিত্য ৰচনা আৰু প্রচাৰৰ ওপৰত। আজিলৈকে এই ভাষাৰ ৰেডিঅ, দুৰদর্শন, বাতৰি কাকত আদিৰ ক্ষেত্র সম্প্রচাৰ হোৱা দেখা নাযায় আৰু ই চৰকাৰৰ দ্বাৰা স্বীকৃত ভাষা নোহোৱাত ইয়াৰ উন্নতিৰ অন্তৰায়

নোহোৱা নহয়। কিছুমান গণ্যমান্য লিখকে তথা কিছুমান বেচৰকাৰী সামাজিক সংগঠন যথা অসমৰ ৰাজবংশী সাহিত্য সভা, কোচৰাজবংশী সাহিত্য সভা, উত্তৰ বঙ্গৰ কামতাপুৰী সাহিত্য পৰিষদ, নেপালৰ ৰাজবংশী ভাষা বিকাশ সমিতি , বিহাৰৰ ৰাজবংশী ভাষা কল্যাণ পৰিষদ আদিয়ে এই ভাষাৰ উন্নতিৰ চিন্তা কৰি আছে আৰু বিভিন্ন গ্ৰন্থ আদি প্ৰকাশ কৰি আছে। আধুনিক ৰাজবংশী ভাষাৰ বিকাশৰ ক্ষেত্ৰত নতুন লেখক, গৱেষক আদিয়ে আগবাঢ়ি আহিলে নিশ্চয় ইয়াৰ ভৱিষ্যত আশা কৰি পাৰি।

উপসংহাৰ ঃ

কোনো এটি মান্যভাষাৰ অর্থ হ'ল উপভাষাৰ সমাহাৰ। বহুতে ভাৱে কোনো এটি জনগোষ্ঠীয় ভাষাক উপভাষা বুলিয়ে কোৱা যুক্তি যুক্ত। ভাষা বিজ্ঞানৰ সূত্ৰ মতে ভাষা হ'ব লাগিলে আঠটা বৈশিষ্ট্যৰ প্ৰয়োজন [২৪] যথা (১) নিজস্ব শব্দ সম্ভাৰ (vocabulary) (২) সর্বনাম (pronoun) (৩) নিজস্ব ক্ৰিয়াৰূপ(verb endings) (৪) নিজস্ব শব্দ ৰূপ (case endings) (৫) নিজস্ব মৌখিক বা লিখিত সাহিত্য (literature) (৬) উচ্চাৰণ ৰীতি (intonation) (৭) নিজস্ব মানস বোধাত্মক ধ্বনি বিজ্ঞানগত অভিব্যক্তি (psycho-acoustic notes) আৰু তান্মাত্ৰিক বোধাত্মক ধ্বনি বিজ্ঞান গত অভিব্যক্তি (inferential acoustic notes) (৮) কর্তা-কর্ম গত ব্যাকৰণ সন্মত সংৰচনা শৈলী (syntex)। ৰাজবংশী ভাষাত এই বৈশিষ্ট্য সমূহ সততে লক্ষ্য কৰা যায়। সেয়ে ই এটি স্বতন্ত্ৰ ভাষা বুলি কব পাৰো। ই উপভাষা নহয়। চৰকাৰৰ দ্বাৰা সাংবিধানিক স্বীকৃতিনাথকিলেও ই এটি ভাষা। ❑

References :

1. Chatterji, S.K., Kirata Jana Kriti, 1951. p - 60.
2. Goswami, U., Asamia Bhasar Udvab Samridhi Aru Bikash, 1994, p - 96.
3. Rajtogir, Dr. Taracharan , Maulana Azad Academy Journal. (May 1-3, article)1993.
4. Barman, S. Jag Gan, 1998, p-126
5. Datta, B., Goalpara Lok Sanskriti, 1982. p-18.
6. Do No. 212 /12/97 B (D) dt. 1997 From C.M. Ibrahim.
7. Grisrson, Linguistic Survey of India, Vol.-V, Pt-I, Rep. 1963, p-163.
8. Anderson, J.D., Introduction to the Koches, P. xvii.
9. Kakati, B., Assamese Its formation and Development, Rep, 1972, p-18.
10. Chattarji, S.K., Ibid, p-54.
11. Gait, E., A History of Assam, Rep. 1984, p-25.
12. Chatterji, The Origin and Development of the Bengali Language, 1926, Sec. -47.
13. Grierson, The Modern Indo Aryan Vernacular, 1931, Sec. 34.
14. Chatterji, The place of Assam in the Hostory and Civilization on India, Lecture - II, Eec.3.
15. Datta, B., Flok Culture of the Goalpara Regiob, 1995m p-284.
16. Kakati, B. Ibid, p-6.
17. Kakati, B. Ibid, p-7.
18. Ibid, Appendix A (7) p-392.
19. Imperial Gazetter of India, 1909. p-381.
20. Sanyal C.C. The Rajbansis of North Bengal, 1964, p-250.
21. Ibid.
23. Ibid.
24. Bloomfield, L. Language, 1950, p-47.
24. Sarkar, P., Byakaran Bijnan, pt-3, 1989, p-1005

OKDISCD

প্ৰবাহিত সংস্কৃতিয়েই জনগোষ্ঠীৰ আত্মিক পৰিচয়

অম্বিকাচৰণ চৌধুৰী

আত্মাৰ সন্ধানত ঃ

অন্তহীন নোপোৱাৰ উমি উমি জ্বলি থকা অগ্নিদহনক বুকুত সাৱটি লৈ সীমাহীন চাওৱা-পাওৱাৰ ৰাগীত মতলীয়া মানুহে কত কিছুৰ পিছে পিছে দৌৰী আছে - তাৰ জানো বিৰতি আছে, কিয় দৌৰিছে, কলৈনো দৌৰিছে, লক্ষ্য নো কি, তাতেই থাকিবনে ক্ষান্ত হৈ ; পোৱাৰ পিছতো দেখোন অতৃপ্ত অশান্ত । ডিঙিলৈকে পানীত বুৰি থাকিও এটুপি পানীৰ বাবে পিপাসার্ত - পানী পানী, মাথো এটুপি পানী - আৰ্ত্তনাদ, হাহাঁকাৰ তথাপি নহয় যে শান্ত । সীমাহীন আশা আকাঙ্খাৰ নিৰ্ম্মম বেত্ৰাঘাতত ক্ষত-বিক্ষত, ক্লান্ত শ্ৰান্ত, পঞ্চেন্দ্ৰিয়, শয্যাগত শৰীৰ, শেষ নিশ্বাসৰ আগ পৰ্য্যন্ত শেহাই শেহাই অনুচ্ছাৰিত শব্দৰে সকলো প্ৰাপ্তিৰ অফুৰন্ত উৎস পৰম পিতা পৰমেশ্বৰৰ ওচৰত অন্তিম প্ৰাৰ্থনা - হে ঈশ্বৰ, হে আল্লা, দুনিয়াৰ মালিক, ও গড্ দি অলমাইটি মোক তাৰা তাৰি মাৰি নিয়া - মই মৰিলেই বাচো ! অৰ্থাৎ মৃত্যু শয্যাত ঢলি পৰিও মৃত্যু কাঁতৰ প্ৰাৰ্থনা বাচি থকাৰ, জীয়াই থকাৰ অন্তিম আশা মৰিও বাচি থকাৰ । সেযে ৰাজবংশী ভাষাৰ লোকশিল্পীয়ে দোতৰা সঙ্গত কৰি আকুল কণ্ঠে উদাত্ত ভাবেৰে হিয়া উজাৰি গাইছে - ' অ' জীৱন ! চাৰিয়া নাযাইছ মোৰে/তুই জীৱন চাৰিয়া গেইলে/আদৰ কৰিবে কায় জীৱন ৰে ! ....”

এই বাচি থকাৰ তাগিদাতেই নিজা নিজা বৈশিষ্ট্যৰে জীয়াই থকাৰ তাগিদাতেই, নিজে সপৰিয়ালে লগতে সপাৰিপার্শিক সহ জীয়াই থাকি বৃদ্ধি পোৱাই নে ভূমাস্পৃহা ? তাতো ক্ষান্ত নাথাকি সৰু বৰ সকলো সৃষ্টিৰ মূলতে থকা যি অদ্বয় শক্তি তাকেই জনা, পোৱা আৰু তাতেই মিলিত হৈ বিলীন হোৱা, পৰিনির্বাণ লাভ কৰাটোৱেই প্ৰত্যেকৰে চৰম লক্ষ্যনে ? জীয়াই থকা আৰু বৃদ্ধি পোৱা এই চিৰন্তন তাগিদাই হৈছে সংস্কৃতিৰ আত্মা অৰ্থাৎ এই চলমান শক্তি । সংস্কৃত অত্ ধাতু + ইতি = আত্মা । (অততি + ইতি) অৰ্থাৎ যাৰ গতি আছে সেয়ে আত্মা । এই শক্তিৰ গতিশীলতাক ৰক্ষা কৰিবলৈ হ'লে স্থান, কাল আৰু পাত্ৰৰ পৰিৱেশৰ লগত যাৰ দ্বাৰা নিজকে সংস্কাৰ কৰা যায় সিয়েই সংস্কৃতি (সম- কৃ ধাতু + ক্তি = সংস্কৃতি)

ঐতিহ্যৰ বাহক ঃ

বৰ্ত্তমানে আমালোকে নিজৰ উপৰিও আমাৰ পিতৃপুৰুষ বংশ পৰম্পৰাই যিবোৰ আচাৰ, ৰীতি-নীতি অনুষ্ঠান পালন কৰি অহাৰ উপৰিও আত্মপ্ৰকাশ আৰু মনোৰঞ্জনৰ বাবে হাততে পোৱা থলুৱা বাদ্য বাজনাৰে নিজ নিজ মাতৃ ভাষাতে অঙ্গী ভঙ্গীৰে গীত মাতত সুৰ সংযোজন কৰি আত্মপ্ৰসাদ লাভ কৰাৰ লগতে আন আন শ্ৰোতা আৰু দৰ্শককো আনন্দ প্ৰদান কৰা হয় সেইবোৰেই হৈছে লোক সংস্কৃতিৰ উপাদান; আমাৰ সাংস্কৃতিক ঐতিহ্য । জ্ঞাতসাৰে বা অজ্ঞাতে অতীতক আমালোকে সদায় বহন কৰি আছো; অতীতৰ কোনো কিছুই, ভালেই হ'ক বা মন্দই হ'ক আমালোকক এৰা নিদিয়ে । ইয়াৰ ভিতৰেদিয়েই নিজ নিজ বংশ আৰু নিকট পৰিৱেশত বিশেষ কিছুমান সহজাত গুণৰ (instinctive traits) ৰ সৃষ্টি হয় আৰু সেইবোৰ সহজাত গুণাৱলীৰ ওপৰতেই থিয় দি আমাৰ অৱস্থিতি । আমাৰ এই ভেটিক (foundation) যদিহে উপেক্ষা, অৱহেলা বা পৰিত্যাগ কৰো তেতিয়াহ'লে আৰু তেতিয়াই আমি স্থিতিহীন হই পৰোঁ । সেয়ে পাৰিবাৰিক, লগতে গোষ্ঠীগত ঐতিহ্যৰ পৰা বিচ্যুত হোৱা মঙ্গলদায়ক নহয় । কাৰণ বাস্তৱক অস্বীকাৰ কৰা বা মুচি পেলোৱাটো সম্ভৱ নহয় বাবেই পাৰিবাৰিক গোষ্ঠীগত, পাৰিপাৰ্শ্বিক তথা আঞ্চলিক ঐতিহ্যৰ (tradition) পৰা বিচ্যুত হোৱা মানে কৃষ্টিহাৰা হোৱা । কৃষ্টিহাৰা হোৱা মানেই আত্মপৰিচয় হেৰুওৱা । গতিকে কৃষ্টিৰ পৰা চ্যুত নহৈ, ভাল -মন্দ যিয়েই নহ'ক সেই ঐতিহ্যক জীৱন বৃদ্ধিৰ পথত পোনাই দিব লাগে । ইয়াৰ বাবে প্ৰয়োজন আদর্শ আৰু সম্ভৱ হ'লে জীৱন্ত আদর্শ (ideal) । আদর্শৰ সেৱাত যিবোৰক বা যাক লগোৱা হয়; সেয়া বেয়া হ'লেও ক্ৰমশঃ ভালৰ পিনে অগ্ৰসৰ হয় । আদর্শৰ সেৱাত যি ব্যৱহাৰ নহয় অৰ্থাৎ মদাৰ ফুলক বিগ্ৰহ পূজাত নলগাৰ দৰেই ভাল সংস্কৃতি

হ'লেও সি খাম- খেয়ালৰ খোৰাকি যোগান দি অনৰ্থৰ সৃষ্টি কৰাৰেই সম্ভাৱনাই অধিক। গতিকে সকলো ঐতিহ্যৰ পৰম্পৰাই আদৰ্শৰ অনুগামী হোৱা উচিত। অন্যথায় মনোৰঞ্জনৰ আধুনিক মাধ্যম বলিউড বা হলিউড ষ্টাইলত প্ৰদৰ্শিত হোৱা বিকৃত সংস্কৃতিৰে প্ৰেক্ষাগৃহৰ দুৰ্নামৰ বাহিৰে আন একো নহয়। আমাৰ জ্ঞান বুদ্ধিয়ে বা নেতা বা এজন পণ্ডিতে তেওঁৰ পণ্ডিত্যৰে যদিহে কাকো পৰিপূৰণ কৰিব নোৱাৰে তেওঁৰ পাণ্ডিত্য বিধবাৰ বিলাসীতাৰ দৰে অশোভন আৰু বেদনাদায়ক হৈ উঠে। তেনে সংস্কৃতি অপকৃষ্টিত পৰিণত হয়।

বৈচিত্ৰময় সংস্কৃতি ঃ

অপৰিবৰ্তনসীল সত্তাক বাদ দি পৰিবৰ্তনশীল জগতক, অসীমক বাদ দি সসীমক বুজিব আৰু জানিব পৰা নাযায়। জীৱন আৰু জগৎ গতিশীল আৰু ইয়াৰ সাৰ্থকতাৰ বাবে গন্তব্য সম্বন্ধে চিৰজাগ্ৰত সচেতনতা আৰু সেই অভিমুখী চলন; উভয়ৰেই উদ্দেশ্য ঈশ্বৰ প্ৰাপ্তি। গতিকে ঈশ্বৰক বাদ দি চলমান জগতত প্ৰচলিত সংস্কৃতিৰ ক্ষেত্ৰ বিস্তৃতি আৰু উপাদান সমূহৰ কথা ভাবিব নোৱাৰি। যিবোৰ সংস্কৃতি ঈশ্বৰ বিশ্বাস আৰু ঐশ্বৰিক পুৰুষ আৰু তেওঁৰ আদৰ্শৰ পৰিপোষক নহয় তেনেবোৰ সংস্কৃতি সচৰাচৰ অপসংস্কৃতিত পৰ্য্যবসিত হয়। ঈশ্বৰ শব্দৰ ভিতৰত আছে আধিপত্য (অধি পা-ধাতু); যাৰ অৰ্থ ধাৰণ পালন সম্বেগ সিদ্ধতা যাৰ আছে তেওঁৰেই স্ৰষ্টা। এই স্ৰষ্টাই হৈছে সকলোৰে উৎস আৰু উৎস মুখীনতাই হৈছে জীৱনৰ উদ্দেশ্য। পৃথিৱীৰ প্ৰত্যেক ব্যক্তিৰেই চৰম উদ্দেশ্য হৈছে ঈশ্বৰ প্ৰাপ্তি বা ঈপ্সিত লাভ। ঠোৰতে সকলো ধৰণৰ বৃত্তি প্ৰবৃত্তিৰ ওপৰত যিজনাৰ আধিপত্য থাকে তেওঁৰেই ঈশ্বৰ। প্ৰেম, ভাল পোৱা, স্নেহ, দয়া, ত্যাগ, তিতিক্ষা, জ্ঞান, প্ৰজ্ঞা সেৱা সম্বৰ্দ্ধনা বীৰ্য, যশ, শ্ৰী, বৈৰাগ্য, প্ৰতিকুল অৱস্থাৰ ওপৰত আধিপত্য যাৰ আছে তেওঁৰেই ঈশ্বৰ। পৃথিৱী নামক গ্ৰহটোৰ বহল বুকুত থকা ভিন্ন ভাষা আৰু মতবাদী মানুহক ঈশ্বৰমুখী কৰিবৰ বাবে শ্ৰীৰামচন্দ্ৰ, শ্ৰী কৃষ্ণ, মহাবীৰ জৈন, তথাগত গৌতম বুদ্ধ, ঈশ্বৰ পুত্ৰ যীশুখৃষ্ট, শান্তিৰ দূত হজৰৎ মহম্মদ, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ দেৱ, মহাপ্ৰভু শ্ৰী চৈতন্য দেৱ, শ্ৰী ৰামকৃষ্ণ পৰমহংস, শ্ৰীশ্ৰী ঠাকুৰ অনুকূলচন্দ্ৰ প্ৰমুখ্যে প্ৰত্যেক ঈশ্বৰ কৌটি পুৰুষেই স্থান কাল পাত্ৰ ভেদে নানান আঙ্গিকেৰে নানা বৈচিত্ৰৰ মাজেদি এক ঈশ্বৰৰ মাহাত্ম্যকেই প্ৰচাৰ কৰি এই পৃথিৱীখন বৈচিত্ৰময় কৰি ৰাখিছে। সেয়ে তেওঁলোকে আহি তেজ - মাংস শৰীৰধাৰী ঐশ্বৰিক পুৰুষ; তেওঁলোকৰ বৈচিত্ৰময় চাল-চলন, আচ ৰণ, বাণী আৰু শিকনিয়েই বৈচিত্ৰময় সংস্কৃতিৰ ঐতিহাসিক উপাদান। গতিকে সংস্কৃতিত কোনো বিৰোধ নাই; কিন্তু বিশিষ্টতা আৰু বৈচিত্ৰ আছে; আগ্ৰাসী বিশ্বায়ন বা গ্লোবেলাইজেচন বা গোলকীকৰণ সংস্কৃতিৰ পৰিপূৰক নহয় বৰং পৰিপন্থী হে। জান-জুৰি, নিজৰা, সৰু সৰু নদ- নদীবোৰ যদিহে শুকাই যায় মহাবাহু ব্ৰহ্মপুত্ৰৰ মহাকলৰৱও এদিন স্তব্ধ হ'ব, নাইকীয়া হ'ব। গতিকে বৈচিত্ৰতাই সংস্কৃতিৰ আত্মিক প্ৰকাশ।

সংস্কৃতিৰ লীলাক্ষেত্ৰ ঃ

একবিংশ শতিকাৰ অসম ষোড়শ শতিকাৰ কামৰূপ - কামতা সাম্ৰাজ্যৰ ক্ষুদ্ৰ সংস্কৰণ। কামৰূপ কামতা সাম্ৰাজ্যৰ জন্মদাতা, পালনকৰ্ত্তা আৰু পৰিপোষণকৰ্ত্তা কামৰূপৰ বিক্ৰমাদিত্য মহাৰাজ নৰনাৰায়ণ (১৫০৯-১৫৮৭ চন) আৰু তেওঁৰেই কণিষ্ঠ ভাতৃ বিশ্বমহাবীৰ চিলাৰায় ওৰফে যুৱৰাজ শুক্লধ্বজ (১৫১০-১৫৭১ চন)। উত্তৰ পূৰ্ব ভাৰতত কোচ ওৰফে কামৰূপ ৰাজ্যৰ অন্তিম অধ্যায়ৰ উদ্বোধক বিশু ওৰফে বিশ্বসিংহ। এওঁ চিকনাঝাৰত আৰম্ভ কৰা ৰাজবংশটোৰ নাম শিৱবংশী ৰাজবংশ। এওঁৰেই ভাতৃ, পুত্ৰ-কন্যা, নাতি আৰু পৰিনাতি সকলেই বৃহত্তৰ ভাৰতৰ উত্তৰ - পূৰ্বাংশত বিভিন্ন ৰাজবংশৰ পাতনি মেলিছিল। এই ৰজা আৰু ৰজা পোৱালী বোৰেই তেতিয়াৰ ভাৰতৰ বিভিন্ন অঞ্চলৰ পৰা বিভিন্ন কাৰীকৰী বিদ্যাৰ অৰ্হতা সম্পন্ন ব্যক্তিৰ উপৰিও জ্ঞানী - মানী, গুণী পণ্ডিতক আমন্ত্ৰণ কৰি আনিছিল আৰু কামতা সাম্ৰাজ্যক তেওঁলোকে সমৃদ্ধ কৰাত অৰিহণা যোগাইছিল। কোচ-নৃপতি সকলৰ বিভিন্ন অঞ্চলৰ ৰাজবংশ সকলৰ ভিতৰত বৰ্তমান বাংলাদেশৰ অন্তৰ্গত পাঙ্গাৰ ৰাজবংশ, পশ্চিমবংগৰ অন্তগৰ্ত কোচবিহাৰ, জলপাইগুড়িৰ ৰায়কট বংশ অসমৰ বিজনীৰ ৰাজবংশ, দৰঙীবংশ, কামৰূপৰ বেলতলা, কাছাৰৰ গোঁহাইকমলৰ দ্বাৰা প্ৰতিষ্ঠিত ইত্যাদিৰ উপৰিও পূৰ্বৰ্ দক্ষিণ নেপালৰ মৌৰাং আৰু ঝাপা, ভূটানৰ টেফাস ৰাজবংশ, চিদলী ৰাজবংশ আদিয়েই উল্লেখনীয়। এই কোচ-ৰাজবংশ সকলৰ উপৰিও মহাৰজা নৰনাৰায়ণ আৰু চিলাৰায়ৰ ৰাজ্য দিগ্বিজয়ৰ সময়ত বিজিত হোৱা সীমান্তৰ্বৰ্তী ডিমৰুৱা আহোম, খাছীয়া, কছাৰী, ত্ৰিপুৰা মণিপুৰ, চিলেট আদি ৰাজ্যবোৰে কোচ ওৰফে কামতা সাম্ৰাজ্যৰ কিছুকালৰ বাবে বিজিত হৈ অন্তৰ্গত হৈছিল কনফেডাৰেচনৰ আৰ্হিত। অতি সাম্প্ৰতিক অখণ্ড আৰু খণ্ডিত ভাৰতৰ খিলঞ্জীয়া জনগোষ্ঠীবোৰৰ অন্তৰত এমুঠি বুদ্ধিজীৱী আৰু তথাকথিত উচ্চ বৰ্ণবাদী সুযোগ সন্ধানীৰ শোষণ আৰু অপশাসনৰ ফলত

উদ্ভৱহোৱা বঞ্চনা আৰু ক্ষোভৰ যি বহিঃপ্রকাশৰ বিস্ফোৰণে দেখা দিছে বিভিন্ন স্বায়ত্ব শাসিত ৰাজ্যৰ দাবীৰ মাধ্যমেদি; ইয়াৰ দ্বাৰা ভৱিষ্যৎ বাণী কৰিব পৰা যায় যে, ১৬শ শতিকাত মহাৰাজ নৰনাৰায়ণে কামতা সাম্রাজ্যৰ বাবে গ্রহণ কৰা কনফেডাৰেচনৰ আৰ্হিতেই ভাৰতক পুনৰ গঠন কৰিব লাগিব । অন্যথায় দিল্লী কেন্দ্রীক প্রশাসনে সমগ্র ভাৰতকেই বৃহৎ আৰু পুজিবাদী শক্তিৰ কবলিত কৰিব; বৈচিত্রময় ভাৰতৰ মাটিৰ পৰা উদ্ভৱ হোৱা আদর্শ আৰু কৃষ্টি সভ্যতা বিকৃত হ'ব।

কামতা সাম্রাজ্যৰ মূল আৰু কেন্দ্রীয় জনগোষ্ঠী আছিল কোচ নামে পৰিচিত ভূমিপূত্র সকল। এওঁলোকৰেই সংগ্রামী আৰু উদ্যোগী কিছুমানে উত্তৰ পূৱ ভাৰতৰ বিভিন্ন অঞ্চলত ৰাজত্ব কৰিছিল বাবেই, ৰাজত্ব কৰা জনগোষ্ঠীৰ লোক হোৱাৰ বাবে এওঁলোকৰ নাম 'ৰাজবংশী'। সেয়ে জনপ্রিয়ভাৱে এওঁলোকে নিজকে পৰিচয় দিয়ে 'কোচ - ৰাজবংশী' বুলি। আচলতে গোষ্ঠীগত (ethnically) পৰিচয়ত এওঁলোক 'কোচ' ৰাজনৈতিক আৰু সমাজিক ভাৱে 'ৰাজবংশী'। বর্তমান এই কোচ-ৰাজবংশী ভূমিপুত্র সকল নিজ ৰাজ্যতে, নিজৰ ঘৰতে লাঞ্ছিত শোষিত, নিদাৰুণ ভাৱে অৱহেলিত আৰু ভাৰতৰ স্বাধীনোত্তৰ কাল ছোৱাত সকলো দিশতে বঞ্চিত হোৱা বাবেই ঘৃণিত। তেওঁলোকৰ যি কৃষ্টি সভ্যতা আছিল সকলো অৱলুপ্তিৰ পথত। উত্তৰ পূৱ ভাৰতত তেওঁলোকৰ ভূগোল ৰুৰঞ্জীও বিদ্যালয়ৰ পাঠ্যক্রমৰ পৰা বিতাৰিত। ভাৰত গণতান্ত্রিক ৰাষ্ট্র হোৱাৰ পৰা আজিলৈকে ৰাজ নৈতিক ভাৱে সকলো ক্ষেত্রতেই বঞ্চিত আৰু চক্রান্তকাৰী শক্তি সমূহৰ দ্বাৰা বিভাজিত। কোচ ৰাজবংসী সকল বৃহৎ বড়ো জনগোষ্ঠীৰ অন্যতম উপ-গোষ্ঠী; কিন্তু অইন-অইন উপ-গোষ্ঠী কেইটাই সাংবিধানিক ভাবে যিমানেই সা-সুবিধাৰ অধিকাৰী হৈছে, কোচ-ৰাজবংশীসকল ঠিক সেই পৰিমাণেই বঞ্চিত হৈছে। ইয়াৰ ফলত অইন অইন জাতি আৰু উপগোষ্ঠীৰ ঘৰত পানী যোগানিয়াৰ আৰু খৰিকটীয়াত পৰিণত হৈছে। সংস্কৃতিৰ ক্ষেত্রতো 'অসমীয়া' আৰু 'বঙালী'ৰ নাম ফলকৰ চাকচিক্যত ম্রিয়মান হৈ অৱলুপ্তিৰ পথত দৌৰিব লগাত পৰিছে। উদাহৰণ স্বৰূপে প্রাক্তন গোৱালপাৰা জিলাৰ অৱস্থাকেই আঙুলিব পাৰি।

সাংস্কৃতিক পটভূমি ঃ

'ইষ্ট ইণ্ডিয়া কোম্পানী' নামৰ এটা ব্যৱসায়িক প্রতিষ্ঠানৰ কর্মচাৰী ডেভিদ স্কট চাহাবৰ প্রধান কার্যালয় আছিল কোচ ৰাজবংশী ৰজা আৰু বিষয়া সকলৰ ৰং-ধেমালি কৰা নগৰ 'ৰংপুৰ' । এই ৰংপুৰ নগৰ আছিল কোচ-ৰাজবংশীসকলৰ ঐতিহ্যপূর্ণ আৰু সু-প্রাচীন লীলাক্ষেত্র আৰু কোচ-ৰাজবংশী সংস্কৃতিৰ তীর্থক্ষেত্র। কোচ কামতা সাম্রাজ্যৰ অন্তর্গত কোচ-ৰাজবংশী সাংস্কৃতিক ৰাজধানী ৰংপুৰ হয়গৈ ইংৰাজ বণিক কোম্পানীৰ অন্যতম সদৰ ঠাই। শিৱবংশী ৰাজবংশৰ প্রতিষ্ঠাতা বিশ্বসিংহৰ পুত্র বিশ্বমহাবীৰ চিলাৰায়ৰ প্রত্যক্ষ বংশধৰ চন্দ্রনাৰায়ণ ওৰফে বিজিত নাৰায়ণৰ দ্বাৰা ইং ১৬৭১ চনত প্রতিষ্ঠিত বিজনী ৰাজ্যৰ পৰৱর্তী ৮ ম নৃপতি বলিত নাৰায়ণৰ ৰাজত্বকালত বিজনী ৰাজ্য খন ইষ্ট ইণ্ডিয়া কোম্পানীয়ে হস্তক্ষেপ কৰে। ইয়াৰ ফলত কোম্পানীয়ে ইং ১৮২২ চনত বিজনী ৰাজ্যৰেই এলেকাক সাঙুৰি 'গোৱালপাৰা জিলাৰ নামকৰণেৰে এটা প্রশাসনীয় গোট তৈয়াৰ কৰে। এইখন গোৱালপাৰা জিলাৰ এলেকা আছিল বর্তমানৰ মেঘালয় ৰাজ্যৰ অন্তর্গত পূৱ আৰু পশ্চিম গাৰো পাহাৰ জিলাদ্বয়ৰ উপৰিও বর্তমান অসমৰ ধুবুৰী, কোকৰাঝাৰ, বঙাইগাঁও আৰু গোৱালপাৰা জিলা সমূহ । এই বৃহৎ জিলাখনৰ প্রধান সদৰ ঠাই আছিল বর্ত্তমান বাংলাদেশৰ অর্ন্তগত 'ৰংপুৰ' নগৰ। গতিকে ইং ১৯২২ চনত সৃষ্ট গোৱালাপাৰা জিলাবাসীয়ে পাবনা, ৰংপুৰ বাসীৰ লগত মিলিব আৰু মিলাব লগা হৈছিল। ইং ১৮২২ চনত সৃষ্ট গোৱালপাৰা জিলাবাসী প্রধানতঃ বৃহৎ বড়ো জনগোষ্ঠীৰ অন্তর্গত কোচ- ৰাজবংশী, গাৰো, ৰাভা আৰু হিন্দুৰ পৰা ইছলাম পন্থাত দীক্ষিত হোৱা উজানী বা থলুৱা মুছলমান সকল। প্রকৃতার্থত ওপৰত উল্ল্যেখ কৰা লোক সকলেই আদিম ভূমিপুত্র আৰু আওপুৰণি কলা কৃষ্টিয়েই গোৱালপাৰা জিলাৰ কলা কৃষ্টিৰ বুনিয়াদ। ইতিহাসৰ জ্ঞানচর্চা কৰাৰ সুযোগ নোপোৱা কেতবোৰ পৰৱর্তী কালৰ অধিক অসমীয়াই প্রচাৰ কৰাৰ দৰে এই কৃষ্টিক 'বঙলুৱা কৃষ্টি' বুলি অপপ্রচাৰ কৰে। পিছত পৃথকে গাৰোপাহাৰ জিলাৰ সৃষ্টি কৰি প্রাক্তন গোৱালপাৰা জিলাৰ অৱশিষ্টাংশক 'বৃহত্তৰ কোচবিহাৰ জিলা'ৰ লগত সাঙুৰি দি গোৱালপাৰা জিলাৰ সদৰ ঠাই কোচবিহাৰ হয়গৈ। ইয়াৰ পিছত ইং ১৮৭৪ চনত আসাম প্রদেশৰ সৃষ্টি হোৱাত গোৱালপাৰাক বৃহত্তৰ কোচবিহাৰৰ পৰা কাটি আনি নৱগঠিত আসাম প্রদেশৰ সৈতে যুক্ত কৰি দিয়া হৈছিল। ইং ১৮৭৪ চনৰে পৰা গোৱালপাৰা জিলা ভৌগলিক ভাবে আৰু প্রশাসনৰ ক্ষেত্রত অসমৰ লগত যুক্ত হৈ অসমীয়া পৰিচয় পাইছে। যদিও মধ্য আৰু উজনি অসমৰ অধিক অসমীয়া সকলৰ মানত গোৱালপাৰীয়া বঙাল হৈয়ে থাকিল। বিশেষকৈ ভাষাৰ ধ্বনিগত উচ্চাৰণৰ ক্ষেত্রত । যি সময়ত অসম আৰু অসমীয়া ভাষাৰ নামকৰণেই হোৱা নাছিল; যি সময়ত বঙালী ভাষা আৰু বঙ্গ প্রদেশৰ সৃষ্টিয়ে হোৱাই নাছিল তাৰো বহু পূর্বতে ইং ১৫৫৫ চনত

মহাৰাজ নৰনাৰায়ণে আহোম ৰজালৈ লিখা পত্ৰৰ ভাষাটো নো কি আছিল? পশ্চিমে বিহাৰৰ পৰা পূবে ব্ৰহ্মদেশ পৰ্যন্ত আৰু উত্তৰে তি ৰ্বতৰ পৰা দক্ষিণে বঙ্গোপসাগৰলৈকে পৰিব্যপ্ত থকা কামতা সাম্ৰাজ্যৰ মহাৰজা নৰনাৰায়ণে কি ভাষাৰে ৬ লাখ সৈন্য বাহিনীক পৰিচালনা কৰিছিল, কি ভাষাৰে এই বিশাল সাম্ৰাজ্যখনৰ ৰাজকাৰ্যৰ প্ৰশাসন চলাইছিল? সংস্কৃত নিশ্চয় নহয়। সেই ভাষাটোৱেই কোচ-ৰাজবংশী সকলৰ নিজা ভাষা নাছিলনে? মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱে সেই দেশজ ভাষাকেই মূল ভিত্তি কৰি বৈষ্ণৱ সাহিত্যৰ গ্ৰন্থৰাজি ৰচনা কৰা নাছিল নে? সেই ভাষাটোকেই পিছত বিশ্ববিখ্যাত ভাষাবিদ গ্ৰীয়াৰ্চন চাহাবে 'ৰাজবংশী' ভাষা বুলি নামকৰণ কৰা নাছিলনে? ক'লৈ গ'ল সেই সমৃদ্ধ ভাষা ক'লা কৃষ্টি, ক'লৈ গ'ল সেই বিশাল কামৰূপ ওৰফে কামতা ওৰফে বৰ অসম ৰাজ্যখন। ইয়াকেই কয় নে 'কালৰো কাল, বিপৰীত কাল / হৰিণাই চেলেকে বাঘৰ গাল'; 'কহিতে বিস্ময়, শুনিবাৰ বিপৰীত'।

কোচ- ৰাজবংশী সংস্কৃতিৰ ক্ষেত্ৰ সমূহঃ

সংস্কৃতি কাৰ? এডোখৰ ভূখণ্ড বা নদ-নদী, পাহাৰ-পৰ্বত, বন- উপবনৰ কোনো সংস্কৃতি নাথাকে। সংস্কৃতি থাকে সেইবোৰত স্থায়ীভাবে বসবাস কৰা মানুহৰহে। এই মানুহবোৰৰ ভিতৰত আকৌ আমদানীকৃত বা উপৰুৱাভাৱে জাপি দিয়া সংস্কৃতি আৰু হাবি- বননি পৰিষ্কাৰ কৰি, শ- শ বছৰ ধৰি বংশ পৰম্পৰা ঠাইতে গঢ়ি উঠা থলুৱা মানুহৰ সংস্কৃতি-যাক এক কথাত ক'ব পাৰি 'লোক-সংস্কৃতি' বুলি। উত্তৰ পূব ভাৰতত তাহানিৰ ৰামায়ণ, মহাভাৰত, পুৰাণ, তন্ত্ৰাদিৰ যুগৰে পৰাই থলুৱা সন্তান কোচ ৰাজবংশী সকলৰ সংস্কৃতিয়েই এই লোক সংস্কৃতি আৰু তেওঁলোকৰ মাজতেই এই লোক সংস্কৃতিৰ উপাদান সমূহ বিচাৰিব জানিলে পোৱা যায়। বিচাৰি উলিওৱা সহজ সাধ্য নহয় আৰু কষ্টসাধ্য হোৱাৰ উপৰিও প্ৰচুৰ সময় সাপেক্ষ। সেয়ে বিষয় বস্তুৰ নিৰ্দ্দেশ-নামাহে তলত দিয়া হ'ল বিশেষকৈ গৱেষক সকলৰ বাবে। এই সংস্কৃতিৰ উৎস সমূহ বা ভূষ্কাবোৰ হৈছে কামৰূপ কামতা ওৰফে কোচ ৰাজ্যৰ মূল ভূখণ্ডৰ অতীত আৰু বৰ্তমান, প্ৰাক্তন বিজনী ৰাজ্যৰ লিখিত অলিখিত ইতিহাস, জমিদাৰী ইষ্টেট সমূহৰ বুৰঞ্জী, ভূটীয়া তথা দেৱ-ধৰ্মা ৰজাৰ সৈতে ৰাজকীয় আৰু সামাজিক সম্পৰ্ক, প্ৰাচীন নাৰায়ণী মূদ্ৰা, দানপত্ৰ, অনুজ্ঞা আদিৰ নকল, মন্ত্ৰ সাহিত্যৰ ঝাৰা-ফুকা, ওজালি-বেজালিৰ প্ৰক্ৰিয়া, বানমৰা, বিভিন্ন ধৰণৰ পূজা - বিশেষকৈ পাহাৰৰ খোকৰৰ আৰু ভগ্নস্তুপৰ পূজা সমূহ, ঐতিহাসিক যোদ্ধা, স্থান আৰু ঘটনা সমূহৰ বৰ্ণনা, প্ৰাচীন কীৰ্ত্তি, দেৱ দেৱীৰ মঠ মন্দিৰ, সত্ৰ, সাহিত্য, মাজাৰ - মন্দিৰ, গীৰ্জা আদি নিৰ্মাণৰ কথা উপকথা, সাধুকথা, সতীযোৱা প্ৰথাৰ ঘটনাৱলী, ৰজা দিনীয়া অৰ্থনৈতিক পানী যোগানৰ পুখুৰী আদিৰ ব্যৱস্থাৱলী, সাধাৰণ প্ৰশাসন, ভূমিনীতি, শিক্ষানীতি, জাউলীয়া দেৱানৰ ধুমা, পৰগনীয়া ধুমা, সৰু ৰাণী -ডাঙৰ ৰাণীৰ ধুমা, ডাঙৰ ভূমিকম্পৰ ধ্বংসালীলা, দেওকুকটিৰ আক্ৰমণৰ বৰ্ণনা, প্ৰাচীন পূজা, পাৰ্বণ, বিবাহৰ ব্যৱস্থা আৰু প্ৰকাৰ, গাঁৱে, ভুঁয়ে প্ৰচলিত থকা গীত মাত-নৃত্য-নাট্য, বাদ্য-বাজনা, প্ৰাচীন যুদ্ধ পদ্ধতি, অস্ত্ৰ, গহনা, পৰিধান বস্ত্ৰৰ বিৱৰণ, প্ৰাচীন গ্ৰাম্য সমাজত প্ৰচলিত ক্ৰীড়া, খেল- ধেমালি, ফকৰা-যোজনা, পটন্তৰ, দৃষ্টান্ত, হেয়ালী, খিসতী মাৰা কাথা, শিলকা, হুদুম পূজা, মদন কামৰ পূজা, কাতিকা পূজা, মাৰৈ পূজা, দেওধানী নৃত্য, ধুম কীৰ্তন, ঝালিমাটিৰ গীত, ওৰি মাগন, মুখ- পুৰাণ, বাঁহী পুৰাণ, পদ্মা পুৰাণ, কুশান, খাৰাতাল, খেমতা, ভাওইয়া গীত, ৰূপভান, ভাসান যাত্ৰা, দোতৰাৰ গান, পুতলা নাচ ও গীত, ৰাভা- গাৰো (আচ্ছিক), কছাৰী, কোচ ৰাজবংশী, হাজং আদি জনগোষ্ঠীৰ প্ৰচলিত ঘৰুৱা ভাষাৰ শব্দাৱলী ও প্ৰকাশ ভঙ্গীমা, চেঙেৰী সকলৰ কুলা নৃত্য, গোৱালানি নৃত্য, দৌলৰ সময়ত 'ধুলীয়া ৰাজ্যৰ গীত' ইত্যাদি মনোৰঞ্জনৰ বিভিন্ন আঙ্গিকৰ ভিতৰতে সোমাই আছে। লোক সংস্কৃতি বিশেষকৈ কোচ ৰাজবংশী লোক সংস্কৃতি যিবোৰ অনভ্যাসে হত বিদ্যা হ'লেও, নানা প্ৰলেপ পৰিলেও ছাই-ছেকেনা আঁতৰাই ঝাৰি ঝোকাৰি পিন্ধাই উৰাই তুলিলে সমগ্ৰ বিশ্বজগততেই এই ঐতিহ্যময় সমৃদ্ধ সংস্কৃতিৰ নিদৰ্শন হোৱাৰ সাম্ভাব্যতাৰ যোগ্যতা ৰাখে। ইয়াৰ বাবে লাগিব চৰ্চা আৰু চৰ্চা কেন্দ্ৰ, লাগে গুৱাহাটীত প্ৰতিষ্ঠিত 'শঙ্কৰদেৱ ক'লা ক্ষেত্ৰ' সদৃশ যাক 'নৰনাৰায়ণ ক'লা ক্ষেত্ৰ' হিচাপে নামকৰণ কৰিলে সার্থক হ'ব বুৰঞ্জীবিদ সকলে মূল্যাঙ্কণ কৰা 'কামৰূপৰ বিক্ৰমাদিত্য' বুলি প্ৰশস্তি বাক্যৰ। Let calture instal life. Let culture inter- fulfil the up-hold with systematic centered go of life and means to becoming. ❑

।। জয়তু কোচ-ৰাজবংশী সাংস্কৃতিক পৰিষদ ।।

*****

'নটুয়া'-বিৰোগেৰ গান

অমল কান্তি ৰায়

ৰাজবংশী সাহিত্যৰ মাঝত একটা আসল জাগাত আসন পাতি আছে আমাৰ 'নটুয়া'- বিৰোগেৰ গান। এইটা ফিৰ আৰও আমাৰ উত্তৰবাংলাৰ সবঠেখুনা পাওয়া যায় না। শিলকুড়ি মহকুমাক ধৰিয়া আমাৰ তৰাই অঞ্চলটা যেইপাকে ঘুৰিব ধৰিচে ওই এলেকা ধৰিয়া নটুয়া গানেৰ চল। দেবীপূজা শেষ হয়া। গেইলে নানান জাগাত এই গান কৰা শুরু হয়া যায়। গোটায় তৰাই অঞ্চলটাৰ মাঝোতে ফিৰ ফাঁসিদেওয়া আৰ খড়িবাড়ি এলেকাত সবাথাকি বেশি কৰি হয়। সেই সুবাদে মুই ওই এলেকা দুইখান তন্ন তন্ন কৰি খুঁজি বেড়াচুং । মই বুঝিৰ পাচুং গান আমাৰ গোটায় উত্তৰবাংলাৰ বুকেৰ ধন।

কিষ্ণাঠাকুৰ ৰাধাক নয়া নটুয়াগান। বাংলা সাহিত্যৰ কিষ্ণলীলা গানগিলাৰ সোদে ইয়াৰ মিল নাই। বড়ু চণ্ডীদাসেৰ শ্রীকৃষ্ণকীর্তনেৰ ৰাঝা-কৃষ্ণ-বড়াই ফিৰ সখীলা তামানলায় নটুয়া গান ওই বিৰহ থাকি অর্থাৎ বিৰোগ ঘৰ ভাল কৰিয়া উলটি পালটি আমাৰ সাহিত্যকনা দেখে। সেইটা উমাৰ ব্যাপাৰ। উয়াতে কোন দোষ নাই। আমাৰটা আমাৰে দেখা খাবে।

কিষ্ণ, ৰাধা উধৰ মাধব- ইমৰা চাইৰঝনে বৰে বাৰে গানত ফিৰি আইসে। কিন্তুক সামনাসামনি দেখা যায়। আমাৰ নটুয়া গানত কিন্তুক চখুৰ সমানোত দেকিবাৰ না পাবেন। উয়াৰ বাদে ৰাধিকাৰ বিৰোগ। ক্যানে ফুল তুলিবাৰ সময়ত ছলনা কৰি চলি গেইল ? উয়ায় কি আৰ ফিৰি আসিবে না। এই চিন্তাত আৰ কষ্টতে গানটাৰ শুরু। ৰাধিকাৰ কষ্টৰ ৰতা কিষ্ণৰ ভাগিনা দুইটা , উধব আৰ মাধৰ গীদালেৰ সোদে তাল মিলিয়া ফিৰিস্তি দিয়া যায়। উমাৰে একঝন বতেয়া সাজে। ঠাট্টা ইয়াৰকি -কাজাক -মজাকেৰ মধ্য দিয়া আস্তে আস্তে নাটক চলিৰ ধৰে।

ৰাধাৰ কষ্ট আৰ যাতনা গানেৰ মূল গীদাল গানেৰ ভিতিৰা দিয়া নিকিলায়। ওই যাতনাগিলাক একেনা খোলাসা কৰিৰ বাদে উধব আৰ মাধব শিল্লুকেৰ ভিতিৰা দিয়া বাইৰ কৰে। এইলা শিল্লুক নাটকেৰ ভিতিৰা একেনা ভালয় জাগা কৰি নিছে।

গীদাল সদায় উধব আৰ মাদবক ক্ষ্যাপায় উমাৰ মামী ৰাধাৰ দোষোতে কিষ্ণ বৃন্দাবন ছাড়ি চলি গেইছে। গীদাল আৰ উধব মাধবেৰ কতা কাটাকাটি, গান আৰ শিল্লুক দিয়া নাটক চলিৰ ধৰে।

আলদা আলদা কবি বিচাৰ কৰিলে দেখা যাবে ৰাধাকিষ্ণক নিয়া যতলা গান আৰ নাটক আছে সবগুলাত ৰাধা কতাও কয় আৰ গানও কৰে। কিন্তু আমাৰ এলেকাৰ নটুয়া গানত ৰাধা আসৰ খালি মনেৰ দুঃখত নাচে। কোনো কতাও কয় না, গানও না কৰে। অর্থাৎ দুঃখ আৰ কষ্ট দিয়া ভৰা আমাৰ ৰাধা । ৰাধাৰ ভাবত গান শোনা মানষিলা একাকাৰ হয়া যায়। বন্দনা দিয়া মূল গীদাল গান শুরু কৰে-

যবে ৰে মৃদিঙ্গাৰে মৃদিঙ্গ মাৰে শান
বামে বসিলো কালী মা ডাহিনে হনুমান
হে ৰাম
পৰুবে বন্দিনু মুই ধর্ম নিৰঞ্জন
হনুকে চহৰায় নমস্কাৰ
হে ৰাম যুগুনি সঙ্গে
এ ভাব লাগায়
উত্তৰে বন্দিনু মুই কালীমাৰ চৰণ
পশ্চিমে বন্দিনু মই পীৰ পয়গম্বৰ
দক্ষিণে বন্দিনু মুই গঙ্গাসাগৰ।

এইমতন বন্দনাগান চলিৰ সমায় সগায় উধব মাধব আৰ যায় যায় থাকে সগায় একেসোদে গানও কৰে, নাচও কৰে। নাচনা থামি গেইলে মূল গীদাল গান জুড়ি দেয়-

হাতে লিনু বাটাৰে মুই
মিঠা পান
কাহাসে আইলো ৰাধাগে
দশমুনিক কৰিম পৰণাম

গানখান শেষ না হইতে দোয়ারি ধুয়াখান ধরিয়া গান গায় চলির থাকিবে। যেইনা গীদাল মাধৰক উদ্দেশ করি কতা শুরু করিবে আদিয়া গান থামি যাবে। গীদাল কবে-

খাটেখুটে বিন্দাবনে
ফুল তুলিনু হামা তিনঝনে
ফুল তুলিতে হাৰালুং স্বামীৰে
সোয়ামী আইসে মোৰ বিন্দাবনে।

এই গান কতালাৰমানে উধব মিছাং বুঝিৱ না চাবে। উয়ায় চায় না উয়াৰ মামীটাৰ দুন্নাম হউক। উলটিয়া ফিৰ গীদালক জব্দ কৰিৰ বাদে একটা শিল্লুক দৰি বইসে। আগেৰ কতাৰ মানে না বুজিৰ চায়া শিল্লুকটা কয়-

ক্ষুদ্র বর্ণ বিত্তা নাল বর্ণ দেহ
ছালেবা ছালেবা সর্ব অঙ্গ ধৰে
অধিক কৰি খাইলে
তোৰ মুখখান গোন্দ কৰে।

শিল্লুক শুনিয়া গীদাল ব্যাদরে হাসি কয় - হে তুই পিয়াজটার কতা কলু।

উধবেৰ শিল্লুকত জব্দ না হয়া সোদে সোদে গীদাল ৰাধাৰা বিৰোগেৰ আসল ভাব ধৰি ফেলাইল। গীদাল গান জুড়ি যেয়-

হাতেৰ শাংখা কৰিমু চুৰ
গাযেৰ বস্ত্র কৰিমু দূৰ
দূৰ কৰিম নয়নেৰ কাজল
সীতাৰ সেন্দুৰ।

গীদালেৰ গানেৰ মানে সগায় বুঝিবাৰ পায়। আৰ অদিয়া আসৰখান ৰাধাৰ কষ্টৰ সোৰ্দে সগাৰে পৰাণ ডুকুৰি কান্দে। মনেৰ কষ্টটা একেনা খোলসা কৰিৰ বাদে উধব আৰ মাধব হে পাক থাকি হোপাকে হাটাহাটি কৰে। যতলা গান শোনাইয়া মানষি থাকে উমাৰ ভিতি মুখ উচা কৰি কয়- মামা ভাত শাকত নুন নি পায়, তাতে ৰাগ কৰি পালাইচে । হামাৰ মামাক অনযেবাৰ যাবা হবে। হামৰা ছাড়া আৰ কায় আছে। যাই , অনযেবাৰ যাই।

ইয়াতেও গীদালেৰ গান আৰ না থামে। যতলা আসৰেৰ মানষি থাকে সগাৰে মাঝত ৰাধাৰ বিৰোগেৰ একটা ভাব আসি যায়। গীদালেৰ মনত ৰাদাভাবেৰ ভাব আৰও বেশি কৰি চাপি আইসে-

এ যে তো আন্ধাৰ ৰাতি
একাশৰে ৰহালনি যায়
ওহো পৰভুজি
হায় দেখি মোৰ কপালেৰ লেখা ৰে
জাৰ গেল মোৰ কাপড়া বিনে
বসয় গেল সোয়ামী বিনে
একাশৰে ৰহালনি যায়
গোকুলানগৰে ওহে পৰভুজি।

গান এইমতন চলিৰ থাকে। মনেৰ দুঃখ আলগা কৰিৰ বাদে মাঝতে উধব মাধব শিল্লুক চালেয়া যায়। এই শিল্লুকগিলাৰ মানে ভাল।এইলা আমাৰ ৰাজবংশী সাহিত্যৰ অমূল্য ধন- সম্পত্তি। এই এলেকাৰ গেৰামেৰ গীদালেৰ ঘৰ এইনাকান সোন্দৰ সোন্দৰ পদ তৈয়াৰ কৰি আমাৰ সাহিত্যৰ ভাণ্ডাৰ ভৰি দিচে।

মধ্যযুগেৰ 'শ্রীকৃষ্ণকীর্তন' নিয়া বাংলা সাহিত্যত হৈ চৈ পড়ি যায়। উয়াকে নিয়া হাজাৰ হাজাৰ লেখালেখি। মুই কং আমাৰ যে নটুয়া বিৰোগেৰ গান আছে সেইটা কোন অংশে কম না হয়। 'শ্রীকৃষ্ণকীর্তনে'ৰ কিষ্ণৰ চৰিত্র কুল্লায় চাইট্টায় ছ্যাবলামিৰ ঢক। ৰাধিকাৰ দেহাটাৰ ভিতি নজৰ। ঐ বইখানেৰ কতলা জাগা তো মুখ দিয়া পড়ায় না যায়। কতাগিলা মাঝতে এমন খাৰাপ, সগায়মিলি পড়িবাৰ নইজ্য নাগিবে। গোটায় কিষ্ণকীর্ত্তনেৰ একেবাৰে শেষত যায়া একেনা বিৰহেৰ দেখা পাই । কিন্তুক আমাৰ নটুয়াত পথম থাকি ৰাধাৰ বেদনা শিল্লুক ধৰে । মানষিলাক আৰ একপাকেৰ চিন্তাত ঢুকি দেয়।

নটুয়া দিয়া আমৰা ফেলে আসা দিনগুলাৰ সমাজেৰ ফটোক পাই। মানষিলাৰ খান- দান, চাল-চলন , নিয়াম-কানুন আৰও ভাইল্লা জিনিষেৰ খবৰ পাই। আমাৰ সমাজেৰ ভিতিৰা দিয়া একটা বৈষ্ণৱী ভাব ভালোয় জাগা কৰি নিছে। উয়াৰও খবৰ পাওয়া যায়। মানষিলাৰ সাদাসিদা ভাবনাও আসি গেইছে।

ৰাধাৰ দুঃখ নিয়া গোটায় ভাৰতত কতয় বই লেখা হইছে । মুই যতটা বুঝিৰ পাচুং আমাৰ নটুয়া কাওৰও থাকি কোনয় কম না হয়। ৰাধাৰ একেনা কতা শোনেন-

মনেৰ আগুন তলে জ্বলে ৰে
নেকটেৰ আগুন ধায়
জ্বলেছে মনেৰ আগুন
সখিৰে কি খাইলে জুড়ায় ?

ইয়াৰ বাদে ৰাজবংশী সাহিত্যৰ গোড়া থাকি আগাল আলোচনা কৰিলে এই নাটকগুলাৰ ওজন ধৰা পড়িবে। উয়াতে আমাৰে সাহিত্যৰ দাম বাড়িবে বুলি মনে কৰং। ❑

বৃটিছ ডিপ্লোমেচিঃএখন বিতৰ্কিত ঐতিহাসিক বিবাহ

ৰঞ্জিত কলিতা

কাহিনীভাগলৈ আগবাঢ়ি যোৱাৰ আগতে কোচবিহাৰৰ ৰাজবংশৰ এটি পৰিচয় চমুকৈ আগবঢ়োৱা হ'ল, কিয়নো অসমৰ বিদ্বৎ সমাজ তথা সৰ্ব্বসাধাৰণ ৰাইজৰ মাজত মহাৰজা বিশ্বসিংহ, নৰনাৰায়ণ, শুক্লধ্বজৰ বীৰত্বপূৰ্ণ দিপ্তীময় কাৰ্য্যকলাপ অপৰিচিত নহয়।

প্ৰাচীন কামৰূপৰ চাৰিখন পীঠৰ এখন ৰত্নপীঠক ক্ষেন বংশৰ ৰজাসকলে পৃথক কৰি কমতা ৰাজ্যৰ প্ৰতিষ্ঠা কৰে। 'কামদা' গোসানী আছিল তেওঁলোকৰ কুলদেৱী, সেয়েহে ৰাজ্যৰ নাম কমতা আৰু ৰাজধানীৰ নাম হয় কমতাপুৰ । ১৪৯৮ খৃঃত বাংলাৰ স্বাধীন পাঠান চুলতান হোচেনশাহে কমতা ৰাজ্য আক্ৰমণ কৰে আৰু মহাৰজা নীলাম্বৰক কৌশলেৰে পৰাজিত কৰি বন্দী কৰে। ইয়াৰ পিচৰ ইতিহাস প্ৰায় অন্ধকাৰেৰে আবৃত।

পৰৱৰ্ত্তীকালত সেই অঞ্চলত ভূঞাসকল প্ৰতিপত্তিশালী হৈ উঠে ; তাৰ মাজতেই হাজো নামৰ ভূঞাজন সকলোতকৈ পৰাক্ৰমী হৈ উঠে । তেওঁৰ জীৰা আৰু হীৰা নামেৰে দুজনী কন্যা আছিল। মেচ জাতিৰ অন্তৰ্ভুক্ত হৈয়ো আন এজন প্ৰধান ভূঞা হাৰিয়া বা হৰিদাস মণ্ডলৰ লগত একতা স্থাপনৰ উদ্দেশ্যেৰে কন্যা দুজনীক বিয়া দিয়ে। কালক্ৰমত জীৰাৰ গৰ্ভত চন্দন আৰু মদন আৰু হীৰাৰ গৰ্ভত শিশু আৰু বিশু নামেৰে চাৰিভাইৰ জন্ম হয়। এওঁলোকৰ মাজত বিশুই আছিল সকলোতকৈ সাহসী, বুদ্ধিমান আৰু শক্তিশালী। এই চাৰি ভায়েকেই লগলাগি চিকনা আৰু তাৰ আশাপাশে থকা আঠগ্ৰাম শাসক তুৰ্ক বা কতোৱালক পৰাস্ত কৰি তেওঁৰ ৰাজ্য হস্ত গত কৰি লয়। যুদ্ধত মদনৰ মৃত্যু হয় । শোকাতুৰা মাতাক শান্তনা দিয়াৰ কাৰণে বিশুয়ে চন্দনক চিকনাৰ সিংহাসনত বহুৱায়। চন্দনেই কোচ বংশৰ আদিৰজা আৰু বিশু বা বিশ্বসিংহই বৰ্তমানৰ ৰাজবংশৰ আদি পুৰুষ। চন্দনৰ মৃত্যুত তেইশ বছৰীয়া যুৱক বিশুৱে বিশ্বসিংহ নাম লৈ সিংহাসনত আৰোহণ কৰে। বিশুৱে ককায়েকৰ মুৰৰ ওপৰত ৰাজছত্ৰ ধাৰণ কৰি 'ৰায়কত' উপাধি লৈ বংশানুক্ৰমিক প্ৰধানমন্ত্ৰী বা ৰাজ্যৰ অধিকাৰ অৰ্জন কৰে। বিশ্বসিংহই নৱগঠিত কোচবিহাৰ ৰাজ্যক এক দৃঢ়ভিত্তিৰ ওপৰত প্ৰতিষ্ঠিত কৰি ১৫৫৪ খৃষ্টাব্দত সন্যাস গ্ৰহণ কৰি হিমালয় বাসী হয়। তেওঁৰ জ্যেষ্ঠ পুত্ৰ নৃসিংহ বা নৰসিংহ, দ্বিতীয় পুত্ৰ মল্লদেৱ বা নৰনাৰায়ণ, তৃতীয়পুত্ৰ শুক্লধ্বজ বা চিলাৰায়, চতুৰ্থ পুত্ৰ কমল নাৰায়ণ বা গোহাই কমল হিচাবে প্ৰখ্যাত হয়। ৰজা নৰনাৰায়ণৰ পিচত পুত্ৰ লক্ষ্মী নাৰায়ণ ৰজা হয়। নৰনাৰায়ণে ৰাজ্যখন দুভাগ কৰি সোণকোষ নদীৰ পূৱভাগত শুক্লধ্বজক দান কৰে। লক্ষ্মীনাৰায়ণৰ মৃত্যুত পুত্ৰ বীৰনাৰায়ণ ৰজা হয়। বীৰ নাৰায়ণৰ পাচত প্ৰাণ নাৰায়ণ, তাৰ পিচত মদন নাৰায়ণ, মহীন্দ্ৰ নাৰায়ণ, ৰূপনাৰায়ণ, উপেন্দ্ৰনাৰায়ণ, দেবেন্দ্ৰ নাৰায়ণ, ধৈৰ্যেন্দ্ৰ নাৰাযণ, ধৰেন্দ্ৰ নাৰায়ণ, হৰেন্দ্ৰ নাৰায়ণ, শিবেন্দ্ৰ নাৰায়ণ, নৰেন্দ্ৰ নাৰায়ণ। ১৮৬৩ খৃষ্টাব্দত একমাত্ৰ শিশুপুত্ৰ নৃপেন্দ্ৰ নাৰায়ণৰ দহমহীয়া অৱস্থাত মহাৰাজ নৰেন্দ্ৰ নাৰায়ণৰ মৃত্যু হয়।

নৃপেন্দ্ৰ নাৰায়ণৰ সাবালক প্ৰাপ্তীৰ আগেয়ে ৰাজ্যৰ শাসন ভাৰ প্ৰথমে মহাৰাণী কামেশ্বৰী, বৃন্দেশ্বেৰী, নিস্তাৰিণী আই দেৱতীগণৰ হাতত আছিল পিচত বাংলাৰ গভৰ্ণৰ কৰ্তৃক নিযুক্ত কমিছনাৰৰ হাতত ৰাজ্যৰ ক্ষমতা অৰ্পিত হয়। মহাৰাজা নৃপেন্দ্ৰ নাৰায়ণক সম্পূৰ্ণভাৱে ইউৰোপীয় ভাৱ-ধাৰাৰে শিক্ষিত কৰি তোলা হয় আৰু ইংল্যাণ্ড, ফ্ৰান্স, ইটালীদেশ পৰিভ্ৰমণৰ দ্বাৰা তেওঁৰ শিক্ষা সুসংহদ কৰা হয়। মহাৰাজা নৃপেন্দ্ৰ নাৰায়ণৰ ৰাজত্বকালেই আধুনিক কোচবিহাৰৰ জন্মলগ্ন। তেওঁৰ ৰাজত্ব কালতেই শাসনপ্ৰণালী, ৰাজস্ব ব্যৱস্থা, অৰ্থনীতি ইত্যাদি ক্ৰমশ পৰিবৰ্ত্তিত হৈ আধুনিক ৰূপ লয়। স্থাপিত হয় সুনীতি কলেজ, মদনমোহন ঠাকুৰবাড়ী, ৰাজ ধানী ধৰ্ম্মশালা, ভিক্টোৰিয়া কলেজ, পাৰ্ক, হাস্পাতাল, লাৰ্ডাউন হ'ল টেলিগ্ৰাফ, ডাঙৰ ডাঙৰ ৰাজপথ, ৰেলপথ ইত্যাদি। বৃটিচ সামাজ্যৰ অধীশ্বৰী মহাৰাণী ভিক্তোৰিয়াৰ অতি স্নেহভাজন আছিল নৃপেন্দ্ৰ নাৰায়ণ। তেওঁৰ তৃতীয় পুত্ৰৰ ধৰ্ম্মমাতা আছিল মহাৰাণী ভিক্তোৰিয়া। সেয়েহে সেই পুত্ৰৰ নাম হয় ভিক্তৰ নৃত্যেন্দ্ৰ নাৰায়ণ। এই কাহিনীৰ নায়কেই হ'ল নৃপেন্দ্ৰ নাৰায়ণ আৰু নায়িকা হ'ল বাংলাৰ ব্ৰাহ্মসমাজৰ দিক পাল ব্ৰহ্মানন্দ কেশৱ সেনৰ কন্যা সুনীতি দেৱী।

OKDISCD

হাজাৰটা কথা খৰছ নকৰাকৈ বোলে বিয়াৰ যা-যোগাৰবোৰ কৰা নহয়। আচল কথা, হাজাৰটা কথাৰ পৰিণতি হ'ব লাগে প্ৰজাপতিনিৰ্বন্ধ। প্ৰজাপতি আৰু নাৰীৰ মন এই দুয়োটাক দেৱতাৰ পক্ষেও জনাটো দুঃসাধ্য হৈ পৰে। বিয়াখন হৈ গ'লেও কব পাৰি, পাকা পাকি বিয়া। নহ'লে কথাৰ কোনো বিশ্বাস নাই।

নৃপেন্দ্ৰ নাৰায়ণৰ বিয়া, ৰজাৰ বিয়া, ৰাজহাউলীৰ বিয়াৰ কথা। কইনাও কম নহয়। কইনা সুনীতি দেৱী ব্ৰাহ্মসমাজৰ মুৰব্বী কেশৱ সেনৰ জীয়েক। এফালে এখন ৰাজ্যৰ ভাগ্যবিধাতা, আনফালে দেশ বিদেশত স্বমহিমাৰে প্ৰতিষ্ঠিত কেশৱ সেন। সংস্কৃতত বোধহয় ইয়াকে কয় "স্বদেশে পূজ্যত ৰাজা বিদ্ধান সর্বত্র পূজ্যতে"। ৰাজ পৰিয়ালৰ লগত সেন পৰিয়ালৰ বৈবাহিক সম্পৰ্ক স্থাপিত হ'ব আৰু তাকে লৈ দেশ বিদেশত মুখৰোচক আলোচনা হ'ব, তাত অবাক হ'ব লগা একো নাই। গভৰ্ণৰ ছাৰ ৰিচার্ড কোচবিহাৰৰ ৰাজৰাৰীলৈ দৌৰি আহিল। আহিয়েই অন্তঃপুৰৰ মহিষীসকলৰ লগত বৈঠকত বহিল। ছাৰ ৰিচার্ডৰ ইয়াত এক বিচিত্ৰ ও তিক্ত অভিজ্ঞতা হ'ল। ইংৰাজৰ ধাৰাল যুক্তিবোৰ অবলা বঙ্গ-বালা সকলে কেনেকৈ ভোটা কৰি দিছিল সিও এক গবেষণাৰ বিষয় হ'ব পাৰে। খঙে ৰাগে লালমুখীয়া ইংৰাজৰ বোধহয় মগজ গৰম হৈ গৈছিল। কিন্তু শেষ পর্য্যন্ত সেই ইংৰাজী কূটনীতিৰেই জয় হ'ল। ছাৰ ৰিচার্ডৰ কথাতেই শুনক -

"During my interview with the Raja's mother, these ladies expressed anxiety regarding Raja's visiting England, which they deprecated on the grounds that after seeing Europe he would never care for such a place as Coach Behar nor for such quiet, homely people as his relatives. I explained that its had not been decided whether the Raja should visit England; but that, if he did, it would only be for a short time, enough indeed to enlarge and strengthen his mind, but not enough to make him forget his home and kinderd; and that, while giving him the benefit of an English education, we should take every pains to train and prepare him for the duties he would hereafter have to discharge as the head of a Hindu State."

ছাৰ ৰিচার্ডৰ দৌত্য অৱশেষত সফল হ'ল। এটি মাথোন চর্ত্তত ৰাজমাতা ৰাজী হ'ল। যদি বিলাতলৈ যাব লগাই হয়, আগে বিয়া তাৰ পিচত বিলাত। ৰিচার্ড জ্বৰে-ঘামে তিতি উঠিল।

কোৱা হ'ল মহাৰাজাই বিয়া কৰাই বিলাতলৈ যাব। কিন্তু কইনা ক'ত? ৰজা যদি বৰ হয়, পাত্ৰী ৰাজকন্যা হ'ব লাগিব। ৰূপেগুণে সাধুকথাৰ ৰাজকন্যাৰ নিচিনা। কিন্তু হায়! কালিদাসৰ যুগ কেতিয়াবাই পাৰ হৈ গৈছে। ব্ৰিটিছ চৰকাৰে মনে মনে বিচাৰে, ভবিষ্যতৰ ৰাণী হ'ব শিক্ষা সংস্কৃতিত, ৰুচি অভিৰুচিত আধুনিক, যিয়ে পূৱ আৰু পশ্চিমৰ ৰাখীবন্ধনত ৰজাক সহায় কৰিব। আধুনিক কোন সেই কন্যা যি ৰূপহী আৰু বিদুষী দুয়োটাই? ৰূপকথাৰ ৰাজ্য হ'লে হয়তো স্বয়ং ৰাজপুত্ৰই পক্ষীৰাজ ঘোঁৰা ছুটাই তেপন্ন্খন পথাৰ পাৰ হৈ ৰাজকন্যাৰ সন্ধানত উৰি গ'লেহেঁতেন।

মহামান্য ব্ৰিটিছ চৰকাৰে দূত পঠালে। কোচবিহাৰৰ ন্যায়েব, মেজিষ্ট্ৰেট বাবু যাদব চন্দ্ৰ চক্ৰৱৰ্ত্তীৰ ওপৰত গুৰু দায়িত্ব ৰাজপুত্ৰৰ উপযুক্ত পাত্ৰীৰ সন্ধান কৰা। কলিকতাৰ বিদগ্ধ মহলত, অভিজাত সম্প্ৰদায়ৰ মাজত শ্ৰী চক্ৰৱৰ্ত্তীৰ খ্যাতি আৰু সুনাম যথেষ্ট। তেওঁ গোপনে কলিকতা ঘুৰি চলাথ কৰিলে। অৱশেষত বোধহয় কন্যাৰ সন্ধান পালে। নৃপেন্দ্ৰ নাৰায়ণ তেতিয়া সাবালক হোৱা নাই। ইংৰাজ কমিছনাৰৰ নজৰদাবীত ৰাজমাতাই ভাবী ৰজাৰ হৈ শাসন চলাই আছে। যিয়ে ৰজা হ'ব তেওঁৰ ৰাজ্য চলোৱাৰ যোগ্যতা থাকিব লাগিব। আমি জানো বুঢ়াবয়সত বাৰানসীলৈ যাব লাগে। কিন্তু ইংৰাজৰ অভিধানত অন্য কথা লিখা আছে। নাবালক ৰজাই জীৱনৰ আদি অৱস্থাতেই কাশীবাসী হ'ব নলগা হ'ল। ভাৰতৰ মিত্ৰ ৰাজ্যবোৰ যাতে শত্ৰু হৈ উঠিব নোৱাৰে তাৰ বাবে যি শিক্ষা ব্যৱস্থাৰ দৰকাৰ তাৰ বাবে বণিয়া ইংৰাজে তাৰ ব্যৱস্থা ইতিমধ্যে কৰি ৰাখিছিল। বাৰানসীৰ ওয়ার্ডস ইন্‌চটিউটত বালক নৃপেন্দ্ৰ নাৰায়ণৰ শিক্ষা আৰম্ভ হ'ল। তাৰ পৰা পাটনাৰ চৰকাৰী কলেজত। ইংৰাজৰ চিন্তা ভাবীৰজাৰ মতিগতিলৈ। উঠি অহাৰ বয়স, ভয়ৰ কাৰণ হ'বই। কাৰোবাৰ পাল্লাত পৰি ৰজাৰ মনৰ যাতে পৰিবর্ত্তন নহয় সেই সম্পৰ্কে ইংৰাজৰ কঢ়া দৃষ্টি। কর্ণেল হটনে বাবু কাশীকান্ত মুখার্জীলৈ লিখিছিল- " To watch over his conduct and the management of the household, to see the strangers and unauthorised persons have no access to them, and generally to dicharge such duties with regard to him as good parent is bound to do."

কাশীকান্ত আছিল পাটনাত শিক্ষাধীন হৈ থকা বালক নৃপেন্দ্র নাৰায়ণৰ তত্বাৱধায়াক ও অভিভাৱক। কিন্তু ইয়াতো ইংৰাজ তৃপ্ত নহয়, মাইকেল মধুসুদনে যেনেকৈ মনে প্ৰাণে ইংৰাজ হ'ব খুজিছিল, ইংৰাজীতে সপোন দেখিব বিচাৰিছিল, তেনেধৰণৰ এজন ৰজা পালে ইংৰাজৰ দুঃচিন্তা দূৰ হয়। কোচবিহাৰ সৰু ৰাজ্য, কিন্তু উত্তৰ পূৰ্ব্বাঞ্চললৈ যোৱা দুৱাৰ মুখতে থকা ৰাজ্য হিচাবে ইংৰাজে ইয়াৰ ওপৰত এটা অতিৰিক্ত নজৰ ৰাখিছিল।

ভাবী ৰজাই বিলাতলৈ যাব লাগিব। বিলাতী আদব কায়দা শিকিব লাগিব, আজিৰ পৰিভাষাত যাক 'ব্ৰেইন ওৱাছ' বুলি কয়। ইংৰাজ চৰকাৰে বোধহয় তেনেকুৱা ব্যৱস্থা এটাৰ কথা ভাবি ৰাজকুমাৰক বিলাতলৈ পঠাবলৈ ব্যস্ত হৈ পৰিল। ৰাজপৰিয়ালে তেনে এটা প্ৰস্তাৱত চমকি উঠিল। সকলোৱে প্ৰতিবাদ কৰি উঠিল। কালাপানী পাৰ হৈ বিলাতলৈ। জাতি, ধৰ্ম্ম বৰবাদ হোৱাৰ উপক্ৰম হৈছেই, তাৰোপৰি বিলাত ফেৰৎ ৰাজকুমাৰে আগৰ নিচিনা প্ৰজাবোৰক ভালপাব জানো। নহব, ৰাজকুমাৰ বিলাতলৈ যাব নোৱাৰে।

কুটনীতিৰ পাশাখেলত ইংৰাজ কেতিয়াবাহে হাৰিছে। বাংলাৰ লেফটেনান্টে কেশৱ সেনৰ অন্যতম অনুগামী প্ৰসন্নবাবুৰ মাৰফৎ- যাদৱ বাবুৱে সুনীতি দেৱীৰ কথা শুনা পালে। বোধহয় তেনেকুৱা এজনী ছোৱালীয়েই তেওঁ বিচাৰি আছিল। বংশমর্য্যাদা, অভিজাত্য, শিক্ষা, ৰুচি - সুনীতি দেৱীয়েই সকলো বিলাক চর্ত পূৰণ কৰিব পাৰে। সৰ্বোপৰি সুনীতিদেৱী আধুনিকা। কিন্তু বাধা হৈ থিয় দিলে স্বয়ং কইনাৰ বাপেকে। কেশৱসেনে কোনো কিছুতেই কোচ বিহাৰৰ ৰাজ পৰিয়ালত ছোৱালী সম্প্ৰদান কৰাৰ পক্ষ্যপাতী নহয়। কাৰণ কোনো ৰজাই মাত্ৰ এজনী পত্নীক লৈয়েই গোটেই জীৱন কটাই দিছে, তেনেকুৱা তথ্য তেওঁ কতো পোৱা নাই। অন্য বাধা কোচবিহাৰৰ ৰাজপৰিয়াল ধৰ্মত হিন্দু। ব্ৰাহ্মধৰ্ম্মৰ অবিসম্বাদী নেতৃত্ব যাৰ ওপৰত ন্যস্ত, তেওঁ কোনো পধ্যেই পৌত্তলিকাবাদৰ ওচৰত আপোচ কৰিব নোৱাৰে। কেশৱসেনে পৰিস্কাৰ ভাৱে জনাই দিলে তেওঁৰ এই বিয়াত কোনোধৰণৰ সন্মতি নাই। কিন্তু যাদৱবাবুও নাছোৰবান্দ। নাছোৰবান্দা ব্ৰিটিছ চৰকাৰো। কেশৱ সেনক যি কোনো ধৰণে ৰাজী কৰোৱা হওঁক। সুনীতিদেৱীৰ কোনো বিকল্প হ'ব নোৱাৰে। ৰাজ্যৰ কল্যাণ, প্ৰজাৰ কল্যাণ, মহৎ আদর্শবোধ ইত্যাদি ইত্যাদি কথাৰ দ্বাৰা কেশৱসেনৰ মন নৰম কৰাৰ চেষ্টা চলিল। কিন্তু সমস্যা য'তে আছিল তাতেই থিয়হৈ থাকিল। অৱশেষত অভাৱনীয় ঘটনাটো ঘটিল। স্বয়ং পাত্ৰ অর্থাৎ নৃপেন্দ্ৰ নাৰায়ণে মহাত্মা কেশৱ সেনলৈ নিজে চিঠি লিখিলে-

My dear Sir,

I have been asked to let you know what my honest opinion is on the subject of polygamy.

In reply I beg to inform you that, its has always been my opinion that no man should take more than one wife, and I can assure you that, I hold that opinion still.

I give below a statement of my religious views and opinions.I believe in ONCE GOD I am in heart a THEIST.

Yours truly

Nripendra Narayan Bhup

কোৱা বাহুল্য, এই চিঠিখন লিখাৰ বাবে নাবালক মহাৰাজাক উৎসাহিত কৰা হৈছিল। কিন্তু চিঠিত যি তথ্য পৰিবেশন কৰা হৈছে, সেইটোহে তাৎপর্যপূর্ণ। কেশৱসেনে বৃটিছ চৰকাৰ বা কোনো উচ্চপদস্থ ৰাজ কর্মচাৰীৰ কথা বা প্ৰতিশ্ৰুতিত আস্থা ৰাখিব খোজা নাছিল। সেইহেতুকে মহাৰাজে নিজেই উদ্যোগ ল'ব লগা হ'ল। এই চিঠিৰ ঘটনাই এফালে যেনেকৈ কেশৱসেনৰ দৃঢ় ব্যক্তিত্বক প্ৰতিফলিত কৰে, আনফালে নাবালক মহাৰাজাৰ অকপট সৰলতাকে ব্যক্ত কৰে। লক্ষণীয়ভাৱে, মহাৰাজে অকল বহুবিবাহৰ প্ৰতিয়েই বিৰোধ ব্যক্ত কৰা নাই, প্ৰকাৰন্তৰে তেওঁ স্বীকাৰ কৰিছে যে তেওঁ ঈশ্বৰবিশ্বাসী, কিন্তু সেই বিশ্বাস এক ঈশ্বৰৰ প্ৰতিহে। পৌত্তলিকাবাদক ৰজাই সমর্থন নকৰে। অর্থাৎ নাবালক নৃপেন্দ্ৰ নাৰায়ণে ব্ৰাহ্মধৰ্ম্মই নিজৰ ধৰ্ম্ম বুলি পৰিচয় জ্ঞাপন কৰিবলৈ কুণ্ঠিত নহয়। এই তথ্যটি আমাৰ মনত ৰখা দৰকাৰ।

মহাৰাজৰ সৰু চিঠিখন আৰু স্পষ্ট ভাষণে কেশৱসেনৰ সিদ্ধান্ত পৰিবর্তনত সহায় কৰিছিল নে নাই জনা নাযায়। কিন্তু জনা গৈছিল যে, চাৰিফালৰ সপ্তৰথী বেষ্টিত অভিমন্যুৰ নিচিনাকৈ যেতিয়াই পথ হেৰুওৱাৰ উপক্ৰম হৈছিল, তেতিয়াই পৰম কৰুণাময় ঈশ্বৰৰ ওচৰত পথ বিচাৰি আকুল প্ৰার্থনা জনাইছিল। ঈশ্বৰৰ পৰা পথ নির্দেশনাৰ অপেক্ষাত ধ্যানমগ্ন হৈ বহু ৰজনী বিনিদ্রভাৱে কটালে। আনহাতে বৃটিছ চৰকাৰো অধৈর্য হৈ পৰিল।

ৰাজ্যৰ দেৱান বাবু কালিকাদাস দত্তই টেলিগ্রাম কৰিলে বাবু যাদৱ চক্রৱর্তীক -

" Deputy Commissioner says can't wait too long even if matter not published. Must have private assurance of Kesab Babu's consent without delay. Remember preparation 27-01-78 "

ইপিনে অন্য এক আইনগত জটিলতাইও কম মুৰ ঘমোৱা নাই। বৃটিছ ভাৰতত হিন্দু বিবাহ যি আইনৰ দ্বাৰা নিয়ন্ত্রিত হয় (Act III of 1872) তাত দৰা আৰু কইনাৰ বয়স যথাক্রমে ১৮ আৰু ১৪ নির্দিষ্ট কৰা আছে। অথচ সেই সময়লৈ নৃপেন্দ্র নাৰায়ণ আৰু সুনীতি দেৱীয়ে সেই নির্দিষ্ট বয়সৰ সীমাত উপনীত হোৱা নাই। তেনেহ'লে কি ইমান চেষ্টা ইমান মন্ত্রনা আইনৰ খোচতেই বিলীন হৈ যাব ? ইয়াৰ সমাধানৰ পথো অনতি পলমে বিচাৰি উলিওৱা হ'ল। বণিয়া ইংৰাজে বুদ্ধি বন্ধক দি ভাৰত শাসন কৰিবলৈ অহা নাই। মিঃ ডালট্নে কেশৱসেনলৈ চিঠি লিখিলে ঃ

"I know it will seem difficult to you to arrange a wedding on the 6th March, and also that the idea of marrying your daughter before she has completed her fourteenth year is repugnant to you. But consider the circumstances and that in fact the marriage will not be marriage in the ordinary acceptance of the term but a solemn BETROTHAL, the Raja Proceeding to Europe immediately after the ceremony....."

তেনেহ'লে কি বয়সৰ বিষয়টো লুকুওৱাৰ বাবে অথবা আইনক ফাঁকি দিয়াৰ উদ্দেশ্যে বিবাহ নামৰ শাস্ত্রীয় অনুষ্ঠানটোক শেষ পর্যন্ত Betrothal শব্দটোৰ দ্বাৰা মুখা পিন্ধাই দিয়া হৈছে ? Betrothal অৰ অর্থ " with a promise to marry." আৰু solemn কথাটিৰ অর্থ "accompanied with ceremony" আৰু এই ceremony হৈছে বিবাহৰ বিষয়টো। পৰৱর্তী কালত এই বয়সৰ কথাটো কেনেকৈ নোহোৱা হৈ গ'ল, সুনীতি দেৱীয়ে এনেধৰণে কৈছে-

" The marriage was to be" nearly a solemn betrothal" and hay presto ! The age difficulty vanished"

ইংৰাজ সম্পর্কে প্রচলিত প্রবাদ তেওঁলোক যিহেতু Law maker, সেয়েহে কেতিয়াও Law breaker নহয়। কিন্তু আইনক বুঢ়া আঙুলি দেখুৱাবলৈ আইনৰ ফাঁক বিচাৰি ফুৰাত তেওঁলোকৰ নিচিনা সিদ্ধহস্ত কোনো নহয়। যিয়েই নহওঁক সুনীতি দেৱীয়ে এই ধৰণৰ ব্যাৰিষ্টাৰী বুদ্ধিৰ ওচৰে - পাজৰেও নগ'ল। তেওঁ লিখিছিল-

"The Maharaja could not be married under this act and he had his own law, beside he was an independent ruler, and a British marriage was of no value in Kochbehar. Our marriage was recognised by the government as a Hindu Marriage . The Maharaja himself was a BRAHMO, but he was the ruler of a Hinduraj. As we were not married under Act III, the age limit did not affect us"

এইটো লক্ষ্য কৰাৰ দর্কাৰ, কেশৱ সেনে বিচাৰিছিল বিয়াখন ব্রাহ্মসমাজৰ নিয়মমতে হওঁক। অথচ ব্রাহ্ম সমাজৰ মতে সেই সময়ত ব্রাহ্মনিয়মতে পতা বিয়াৰ সন্দর্ভত কোনো চৰকাৰী আইন বা স্বীকৃতি নাছিল। অতত্রব চৰকাৰী দলিলত হিন্দু বিবাহ বুলি উল্লেখ কৰিলেও আচলতে ব্রাহ্মৰজাৰ, (সুনীতি দেৱীৰ মতে) লগত ব্রাহ্ম বালিকা, সুনীতি দেৱীৰ বিবাহ ব্রাহ্ম মুহূর্ততে হৈছিল। এই অধ্যায়টো কোৱাৰ বাবেই এই খিনিৰ আয়োজন।

ইয়াৰ মাজতেই কৈ থোৱা ভাল হ'ব যে, ইতিমধ্যে কইনা চোৱা পর্বটি সমাধা হৈছিল। প্রথমবাৰত কোচবিহাৰৰ উচ্চ পদস্থ ৰাজকর্মচাৰী সকলক লৈ মি ঃ ডাল্টনে আৰু দ্বিতীয়বাৰত স্বয়ং নৃপেন্দ্র নাৰায়ণেই পাত্রী পছন্দ কৰি গৈছিল। বঙালী পৰিয়ালৰ কইনা চোৱা সময়ত কৰা জলপাণৰ আয়োজনত কইনাই নিজ কণ্ঠেৰে গোৱা গানটিও বাদ যোৱা নাছিল। মাত্র এটি ব্যতিক্রম আছিল। নৃপেন্দ্র নাৰায়ণে কইনা চাবলৈ গৈ কইনাক নিজে এটা উপহাৰ দি থৈও আহিল। মহাৰাজাৰ এই কইনা চোৱাৰ ব্যাপাৰটোক জুলিয়াছ চিজাৰৰ ভাষাত কব পাৰি 'ভিনি, ভিডি, ভিচি', 'আহিলো, চালো, জয় কৰিলো।' সুনীতি দেৱীৰ কথাত "After a few minutes my father said ' Sunity this is a present from the Maharaja to you? I looked up as I did so, I met the Maharaja's eyes

fixed on me fall of love, and I blushed. From that movement my future husband and I loved each other. He was so handsome and so charming." ইয়াৰ পিচত নিশ্চয় কইনাৰ পিতাক আৰু বৃটিছ চৰকাৰৰ কাৰোৱেই কৰিব লগা একো নাথাকে, মাত্ৰ বিয়াৰ আয়োজনটো হে বাকী থাকে।

১৮৭৮ চনৰ ১৫ ফেব্ৰুৱাৰীত কেশৱসেনে পৰিয়ালৰ লোকসকল, ব্ৰাহ্মধৰ্মৰ আৰ্চায্য আৰু বহুতকে লগত লৈ কলিকতাৰ পৰা ৰাওনা হ'ল। সুনীতিদেৱীৰ এই বিয়াত প্ৰথমৰ পৰাই প্ৰতিটো স্তৰতে গোলমাল। বৃটিছ চৰকাৰে ভয় কৰিছিল ব্ৰাহ্মধৰ্মৰ আনুষ্ঠানিক বাধ্যবাধকতাক হয়তো ৰাজ্যৰ হিন্দু প্ৰজাবিলাকে সহ্য কৰিব নোৱাৰিব। ৰাজ্যৰ দেৱান বাবু কালিকাদাস দত্তই এই গোটেই কৰ্ম কাণ্ডটোকে তেওঁৰ নিজৰ প্ৰতি অনা অনাস্থা বুলি ধৰি লৈছিল। কাৰণ ৰাজকীয় এই গুৰুত্বপূৰ্ণ ঘটনাটিৰ কোনোটো পৰ্যায়তেই দেৱানৰ কোনো উল্লেখযোগ্য ভূমিকা নাছিল। ৰাজপৰিয়াল বা উচ্চ পদস্থ ইংৰাজ আমোলা সকলোৱেই দেৱানক উপেক্ষা কৰি চলিছিল। দেৱানৰ তলতীয়া কৰ্মচাৰী বাবু যাদৱ চক্ৰৱৰ্তীৰ ওপৰত কইনা নিৰ্বাচনৰ গুৰুত্বপূৰ্ণ কামটো ন্যস্ত কৰাত তেওঁ ভিতৰি-ভিতৰি ক্ষুব্ধ হৈ আছিল। নেপথ্যত এখন স্নায়ুযুদ্ধ বা শীতল যুঁজ চলি আছিল। সুনীতি দেৱীয়ে লিখিছে ঃ

" There was one person who was very subtle in his opposition and more powerful than any English official. This was Dewan, the late Calica Das Dutta, prime Minister . He was not favour of the marriage because he thought he had been ignored."

প্ৰধান মন্ত্ৰী কালিকাবাবুৰ পৰামৰ্শ মিঃ ডাল্টনচাহাবে পৰিষ্কাৰভাৱে বাবু যাদব চক্ৰৱৰ্তীৰ হতুৱাই কেশৱ সেনক জনাবলৈ কয় -

" I wish therefore, to dissuade Babu Kesab Chandra Sen from bring with him any of those who might be called his followers, a part from such as are his immediate relatives. In fact we can not permit Brahmo demonstration whatever, and those who come must bear in mind that a single speech is any way whatever relating to theism versus idolatory will not be permitted".

অথচ মজাৰ কথা ৰজাই নিজেই কেশৱ সেনলৈ লিখিছিল যে তেওঁ theist আৰু একেশ্বৰবাদত বিশ্বাসী। সুনীতিদেৱীয়ে কৈছে, ৰাজা ব্ৰাহ্ম আছিল। আচলতে হিন্দু প্ৰজাবিলাকৰ অসন্তোষৰ ভয়তেই ইংৰাজে লোকক দেখুৱাবলৈ হিন্দুবিবাহ অনুষ্ঠান বুলি ঢাকঢোল পিটিব বিচাৰিছিল। ডাল্টন চাহাবে হয়তো ভাবিছিল কোনো ৰকমে সুনীতি দেৱীক বিয়াৰ পিৰাখনত বহুৱাব পাৰিলেই হ'ল । তাৰ পিছত কোনটো প্ৰথামতে বিয়া হ'ল কেশৱসেন বা সুনীতিদেৱীৰ ভাবিবৰ কোনো অৱকাশ নাথাকিব। কিন্তু তেওঁলোকে পাহৰি গৈছিল যে সুনীতি দেৱী কেশৱসেনৰ জীয়েক।

সুনীতি দেৱী আহি কোচবিহাৰত হাজিৰ হ'ল। ৰাজকীয় অভ্যৰ্থনাৰ উষ্ণ উত্তাপ আমি কল্পনাৰ মাজতহে উপলব্ধি কৰিব পাৰিম। সুনীতি দেৱীয়ে তেওঁ সপোনৰ ৰাজকুমাৰক বৰমালা পিন্ধাবলৈ আহিছে। ৰাজপুত্ৰই পৰম আগ্ৰহেৰে সেই বিৰল মুহূৰ্তটিৰ বাবে অপেক্ষা কৰি আছে। জলমল আলোকৰ পোহৰত কোচবিহাৰ চহৰ উৎসৱৰ মাজত মতলীয়া হৈ উঠিছে। ৰাজপণ্ডিত আৰু দেৱান আহিল কেশৱসেনৰ লগত বিয়া অনুষ্ঠান সম্পৰ্কে চূড়ান্ত অনুমোদন নিবলৈ। ইয়াতো শেষ চেষ্টা চলিল। কেশৱসেনক জানো তেওঁৰ অটল সিদ্ধান্তৰ পৰা লৰাব পৰা যাব ? সুনীতিদেৱীৰ ভাষাত।

" The day before the wedding the Dewan and few Rajpandits came to see my father and talked over the ceremony. They told him that parts of it would be according to the Hindu rites. To this my father refused to consent."

বিয়াৰ মূল অনুষ্ঠানৰ এদিন আগতেই সুনীতি দেৱীক নিবলৈ ৰাজপ্ৰাসাদৰ পৰা পাল্কী আহিল। বুকুত দুৰু -দুৰু কঁপনি লৈ সজল নয়নে কইনাই বাপেক, মাক, বান্ধৱী, আত্মীয়, অচাৰ্য সকলোৰে পৰা বিদায় লৈ পাল্কীত বহিল। নাচি- নাচি পাল্কী আগবাঢ়িল। দোলাত একমাত্ৰ সঙ্গী সৰু ভনীয়েক বিনু। ভাবী ৰাজবধূৰ ৰাজকীয় বৰণত, স্ত্ৰী আচাৰত হিন্দুয়ানাৰ গোন্ধ পাই সুনীতি দেৱীয়ে মুখ ঘুৰাই দিলে। ব্ৰাহ্মণৰ মন্ত্ৰোচ্চাৰণ হ'ব, ব্ৰাহ্মণসকলক স্বৰ্ণ মুদ্ৰাৰ দক্ষিণা দিব লাগিব ভাবী ৰাজকুমাৰীয়ে। প্ৰতিবাদ কৰি উঠিল সুনীতিয়। কোনোপধ্যেই সুনীতিৰ হাতত স্বৰ্ণমুদ্ৰা তুলি দিয়া সম্ভৱ নহ'ল।

OKDISCD

কি দুঃ সাহস এই বালিকাৰ! হাতৰ পৰা স্বৰ্ণমুদ্রা মজিয়াত দলিয়াই দিলে। স্ত্রী আচাৰত ব্যস্ত পুৰুষ নাৰীবৃন্দ ভয়ত নিঠৰ হৈ. গ'ল। ৰাজমাতা ক্রুদ্ধ হৈ উঠিল। পুৰোহিতৰ চক্ষুদ্বয় বিস্ফোৰিত হ'ল। এনে অঘটন ৰাজপ্রাসাদত হোৱাৰ নজিৰ নাই। ৰাজমাতা বধূমাতাৰ মাজত বাক যুদ্ধ আৰম্ভ হ'ল। সুনীতিদেৱীৰ জবানীতেই শুনা যাওক ঃ

" In the evening Maharaja's mother came and spoke to my mother most harshly. One of her remarks I still remember . " Do you mean to say you love your doughter? How can you when you do not wish to marry a Maharaja? If she does not marry my son according to Hindu rites, she will not be Maharani."

সুনীতি দেৱীৰ মাকৰ উত্তৰ ঃ

" I shall be sorry if my daughter does not marry to your son, and I shall take her away from Cooch Behar; but my daughter shall never marry any one according to Hindu rites."

ইয়াকেই কয় নাটকৰ ক্লাইমেক্স। অথচ নাটক নহয়। সমগ্র ব্যাপাৰটো কল্পনাৰ মাজেৰে ভাবিব লাগিলে পাঠকে প্রেক্ষাগৃহৰ দর্শকৰ দৰেই ৰুদ্ধশ্বাসে অপেক্ষা কৰি থাকিব লাগিব পৰৱর্তী দৃশ্যৰ বাবে। কোনো পক্ষই পৰাজয় বৰণ নকৰে। অথচ বধূবৰণত পৰম মুহূর্তৰ বাবে গোটেই কোচবিহাৰ চহৰ উৎসৱত উপচি পৰিছে। অন্যফালে লোকচক্ষুৰ আড়ালত ৰাজপ্রাসাদত এটাৰ পিচত এটাকৈ ঘটি আছে নাটকীয় দৃশ্য। ৰাজমাতা ক্রোধত দিশহাৰা। কইনা পক্ষই সম্পূর্ণ নতুন পৰিৱেশত বাক্যহাৰা। কইনাৰ ৰূপত সুনীতি দেৱীৰ অৱস্থা কি হৈছে সহজে অনুমেয়। আৰু ৰাজপুত্র? যুদ্ধক্ষেত্রত যুদ্ধ কৰাটোৰেই ৰজা মহাৰাজৰ পক্ষে সহজ। জাতপাতৰ লড়াই জিতা - ইমান যে কঠিন হ'ব ৰাজপুত্রৰ সি অজ্ঞাত আছিল। এফালে দহমাহ দহ দিন ধৰি গর্ভত জন্ম দিয়া মাতৃ অন্যফালে ভাবী শাহু-মাতৃ। ৰজাই কাৰ পক্ষ ল'ব। সুনীতিদেবীৰ জবানবন্দী জনা যাওক।

" Looking at those near him, with determination of his sad young face, the Maharaja said, "Now give good heed to my words. I am going to bad. If I am to marry this girl , wake me up. Otherwise my horse is in readiness, for I shall ride away from Coochbehar for good all tomorrow morning. If I can not marry this girl, I will marry no one"

বালক ৰজাৰ পক্ষে ইয়াৰ বিকল্প নাছিল। সুনীতিক প্রথম যিদিনাখনেই দেখিছিল সেইদিনাই মনদিয়াৰ পর্বটো শেষ কৰিছিল। বোধহয় ৰাজমাতাই এই কথা নজনা নহয়। ৰাজকীয় বিবাহখনৰ প্রাথমিক পর্বটো নিশ্চয় শুভ সূচনাৰ মাজেৰে নগ'ল।

উভয় পক্ষৰ মাজতেই ধনুভঙ্গ কৰাৰ পণ। হিন্দু প্রথমতে বিয়া নহ'লে ৰাজমাতাই বিয়াৰ পীৰাখনৰ পৰা দৰা উঠাই লৈ যাব। অর্থাৎ বিয়াখন ভাঙি যাব। কইনাপক্ষৰ শেষ কথা 'কুছ পৰোৱা নেহী'। বিয়া যদি ভাঙে ভাঙি যাওক। মহাত্মা কেশৱসেনৰ ছোৱালীৰ বিয়া হিন্দু প্রথামতে হ'ব, সেইটোতো অকল্পনীয় কথা। ইয়াকেই কয় ৰজাই-ৰজাই যুদ্ধ হ'লে নলখাগৰিৰ প্রাণ যায়। হিন্দুধর্ম ও ব্রাহ্মধর্মৰ হতা-হতি যুদ্ধত বৰ বধূ বেশেৰে সজ্জিত হৈ থকা দুই কিশোৰ - কিশোৰীৰ মানসিক প্রতিক্রিয়াৰ খবৰ যদি পোৱা গ'লহেতেঁন। দুয়োপক্ষৰ অনমনীয় মনোভাবত জীৱনৰ আটাইতকৈ পৰম স্মৰণীয় মুহূর্তটো কৰুণ হৈ উঠিল।

নাবালক ৰজাই পৰিষ্কাৰ ভাবেই জনাই দিলে সুনীতিক বাদ দি অন্যৰ লগত বিবাহ কোনো দিনেই সম্ভৱ নহ'ব। জনালে, বিয়া যদি নহয়, সূর্য উঠাৰ আগতেই ঘোঁৰাত উঠি দুচকু যিফালেই যায় সেইফালেই গুচি যাব। এই বুলি ৰজা শুবলৈ গ'ল। আমি নিশ্চিত ভাবে জানো ৰজাৰ সেইদিনা টোপনি অহা নাছিল। সমগ্র কোচ বিহাৰৰ চকুতো টোপনি নাছিল। উৎসৱৰ কাপোৰ পিন্ধা আলোকেৰে জলমল হৈ থকা কোচবিহাৰৰ বুকুলৈ অন্ধকাৰ আৰু ৰাতিৰ নিস্তব্ধতা ধীৰে-ধীৰে নামি আহিল। সকলোৱে ধৰি ল'লে, এই বিয়া আৰু নহ'ব। অন্ধকাৰৰ বুকু ভাঙি অসংখ্য গুজবৰ স্ফুলিঙ্গই সমগ্র চহৰখনকে গ্রাস কৰি পেলাইছিল। ত্রেনেকৈয়ে গোটেইটো ৰাতি পাৰ হৈ গ'ল। বিয়াৰ শেষ লগ্ন অতিক্রান্ত হও হও। কথাতে আছে, জন্ম, মৃত্যু বিবাহ এই তিনি বিধাতাৰে লিখন। সকলোৱে যেতিয়া ধৰি লৈছিল, সুনীতি আৰু নৃপেন্দ্র নাৰায়ণৰ বিয়াখন সঁচাকৈয়ে ভাঙি গৈছে বিধাতাই বোধকৰো তেতিয়াও অলক্ষিতে মিচিকিয়াই হাঁহি আছিল। ইয়াৰ মাজতেই বিপর্যয়ৰ খবৰ কলিকতা পাইছিল। বাংলাৰ লেঃ গভর্ণৰে

কোচবিহাৰৰ ইংৰাজ প্ৰতিনিধি মিঃ ডাল্টনলৈ জৰুৰী নিৰ্দেশ প্ৰেৰণ কৰিলে-

" Let the marriage be performed according to the rites as settled in Calcutta."

মিঃ ডাল্টনে তৎমুহূৰ্ততেই কেশৰ সেনৰ কক্ষত হানা দিলে। কেশৱ তেতিয়া ধ্যানমগ্ন- ঈশ্বৰৰ নিৰ্দেশৰ অপেক্ষাত। ফুলামুখেৰে ঘনে-ঘনে নিশ্বাস পেলাই ডাল্টনে মহাত্মাৰ উদ্দেশ্যে ক'লে ঃ

"Mr. Sen, the wedding must and shall take place to night. The service shall be exactly as you wish, I'll be there to see that its is not interfered with. Come quickly, we have not a moment to lose there is another auspicious hour at 3 A.M. set it be then."

ডাল্টনে এক প্ৰকাৰ জোৰ কৰিয়েই কেশৱ সেনক ধৰি লৈ গ'ল। মুহূৰ্তৰ ভিতৰতে সমস্ত মেঘ উৰি গ'ল। আতচবাজী, ফানুচৰ শব্দ আৰু পোহৰত ঘুমন্ত কোচবিহাৰ জাগি উঠিল। সেইক্ষণত চেহনাইৰ সুৰৰ ঝঙ্কাৰ পুনৰ ভাহি উঠিল, বিয়াৰ বাদ্যবোৰ বাজি উঠিল। মাঙ্গলিক শঙ্খই আকাশৰ বুকু ফালি পৰম মুহূৰ্তটিৰ খবৰ ঘৰে-ঘৰে পৌছাই দিলে। সুনীতি দেৱীয়ে লিখিছিল ঃ

"I went through the ceremony with perfect confidence. The service was performed by Rav Gour Govinda Roy. Who was one the staunchest missionaries of our church, and all the Maharaja's Hindu priests were also present."

সুনীতি আৰু নৃপেন্দ্ৰ নাৰায়ণৰ বিবাহপৰ্ব অৱশেষত অনেক পানীঘোলা কৰাৰ পাচত আৰু লক্ষ--বাক্য খৰচ কৰি সম্পন্ন হ'ল। এই প্ৰৱন্ধ লিখাৰ উদ্দেশ্য মাত্ৰ এখন ৰাজকীয় বিয়াৰ বিৱৰণ সবিস্তাৰে বৰ্ণনা কৰাটো নহয়। স্মৰণাতীত কালত ভাৰতবৰ্ষত এনে এখন বিতৰ্কিত আৰু আলোড়ন সৃষ্টিকাৰী বিয়াৰ দ্বিতীয় দৃষ্টান্ত বিচাৰি পোৱা সম্ভৱ নহয়।ব্ৰাহ্ম ধৰ্মৰ অনুৰাগীসকলে প্ৰকাশ্যে সমগ্ৰ ভাৰতজুৰি অবিসম্বাদী ব্ৰাহ্ম নেতা কেশৱ আৰু হিন্দু ধৰ্মৰ মাজত জেহাদ ঘোষণা কৰে। আনহাতে ব্ৰাহ্মধৰ্ম আৰু হিন্দুৰ ধৰ্মৰ মাজত উষ্ণ-শীতল যুদ্ধ চলি থাকিল। কোচবিহাৰৰ প্ৰজাবিলাকেও এই খন বিয়াক খুব এটা ভাল মনেৰে গ্ৰহণ নকৰিলে। এটি হেচি ৰখা বিক্ষোভ বা অসন্তোষৰ সম্ভাৱনাক তদানীন্তন ইংৰাজ চৰকাৰে একেবাৰে উৰাই দিব খোজা নাছিল। কোচবিহাৰৰ মহাৰাজে মনে-প্ৰাণে ব্ৰাহ্ম আৰু হিন্দুধৰ্মৰ ৰীতি-নীতি জলাঞ্জলি দি ব্ৰাহ্মধৰ্মৰ মতেই সুনীতি দেবীক বিয়া কৰাইছে, এই তথ্য ফাদিল হৈ গ'লে প্ৰজা ৰ মাজত বিক্ষোভে দেখা দিব পাৰে - এনে সম্ভাৱনাৰ ইঙ্গিত সেই সময়ত ইংৰাজ কৰ্তৃপক্ষ আৰু কোচবিহাৰৰ উচ্চপদস্থ ৰাজকৰ্মচাৰী সকলৰ মাজত আদান -প্ৰদান হোৱা চিঠিপত্ৰৰ মাজত পোৱা যায়। সমাজ, ৰাজনীতি আৰু ধৰ্ম মাত্ৰ এখন বিয়াক কেন্দ্ৰ কৰিয়েই তীব্ৰভাৱে আলোড়িত হৈছে. এনেকুৱা দৃষ্টান্ত একক অথবা বিৰল।

এই ঘটনাৰ পিছত ব্ৰাহ্মধৰ্মৰ অনুগামীসকলৰ এটা বিৰাট অংশই কেশৱ সেনৰ লগত সমস্ত সম্পৰ্কৰ অৱসান ঘটাই "সাধাৰণ ব্ৰাহ্মসমাজ" নামেৰে পৃথক এটি সংগঠন গঢ়ি তোলে। অৱলীলাক্ৰমে কেশৱসেনৰ বিৰুদ্ধে শ্ৰাব্য-অশ্ৰাব্য বিযোদগাৰ চলি থাকিল। অথচ সমস্ত অভিযোগটোৱে মিছা আৰু ভিত্তিহীন। কেশৱসেনে কেতিয়াও হিন্দুমতে কন্যাৰ বিয়া দিয়া নাছিল, বিশুদ্ধ ব্ৰাহ্মমতে বিয়াখন সম্পন্ন হৈছিল, যাক কত্তৰ আচাৰ্য গৌৰ গৌবিন্দ ৰায়ে স্বয়ং পৰিচালনা কৰিছিল।

কিন্তু যিটো প্ৰশ্নই মনৰ মাজত উকি মাৰে সেইটো হৈছে কেশৱসেনৰ ৰহস্যজনক নীৰৱতা। সৰৱ ঘোষণা ও সত্যভাষণৰ দ্বাৰাই এই বিৰোধিতাক তেওঁ নিৰস্ত্ৰ কৰিব পাৰিলেহেঁতেন, কিন্তু নকৰিলে। কিয় ? এই প্ৰশ্নৰ উত্তৰ পাবলৈ হ'লে সমস্যাটিৰ গভীৰতালৈ যাব লাগিব। কোচবিহাৰ বৃটিছৰ কৱদ মিত্ৰ ৰাজ্য। কোচবিহাৰ ৰাজ্য ৰাজনৈতিক দিশৰ পৰা ইংৰাজৰ ওচৰত কম গুৰুত্বপূৰ্ণ নহয়। হিমালয়ৰ পাৰ্বত্য ৰাজ্যবিলাকক কব্জাত ৰাখিবলৈ হ'লে কোচবিহাৰক হাতত ৰখা দৰ্কাৰ। প্ৰজাবিক্ষোভ বা অশান্তিৰ যিকোনো সম্ভাৱনাই ইংৰাজক উদ্বেগৰ মাজত ৰাখিব। আধুনিক, মাৰ্জিত, সংস্কৃতিবান পৰিয়ালৰ লগত কোচবিহাৰৰ ৰাজ্যপৰিয়ালে সখীয়তা গঢ়ক সেৱা ইংৰাজৰ মনে-প্ৰাণে কাম্য । কিন্তু তাৰ বিনিময়ত প্ৰজাবিক্ষোভ কেতিয়াও হ'ব নোৱাৰে। প্ৰধানত ৰাজনৈতিক কাৰণত ইংৰাজ কৰ্তৃপক্ষই কেশৱসেনৰ পৰা আগতীয়া প্ৰতিশ্ৰুতি লৈ থৈছিল, যে কোনো অৱস্থাতেই তেওঁ এই বিয়াৰ মাজত কিমানখিনি হিন্দুয়ানা বা ব্ৰাহ্মধৰ্ম আছে সেইলৈ মুৰ ঘুমোৱাৰ যাতে প্ৰয়োজনবোধ নকৰে। ১৮৭৮ চনত মিছা কবলৈ লিখা কেশৱসেনৰ এখন চিঠিৰ একাংশৰ কথা এই প্ৰসঙ্গতে উল্লেখ কৰিব পাৰি -

OKDISCD

" My antagonists have impeached my character, showered upon me abusive epithets of all kinds, and represented me before the public as one who, for fame and wealth and worldly advantages has unhesitatingly sold his conscience and his daughter ! ..... if my conscience a quite one, none can convict me ... As a private man I should nor probably acted as I have done. I was all along as public man... The British government sought me and my daughter; a Christian government that knew me thoroughly to be Brahmo leader, proposed the alliance, and the weighty interest of a state were pressed upon me with a view to induce me to accept the proposal and make the needful concession ..... I was assured that the Raja had no faith in Hinduism, but a public renunciation of the Hindu faith was objected to on political ground ."

ইয়াৰ পিচত কেশৱসেনৰ নীৱৱতাৰ অর্থ বিচৰাৰ বাবে খুব এটা মগজু ৰ প্রয়োজন নহয় । বৃহত্তৰ স্বার্থৰ কাৰণে দিনৰ পিচত দিন ধৰি যিজনে অসহ্য অপমানৰ তীব্র জ্বালা সহ্য কৰিব পাৰে তেওঁ নীলকণ্ঠ মহাদেৱ নহ'লেও মহাত্মা নিশ্চয়। তাৰ পিচতো প্রশ্ন থাকি যায় । এই বিবাহৰ চৰকাৰী নথিত হিন্দুমতে বিয়া হোৱা বুলি লিপিবদ্ধ হৈছে কিয় ? নিশ্চয় ই এটি অদ্ভুত ব্যাপাৰ । চৰকাৰী নথিপত্রত থকা হিন্দুমতৰ বিবাহ কেনেকৈ ব্রাহ্মমতৰ হ'ব পাৰে । উত্তৰত ক'ব লাগিব - ইয়াৰ বাহিৰে দ্বিতীয় এটা পন্থা নাছিল । আজিও নাই । চৰকাৰী আইনত ব্রাহ্মবিবাহ বুলি কোনো বিষয় নাই । যেনে এজন শিখৰ বিয়া শিখ ধর্মমতে হ'লেও আইনৰ পৰিভাষাত সি হিন্দু বিবাহৰ আওতাত পৰে । আইনৰ বৈচিত্রৰ মাজত ভাৰতবর্ষৰ ঐক্য কিমান দূৰ অটুট থাকিব এই বিষয়েও প্রশ্ন উঠিছিল । কেশৱ সেনে ব্রাহ্ম বিবাহ আইন প্রস্তুত কৰাৰ বাবে ইংৰাজ চৰকাৰক বাৰে-বাৰে অনুৰোধ কৰিছিল । আনকি ব্রাহ্মবিবাহ আইনৰ খচৰাত দাখিল কৰিছিল । কিন্তু সিদিনা যি অৱস্থা আছিল আজিও একেই আছে । সেয়েহে ব্রাহ্মমতে সুনীতি দেৱী আৰু নৃপেন্দ্র নাৰায়ণৰ বিয়া হ'লেও কাগজে পত্রই সি হিন্দু বিবাহ । ফাঁকি দি কোনো মহৎ কাম সমাধা হ'ব নোৱাৰে - অন্ততঃ এটি ক্ষেত্রত এই প্রবাদ অর্থহীন হৈ পৰিল । ইংৰাজ ডিপ্লোমেচিৰ মজা এই খিনিতহে । ❑

(কাহিনীভাগ প্রস্তুত কৰণত হিতেন নাগৰ একে নামৰ শীর্ষক প্রবন্ধটোক বাংলাৰ পৰা অসমীয়ালৈ অনুবাদ কৰা হৈছে, লগতে 'কোচবিহাৰ পৰিক্রমা' নামৰ ৰচনা সংগ্রহখনৰ সহায় লোৱা হৈছে - লিখক)

******

উপভাষাৰ আলোকত দেশী কথাৰ অভয়াপুৰী

বিৰূপাক্ষ

আঞ্চলিক উপভাষা মান্যভাষাৰ মূলৰ আধাৰ বা বুৰঞ্জী স্বৰূপ। সেয়ে ভাষা বিবৰ্তনৰ ধাৰা, ৰূপতত্ব বা বিন্যাস সম্পৰ্কে অবগত হ'বলৈ হ'লে উপভাষা সমূহৰ সূক্ষ্ম অধ্যয়ন অত্যন্ত জৰুৰী। মান্য অসমীয়া ভাষাৰ উপভাষা 'গোৱালপৰীয়া' বা 'দেশী কথা' নামনি অসমৰ বিশেষকৈ অবিভক্ত গোৱালপাৰা জিলাৰ অধিবাসী সকলৰ মজ্জাগত। অনেক ক্ষেত্ৰত অবিভক্ত গোৱালপাৰা জিলাৰ কথিত ভাষাৰ সৈতে উত্তৰ বংগ আৰু উত্তৰ পূৱ, বাংলা সীমান্ত অঞ্চলৰ ভাষাৰ মিল থকা দেখা যায়। কাৰণ একালত অসম, বাংলাদেশ আৰু পশ্চিমবংগৰ এই এলেকা সমূহ সামৰি বৃহৎ অঞ্চল জুৰি অধিবাসী সকলৰ মাজত একে ভাষা-সংস্কৃতি প্ৰচলিত আছিল। ভাষা-সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত কোচবেহাৰ আৰু ৰংপুৰ আছিল এই অঞ্চলৰ মূল কেন্দ্ৰ। ১৭ শতিকা পৰ্যন্ত কোচবেহাৰ সাহিত্য ৰচনাৰ কেন্দ্ৰ হৈ আছিল। তেতিয়ালৈকে ইয়াত ৰচিত সাহিত্য সমূহত চৰ্য্যাপদৰ প্ৰভাৱ আছিল অতুলনীয়। পৰিবৰ্তিত ৰাজনৈতিক পেক্ষাপটত সাহিত্যৰ প্ৰাণকেন্দ্ৰ স্বৰূপ কোচবেহাৰৰ এই গুৰুত্ব পিছলৈ কমি আহিল আৰু প্ৰাদেশিক সীমা সংস্কৰণৰ পিছত এই বৃহত্তৰ অঞ্চলটোৰ পশ্চিমৰ খণ্ড উত্তৰ বংগ আৰু পূৱৰ খণ্ড অসমৰ ভৌগোলিক সীমাৰ অন্তৰ্গত হ'ল। ফলত অঞ্চলটোত চলা অতীতৰ একে ভাষা-সংস্কৃতিৰ ৰূপ দুখন সুকীয়া ৰাজ্যৰ পৃথক ভাষা-সংস্কৃতিৰ প্ৰভাৱত বেলেগ বেলেগ হ'ল। পৰৱৰ্তী সময়ত অঞ্চলটোৰ পুৰণি ভাষাটো উত্তৰ বংগত মান্য বঙলাৰ উপভাষা (উত্তৰ বংগীয়া বা কোচবেহাৰী) আৰু গোৱালপাৰা অঞ্চলত মান্য অসমীয়া ভাষাৰ উপভাষা (গোৱালপৰীয়া বা দেশী কথা) হিচাপে পৰিচিত হ'ল।

অনেকৰ মতে দুভাগত বিভক্ত হোৱাৰ আগলৈকে এই বৃহৎ অঞ্চলত প্ৰচলিত ভাষাটো আছিল প্ৰাচীন কমতা ৰাজ্যৰ অধিবাসী সকলে ব্যৱহাৰ কৰা উমৈহতীয়া ভাষাটোৰে বিবৰ্তিত ৰূপ । প্ৰাচীন কমতা ৰাজ্যত প্ৰচলিত ভাষা - আধাৰিত হোৱা হেতুকে এই ভাষাটোক লেখকসকলে নামকৰণ কৰিছে কমতালী বা কামতাই বা কমতাপুৰী বা ৰাজবংশী ভাষা হিচাপে। বিভাজনৰ ফলত এই ভাষাটোৱেই ক্ৰমে, 'উত্তৰবংগীয়' আৰু 'গোৱালপৰীয়া' উপভাষা হিচাপে স্বীকৃত হৈছে।

গোৱালপৰীয়া উপভাষাৰ আকৌ কেবাটাও থলুৱা নাম আছে। যেনে ঃ ঝাৰুৱা ভাষা, দেশী ভাষা, ঘুল্যা ভাষা আৰু পল্লী ভাষা। ইয়াৰোপৰি গোৱালপৰীয়া উপভাষাক পণ্ডিত ড° বীৰেন্দ্ৰ নাথ দত্তই 'দেশী কথা' আৰু গ্ৰিয়াৰচন চাহাবে 'ৰাজবংশী ভাষা' নামেৰে নামাংকিত কৰিছে।

অবিভক্ত গোৱালপাৰা জিলাৰ সকলো অঞ্চলতে প্ৰচলিত হ'লেও উপভাষাটোৰ শব্দ আৰু বাক্য বিন্যাসৰ ৰূপ ঠাই ভেদে সলনি হোৱা দেখা যায়। বিজনী, অভয়াপুৰী, বইটামাৰী, বঙাইগাঁও, শালকোছা, গৌৰীপুৰ, গোলোকগঞ্জ, ধুবুৰী, মানিকাচৰ, লক্ষীপুৰ, গোৱালপাৰা আদি বসতি কেন্দ্ৰ সমূহত উপভাষাটোৰ ৰূপতত্ব, ধ্বনিতত্ব তথা বাক্য গাঠনিৰ সামান্য হ'লেও পৰিবৰ্তন হোৱা দেখা যায়। পশ্চিমৰ সীমামূৰীয়া ধুবুৰী, মানিকাচৰ আদি ঠাইৰ ভাঁষাত কাষৰীয় অঞ্চলৰ ভাষা বঙলাৰ মৃদু প্ৰভাৱ আৰু পূৱৰ বিজনী, কৃষ্ণাই আদি ঠাইত কাষৰীয় অঞ্চলৰ উপভাষা কামৰূপীৰ প্ৰভাৱ পৰা দেখা যায়। আনহাতে অভয়াপুৰী, গৌৰীপুৰ আৰু লক্ষীপুৰত পুৰণি কোচ ৰাজবংশীয় সাংস্কৃতিক দৃঢ়তাৰ বাবে এইবোৰ ঠাইৰ ভাষাত স্থানীয় ঐতিহ্যৰ প্ৰভাৱ বিৰাজমান। অৱশ্যে বঙাইগাঁও, অভয়াপুৰী, গোৱালপাৰা , ধুবুৰী, বিজনী, বিলাসীপাৰা আদি চহৰাঞ্চলত গোৱালপৰীয়া উপভাষাৰ ৰূপৰ বা ব্যৱহাৰৰ পৰিবৰ্তন ঘটি আছে। প্ৰশাসনিক আবহাৱা, শিক্ষায়তনিক পৰিবেশ তথা ক্ষেত্ৰভিত্তিক বিচিত্ৰ ব্যৱসায়িক উত্তৰণৰ বাবেই এই চহৰবোৰত স্থানীয় অধিবাসীৰ উপৰিও ৰাজ্যখনৰ বা ৰাজ্যৰ বাহিৰৰো বিভিন্ন ভাষা ভাষী বা ধৰ্মাৱলম্বী মানুহৰ পয়োভৰ ঘটিছে আৰু এওঁলোকৰ ভাষাৰ সৈতে স্থানীয় ভাষাটোৰ সংমিশ্ৰণ ঘটি স্থানীয় ভাষাটোৰ ৰূপান্তৰ ঘটিব লাগিছে।

অভয়াপুৰী বঙাইগাঁও জিলাৰ অন্তৰ্গত উত্তৰ শালমাৰা মহকুমাৰ সদৰ ঠাই। শিক্ষা, সাহিত্য, কলা -সংস্কৃতিৰ অমূল্য সৌৰভেৰে এক গৌৰৱময় অতীতৰ অধিকাৰী অভয়াপুৰীয়ে বহন কৰিছে জমিদাৰকালীন বিজনী ৰাজ প্ৰশাসনৰ এশ বছৰীয়া সোণালী ইতিহাস। ১৯ শতিকাৰ শেষ দশকৰ দ্বিতীয়াৰ্দ্ধত হোৱা প্ৰবল ভূমিকম্পত এতিয়াৰ লেংটিচিঙাৰ প্ৰায় গাতে লাগি থকা তেতিয়াৰ বিজনী ৰাজ্যৰ ৰাজধানী (ঠাইখণ্ড আজিকালি দালান

ভঙা নামে জনাজাত) ধ্বংসপ্রাপ্ত হোৱাত অভয়াপুৰীলৈ ৰাজধানী স্থানান্তৰ কৰা হয়। বিজনী ৰাজ্যৰ শেষ ৰজাৰ নাতি সকলৰ আবাস ৰূপে চিহ্নিত অভয়াপুৰীৰ ৰাজবাৰী সেই ইতিহাসৰ সাক্ষীৰূপে আজিও জিলিকি আছে।

অভয়াপুৰী বুলিলে ঘাইকৈ অভয়াপুৰী চহৰখনৰ কথাই মনলৈ আহে যদিও অভয়াপুৰী অঞ্চলৰ বিস্তৃতি মন কৰিবলীয়া । সৃজন গ্ৰামৰ পৰা বইটামাৰীলৈ, চোকাপাৰাৰ পৰা লেংটিছিঙালৈ, সিদলসতীৰ পৰা চলন্তাপাৰা পাচনীয়ালৈ এই বৃহৎ অঞ্চলটোক অভয়াপুৰীৰ সাংস্কৃতিক পৰিমণ্ডলৰ ভিতৰুৱা কৰিব পাৰি। এই বৃহৎ অঞ্চলটোৰো বিভিন্ন অংশত গোৱালপৰীয়া বা দেশী কথাৰ ৰূপতাত্ত্বিক বা ধ্বণিতাত্ত্বিক তথা বাক্য বিন্যাসৰ কিছু প্ৰভেদ হোৱা দেখা যায়। অভয়াপুৰী চহৰত শুদ্ধ দেশী কথাৰ প্ৰচলন নাই বুলিবই পাৰি। বৰঞ্চ চহৰখনৰ দাঁতিকাষৰীয়া গ্ৰামাঞ্চল বাতাবাৰী, নাতিদূৰৰ শিঙিমাৰী, কাকৈজানা, সিদলসতী, চোকাপাৰা, শালমাৰা, বইটামাৰী আদি ঠাইত শুদ্ধ দেশী কথা বা গোৱালপৰীয়া ভাষাৰ গুৰু প্ৰভাৱ আছে। দেওহাটী, খগৰপুৰ, সৃজন গ্ৰাম, নয়াগাঁও আদিতো উপভাষাটোৰ মিশ্ৰিত প্ৰভাৱ পৰিলক্ষিত হয়। ইয়াৰ বিপৰীতে ধৰ্মপুৰ, বৰঘোলা, পাচনীয়া, কটাশবাৰী আদি ঠাইত দেশী কথাৰ সমান্তৰালকৈ মান্য অসমীয়া ভাষা চলে। লেংটিছিঙা, বৃহত্তৰ চৰাঞ্চল তথা ইক্‌ৰাবাৰী আদি ঠাইৰ ভাষাত বঙলাৰ প্ৰভাৱ থকা দেখা যায় যদিও ইয়াৰ ভাষাও মূলতঃ গোৱালপৰীয়া।

মহকুমাটোৰ ভাষিক গাঁঠনিলৈ লক্ষ্য কৰিলে দেখা যায় যে কোচ ৰাজবংশী সম্প্ৰদায়ভুক্ত লোকসকলৰ বসতি প্ৰধান ঠাইসমূহতে মিশ্ৰিত দেশী কথাৰ প্ৰচলন অধিক। ঘাইকৈ গাঁৱত বাস কৰা অন্যান্য সম্প্ৰদায়ৰ অধিবাসী সকলৰ মাজতো এই ভাষিক বিশুদ্ধতা নথকা নহয় যদিও এওঁলোকৰ মাজৰে চহৰত বাস কৰা লোকসকলৰ মাজত দেশী ভাষাৰ তুলনাত মান্য অসমীয়া ভাষাৰ ব্যৱহাৰ অধিক। দেশী কথা ব্যৱহাৰৰ ক্ষেত্ৰত আন এক উল্লেখযোগ্য দিশ হ'ল এই যে চাকৰি-বাকৰি বা ব্যৱসায় - বাণিজ্য যিহৰ তাড়ণাতে নহওক কিয় অঞ্চলটোৰ প্ৰধান সাংস্কৃতিক কেন্দ্ৰ অভয়াপুৰী চহৰ বা বজাৰলৈ আহি বাস কৰা ৰাজ্যখনৰ অন্যান্য জিলা বা মহকুমাটোৰ পূব সীমা- মূৰীয়া জিলা বৰপেটাৰ স্থানীয় লোকৰ ভাষা 'কামৰূপী' ৰ লগতে মান্য অসমীয়া ভাষা কোৱা লোকসকলৰ সৈতে স্থানীয় দেশী কথা কোৱা অধিবাসীসকলৰ সহ অৱস্থানৰ বাবে অভয়াপুৰী চহৰত দেশী কথা বা গোৱালপৰীয়া উপভাষাৰ লগতে কামৰূপী উপভাষা আৰু মান্য অসমীয়া ভাষাও সমান চলে।

এটা কথা সঁচা যে ঠায়ে ঠায়ে কামৰূপী বা বঙলাৰ স্পৰ্শ লাগিলেও বৃহত্তৰ অভয়াপুৰী অঞ্চলৰ গাঁও, চহৰ, চৰ, বজাৰ সকলোতে দেশী কথাৰ মৌলিক ৰূপ এতিয়াও অক্ষুন্ন আছে। সেয়ে ভৌগোলিক, ৰাজনৈতিক তথা সামাজিক আন্তঃ গাঁঠনি আদি কাৰক সমূহৰ বাবে ঠাইভেদে দেশী ভাষাৰ ৰূপ বা বাক্য বিন্যাসৰ প্ৰভেদ থাকিলেও ইয়াৰ মূলৰ সাদৃশ্য সকলোতে বিৰাজমান।

আনুমানিক অষ্টমৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত ৰচিত চৰ্য্যাপদসমূহত অসমীয়া, বঙলা,উড়িয়া, হিন্দী আৰু মৈথিলী ভাষাৰ পূৰ্বস্তৰৰ আভাস পোৱা যায়। ভাষাৰ মিল থাকিলেও চৰ্য্যাপদ আৰু মান্য অসমীয়া বাক্য বিন্যাসৰ মিল অতি নগন্য। কিন্তু দেখা গৈছে চৰ্য্যাপদ আৰু দেশী কথা বা গোৱালপৰীয়া উপভাষাৰ বাক্য বিন্যাসৰ যথেষ্ট সাদৃশ্য আছে। কেৱল বাক্য বিন্যাসেই নহয় ধ্বনিতত্ব আৰু ৰূপতত্বৰ ক্ষেত্ৰতো এই মিল বিশেষভাৱে উল্লেখযোগ্য। সেয়ে মান্য অসমীয়াৰ উপভাষাৰূপে স্বীকৃত হ'লেও অনেক ক্ষেত্ৰত মান্য অসমীয়া ভাষাৰ তুলনাত চৰ্য্যাপদৰ সৈতেহে দেশী কথাৰ শব্দ সমূহৰ ৰূপতত্ব বা ধ্বনিতত্বৰ সাদৃশ্য অধিক হোৱা দেখা যায়। বৃহত্তৰ অভয়াপুৰী অঞ্চলত প্ৰচলিত চৰ্য্যাপদৰ সৈতে সাদৃশ্য থকা এনে কিছুমান শব্দৰ 'দেশী কথা' ৰ ৰূপ আৰু 'মান্য অসমীয়া'ৰ ৰূপৰ পাৰ্থক্য তলত দেখুওৱা হ'ল-

(ক) বহুক্ষেত্ৰত মান্য অসমীয়াৰ 'অ' স্বৰযুক্ত আদি বৰ্ণ দেশী কথাত 'আ' স্বৰযুক্ত হয়-

টকা	=	টাকা	(ট = টা)
থকা	=	থাকা	(থ = থা)
সচা	=	সাচা	(স = সা)
কথা	=	কাথা	(ক = কা)
ৰজা	=	ৰাজা	(ৰ = ৰা)
ভগা	=	ভাগা	(ভ = ভা)
খন	=	খান	(খ = খা)
পথাৰ	=	পাথাৰ	(প = পা)
বজায়	=	বাজায়	(ব = বা)
নহয়	=	নাহয়	(ন = না)
নকয়	=	নাকয়	(ন = না)

(খ) কেতিয়াবা 'অ' স্বৰ যুক্ত মধ্যবৰ্ণ 'আ' স্বৰ যুক্ত হয় -

যাবৰ	=	যাবাৰ	(ব = বা)
নিবৰ	=	নিবাৰ	(ব = বা)
কৰিবৰ	=	কৰিবাৰ	(ব = বা)
খুজিবৰ	=	খুজিবাৰ	(ব = বা)

(গ) কেতিয়াবা 'অ' স্বৰৰ আদিবৰ্ণ 'এ' স্বৰৰ হয়-

তবু	=	তেবু	(ত = তে)

(ঘ) কেতিয়াবা 'অ' স্বৰৰ আদিবৰ্ণ 'এই' স্বৰৰ হয়

গ'ল = গেইল (গ = গেই)

(ঙ) কেতিয়াবা 'অ' স্বৰৰ মধ্যবৰ্ণ 'ইয়া' স্বৰৰ হয়-

খাবৰ = খাইবাৰ (ব = ইবা)

গাবৰ = গাইবাৰ (ব = ইবা)

(চ) কেতিয়াবা 'অ' স্বৰৰ মধ্যবৰ্ণ 'উ' স্বৰৰ হয়-

জাগক = জাগুক (গ = গু)

বাজক = বাজুক (জ = জু)

উঠক = উঠুক (ঠ = ঠু)

সম্পত্তি = সম্পুত্তি (ম্প = ম্পু)

(ছ) কেতিয়াবা 'অ' স্বৰৰ মধ্যবৰ্ণ 'এ' স্বৰৰ হয়-

স্বপ্নৰ = স্বপ্নেৰ (প্ন = প্নে)

সখৰ = সখেৰ (খ = খে)

ধ্যাণৰ = ধ্যাণেৰ (ণ = ণে)

(জ) কেতিয়াবা 'অ' স্বৰৰ মধ্যবৰ্ণ 'ও' স্বৰৰ হয়-

বাপক = বাপোক (প = পো)

কাৰণ = কাৰোণ (ৰ = ৰো)

ভাতক = ভাতোক (ত = তো)

মগজ = মগোজ (গ = গো)

আগত = আগোত (গ = গো)

দোতৰা = দোতোৰা (ত = তো)

আসৰত = আসোৰোত (সৰ = সোৰো)

(ঝ) কেতিয়াবা 'অ' স্বৰৰ শেষবৰ্ণ 'এ' স্বৰৰ হয়-

কৰিব = কৰিবে (ব = বে)

ঘটিব = ঘটিবে (ব = বে)

আনিব = আনিবে (ব = বে)

(ঞ) কেতিয়াবা 'আ' স্বৰৰ শেষবৰ্ণ 'ও' স্বৰৰ হয়-

দেখা = দেখো (খা = খো)

শুনা = শোনো (না = নো)

(ট) কেতিয়াবা 'ই' স্বৰৰ আদিবৰ্ণ 'এ' স্বৰৰ হয়-

চিনা = চেনা (চি = চে)

(ঠ) কেতিয়াবা 'ই' স্বৰৰ আদিবৰ্ণ 'এও' স্বৰৰ হয়

নিয়া = নেওয়া (নি = নেও)

দিয়া = দেওয়া (দি = দেও)

(ড) কেতিয়াবা 'এ' স্বৰৰ আদিবৰ্ণ ই / ঈ স্বৰৰ হয়-

ভেটি = ভীটি (ভে = ভী)

(ঢ) কেতিয়াবা 'ও' স্বৰৰ আদিবৰ্ণ 'আও' স্বৰৰ হয়-

যোৱা = যাওয়া (যো = যাও)

(ণ) কেতিয়াবা 'ও' স্বৰৰ শেষবৰ্ণ 'উ' স্বৰৰ হয়-

দেখিলো = দ্যাখলু (লো = লু)

(ত) কেতিয়াবা 'ও' স্বৰৰ শেষবৰ্ণ 'অং' বা 'ইয়ং' স্বৰৰ হয়-

হও = হং (ও = ং)

হলো = হইলং (লো = ইলং)

হানো = হানং (নো = নং)

ধৰিলো = ধৰলং (লো = লং)

আছিলো = আছিলং (লো = লং)

দেখিলো = দ্যাখলং / দেখিলং (লো = লং)

(থ) কেতিয়াবা 'ও' স্বৰৰ শেষবৰ্ণ 'উং' স্বৰৰ হয়-

কৰিলো = কৰিলুং (লো = লুং)

ধৰিলো = ধৰিলুং (লো = লুং)

(দ) কোনো কোনো ক্ষেত্ৰত 'খ' বৰ্ণৰ ঠাইত 'ক' বৰ্ণৰ ব্যৱহাৰ হোৱা দেখা যায়-

দেখি = দেকি (খি = কি)

লেখি = লেকি (খি = কি)

(ধ) কেতিয়াবা 'ঠ' ৰ ঠাইত 'ট' ৰ ব্যৱহাৰ হয়-

কাঠি = কাটি (চাবি-কাঠি) (ঠি = টি)

গোষ্ঠী = গোষ্টী (ষ্ঠী = ষ্টী)

তিষ্ঠি = তিষ্টি (ষ্ঠি = ষ্টি)

নিষ্ঠুৰ = নিষ্টুৰ (ষ্ঠু = ষ্টু)

পুঠি = পুটি (ঠি = টি)

(ন) কেতিয়াবা 'থ' ৰ ঠাইত 'ত' বা 'ত্ত' ব্যৱহাৰ হয়-

মাথা = মাতা (থা = তা)

কথা = কতা (থা = তা)

পৃথিৱী = পিত্তিবী (থি = ত্তি)

প্ৰথমতে = পত্তমতে (থ = ত্ত)

(প) কেতিয়াবা আকৌ যুক্তাক্ষৰত 'ৰ' উচ্চাৰণ নোহোৱা হয়-

পৃথিৱী = পিত্তিবী (পৃ = পি)

প্ৰথমতে = পত্তমতে (প্ৰ = প)

এনেদৰে চৰ্য্যাপদ আৰু আন সহযোগী ভাষাৰ প্ৰভাৱত ঘাইকৈ ধ্বনি বিপৰ্য্যয়ৰ আধাৰত সংঘটিত আৰু বিবৰ্তিত দেশী কথাৰ অন্তৰ্ৰূপ পৰিবৰ্তনে বিভিন্ন ভাষা -ভাষীৰ বাসস্থান বৃহত্তৰ অভয়াপুৰী অঞ্চলত পুৰণি উপভাষাটোৰ ৰূপ গাঁঠনি সলনি কৰিছে। দেশী কথাৰ এই অৱয়বী পৰিবৰ্তনৰ ক্ৰমবিকাশত যিদৰে অন্য ভাষা সংস্কৃতিৰ প্ৰভাৱ আছে সেইদৰে ইয়াৰ অধিবাসী সকলৰ নিজস্ব শৈক্ষিক-সাংস্কৃতিক জীৱন চক্ৰৰ ৰূপান্তৰেও এই ক্ষেত্ৰত অৰিহণা যোগাইছে। ❑

OKDISCD

ৰাজবংশী পোসাক-আসাক

লাবণ্য ভকত

ভাৰতবর্ষ এখান কৃষি প্রধান দেশ। ইয়াৰ বেশিভাগ মানষিয়েই কৃষিৰ সাথত সংগতি ৰাখিয়া গ্রামতেই বসবাস কৰে। গ্রাময়েৰ মান্‌ষিৰ অর্থনৈতিক অৱস্থা শহৰেৰ মান্‌ষিৰ থাকি অনেক অনুন্নত। সেই বাদে খাওয়া-পিন্ধা, আচাৰ-অনুষ্ঠান, সামাজিকতা আদিত গ্রাম আৰ শহৰেৰ ভিতিৰা মেলা পার্থক্য দেখা যায়। উত্ত ৰবঙ্গ আৰ পশ্চিম অসমেৰ বেশিভাগ ৰাজবংশীগুলানেৰ জীৱন কৃষিৰ উপৰাতেই বর্তি আছে। অৱশ্যে বর্ত্তমানে আস্তে - আস্তে ৰাজবংশী মান্‌ষিৰ শিক্ষা-দীক্ষা বা আর্থ-সামাজিক অৱস্থা আগেয়া যায়া আছে।

একজন কৃষক ৰাজবংশী মান্‌ষিৰ জীৱন অতি সহজ সৰল । কিন্তুক বর্তমানে ধনী-শিক্ষিত গ্রাম আৰ শহৰত বসবাস কৰা ৰাজবংশী মান্‌ষিৰ জীৱন-ধাৰণ প্রণালী অন্য-অন্য জাতিৰ মান্‌ষিৰ মতন সমানে উন্নত । যেহেতু বেশিভাগ ৰাজবংশী মান্‌ষি গ্রামত বসবাস কৰে সেইবাদে গ্রামেৰ আৰ প্রাচীন ৰাজবংশী পোসাকেৰ -আসাকেৰ বিষয়ে আলোচনা কৰিৰ চাই।

একজন সাধাৰণ ৰাজবংশী পুৰুষ কৃষি কাম কৰা সময় বা বাড়ীতে থাকা সময় দীঘলা গামছা বা পাঁচহাতি বা সাতপোয়া পেন্ধে। উত্তৰবঙ্গেৰ বেশীভাগ ৰাজবংশী মান্‌ষি বাজাৰেৰ গামছা বা পাঁচহাতি বা সাতপোয়া পেন্ধে। আৰ পশ্চিম অসমেৰ বেশিভাগ ৰাজবংশী মান্‌ষি বাড়ীতে গড়া গামছা ব্যৱহাৰ কৰে। পাঁচহাতি বা সাতপোয়া হইল পাঁচহাত দীঘলা মাৰকিন জাতীয় কাপোৰ। যেগুলা ৰাজবংশী মহিলা তাত জানে উমৰা বাড়ীতে তাঁতত গামছা গড়েৰা দেয়। আজি থাকি একশ-ডেৰশ বছৰ আগতে উত্তৰবঙ্গ আৰ পশ্চিম অসমেৰ কত গুলা জাগাত কৃষক মান্‌ষিলা ব্যৱহাৰেৰ সুবিধা আৰ অর্থনৈতিক ভাবে গৰীব মান্‌ষিলা লেংটিৰো ব্যৱহাৰ কইৰছিল। লেংটি হইল গুপ্তাঙ্গ চাকাৰ মত কম চত্তৰাৰ তিনচাইৰ ফুট চওৰা কাপোৰ। পেন্ধাৰ পাছত আগ-পাছে একফুট খানেক ঝুলিয়া থাকে। লেংটি খালি পুৰুষলায় ব্যক্তভাবে পিন্ধিছিল। বর্ত্তমানে নেংটিৰ প্রচলন প্রায় নাইয়ে। বাড়ীৰ বাইৰা উৎসৰ আদিত ৰাজবংশী মান্‌ষিলা কাপাসেৰ ধুতী, সাতপোষা ব্যৱহাৰ কৰে। ধুতী মিলত গড়া কাপোৰ আৰু সাতপোয়া মিলত বা বাড়ীত গড়া কাপোৰ। বাড়ীত থাকা সময় গাত গেঞ্জী পেন্ধে। বাইৰা গেইলে সর্টি, পাঞ্জাৰী, পিৰণ আদি ব্যৱহাৰ কৰে। পশ্চিম অসমেৰ ৰাজবংশীলা ঘাৰত ৰাজবংশী গামছা ব্যৱহাৰ কৰাও দেখা যায়। ৰাজবংশী গামছা হইল-হালদীয়া বৰণেৰ। গামছাৰ পাৰি আৰ আচল নাল বা সবুজ ৰঙেৰ। জাৰেৰ দিনত সাধাৰণ ৰাজবংশী মান্‌ষিলা কাপাসেৰ চাদ্দৰ গাতদেয়। এই চাদ্দৰক মেলা নামদিয়া নামাকৰণ কৰা হইছে - পাছৰা, গজি, গিলাপ, ধোকৰা, আলোয়ান ইত্যাদি । অনেক ৰাজবংশী মহিলায় স্বামী পুত্রেৰ বাদে এণ্ডি সুতাৰ গাত দেওয়া চাদ্দৰ বাড়ীতে গড়ায়।

পুৰুষ মান্‌ষিলাৰ পোসাক-আসাক সাৰ ভাৰতবর্ষতে প্রায় একে ধৰণেৰ হওয়া দেখা যায়। যেকোনো একটা জাতি বা সমাজেৰ সামাজিক ৰীতি-নীতি বা সংস্কতি মহিলা গুলানেই ধৰিয়া ৰাখে। পোসাক-আসাকেৰ ক্ষেত্রতো এই কথা পৰিলক্ষিত হয়।

কোচৰাজালাৰ দিনত থাকি উত্তৰবঙ্গ পশ্চিম অসমেৰ ৰাজবংশী মহিলাগুলা পাটানী বা ফোটা পিন্ধি য়ায় সুখে জীৱন কাটাইছিল। পাটানী বা ফোটাৰ সাথতে ৰাজবংশী মহিলাগুলান শাড়ীও ব্যৱহাৰ কইৰছিল। এই পাটানী বা ফোটা নিজে বাড়ীতে গড়েয়া নিছিল। বর্তমান পশ্চিম অসম আৰু মেঘালয়েৰ গাৰো পাহাৰ জিলাৰ কত গুলা অঞ্চলত বসবাস কৰা কোচ বা ৰাজবংশী মহিলা গুলান পাটানী ব্যৱহাৰ কৰে। সম্প্রতি উত্তৰবঙ্গ আৰ পশ্চিম অসমেৰ কিছু অঞ্চলত পাটানী বা ফোটাৰ প্রচলন প্রায় নাইয়ে। বাড়ীতে আৰ বাহিৰা সউগ সময়তে শাড়ী ব্যৱহাৰ কৰা দেখা যায়। ৰাজবংশী গানতো এই শাড়ীৰ ব্যৱহাৰেৰ কথা পাওয়া যায়।

যেমন-

(ক) সুন্দৰী ৰাধেলো আমাৰ বন্ধু যোৰ বইঠা বায়।....
ওপাৰেৰ তাঁতীয়া বন্ধু কমোৰেৰ শাড়ী যাচে লো।
সুন্দৰী ৰাধেলো .....

(খ) যোৰা কদমেৰ তলে নীলায়ো নীলমন নীলায়োনা.....
সেইছে আমায় দিবেৰে কমোৰভৰা শাড়ীৰে

তাৰ সাথে ঢলিয়া দিবো গাওৰে নীলমন নীলায়ো না।
যোৱা কদমেৰ তলে.....

(গ) বাড়ীৰ পাছিলাত তাঁতীয়া ভায়া শাড়ী খান বানেয়া দিছে।
ঐশাড়ী পিন্ধিয়া গেইলুং গৌৰীপুৰেৰ হাটে।।

(ঘ) বাড়ীৰ পাছিলা নয়া তাঁতীয়া, কি সুন্দৰ শাড়ী বানাইছেৰে।
আইমোক শাড়ী কিনিয়া দে।।

এই গানগুলানেৰ থাকি বোজা যায় যে অনেক আগেৰ থাকি কতগুলান পণ্ডিতেৰ মতে কোচৰাজালাৰ দিনেৰ থাকি ৰাজৱংশী মহিলাগুলান শাড়ীৰ ব্যৱহাৰ কৰিয়া আসিছে। ৰাজবংশী মহিলা গুলান শাড়ী ব্যৱহাৰ কৰিলেও শাড়ী সর্বভাৰতীয় পোসাক। ৰাজবংশী মহিলাগুলানেৰ নিজস্ব অর্থাৎ জাতীয় পোসাক পাটানী বা ফোটা । পাটানী বা ফোটা হইল ৰঙীণ কাপোৰ , ইয়াৰ দীঘলা পাঁচ হাত অর্থাৎ ৯০ ইঞ্চি, চওৰা আঢ়াইহাত অর্থাৎ ৪৫ ইঞ্চি। বুকেৰ উপৰাভাগত বান্ধা হয় আৰ হাটু পর্যন্ত ঝুলিয়া থাকে। ইয়াৰ দুই মাথাত সিলাই নাথাকে । এটা এক ধৰণেৰ নিসিয়া মেখেলা বা খোলা কাপোৰ বুলিয়াও কওয়া যায়। সম্প্রতি পাটানীৰ দীঘলা আৰু চওৰা বেশি হৈছে। ৰঙীণ সূতাৰ মধ্যত সূতা দিয়া ফুলৰতালা, জৰীৰ কাজ কৰা আদি সুন্দৰ-সুন্দৰ পাটানী ব্যৱহাৰ কৰা দেখা যায়। কাপাসেৰ সুতাৰ উপৰাও মাৰ সাইজ, উল সুতাৰো সুন্দৰ-সুন্দৰ পাটানী গড়া হয়। পাটানীৰ সাথত মহিলাগুলান ব্লাউজ ব্যৱহাৰ কৰে। বেৰেবাৰ গেইলে পাটানীৰ তলত পেটিকোটও পেন্ধে। বুকুৰে উপৰা পাটানীৰ সাথত একটুকুৰা কাপোৰ নেয়। ইয়াক আগৰণ কয় । বাড়ীত থাকা বা খেতত কাম কৰা সময়ত আগৰণ ব্যৱহাৰ নাকৰিলেও বেৰেবাৰ গেইলে আগৰণ নেয়। সন্মানীয় মানুষি দেখিলে আগৰণ মাথাত দিয়া সন্মান জানায়। বর্তমানে ক'তগুলান অঞ্চলত (গোৱালপাৰা অঞ্চল) শাড়ী এখান মাজতে কাটিয়া দুই টুকুৰা কৰি নেয়। একটুকুৰা পাটানী হিসাবে আৰু এক টুকুৰা আগৰণ হিসাবে ব্যৱহাৰ কৰে। সম্প্রতি শাড়ী আৰু পাটানীৰ সাথতে পশ্চিম অসমেৰ কতগুলান গ্রাম আঞ্চলত মেখেলা ব্যৱহাৰ কৰা দেখা যায়। জাৰেৰ দিনত নিজে গড়া কাপাসেৰ চাদৰেৰ প্রচলন বেশি আছিল। কিন্তু বর্ত্তমান উত্তৰ বঙ্গত কেনা চাদৰ ব্যৱহাৰ কৰে। পশ্চিম অসমত কেনা চাদৰেৰ সাথত নিজে গড়া সুন্দৰ -সুন্দৰ কাপাসেৰ উলেৰ চাদৰ ব্যৱহাৰ কৰা দেখা যায়।

ছোট চোট চেংৰীলা (আপি) কমোৰত একাটুকুৰা কাপোৰ মেৰেয়া দেওয়া দেখা যায়। এই কাপোৰক " ছেউটা" কয়। কমোৰেৰ থাকি হাটু পর্যন্ত থাকে। সময়েৰ পৰিবর্তনেৰ সাথে-সাথে গৰীব আৰ গ্রাম অঞ্চলতো ছোট-ছোট চেংৰীলা ফ্রক , মিনি স্কাট আদি পেন্ধাৰ প্রচলন হইছে। স্কুল, কলেজেৰ চেংৰীলা শাড়ী, মেখেলা চাদৰেৰ সাথত চুৰিদাৰ, মেক্সি পেন্ধাও আৰাম্ভ কৰিছে। বিধবা মহিলা গুলান সাদা পাঁচহাতী, ছেউটা, আগৰণ, ধুতি, মেখেলা পেন্ধা দেখা যায়।

বর্ত্তমানে মহিলা গুলানেৰ পোসাক-আসাকত বিভিন্নতা আসিলেও এফ্ গ্রানিঙে (F. Graning) ৰ বিবৰণীমতে অসম-উপত্যকাৰ আৰ উত্তৰবঙ্গ অর্থাৎ প্রাচীন কামৰূপেৰ সউগ মহিলায় পাটানী ব্যৱহাৰ কইৰছিল। বিশেষ কৰি এই অঞ্চলত বসবাস কৰা ৰাজবংশী মহিলা গুলান পাটানী পেন্ধাটা একটা বিশেষ গৌৰবেৰ কথা বুলি ভাইব্ছিল। চাৰু সন্যালে লেখিছে যে ৰাজবংশী মহিলাগুলান উমাৰ পাটানীক (ফোটা) নিয়া ভীষণ সুখী। মার্টিন, লুকাৰ আৰু হান্টাৰেৰ বিবৰণীতো উত্তৰবঙ্গৰ ৰাজবংশী মহিলাগুলান পাটানী (ফোটা) পেন্ধাৰ কথা পাওয়া যায়।

কিন্তুক পৰিতাপেৰ কথা বর্ত্তমান উত্তৰবঙ্গ পাটানী (ফোটা)ৰ ব্যৱহাৰ প্রায় নাই। বাজাৰেৰ থাকি আৰ তাঁতশাল থাকিও পাটানী নাহওয়া হইছে। গ্রামেৰ তাইতা নীলা মিলত তৈয়াৰী কৰা শাড়ীৰ সাথত তালত তাল মিলিবাৰ পায়না । সেইবাদে উত্তৰবঙ্গেৰ ৰাজবংশী মহিলাগুলান পাটানী ছাড়িয়া শাড়ী পেন্ধা আৰাম্ভ কইৰছে। পশ্চিম অসমেৰ কিছু অঞ্চল আৰ মেঘালয়েৰ গাৰোপাহাৰ জিলাৰ কিছু অঞ্চলত কোচ- ৰাজবংশী মহিলাগুলান পাটানীক বাচেয়া ৰাখিছে। উমৰা বাড়ীতে সুন্দৰ - সুন্দৰ বিভিন্ন ধৰণেৰ পাটানী আৰ আগৰণ গড়ায়। ❑

******

ৰাজবংশীসকলৰ মাজত -

হুদুমদেওৰ পূজা আৰু চৰক পূজাৰ পৰম্পৰা

দ্বীপেন্দ্র নাথ ৰায়

হুদুমদেওৰ পূজা আৰু গীত ঃ

অনাবৃষ্টিৰ সময়ত বৃষ্টি কামনা কৰি পূজা - পাতাল কৰা, গীত-নৃত্য কৰা আদি পৰম্পৰা বা লোকাচাৰ ভাৰতীয় কৃষক সমাজত অতি প্রাচীন কালৰে পৰা প্রচলিত। অকল ভাৰততে নহয় গ্রীচ, মধ্য অষ্টেলিয়া, জাভাদ্বীপ, আবিচিমিফ, চীন, ফ্রান্স, জাপান, নৰৱে, ৰুছ বেলজিয়াম, নিউগিলি, আফ্রিকা আদি বিশ্বৰ বিভিন্ন ঠাইত বৰষুণৰ বাবে নানান লোক - সংস্কৃতিমূলক অনুষ্ঠান পতাৰ কথা জনা যায় আৰু আজিৰ বৈজ্ঞানিক যুগতো এনে পূজাৰ পৰম্পৰা বিলপ্তি ঘটা নাই।

ৰাজবংশীসকলৰ মাজত 'হুদুমদেওৰ পূজা'ও অনাবৃষ্টিৰ সময়ত বৃষ্টি কামনা কৰি পতা এটি লোকানুষ্ঠান। অনাবৃষ্টিৰ ফলত পথাৰবোৰ যেতিয়া ছিৰাল ফটা দি ফাটে, হাল বাব নোৱাৰা অৱস্থা হয়, দুর্ভিক্ষৰ কৰাল ছায়াই কৃষকসকলৰ সন্মুখত দেখা দিয়ে তেতিয়া তেওঁলোকে প্রকৃতিৰ দেৱতাক কৰ যোৰে প্রার্থনা কৰে, যাতে পৃথিবীলৈ বৰষুণ নামে। বৰষুণ হ'লেহে মাটি কোমল হ'ব, হাল মাৰিব পৰা যাব, শইচ ৰোপণ কৰিব পৰা যাব। শইচ হ'লেহে সকলোয়ে জীয়াই থাকিব।

ৰাজবংশীসকলৰ মাজত 'কাতি-পূজাৰ'নিচিনাকৈ 'হুদুম পূজা'ও অকল তিৰোতাসকলৰহে অনুষ্ঠান। পূর্বতে আঁউসীৰ ৰাতি এটা জীৱন্ত হুদুম চৰাই ধৰি আনি পথাৰত এটা খুঁটি পুতি বান্ধি ৰাখে। গাঁৱৰ তিৰোতাসকলে অন্ধকাৰত গোপনে ইয়াৰ চাৰিওপিনে উলংগ হৈ নৃত্য কৰে। তেওঁলোকৰ আকুল প্রার্থনাত আৰু লাজ-কাজ সকলো অদৃশ্য দেৱতাৰ উদ্দেশ্যে বিসর্জিত হোৱাত প্রকৃতিয়ে হেনো আশীর্বাদ দিয়ে। তেতিয়া বৰষুণ হয়। এই অনুষ্ঠানৰ সাক্ষীৰূপে থাকে একমাত্র হুদু চৰাইটো। পাছলৈ এই হুদু চৰাই দুষ্প্রাপ্য হৈ পৰাত তাৰ ঠাইত এজোপা কলপুলি পুতি এই অনুষ্ঠান পালন কৰাৰ নিয়ম প্রচলিত হ'ল। এই কলপুলিটোক 'হুদুম খুঁটি' বোলে। এই কলপুলিটো 'এক কুশিয়াছাত্তৰা' অর্থাৎ সহদোৰ ভাই-ভনী নথকা সন্তানে ৰাতিৰ আন্ধাৰত বিবস্ত্রা হৈ একে উশাহতে কাটিব লাগে। হুদুম খুঁটি পোতাৰ সাত দিন আগৰে পৰা প্রতিদিনে সাতজনী অকুমাৰীয়ে কুলা আৰু ঘটি লৈ সাতঘৰ মানুহৰ পৰা পানী আনি জমাই ৰাখে। পূজাৰ দিনাখন নাঙল-যুঁৱলী ধুই সেন্দুৰৰ ফোঁট দি 'হুদুম খুঁটি' পুতিবলৈ বাছি লোৱা ঠাইখিনি অকুমাৰী ছোৱালীক তিৰোতাসকলে গৰু আৰু হালুৱৈ হৈ চহাব আৰু সাত ঘৰৰ পৰা আনি জমা কৰি থোৱা পানী ছটিয়াই দিয়ে। মাটি চহ কৰাৰ পিছত কলপুলিটো গাত খান্দি পুতি লয়। কলপুলিটোৰ উপৰি এই অনুষ্ঠানত এটা জলপূর্ণ ঘট নতুন কুলা, হুদু চৰাই , বাঁহ, নটীৰ দুৱাৰৰ মাটি, বাৰ-বনিতাৰ চুলি, ধুপতি কৰা শইচ (বাৰ প্রকাৰৰ শস্য) নৈবেদ্যৰ ফলমূল, ধূপ-ধুনা, গুড়, চেনি, যোল্লটা কল থকা এ আখি কল, আতক চাউল, দধি-দুগ্ধ, ঢেঁকী ধোৱা পানী ইত্যাদি লাগে। ইয়াৰ লগতে এটা সন্তানৰ মাকৰ গা-ধোৱানীও লাগে।

লোকালয়ৰ পৰা আঁতৰত কোনো নির্জন পথাৰত নতুবা নদী পাৰত এই হুদুম দেওৰ পূজা অনুষ্ঠিত হয়। পূঁজাৰ কাৰণে নির্দিষ্ট কৰা ঠাইডোখৰ প্রথমে সাৰি-মচি পৰিষ্কাৰ কৰি লোৱা হয় আৰু তাৰ পাছত তাত এটা গাঁত খান্দি লৈ সেই গাঁতটোত ফেঁচু চৰাইৰ বাঁহ, বাৰ-বনিতাৰ চুলি আৰু এটা সন্তানৰ মাকে গা ধোৱা পানীখিনি ঢালি দিয়া হয়। ইয়াৰ পাছত ঘাই পূজাৰিণীয়ে উৰুলিৰে মুখৰিত অৱস্থাত উলংগ হৈ একে উশাহতে কলপুলিটো গাঁতত পুটি থয়। ইয়াৰ লগে লগে তেওঁ নতুন কুলাখনৰ ওপৰত গা-ধোৱে আৰু উৰুলি দি থকা অৱস্থাতে কুলাত ৰৈ থকা পানীখিনিৰে হুদুমদেওটোৰ প্রতীক কলপুলিটোক ধুৱাই দি তাৰ গুৰিত ভৰা ঘটটো স্থাপন কৰে। ঘট স্থাপনৰ পাছত সকলোৱে গীত গাই নৃত্য কৰে। এই পূজা বৰষুণ নোহোৱা পর্যন্ত চলা বুলি জনা যায়।

হুদুমদেওৰ পূজাৰ বহুতো গীত পোৱা যায়। ইয়াৰ একোটা গীতেই আখ্যানৰ নিচিনা দীঘল ঃ-

"হুদুম দেও, হুদুমদেও
আমাক ফুটাক পানী দেও
আমাৰ দেশত পানী নাই
জীৱন ধৰি টানা টানি।"

"দেওৰা ঝৰি আয়ৰে হোলো দাঙা দিয়া।
ভালবুঢ়ী পূজা কৰে আঠিয়া কলা দিয়া...।।
'হুদুমদেও হুদুম দেও
এক ছলকা পানী দেও
ছুয়ায় আছোং নাই পানী
ছুয়ায় ছুতি বাৰবানি
কালা মেঘ ধওলা মেঘ
মেঘ সোদৰ ভাই
এক ঝাক পানী দেও
গাও ধুৱাৰ যাই ...।"
"দেৱৰাজ যেইনা ঘাটে
দুব্যা তুলসী ভাসে
যেইনা ঘাটে ঘিউয়েৰ বাতি জ্বলে
যেইনা ঘাটে ঢাকেৰ বাজনা বাজে
সেইনা ঘাটে নেও মোৰ পূঁজা দেৱৰাজ"

'হুদুমদেও পূজা'ক পূজা বুলি কোৱা হয় যদিও ইয়াত কোনো ধৰণৰ বৈদিক নিয়ম মানি চলা নহয়। এই ক্ষেত্রত ইয়াক আমি স্ত্রী লোকাচাৰ বুলিয়ে ক'ব পাৰি। আনফালে নাঙল-যুঁৱলী আদিত সেন্দুৰ সনা কার্যৰ দ্বাৰা এই পূজা-উৎসৱ' যে কৃষিৰ লগত জড়িত তাক প্রমাণ কৰে। কৃষিৰ বাবে বৰযুণৰ আৱশ্যক, সেয়ে অনাবৃষ্টিৰ সময়ত কৃষক মাতৃ-পত্নীসকলে এই 'মেঘ দেৱতাৰ পূজা'ৰ সৃষ্টি কৰিছিল বুলি নিশ্চিত কৈ ক'ব পাৰি।

পশ্চিম অসমৰ চৰক পূজাৰ পৰম্পৰা ঃ

অতি পুৰণি কালৰে পৰাই পশ্চিম অসমত চৰক পূজাৰ পৰম্পৰাই এটি বিশেষ স্থান অধিকাৰ কৰি আহিছে। এই পূজা হিন্দুসকলৰ এক পবিত্র পূজা। বিশেষকৈ ৰাজবংশীসকলৰ মাজত প্রচলিত চৰক পূজাত এক সুকীয়া বৈশিষ্ট্য বিদ্যমান। স্বর্গত ধনপতি কুবেৰ আৰু মর্ত্যলোকত শিৱভক্ত বাণ ৰজাই হেনো প্রথম বাৰৰ বাবে চৰক পূজা অনুষ্ঠিত কৰিছিল।

মতান্তৰে পোৱা যায় যে, এবাৰ দেবাসুৰে সাগৰ মন্থন অন্তত যি অমৃত নির্গত হয়, তাক বন্টন কৰিবৰ বাবে ভগৱান বিষ্ণুই মোহিনীৰূপ ধাৰণ কৰে। শিৱে সেই মোহিনীৰূপ দর্শন কৰা মাত্রে কাম জ্বালাত অধীৰ হৈ তাক ধৰিবলৈ যায়। অগত্যা উপায় নাপাই মোহিনীৰূপী বিষ্ণুই আকাশ-মার্গেদি পলাই যাবলৈ চেষ্টা কৰে। তেতিয়া শিৱই স্ব-লিঙ্গ বর্ধনেৰে তাক ঘেৰি ধৰে। পৰিশেষত উপায়ন্তৰ হৈ বিষ্ণুই চণ্ডী দেবীক মাতিবলৈ আৰম্ভ কৰে। তেতিয়া আদ্যাশক্তি চণ্ডীয়ে মোহিনীৰূপী বিষ্ণুক নিজৰ দেহৰ ভিতৰত প্রবেশ কৰিবলৈ উপদেশ দিয়ে আৰু বিষ্ণুই তাকে কৰে। তেতিয়া চণ্ডীয়ে নিজ যৌনিত শিৱলিঙ্গ স্থাপনত স্থাপনত ৰতি ক্রিয়া আৰম্ভ হয় আৰু বায়ু দেৱতাই সেই সময়ত তীক্ষ্ণ বায়ু নিক্ষেপ কৰে। ফলত শিৱ লিঙ্গস্থ চণ্ডীয়ে চর্কি বা চৰকাৰ (চকৰি বা চকা) দৰে ঘুৰিবলৈ ধৰে। চৰক গানত উল্লেখ আছে ঃ

" এদিগতে বায়ুদেৱে তীক্ষ্ণ হাওয়া ছাৰে।
সেই হাওয়াতে চণ্ডী দেবী চর্কিৰ মতো ঘোৰে।"

এই 'চর্কি' বা 'চর্কিপাক' শব্দৰ পৰা চৰক শব্দৰ উৎপত্তি হোৱা বুলি ধৰি লোৱা হয়। এয়া পাঠউল্লিখিত মতবাদ ।

মাটিত পুতিথোৱা 'শিমলু গছ'ক শিৱলিঙ্গ আৰু 'কোৰাক', 'কেৰকি' ক শাক্ত যোনিৰ প্রতীক বুলি কোৱা হয়। গতিকে শক্তি আৰু শৈৱ ধর্মাবলম্বীসকলৰ বাবে চৰক এক প্রিয় অনুষ্ঠান।

চৰক দুই প্রকাৰ বুলি ধৰি লোৱা হয়। চাক চৰক আৰু চিলা চৰক। সাধাৰণতে চৰক পূজা চ'ত মাহৰ সংক্রান্তিৰ দিনা অনুষ্ঠিত হয়। এই তিথিৰ বাহিৰেও অন্য তিথি বা দিনতো এই পূজা অনুষ্ঠিত হব পাৰে। চৰক পূজাৰ লগত জড়িত ব্যক্তিসকলক চৰকিয়াল বা চর্কীয় বুলি কোৱা হয়। মূল চৰকীয়াজনক দেওবংশী বোলে। তেওঁৰ নির্দেশনাত পূজাৰ যাৱতীয় কর্ম সম্পাদিত হয়। বাকী চৰকীয়াল সকলক খেল্টু বুলি কোৱা হয়।

চৰক পূজাত সঙ্কল্পিত দিনৰ ভিতৰত বিভিন্ন পর্যায় সমাধা কৰা হয়। এই পর্যায়বোৰ যেনে- ঘটস্থাপন, কৃষি কর্ম, ধান পাঞ্চা, ধুবাতি ঘুৰা, কাটা ভাঙ্গা, চণ্ডীনাচ, গছকাটা, শিৱ-পার্ব্বতীৰ বিয়া, পাতাল পূজা, আৰু অষ্টমঙ্গল এই পর্যাবোৰৰ সৈতে সংপৃক্ত গাণ বোৰ যেনে - গুৰু বন্দনা, মণ্ডপ বন্দনা, জলঘট সিজ্জন , মৃত্তিকা সিজ্জন, সন্যাস বন্দনা, সৃষ্টি বন্দনা, শিৱ স্থাপন ও কাৰ বন্দনা, চৰক বন্দনা, লক্ষ্মী বন্দনা, লাঠি বন্দনা, চঙৰ বন্দনা, সেন্দুৰ বন্দনা, কালিকাৰ, তলা গীত, কলি বন্দনা আৰু জিভা ছেদন বন্দনা। এই গানবোৰ কেতিয়াবা কেতিয়াবা মন্ত্র হিচাপেও প্রয়োগ হোৱা দেখা যায়। ❑

******

বঙাইগাঁও জিলাৰ লোকদেৱতা আৰু অপদেৱতা

কালীন্দ্ৰ দেৱশৰ্মা

ত্ৰেতা যুগৰ পৰাই মানুহৰ মাজত চলি আহিছে বহুতো দেৱ-দেৱী, ভুত -পিশাচ আদিৰ পুজা ।নানা কাৰণত এই পুজা বা থান আদিৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে । মানুহ বিপদৰ সম্মুখীন হ'লে, সন্দেহৰ ভাৰ উপজিলে , কাম্যবস্তু বিচাৰি, উদ্ধাৰৰ উপায় বিচাৰি আদি বিভিন্ন কাৰণত দেৱ-দেৱীৰ চৰণত শৰণাপন্ন হয় ।যেতিয়াই মানুহৰ আত্মাৰ শুদ্ধি, শুদ্ধান্দ্ৰীয় যেতিয়াই জাগ্ৰত হয তেতিয়াই ভক্তি ভাৱৰ বা ভ্ৰত ভাৱৰ উদয় হয় আৰু দেৱ-দেৱী, ভূত-পিশাচৰ প্ৰতি আকৃষ্ট হৈ পুজা অৰ্চনা কৰিবলৈ লয়, সৃষ্টি হয় মঠ-মন্দিৰ থান আদিৰ ।কিংবদন্তীৰ কাহিনীৰে ভৰা মঠ-মন্দিৰ থান আদিৰ বিষয়ে তলত চমু আভাস দিয়া হ'ল-

১। **যোগীঘোপা ঃ** ব্ৰহ্মপুত্ৰ আৰু মানাহ নৈৰ সংগমস্থলৰ পশ্চিম দিশত অৱস্থিত পাহাৰ খন আৰু আশে-পাশে থকা ঠাই খনেই হ'ল যোগীঘোপা । কিংবদন্তীমতে দেৱাদিদেৱ মহাদেৱে এই পাহাৰৰ গুহাত সন্ন্যাসী ৰূপ ধৰি যোগাসন কৰিছিল ।সেই বাবে পাহাৰ খনৰ লগতে ঠাইখনৰ নামো যোগীৰ ঘোপা পিছলৈ যোগীঘোপা হ'ল ।পাহাৰ খনত ১৮ টা গুহা আছিল , যদিও বৰ্তমান ৯ টা গুহাহে দেখা যায় ।অশোকাষ্টমী এই ঠাইতে পালন কৰা হয় ।পৌৰাণিক শিৱ মন্দিৰ আছে ।বঙাইগাঁও জিলাৰ এখন পৱিত্ৰ ঠাই ।

২। **ভৈৰৱ চুড়া ঃ** ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ পাৰত দলনী বিলৰ দক্ষিণত অৱস্থিত অতি ওখ পাহাৰ খনেই হ'ল ভৈৰৱ চুড়া। এই পাহাৰ খনৰ ওপৰত এডোখৰ সমতল ক্ষেত্ৰ আছে ।ইয়াতে ভৈৰৱ দেৱৰ শিলৰ মুৰ্ত্তি, মা কামাখ্যা, গোপ-গোপিনীৰ সৈতে কৃষ্ণ ভৈৰৱৰ পুত্ৰ পাগলা বাবা আদিৰ শিলৰ মুৰ্ত্তি দেখিবলৈ পোৱা যায় ।ইয়াত চাৰিটা শিলৰ মুৰ্ত্তিও বিৰাজমান ।কিংবদন্তী মতে এই সকলোবোৰ ব্ৰহ্মাৰ নাভিৰ পৰা উৎপত্তি হোৱা বুলি বিশ্বাস কৰে ।

৩। **চতুৰ্ভুজ (দেও হাটী) ঃ** যোগীঘোপা লৈ যোৱা ৰাষ্ট্ৰীয় ঘাই পথৰ পূৱ দিশত থকা চতুৰ্ভুজ মন্দিৰৰ ঐতিহাসিক কাহিনী চমকপ্ৰদ ।এই অঞ্চলৰ ৰাইজে এই মন্দিৰত দৌল পুজা পাতে ।

৪। **শ্ৰী শ্ৰী ৰঘুনাথ বিগ্ৰহ, বৰঘোলা ঃ** সৃজনগ্ৰাম অঞ্চলৰ সন্তৰত আই নদীৰ পাৰত শ্ৰী শ্ৰী ৰঘুনাথ বিগ্ৰহৰ মন্দিৰ। কালাপাহাৰৰ অসম আক্ৰমণৰ সময়তে এই মন্দিৰ প্ৰতিষ্ঠা কৰা হৈছে ।সপোনৰ নিৰ্দেশ মৰ্মে পানীত ওপঙি থকাৰ পৰা তুলি আনি স্থাপন কৰা শ্ৰী শ্ৰী ৰঘুনাথ, লক্ষ্মণ আৰু সীতা দেৱীৰ মুৰ্ত্তিয়ে হ'ল এই মন্দিৰৰ প্ৰধান বিগ্ৰহ।

৫। **শ্ৰী শ্ৰী গণেশ মন্দিৰ, লালমাটি ঃ** অভয়াপুৰী চহৰৰ ৮ কিঃ মিঃ দক্ষিণত লালমাটি ত ৰজা-মহাৰজাৰ দিনতে প্ৰতিষ্ঠিত সিদ্ধিদাতা শ্ৰীশ্ৰী গণেশ মন্দিৰ ।ইয়াত গণেশৰ উপৰিও শিৱ আৰু জগন্নাথৰ মন্দিৰও আছে । ইয়াত থকা শিলাকুটিবোৰৰ পৰা অনুমান কৰিব পাৰি যে ই সপ্তদশ শতিকাৰ ভাস্কৰ্য কলা।

৬। **বুঢ়ীঠাকুৰাণী, বামুণ গাওঁ ঃ** ৰজা কুমুদ নাৰায়ণৰ দিনত এই মন্দিৰ প্ৰতিষ্ঠা কৰা হয় । এই থানখনত শক্তিদেৱী বুঢ়ী ঠাকুৰাণী বুলিয়ে পুজা অৰ্চনা হয় ।বহুতো পাৰ চৰাই দেৱীৰ অনুচৰ বুলি জীয়া কাহিনী আছে ।

৭। **যোগীৰ ঢাপ, কাকৈজানা ঃ** কাকৈজানা গাঁৱত ৰাষ্ট্ৰীয় ঘাই পথৰ পূৱ পাৰত অৱস্থিত হৰ-গৌৰীৰ শিৱ মন্দিৰ । এই ঠাই ডোখৰত অনুমান ১৭শ শতিকাত ভুটানৰ কোনো সাধকে হৰ-গৌৰী, শিৱলিঙ্গ আগত ৰাখি সাধনা কৰিছিল বাবে ঠাই ডোখৰৰ নাম যোগীৰ-ঢাপ বুলি প্ৰমাণ দিয়ে ।

৮। **পাটেশ্বৰী কালিকাৰ পাট, ছিপনছিলা ঃ** ৰজা ভুমেশ্বৰে ভায়েক ভাৱৰীয়াক খেদি আনি ছিপনছিলা পাহাৰৰ কালিকাপাটৰ সুৰঙ্গত বধ কৰিছিল ।এই সুৰঙ্গৰ ভিতৰৰ হাতীৰ খোজ, বাঘৰ খোজ আদি আজিও বিৰাজমান হৈ আছে ।ৰাভা সম্প্ৰদায়ৰ কোনো লোকে সুৰঙ্গৰ মাজত মা পাটেশ্বৰীৰ দৰ্শন পাইছিল ।

৯। **বুঢ়াঠাকুৰ, শৌলমাৰী ঃ** আজিৰ পৰা প্ৰায় ৩০০ বছৰ আগতে দেৱানপাৰা গাঁৱৰ এজন লোকে সপোনৰ নির্দেশ

OKDISCD

মর্মে বুঢ়া ঠাকুৰৰ অস্তিত্ব জানিব পাৰিছিল আৰু তেতিয়াৰে পৰাই বুঢ়া ঠাকুৰৰ পূজা হৈ আছে ।

১০। **নাৰায়ণ মন্দিৰ, ঘনদল ঃ** আজিৰ পৰা ৬০ বছৰ মান আগতে বানপানীত ভাহি আহিছিল শালগ্রাম ৰূপী শিল। এই শিলটোকে ঘনদল গাঁৱৰ ৰাইজে পূজা কৰিবলৈ লয়।

১১। **অভয়া, চেংকাল-মহাকাল আৰু বিষহৰি মন্দিৰ, অভয়াপুৰী ঃ** বুৰঞ্জী প্রসিদ্ধ অভয়াপুৰী চহৰৰ মাজমজিয়াত অৱস্থিত এই মন্দিৰ। এই অভয়া মন্দিৰ থকা বাবেই ঠাইখনৰ নাম অভয়াপুৰী হৈছে বুলি কোৱা হয় । বিজনী ৰজাই ভূটানৰ পৰা চেংকাল-মহাকাল, শৃঙ্গী শিৱৰ দৰে দুর্লভ বস্তু আনি পূজা কৰিবলৈ লৈছিল ।

১২। **ভূমেশ্বৰ, পঞ্চপুৰ ঃ** অতীজত ভূমেশ্বৰ নামৰ এজন শিৱ ভক্ত ৰজাই বর্ত্তমানৰ পঞ্চপুৰ অঞ্চলত ৰাজত্ব কৰিছিল। তেওঁ ভায়েক আৰু ঘৈণীয়েকক বধ কৰি ৰাজকার্যৰ প্রতি আওকান দি পাহাৰৰ গুহাত একান্ত মনে শিবভক্তিত মনোনিৱেশ কৰিছিল আৰু তেওঁৰ নামানুসৰি পাহাৰৰ নাম ভূমেশ্বৰ পাহাৰ হ'ল । এই গুহা আজি পূজাৰ থলী হ'ল ।

১৩। **শ্রীশ্রী লক্ষ্মী নাৰায়ণমন্দিৰ, তুলুঙীয়া ঃ** মানুহক একতাৰ বান্ধোনত বন্ধাৰ উদ্দেশ্যে১৯৫৮ চনত তুলুঙীয়া বজাৰত শ্রীশ্রী লক্ষ্মী-নাৰায়ণ মন্দিৰ প্রতিষ্ঠা কৰে ।

১৪। **মহাদেৱ পাহাৰ আৰু সহস্র লিঙ্গ, উত্তৰ শালমাৰাঃ** কিংবদন্তী মতে দ্বাপৰ যুগৰ মহাভাৰতৰ যুদ্ধৰ সময়ত মহাদেৱ পাহাৰত শিৱৰ থান প্রতিষ্ঠিত হৈছিল । ইয়াত থকা সহস্র লিঙ্গ ভাৰতৰ অদ্বিতীয় লিঙ্গ । সতী বেউলাই স্বামী লক্ষীন্দৰক এই থানতে জীয়াইছিল বুলি বহুতো প্রমাণ আছে ।

১৫। **পাগলা বাবা শিৱ, নয়াগাঁও ঃ** প্রায় ২০০ বছৰ আগতে নয়াগাঁৱত পাগলা বাবা শিৱৰ থান প্রতিষ্ঠা কৰা হৈছিল ।

১৬। **মা-কালী মন্দিৰ, উঃ শালমাৰা ঃ** প্রায় ১৫০ বছৰ আগতে উত্তৰ শালমাৰা গাঁৱৰ ৰাইজে অমঙ্গল আদি দুৰ কৰাৰ উদ্দেশ্যে শালমাৰা আৰক্ষী চকীৰ লগতে মা- কালী মন্দিৰ প্রতিষ্ঠা কৰিছিল। ই জাগ্রত - মন্দিৰ।

১৭। **শিৱ মন্দিৰ, শিৱবাৰী ঃ** অভয়াপুৰী চহৰৰ শিৱবাৰীত অৱস্থিত বৃহৎ শিবলিঙ্গ থকা মন্দিৰটোৱে হ'ল শিৱ-মন্দিৰ। ই অতি পুৰণি। খননকার্যত পোৱা ইটা আদিয়ে প্রমাণ কৰে যে এই মন্দিৰটো ২০০ বছৰ আগৰ।

১৮। **মা- বাঘেশ্বৰী, বঙাইগাঁও ঃ** বঙাইগাঁও চহৰ যেতিয়া হাবি-বননিৰে ভৰি আছিল, চহৰ বুলিবলৈ কোনো লেখ নাছিল তেতিয়াই মা- বাঘেশ্বৰী মন্দিৰ প্রতিষ্ঠা হৈছিল। মা- বাঘেশ্বৰী বঙাইগাঁও জিলাৰ এটা প্রসিদ্ধ মন্দিৰ।

১৯। **জগদ্ধাত্রী - জগৎজননী জগদ্ধাত্রী দুর্গা ঃ** জগদ্ধাত্রী সন্তুষ্ট থাকিলে ঠাইৰ মঙ্গল হোৱা বুলি বিশ্বাস আছে। দেবীৰ মন্দিৰ বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা কৈমাৰী, বট গুৰী, বিজনী পঞ্চপুৰ, বৈটামাৰী আদি ঠাইত আছে।

২০। **শ্রীশ্রী মা মহাৰাণী, খগড়পুৰ ঃ** কিংবদন্তী মতে সতীৰ যোনিৰ ভিতৰৰ ক্ষুদ্র অঙ্গ এই শ্রীশ্রী মা- মহাৰাণী মন্দিৰত আছে। ই এটি প্রসিদ্ধ মন্দিৰ।

২১। **লুঙাই , পাহাৰতলী ঃ** লুঙাই বড়ো শব্দ। ইয়াৰ অর্থ হৈছে শিব। পাহাৰতলীত যুগ যুগ ধৰি এই লুঙাইৰ পূজা চলি আহিছে।

২২। **শিৱঠাকুৰ (শিয়াল), অভয়াপুৰী ঃ** ৰজা কুমুদ নাৰায়ণৰ দিনত অভয়াপুৰী চহৰত শিৱঠাকুৰৰ পূজা কৰা হৈছিল। এই পূজা অসমৰ আন কোনো ঠাইত কৰা দেখা নাযায়। কিন্তু বর্তমান ই লোপ পাই গৈছে।

২৩। **শ্রীশ্রী লক্ষ্মী মন্দিৰ ঃ** ধন দৌলতৰ অধিষ্ঠাত্রী শ্রীশ্রী লক্ষ্মী দেৱীক বঙাইগাঁও জিলাৰ নানা ঠাইত পূজা কৰা দেখা যায়। বিজনীত হোৱা লক্ষ্মী পূজা অসমৰ সর্ব বৃহৎ । ইয়াৰ উপৰিও ছিপনছিলা, বাখলগাঁও, বৈটামাৰী , পঞ্চপুৰ আদি ঠাইত ইয়াৰ মন্দিৰ দেখিবলৈ পোৱা যায়।

২৪। **মা- কালী মন্দিৰ ঃ** শক্তি দায়িনী দেবী মা- কালী মন্দিৰ জিলাখনৰ বিভিন্ন ঠাইত ভিন্ন ভিন্ন কাৰণত প্রতিষ্ঠিত হৈছে। বঙাইগাঁও শ্বহীদ বেদীৰ ওচৰত মা- কালী মন্দিৰ, তুলঙীয়াৰ কালী মন্দিৰ, বিজনী কালীমন্দিৰ আদি মাহাত্ম্য পূর্ণ আৰু পুৰণি ।

এইবোৰ দেৱ - দেৱীৰ মঠ-মন্দিৰৰ ওপৰিও বঙাইগাঁও জিলাত বিশেষকৈ কোচ-ৰাজবংশী সম্প্রদায়ৰ লোক সকলৰ মাজত বিষহৰি মন্দিৰ, ৰাখালঠাকুৰৰ মন্দিৰ, গার্জা ঠাকুৰৰ মন্দিৰ, বাঁহ পূজা ও মন্দিৰ, ঠাকুৰাণী মন্দিৰ আদি দেখিবলৈ পোৱা যায়।

উল্লিখিত মঠ-মন্দিৰবোৰ কিংবদন্তী আৰু মাহাত্য পূর্ণ অলৌকিক কাহিনীৰে ভৰি আছে। কিন্তু ঠাইৰ অভাৱত ইয়াত উল্লেখ কৰা নহ'ল । এই দেৱ-দেৱীৰ লগত বঙাইগাঁও জিলা সাঙোৰ খাই আছে। এইবোৰ অবিহনে জিলাখন আৰু ইয়াত থকা ৰাইজ আধৰুৱা হ'ব।

OKDISCD

বিভিন্ন অপদেৱতা ঃ অস্তিত্ব বিহীন কিছুমান অপদেৱতাক পূজা অর্চনা কৰাও দেখা যায়। 'বিশ্বাসে মিলয় হৰি' বুলি কিছুমান নদ-নদী, বিল-খাল, নলা-ডবা, পাহাৰ-পর্বত , ডাঙৰ গছ-বিৰিষ, পিতনী-জহনী, শ্মশান আদিত নানা ধৰণৰ ভূত -পিশাচ থকা বুলি পূজা-পাতাল কৰা পৰিলক্ষিত হয়। আনকি এইবোৰৰ পৰা বেমাৰ-আজাৰৰ পৰা উপশম হয় বুলি বিশ্বাস কৰা হয়। বিজ্ঞানৰ দিশত এইবোৰ মানুহৰ ভ্রম বুলি ক'লেও লোকসমাজত এয়া সঁচা-কাহিনী। বীৰা, পৰী, কুবিৰ, জিন আদি অপদেৱতাই মানুহৰ স্মৰণ শক্তি বিলুপ্ত কৰি সচেতনতা নাইকীয়া কৰি পাগলৰ নিচিনা কৰে। কিন্তু কোনো ঔষধ পাতি ব্যৱহাৰ নকৰাকৈ মন্ত্র শক্তিৰ দ্বাৰা আৰোগ্য হোৱা দেখা যায়। আমাৰ সমাজত চলি থকা (সাধাৰণতে) অপদেৱতা সমূহ হ'ল উকবুকিয়া, পাহাৰীয়া, খোৰা-পাক, কন্ধ, ডাইনী আদি। ❑

মান্য ৰাজবংশী ভাষা

বিভু চক্রবর্ত্তী

যেকোনো ভাষাৰ দুইটা ৰূপ থাকে- একটা মান্য বা লিখিত (standard or written) আৰু একটা কথিত (colloquial)। মান্য ভাষা লিখিত ভাষাৰ সার্বজনীন ৰূপ। কথিত ভাষা অঞ্চল ভেদে আলদা আলদা হয়। যদিও, ভাষাৰ প্রধান বৈশিষ্ট্য সব জাগাতে একে থাকে। সেই জন্যে একটা ভাষাৰ মান্য ৰূপ (standard form) নাথাকিলে সেই ভাষাৰ মর্য্যদা অনেক কমি যায়।

আজি যেটা ভাষাক আমৰা ৰাজবংশী ভাষা বুলি কই সেই ভাষাটা আধুনিক বাংলা বা অসমীয়া ভাষাৰ বহুত আগেৰ। এই ভাষাৰ থাকিয়ায় বহুতেৰ মতে আধুনিক বাংলা বা অসমীয়া ভাষাৰ উত্তৰণ হৈছে। কিন্তু সার্বজনীন মান্য ভাষাৰ অভাৱত এই ভাষা মৰা নদীৰ সুঁতিত পৰিণত হ'বাৰ উপক্রম হৈছে। একটা ভাষাৰ মান্য ৰূপক স্বীকৃতি দেওৱাৰ আগত সেই ভাষাটোৰ একটা সর্বজন গ্রাহ্য নাম থাকা দর্কাৰ। ৰাজবংশী ভাষাৰ অঞ্চলত বা ঠাই ভেদে বিভিন্ন নামত জানা যায়। অসমত এই ভাষাৰ বিভিন্ন নামত জানা যায়- গোৱালপাৰীয়া, দেশী, ঝাৰুৱা, ঘুল্লীয়া আদি। অন্য পাক দিয়া বঙ্গত এই ভাষাক কোচবিহাৰী, কামতালী, কমতাপুৰী, ৰংপুৰীয়া আদি নামত এই ভাষা প্রচলিত। কিন্তু দেখা গেইছে যে, অঞ্চলভেদে ভাষাৰ নাম যেটায় নাহউক ক্যানে, এই ভাষাৰ একটা নিজস্ব বৈশিষ্ট্য আছে; ইয়াৰ শব্দ, ধ্বনি, বাক্যেৰ গাঁথনি একে। গতিকে অঞ্চলভেদেৰ পার্থক্য দুৰ কৰি সর্বজন গ্রাহ্য একটা নাম আৰ লিখিত ৰূপ গ্রহণ কৰিলে এই ভাষাৰ উন্নতি অৱশ্যম্ভাৰী।

কিন্তু এইটা বৰো দুখ্খেৰ বিষয় যে আমাৰে মাজেৰ বহুতে এই ভাষাটাক চাষা-ভূষা আৰ অশিক্ষিত মানুষেৰ ভাষা বুলি ব্যঙ্গ কৰিৰ চায় আৰ নিজেৰ বেটা বেটীৰ সাথে এই ভাষাত কথা পাতিৰ সংকোচ কৰে। এই ধৰণেৰ মনোভাব সর্বনাশী আৰ ক্ষতিকাৰক।

তাৰোপৰি আজিকালিৰ কিছু কিছু লেখকে এই ভাষাটাৰ কতোগুলা শব্দেৰ প্রচলিত বিকৃত ৰূপক ৰাজবংশী ভাষা বুলি চালেয়া দিবাৰ চায়। এটাও পশ্চ্যাৎমুখী আৰ ক্ষতিকাৰক মানসিকতা। নিজস্ব বৈশিষ্ট্য বিনষ্ট নাকৰি একটা ভাষাক পৰিমার্জিত ৰূপ দিবাৰ চাইলে অন্য ভাষাৰো ভাল ভাল বস্তু গ্রহণ কৰা উচিত। পৃথিৱীৰ সব উন্নত ভাষায় এই কাজটা কৰে। ভাষা সংস্কৃতি কোনোদিন স্থবিৰ হয়য়া নাথাকে। ইয়ায় নদীৰ মতো গতিশীল। মুই ভাষাবিদ নাহং যদিও আমৰা কওয়া ভাষাটাৰ বিকৃত ৰূপ দেখিলে মনটাত বৰো দুখ্খো লাগে। গতিকে আজিৰ লেখাটাৰ (নেকা নাহয়) প্রধান উদ্দেশ্য হইল যাতে সন্মানীয় লেখকগুলা ভৱিষ্যতে এই বিষয়ে চিন্তা - চর্চা কৰি লেখিলে এই ভাষাৰ একটা অতি শীঘ্রে একটা মান্য ৰূপ (standard form) আসি যাইবে - যেটা বিনা সংকোচে, অসম, বাংলা, বিহাৰ, ভুটান, নেপাল আৰ বাংলাদেশেৰ মানষিগুলা গ্রহণ কৰাত অসুবিধা নাপাইবে বুলি ভাবোং।

OKDISCD

বিজনী ৰাজ্যৰ লোক-সংস্কৃতিৰ পথাৰত

পাৰ্থ কলিতা

ব্ৰহ্মাৰ মানস পুত্ৰ - ব্ৰহ্মপুত্ৰ । ই উত্তৰবাহিনী হয় - পঞ্চৰত্নৰ পৰা যোগীঘোপালৈ । এটা প্ৰবাদ আছে - ব্ৰহ্মাৰ নিৰ্দেশত মাতৃহন্তা পৰশুৰামৰ হাতৰ কুঠাৰ খন সুলকি নপৰাত হিমালয়ৰ পাদ দেশত (বৰ্তমান অৰুণাচল) পুত্ৰৰ কুণ্ডত গা ধুবৰ নিমিত্তে ব্ৰহ্মাই নিৰ্দেশ দিলে । সেইমতে পৰশুৰামে তাত গা ধোৱাত কুঠাৰখন সুলকি পৰিল । সেয়া পৰশুকুণ্ড। পবিত্ৰ তীৰ্থ পৰশুকুণ্ড । পূণ্যাৰ্থীৰ আজিও প্ৰবল সোঁত বৈ আছে । সেই তেতিয়াই ব্ৰহ্মাই শিষ্য পৰশুৰামক ব্ৰহ্মপুত্ৰক জনগণৰ পৰিত্ৰাণৰ বাবে নামনিলৈ বোৱাই নিয়াৰ ব্যৱস্থা কৰিবলৈ ক'লে। কথা মতে কাম। পৰশুৰামে ব্ৰহ্মপুত্ৰক খান্দি নামনিলৈ বোৱাই নিয়াৰ ব্যৱস্থা কৰি আগুৱাই আহিবলৈ ধৰিলে। আগে আগে পৰশুৰাম পিচে পিচে ব্ৰহ্মপুত্ৰ । এই দৰে আহি থকাত পৰশুৰামৰ বৰ ভাগৰ লাগিল । যোগীঘোপাৰ সিদ্ধ যোগী পুৰুষৰ আস্থানত এ চিলিম সিদ্ধি হোপাৰ (!) আশাত ব্ৰহ্মপুত্ৰক ৰ'বলৈ কৈ গুহাত সোমাল । মনৰ আনন্দত ব্ৰহ্মপুত্ৰই নাচি-বাগি আগবাঢ়ি গ'ল । পৰশুৰামে জিৰণি সমাপ্ত কৰি আহি দেখে ব্ৰহ্মপুত্ৰ আগলৈ গুছি গ'ল । খণ্ডত একো নাই হৈ অকৃতজ্ঞ, চঞ্চল ব্ৰহ্মপুত্ৰক অভিশাপ দিলে — "তোৰ জলৰাশি কুকুৰৰ মুতৰ দৰে অপবিত্ৰ হব । তোৰ পানী কোনেও ব্যৱহাৰ নকৰিব । " ব্ৰহ্মপুত্ৰই ভয়ত পৰিত্ৰাণ পাবলৈ কাকুতি কৰাত যেনিবা পৰশুৰাম সদয় হৈ উত্তৰ বাহিনী হোৱা এই যোগীঘোপাত অশোক অষ্টমী (অশোক আৰু বুদ্ধাষ্টমী) দিনা স্নান কৰিলে পাপী সকলে সেই দিনা পৰিত্ৰাণ পাব । সেয়ে যোগীঘোপাত আজি অষ্টমী স্নানত অজস্ৰ পূণ্যাৰ্থীৰ মহামেলা তেতিয়াৰ পৰাই চলি আহিছে । পূন্যতীৰ্থ যোগীঘোপা ।

আজিও ব্ৰহ্মপুত্ৰৰ উৎসৰ তথ্য আবিষ্কাৰ হোৱা নাই । মহাবাহু ব্ৰহ্মপুত্ৰই দুপাৰত যুগে-যুগে অজস্ৰ জনক কৌতুহল সৃষ্টি কৰি নিজে মহীয়ান হৈ আছে। বাৰিষাৰ সংহাৰী স্ৰোতস্বিনী ব্ৰহ্মপুত্ৰই তাণ্ডৰ চলাই যি দৰে জনগণক ব্যথিত কৰি আহিছে সেইদৰে বিস্তীৰ্ণ অঞ্চল পলস পেলাই জন জীৱনক আনন্দ মুখৰ কৰিও আহি আছে । নদীৰ পলসুৰা পাৰকেই কেন্দ্ৰ কৰি চহৰবোৰ গঢ়ি উঠিছে । তেতিয়াতো ৰজা - মহাৰজাই জন জীৱন শাসন - শোষণ কৰি আহিছিল । বুৰঞ্জীয়ে বহু কথাই কয় । কিন্তু যিবোৰ নকয় -- সেয়া লোক সমাজত প্ৰচলিত প্ৰবাদ ৰূপে বৈ থাকে ।

এই কথা খিনি এই বাবেই লিখা হ'ল যে বিজনী ৰাজ্যৰ দুই পৰগণাৰ আটাইবোৰ অঞ্চল তাহানিৰে পৰাই মঠ - মন্দিৰ ধৰ্মৰ উপাসনাৰ প্ৰাণ কেন্দ্ৰ ৰূপে জনাজাত হৈ আহিছে । টুক্ৰেশ্বৰী দেৱালয়, বাঘেশ্বৰী মন্দিৰ যিদৰে আছে, সেই দৰে শ্ৰীসূৰ্য পাহাৰৰ ঐতিহ্য, বৰভিটা -- কচুদোলাৰ পাগলাটেক আৰু ভৈৰৱচুড়া, অষ্টম শতিকাৰ লালমাটিৰ শ্ৰীশ্ৰী গনেশ মন্দিৰও প্ৰাচীন ঐতিহ্যৰে মহিমামণ্ডিত। ইয়াৰ উপৰিও নানা ঠাইত নানা সত্ৰ, মঠ - মন্দিৰ অলেখ আছে । এইবোৰত পুজাৰীয়ে সমাজৰ মূল চালিকা শক্তি হৈ অকল ৰাজবাৰীকেই নহয় সমাজক নানা নীতি-নিৰ্দেশনাৰে জীৱন ধাৰণত এটা গতি দিছিল -- যাৰ বাবে সমাজত নিয়ম-নীতিবোৰ কঠোৰ হৈছিল ।

ৰাজ্যৰ দুটা পৰগণাৰ জন- জীৱনত জন্ম, জাতকৰ্ম, অন্নপ্ৰাশন, চুড়া কৰণ, বিবাহ, দীক্ষা, গ্ৰহণ আদি অতীজৰ পৰাই এইবোৰ কৰ্মত নিয়োজিত হৈ আহিছে । এক কথাত বৈদিক যুগৰ পৰাই এই অঞ্চল সমূহত জন্ম-মৃত্যু-বিবাহ আদিৰ ধৰ্মীয় আচাৰ সমূহ জন-জীৱনত প্ৰভাৱ পেলাই সংস্কৃতিৰ বাহক ৰূপে প্ৰতিফলিত হৈছে । ইয়াৰ লগত সংগতি ৰাখি এই কৰ্মবোৰ সমাপন কৰাত নানা ধৰণৰ সাজ-পোছাক, গীত-মাত প্ৰচলন হৈ আহিছে । এই গীত মাতবোৰ ইয়াৰ নিজা ভাষা শৈলীৰে যে সৃষ্টিহৈ আহিছিল তাক অস্বীকাৰ কৰিব নোৱাৰি ।

বিজনী ৰজাৰ ৰাজধানী আছিল হাদিৰাৰ পশ্চিমত নদীৰ পাৰৰ ডুমুৰীয়াত । মানাহ আৰু আই নৈৰ সঙ্গমস্থল । হাদিৰা আছিল বিজনী, ভুটান, গাৰো, ৰাভা, আহোম আৰু ৰংপুৰ ৰজাৰ আন্তৰ্জাতিক বজাৰ । নদীয়ে আছিল যাতায়াতৰ মূল পথ । ইয়াতেই অৰ্থাৎ হাদিৰাতেই সকলোদেশৰ লোক- সংস্কৃতিয়ে গঢ় লৈ এক নতুন লোক কৃষ্টিৰ সৃষ্টি হৈছিল । সেয়ে এই অঞ্চলৰ থলুৱা লোক কৃষ্টিবোৰ বাধ্যত পৰি পৰিবৰ্তন হ'বলগীয়াত পৰিছিল । অতীজৰ স্মৃতি চিহ্নবোৰ হেৰাই গ'ল । সেইবোৰ আজি পাবলৈ নাই ।

ডু মুৰীয়াৰ আগেয়ে বিজনী ৰজাৰ ৰাজধানী উত্তৰত আছিল । ভুটান ৰজাই দিনৰ পিচত দিন অত্যাচাৰ চলাই আহিছিল । যাৰ বাবে সেই সময়ত জীৱন ধাৰণত প্ৰজাৰ বৰ কষ্ট হৈছিল । তেতিয়াৰ সংস্কৃতিৰ বুৰঞ্জী পাবলৈ টান । জানিব পৰা মতে বৃটিছ আহি বিজনী ৰাজ্যক সকাহ দিছিল । বৃটিছ আৰু ভূটান ৰজাৰ যুদ্ধ হৈছিল । তেতিযা বিজনী ৰজাই দোতমা (!) ৰ পৰা ডুমুৰীয়ালৈ ৰাজধানী স্থানান্তৰ কৰিছিল । সেই সময়তেই 'জাউলীয়াৰ ধুমা'তেই ৰাজ্যবাসীৰ বিপদ সংকুল অৱস্থাৰ সৃষ্টি হৈছিল বুলি জানিব পাৰি।

এই ডুমুৰীয়াৰ পৰাই জন-জীৱনৰ নানা দিশত সংস্কাৰ সাধন কৰিবলৈ লয় । বৃটিছেই বিজনী ৰজাক ৰক্ষণাবেক্ষণ দিয়ে । বিজনী ৰাজহাউলী অভিশপ্ত । কিয়নো তেতিয়াই ভৈৰবেন্দ্ৰ নাৰায়ণ ভূপলৈকে তোলনীয়া পুত্ৰইহে ইজনৰ পিচত সিজনকৈ ৰজা হ'ব লগাত পৰে । ৰজা অমৃত নাৰায়ণৰ তোলনীয়া পুত্ৰ কুমুদ নাৰায়ণে ১৮৭৮ চনৰ ২১চেপ্তম্বৰত উচ্চ শিক্ষাৰে শিক্ষিত হৈ আহি আনুষ্ঠানিক ভাৱে সিংহাসনত আহোৰণ কৰে । কুমুদ নাৰায়ণৰ দিনৰ পৰাই বিজনী ৰাজ্যৰ নানা দিশত সুনাম আহে । তেওঁৰেই প্ৰজাৰ হিতকৰ কাম কৰিবলৈ লয় । পশ্চিমীয়া সংস্কৃতিৰ লগত ৰজা কুমুদ নাৰায়ণে পৰিচিত হৈ তেওঁৰ ৰাজ্যতো সেই দিশত অৱলোকন কৰে । সেই সময়ত থলুৱা লোক- সংস্কৃতিবোৰ অৱহেলাৰ বাবেই ৰজাঘৰীয়া পৃষ্ঠ-পোষকতাত কৃষ্টিৰ প্ৰসাৰ লাভ কৰে । তেতিয়াৰে দিনত প্ৰজাসকল শিক্ষা-দীক্ষাত নিচেই পিচপৰা আছিল । বিজনী ৰাজ্য ইংৰাজেই প্ৰধানকৈ চোৱাচিতা কৰা বাবে সময়ত নানা ধৰণৰ পাশ্চাত্য সংস্কৃতি আমদানি হয় । ইংৰাজে গোটেই ভাৰতবৰ্ষত ১৮৫৪ চনত শিক্ষাৰ বাবে নানা আঁচনি হাতত লোৱা বাবেই হয়তো ১৮৬০ চনত বিজনী ৰাজ্যৰ পাচনীয়া গাৱঁত এখন প্ৰাথমিক বিদ্যালয় স্থাপন হয় । যিহেতু জাহাজঘাটটো সেই সময়ত পাচনীয়াতেই থকাৰ উমান পোৱা যায় । আগেয়ে জল পৰিবহনেই যাতায়াতৰ মূল চালিকা শক্তি আছিল ।

কুমুদ নাৰায়ণৰ দিনতেই নিশ্চয় ডুমুৰীয়াত প্ৰধানকৈ দুৰ্গা পূজা আৰম্ভ হয় । ইয়াতেই নানা ধৰণৰ কলা -সংস্কৃতিয়ে পূজাৰ কেইদিনত জিলিকি উঠিছিল । থলুৱা শিল্পীসকলেও নিজৰ নিজৰ লোক-কলা প্ৰদৰ্শনৰ সুবিধা পাইছিল । ৰজাঘৰীয়াসকল শাক্তপন্থী হোৱা বাবে নানা দেৱ-দেৱীৰ পূজা অৰ্চনা কৰিছিল । ৰাণী অভয়েশ্বৰীৰ দিনত সেয়ে হয়তো টুক্রেশ্বৰী পাহাৰত থকা সতীৰ মন্দিৰত উঠিবলৈ কষ্টহোৱা বাবে মাহে-মাহে ৰাণীয়ে ৰাজ পৃষ্ঠপোষকতাত জখলা বন্ধাই মন্দিৰ দৰ্শনত জন সাধাৰণৰ সুবিধা কৰি দিছিল।

ৰাজ অনুগ্ৰহৰ সময়ত লোক - সংস্কৃতিবোৰে অঞ্চল বিশেষে নানা পূজা অৰ্চনাতহে স্থান লাভ কৰিছিল । অঞ্চল বিশেষে জাতি ভেদ আছিল । ৰাজ্যৰ দুই পৰগণাত আজি যিমান সম্প্ৰদায়ৰ জাতি আছে তেতিয়াও এই জাতিৰ মানুহ বসবাস কৰি আছিল । এই জাতিবোৰে (থলুৱা) নিজৰ সম্প্ৰদায়ৰ সংস্কৃতিবোৰ জীয়াই ৰখাৰ উপৰিও পশ্চিমীয়া সংস্কৃতিক স্বীকৃতি দিছিল । নহ'লেনো পাচনীয়াত ১৮৯০ চনত যাত্ৰাদলৰ জন্ম হয় নে ? কুমুদ নাৰায়ণে নিয়ম অনুসৰি বছৰত এবাৰ গঞা ৰাইজে 'বেগাৰ' প্ৰথা উঠাই দি ৰাজধানীত পঞ্চম দৌল উদ্‌যাপন কৰিবলৈ দিছিল । দৌলৰ কেই দিনা উৎসৱত ভাগ ৰাইজে ভাগ লৈ শেষ দিনা অৰ্থাৎ সুঁৱেৰিৰ দিনা নিশা সমাজৰ দায়-দোষৰ খতিয়ান ভিত্তিত সমাজৰ গৰ্হিত কামবোৰৰ ক্ষেত্ৰত দণ্ড দিয়াৰ লগতে সমাজ খনক একতাৰ দোলেৰে বান্ধি জীৱন গঢ়াত সহায়ক হৈ উঠিছিল । যিটো পৰম্পৰা আজিও বিদ্যমান । দৌল উৎসৱ ৰাজ্যৰ নানা গাঁৱত উদ্‌যাপন হৈছিল- ই আজিও প্ৰচলিত । নীতি নিয়মবোৰো প্ৰায় একেই আছিল বুলি জানিব পাৰি।

পাচনীয়া অঞ্চলৰ ৰাজবংশী সম্প্ৰদায়ৰ ক্ষেত্ৰত দেখা গৈছিল যে পু'হ সংক্ৰান্তিৰ দিনা মানাহ নৈৰ বালিচৰত তেওঁলোকে স-পৰিয়ালে আহি নাচি-বাগি নানা ৰং-তামচা কৰি 'পুযনা' খাই মনৰ আনন্দ প্ৰকাশৰ লগতে নিজ সম্প্ৰদায়ৰ মহান, একতাক বৰ্তাই ৰখাৰ প্ৰয়াস কৰিছিল । সেইবোৰ হেনো উৎসাহ যোগাই জাতি গঠনত সহায় কৰিছিল । পাচনীয়াৰ লেংটিয়া পাহাৰত সকলো সম্প্ৰদায়ৰ মিলন সেতুৰ বাবে তাত মহামায়া পূজা হৈছিল । ৰজাঘৰীয়াই এই থান খনৰ বাবে মাটি দান দি উৎসাহ যোগাইছিল । এতিয়াও প্ৰতি বছৰে পূজা সমাপন কৰি এতদ্ অঞ্চলৰ ৰাইজে অতীতক নিঃশেষ হ'বলৈ দিয়া নাই যদিও 'দেওধা' উঠা প্ৰথাৰ বিলুপ্তি ঘটিছে।

বিজনী ৰাজ্যৰ দুটা পৰগণা খুটাঘাট আৰু হাব্রাঘাটৰ আলি পদুলি সিমান ভাল নাছিল, কিন্তু ১৮৮২ চনত ৰজা কুমুদ নাৰায়ণে আত্মহত্যা কৰাৰ ফলত দুগৰাকী ৰাণী সিদ্ধেশ্বৰী আৰু অভয়েশ্বৰীৰ মাজত কাজিয়াৰ সৃষ্টি হয় আৰু সিদ্ধেশ্বৰীয়ে ৰাজপাট দখল কৰিলেও ৰাজ্য দুটা ভাগত বিভক্ত হয় । ইয়াৰ ফলত ৰাজ্যত অৰাজকতা আহি পৰে । অভয়েশ্বৰী ৰাণীক বৰৰাণী সিদ্ধেশ্বৰীয়ে হত্যাৰ মানসেৰে নজৰ বন্ধী কৰি ৰাখিছিল । পিচত যেনিবা ভাগ্যৰ বলত অভয়েশ্বৰী ৰাণী পলাই গৈ মোকৰ্দমা কৰে । ইও এক কাহিনী। এই লিখনীত মাথো ইয়াকে জনাওঁ যে, ১৮৯৯ চনত সিদ্ধেশ্বৰী ৰাণীৰ মৃত্যুৰ পিচত অভয়েশ্বৰী ৰাণীয়ে গেৰুৱা সাজ পৰিধাণ

কৰি বিজনী ৰাজ্যৰ ৰাজপাটত বহে।

ৰাণী অভয়েশ্বৰী প্রজাবৎসলা আছিল। তেওঁৰ দিনতেই ১৮৯৭ চনত বৰ ভূইকঁপত ডুমুৰীয়া ৰাজধানী ধ্বংস হয়। পিচত অভয়াপুৰীত 'ৰাম ৰজাৰ গড়' ত অস্থায়ী ৰাজধানী পাতি ৰাজধানী নির্মাণ কৰি থিতাপি লয়। জানিব পৰা মতে ৰাজহাউলীৰ মূল ঘৰটো চীন দেশৰ পৰা স্থপতি আনি হেনো নির্মাণ কৰাই লৈছিল। বর্তমানেও ৰাজহাউলীৰ পদুলীত থকা ঘন্টা আৰু তিনি ঘন্টাৰ মূৰে মূৰে কোৱোৱা ডবাৰ শব্দই পথচাৰীক উঁৰলি যোৱা দস্তাবেজৰ সম্ভেদ দিয়ে।

বিদূষী ৰাণী অভয়েশ্বৰীয়ে নানা দিশত ৰাজ্যখনক আগুৰাই নিয়ে। সেই সময়ৰ ক'লা সংস্কৃতিৰ বাহক হিচাপে ম'হৰ বাথানৰ ম'ইষাল আৰু হাতীৰ মাউতৰ গীতৰ কৃষ্টিখিনি বিশ্বৰ দৰবাৰলৈ পদ্মশ্রী প্রতিমা বৰুৱা পাণ্ডেই চিনাকী কৰি দিছে। সেই দৰে ৰাজবংশী সম্প্রদায়ৰ মাজত পুৰণিকলীয়া 'গোপিনী নাম'ক চৈয়দ আব্দুল মালিক চাহাবেও জন মানসত সৌ সিদিনা পৰিচয় কৰাই দিছে। হিয়া মন জুৰ পৰি যোৱা গীতবোৰে সকলোকে মোহিত কৰাত ৰাণীৰ পৃষ্ঠপোষকতাত সর্বপ্রথম দুর্গা পূজা উৎসৱৰ কেইদিনত প্রতি নিশাই এইবোৰ লোক ক'লা সংগীতক মঞ্চত পৰিবেশন কৰাই ৰাইজৰ শলাগৰ পাত্র হোৱা বুলি জানিব পাৰি।

ৰাণীৰ সময়লৈকে কলিকতাৰ পৰাই বেচি ভাগ কর্মচাৰী অনাৰ ফলত বঙালী সংস্কৃতিয়েও ঠাই পাবলৈ লয়। ৰাণীয়ে নাট্যমঞ্চ সাজিছিল। বর্তমানৰ যোগেন্দ্র নাৰায়ণ সোঁৱৰণী ছোৱালী উচ্চ বিদ্যালয়খনতেই নাট্যমঞ্চ আছিল। কাষতে তিনিটা পূজা মন্দিৰ আছে। মনসাদেৱীৰ, অভয়াদেৱীৰ আৰু দুর্গাদেৱীৰ মন্দিৰ। ইয়াত নিত্য পূজাৰ ব্যৱস্থা আছে। প্রধানকৈ দুর্গাদেৱীৰ পূজাতেই লোক সমাগম হৈছিল। কিয়নো তাত ৰজাঘৰীয়া বঙালী কর্মচাৰীয়ে আগভাগ লৈ নিশা নাট পৰিবেশন কৰিছিল। অসমীয়া নাটক নথকাত বঙালী নাটক মঞ্চস্থ হৈছিল । এইখন মঞ্চতেই সেই সময়ৰ নামজ্বলা কবি সাহিত্যিক শশীভূষণ ফৌজদাৰৰ 'সুন্দৰী মিলন' নামৰ নাটখন মঞ্চস্থ কৰি ৰাইজৰ সমাদৰ পাইছিল । পিচলৈ অৱশ্যে অসমীয়া অভিনেতাইও ভাগ লৈ 'প্রফুল্ল', 'জয়-বিজয়' আদি নাটসমূহ মঞ্চস্থ হৈছিল।

ৰজাঘৰীয়া অনুষ্ঠানত 'জলসা' পাতিছিল। তাত নাচ-গানৰ অনুষ্ঠান পাতি অতিথিক আপ্যায়িত কৰিছিল। সেই দিনৰ প্রভাব পিচলৈ শিক্ষিত জীৱনত পৰিছিল বাবেই গাঁও অঞ্চলতো বিবাহৰ সময়ত গানৰ বৈঠকী পাতিছিল। বিয়াৰ গীতৰ ক্ষেত্রত আইসকলো পিচপৰি থকা নাছিল। ।

ৰজাঘৰীয়া জলসা, বৈঠকী, যাত্রাগান আদি অনুষ্ঠান আৰম্ভ কৰাত পিচলৈ অৱশ্যে থলুৱা সংস্কৃতিয়েই বেছিকৈ লাভবান হৈছিল। কিয়নো সময়ত বাইজী নৃত্যৰ ঠাইত লোক সংস্কৃতিয়ে মঞ্চলৈ ওলাই অহাৰ সুবিধা পাইছিল।

বিশিষ্ট শিক্ষাবিদ ইন্দ্রেশ্বৰ বৰঠাকুৰ দেবে ১৯৪৫ চনত যোগেন্দ্র নাৰায়ণ সোঁৱৰণী ছোৱালী হাইস্কুল (১৯৩৮ চন)ত প্রধান শিক্ষকৰ দায়িত্ব লৈ অহাৰ পিচতেই দেবদাৰু নগৰখনৰ আচাৰ ব্যৱহাৰৰ নানা দিশত সলনি হয়। কিয়নো অভয়াপুৰী ক্লাৱটো বঙালী কর্মচাৰীয়ে ৰাজ পৰিয়ালৰ পৰাই পৰিচালনা হোৱা কথা তেওঁ জানিব পাৰি এই অঞ্চলৰ ডেকাচামক ক্লাৱৰ সদস্য ভর্তি কৰাই অনুষ্ঠানটো ৰাজহুৱা হিচাপে গঢ় দিয়ে। এই ক্লাৱটো পিচলৈ 'জ্যোতি সাংস্কৃতিক অনুষ্ঠান' নামেৰে জনাজাত হৈ পৰে। সেই দৰে ক'লা পৰিষদ অনুষ্ঠানৰ যোগেদি অসমীয়া নাট মঞ্চস্থ কৰে। বৰঠাকুৰদেৱৰ পৰিচালনাত মহেন্দ্র শর্মা, হৰিশ বৰুৱা, ব্রজ শর্মা, মহেশ ৰায়কে আদি কৰি কেবাজনো প্রথিতযশা অভিনেতাৰ সহযোগত 'কনৌজ কুঁৱৰী' নাটখন মঞ্চস্থ কৰে। ইয়াৰ পিচৰ পৰা বহুতো নাটক অসমীয়াত অভিনীত হয়।'ছোৱাৱ-ৰুস্তম' আদি নাটক সেই সময়ত প্রাণেশ্বৰ চৌধুৰী, ধর্মেশ্বৰ চৌধুৰী, বীৰেশ্বৰ চৌধুৰী, ব্রজ শর্মা, মহেশ ৰায়, শৈলেন দাস আদি অভিনেতাই অভিনয় কৰি ৰাইজৰ ভূয়সী প্রশংসা লাভ কৰিছিল। সেই ৰাজবাৰীৰ মঞ্চত অভিনয় কৰা সকলৰ ভিতৰত দুই এজন এতিয়াও জীৱিত। এই ক্ষেত্রত শ্রী কুলশর্মা, শ্রী দেবেন পাঠকৰ নাম ল'বই লাগিব।

মঞ্চৰ আঁৰকাপোৰবোৰ ৰজাঘৰীয়াই কলিকতাৰ পৰা নানা ধৰণৰ চিত্র অংকণ কৰা চিত্রপট অনাইছিল। সন্মুখত ঘোঁৰাত উঠি শিৰাজীৰ হাতত তৰোৱাল লোৱা আঁৰকাপোৰখনে সকলোকে মোহিত কৰিছিল। পিচলৈ নাট সমূহ ৰজাঘৰীয়া অনুদানেৰে নির্মাণ কৰা অভয়াপুৰী ক্লাৱটোৱে আগ ভাগ লৈ মঞ্চস্থ কৰিছিল। ক্লাৱত সেই সময়ত উচ্চ মানৰ নানা ইংৰাজী আৰু বঙালী কিতাপ আছিল। সেইবোৰ কালৰ বুকুত হেৰাই গ'ল। ই উঁৰলী যোৱা এটা পৃষ্ঠাহে মাথোন। পৰৱর্তী সময়ত এই ৰাজ্যত ঠায়ে-ঠায়ে যাত্রা গানৰ দল গঠিত হৈ সমাজ জীৱনত প্রভাব পেলায়।

ৰাণী অভয়েশ্বৰীয়ে প্রথম মহাসমৰ আৰম্ভ হোৱাত বৃটিছক ধনে-জনে সহায় কৰাৰ লগতে সৈন্য সকলৰ অহা যোৱাৰ বাবে পথ নির্মাণ কৰি যাতায়াতৰ পথ সুচল কৰি তোলে। আলি-পদুলি নির্মাণ হোৱাত গাঁওবোৰৰ লগত যোগাযোগ হ'ল। ইজনে-সিজনক বুজিব পৰা হ'ল। যাৰ বাবে সকলোলোকৰ সংস্কৃতি সকলোৰে

হৃদয়ঙ্গম হোৱাত সহায়ক হ'ল। ৰাণীক ইংৰাজে যুদ্ধৰ পিচত "কাইজাৰ-ই-হিন্দ" উপাধি প্ৰদান কৰিলে। সেই দিনৰ অনুষ্ঠানত হাজাৰ-হাজাৰ প্ৰজাই এই অনুষ্ঠান উপভোগ কৰি নাচি-বাগি মতলীয়া হৈছিল।"কাইজাৰ-ই-হিন্দ" মহাৰাণীক মৃত্যুৰ পিচত পূৰ্ণ্যতীৰ্থ যোগীঘোপাত মানাহ-ব্ৰহ্মপুত্ৰৰ সংগমস্থলত দাহ কৰা হৈছিল।

বিজনী ৰাজ্যৰ প্ৰজাবোৰ প্ৰধানকৈ কৃষি জীৱী আছিল । যাতায়াতৰ পথ আদি সংকীৰ্ণ হোৱাত বনৰীয়া জীৱ-জন্তুৰ ভয়ত ইফাল-সিফাল কৰিব পৰা নাছিল । তেওঁলোকে বনৰ জীৱ-জন্তুৰ লগত সহ-অবস্থান কৰাত চৰাই-চিৰিকটিৰ লগত সমন্বয় ৰক্ষা কৰি গীতৰ সৃষ্টি কৰিছিল। যিবোৰ সুৰীয়া গীতৰ তান আজিও সকলোৰে মুখে মুখে।

১৪৮০ শক মানত পাটবাউসী সত্ৰৰ পৰা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে নাৱেৰে আহি ঘৰশিয়া সত্ৰ স্থাপন কৰি নাতিয়েক চতুৰ্ভুজ ঠাকুৰক অধিকাৰী পাতি তেৰাই কোচৰেহাৰলৈ গুচি যায়। এই অঞ্চলৰ প্ৰাকৃতিক শোভাই গুৰুজনাক বাৰুকৈয়ে মোহিত কৰিছিল বুলি জনা যায়। তেৰাই কাঠ পাৰি বহা কাৰণে গাঁওখনৰ নাম কটাশবাৰী হয়। ঘিলা খেলি থকা গাঁও খনক তেৰাই ঘিলাগুৰী নাম দিয়ে। ঘৰশিয়া সত্ৰত বিপৰ্যয় অহা বাবে চতুৰ্ভুজ ঠাকুৰে পিচত বিষ্ণুপুৰ সত্ৰ স্থাপন কৰি এই অঞ্চলত ধৰ্মৰ ডোলেৰে বান্ধি একতা স্থাপন কৰাত অগ্ৰণী ভূমিকা লয়। এই অঞ্চলবোৰৰ লোকসকল অতীজৰ পৰাই শাক্ত ধৰ্মৰ প্ৰতি আসক্ত আছিল। কেঁচাই খাইতি গোঁসানী, বুঢ়ী ঠাকুৰাণী আৰু কালীপূজা কটাশবাৰীৰ পুৰণিকলীয়া ধৰ্মীয় অনুষ্ঠান। ইয়াৰ ব্যতিক্ৰম হোৱা নাছিল। উৎসৱবোৰত নাচ-গান কৰা হৈছিল। বিশেষকৈ কুশান-নৃত্য, খাৰাতাল আদি। ৰজা কুমুদ নাৰায়ণে বিষ্ণুপুৰ সত্ৰক অৱহেলা নকৰি মাটি-বাৰী দান কৰি উদাৰতাৰ পৰিচয় দিয়ে। এই দিশত ৰজাই জ্ঞানৰ পৰিচয় দিয়াৰ লগতে নতুনত্বক আদৰাৰ প্ৰচেষ্টা তথা জনজীৱনক কৃষ্টিৰ পথাৰত চিনাকী দি সমন্বয় সেঁতু গঢ়াত সহায়ক হ'ব পাৰিছে। এই অঞ্চলত ভাওনা সভাও নতুনকৈ পুৰণিৰ লগত প্ৰচলন হৈ এক আচৰিত সমন্বয়ৰ সংযোজন হৈ ইতিহাস বিদৰ বাবে খোৰাক জগাই তোলে।

আনপিনে ৰজাঘৰীয়া পৃষ্ঠপোষকতাত অভয়াপুৰী চহৰৰ নাতি দূৰত লাডুবা গোপাল সত্ৰ স্থাপন হৈছিল। হৰিন্দ্ৰ নাৰায়ণ তৰ্কতীৰ্থ আৰু কালীকান্ত ভাগৱতী তৰ্কচূড়ামণিয়ে ইয়াতেই সংস্কৃত টোল স্থাপন কৰি জ্ঞান চৰ্চাৰ কেন্দ্ৰ কৰি তেওঁলোকে কীৰ্ত্তিমান হ'ব পাৰিছে। হৰিন্দ্ৰ নাৰায়ণৰ নামেৰে হৰিপুৰ গাঁও হয়। সত্ৰখনক ৰাণী অভয়েশ্বৰীয়ে ভালেমান মাটি (লাখেৰাজ) দান দিয়ে। পিচত স্বাধীন চৰকাৰে এই মাটি অধিগ্ৰহণ কৰি প্ৰজাৰ মাজত ভগাই দি পট্টন দিয়ে। সত্ৰখনত মাজে মাজে চৰকাৰে অনুদান দিয়া বুলি জানিব পাৰি। সেইদৰে ৰাণী অভয়েশ্বৰীয়ে হেনো ধৰ্মপুৰ সত্ৰ খন পাতি তাত একেলগে কিছু প্ৰজাক স্থাপন কৰি ধৰ্মৰ মাজেৰে সমাজ গঢ়াত ৰাণীৰ দূৰদৰ্শিতাৰ পৰিচয় দিয়ে।

শূন্য ৰাজকোষ লৈ ৰাজপাটত বহা মহাৰাণী অভয়েশ্বৰীয়ে ৰাইজৰ দান বৰঙণিৰে ৰাজ্য শাসন কৰিব লগা হৈছিল। অকল বইটামাৰী অঞ্চলৰ পৰাই বাৰ হেজাৰ টকা দান পোৱাত সেই ঠাই 'বাৰ হাজাৰী' ডিহি বুলি জনাজাত হয়। ৰাণীৰ প্ৰতি ৰাইজৰ আনুগত্যৰ পৰিচয় দি শলাগৰ পাত্ৰ হয়। ৰাণীয়ে সকলো কাম কৰিবলৈ প্ৰেৰণা পাইছিল। অনগ্ৰসৰ এই কৃষি প্ৰধান অঞ্চলত ১৯০৪ চনত অভয়েশ্বৰী হাইস্কুল স্থাপন কৰি ৰাণীয়ে বিনামূলীয়া শিক্ষাৰ ব্যৱস্থা কৰি নতুন দিগন্তৰ সূচনা কৰে। ১৮৬০ চনত পাচনীয়াত স্থাপন কৰা প্ৰাথমিক বিদ্যালয় খন পিচলৈ এম. ভি স্কুললৈ উন্নীত হৈ ১৯২০ চনত বঙলা মাধ্যমৰ পৰা অসমীয়া মাধ্যমলৈ ৰূপান্তৰিত হৈছিল। সেইদৰে ১৯২৭ চন মানত ৰাজ পৰিয়ালৰ অনুমতিত ছোৱালী স্কুল আৰম্ভ কৰা হৈছিল যদিও পিচলৈ ইয়াৰ শুভফল নোপোৱাত স্কুলখন এম. ভি. স্কুলখনৰ লগত চামিল হয়।

ৰাজতন্ত্ৰ একনায়কত্ববাদী হোৱা হেতু তেওঁলোকে পশ্চিমীয়া সংস্কৃতিৰ পোখা মেলিলেও ৰাজ্যৰ সংস্কৃতিক (পুৰণিকলীয়া) বিসৰ্জন দিবলৈ চেষ্টা কৰা নাছিল। কিন্তু তেওঁলোকে লোক সংস্কৃতিৰ পৰিবৰ্ত্তনৰ বাবে চিন্তা চৰ্চাৰ কেন্দ্ৰ গঢ়ি তোলা নাছিল। ৰজাঘৰীয়াই মুছলমান প্ৰজাকো সমান চকুৰে চাইছিল। ইয়াৰ উদাহৰণ যোগীঘোপাৰ পীৰ পাল মছজিদটো। মছজিদটো ১৮৬০ চনত স্থাপিত হৈছিল। সেয়া হিন্দু ৰজাৰ মুছলমানৰ প্ৰতি ডাঙৰ অনুগ্ৰহ। সেই মছজিদটো হিন্দু-মুছলমানৰ সমন্বয়ৰ ভেঁটি বুলিব পাৰি। এইদৰে মালেগড়ৰ বাসন্তীদেৱী মন্দিৰৰ বাবেও ৰজাঘৰীয়া মাটি দান কৰি পূজা পাৰ্বণ কৰাত সহায়ৰ হাত আগবঢ়াই উদাৰতাৰ পৰিচয় দিছিল।

অতিথি আপ্যায়ন এই অঞ্চলৰ লেখত লবলগীয়া সংস্কৃতি। ডাঙৰক সন্মান জনোৱাটো এটি ডাঙৰ পৰম্পৰা। নতুন বছৰৰ পহিলা দিনটো আৰু মাঘ মাহৰ প্ৰথম দিনটোত ভেলাঘৰৰ পৰা আহি কীৰ্ত্তন কৰি ঘৰে ঘৰে আশীৰ্বাদ দিয়া আৰু লোৱা কাৰ্য কিমান দিনীয়া প্ৰথা তাৰ নিৰ্দ্দিষ্ট তথ্য পাবলৈ নাই। ভাদ মাহত শ্ৰীকৃষ্ণৰ জন্মাষ্টমীত পেক (বোকা)ত ৰবাব টেঙা লৈ ভাওন

কৰা ঠাই বিশেষে সৌ সিদিনালৈ আছিল।

সেই দিনীয়া লোক-সংস্কৃতিৰ আঙ্গীক যেনে কুশান-নৃত্য, খাৰাতাল, গোৱালনী নৃত্য, দোতৰা গান, মাৰাই আদিৰ অধিক প্ৰচলন আছিল। ভাওঁ গান বিশেষকৈ বাৰহাজাৰীত আছিল। বাঁশ পূজাৰ প্ৰচলন আছিল আৰু বাঁশ লৈ নৃত্যও প্ৰদৰ্শন কৰিছিল বুলি জানিব পাৰি। ভাওঁ গানৰ কাহিনী সমূহ হেনো ধৰ্মগ্ৰন্থৰ পৰা লৈছিল। জনসাধাৰণে দিনত খেতিৰ কাম কৰি এইবোৰৰ আখৰা কৰিছিল। পিচত নিশাৰ উৎসৱত প্ৰদৰ্শন কৰি মনৰ শান্তি আনিছিল। যাত্ৰা গানে জনজীৱনত নতুনত্ব আনি দিছিল। সংগীতৰ ব্যৱহাৰত দৰ্শকক মোহিত কৰিব পাৰিছিল-যি আজিও অপৰিবৰ্ত্তিত। সেয়ে নেকি বিশ্ববিখ্যাত নাট্যকাৰ ষ্ট্ৰীণ্ড বাৰ্গে ক'ব পাৰিছিল-"যি সকলে পঢ়াশুনা নাজানে তেনে দৰ্শকে নাটকৰ দৃশ্য পটবোৰ চাই পৰম তৃপ্তি লভিব পাৰে। সকলোৰে বাবে নাট্য ক্ৰিয়া এক প্ৰকাৰ পঢ়াশালী। নাট্যক'লা ধৰ্মৰ নিচিনা। মানুহক সাহস দিব পাৰে।"

প্ৰাচীন কালৰ পৰা যিদৰে মঠ মন্দিৰত দেৱদাসী নৃত্য, দেওধানী নৃত্য আদিৰ দ্বাৰা মনৰ আনন্দ বিনোদনৰ ব্যৱস্থা আছিল সেইবোৰো পিচত প্ৰসাৰ লাভ কৰিব পাৰিছিল। বিষ্ণুপুৰ সত্ৰৰ পৰা এই অঞ্চলতো ভাওঁনাবোৰহে সময়ত প্ৰাধান্য লাভ কৰি লোক-সংস্কৃতিৰ দিশত অমৃত ৰসৰ সন্ধান দিব পাৰিছিল।

সকাম নিকাম সমূহত বস্ত্ৰৰ ভূমিকা আছিল, আজিও আছে। এই অঞ্চলৰ পুৰুষ সকলৰ বাবে চুৰিয়া আৰু মহিলাৰ বাবে পাটানিখন আপুৰুগীয়া সম্পদ। বিবাহৰ সময়ত সাজোন-কাচোন আৰু মৃতকৰ সকামত শুধ বগা কাপোৰ। বিচিত্ৰ ব্যৱস্থা। বিবাহৰ দ্বাৰা সম্প্ৰদায়বোৰৰ মাজত বৌদ্ধিক বিকাশৰ প্ৰেৰণা আহিছে। জীৱন ধাৰণত যৌথ পৰিয়ালৰ চানেকীবোৰ আজিও বৰ্ত্তি আছে।

মানৰ সমাজে যুগে যুগে সমাজ পাতি বসবাস কৰি নিজৰ সমাজক আন সম্প্ৰদায়ৰ সমাজত নিচেই ওচৰত পাবলৈ নানা লোক সংস্কৃতিৰ সৃষ্টি কৰি জীৱনক একাত্মা কৰিবলৈ প্ৰয়াস কৰি আহিছে। মানুহ যুগে-যুগে জ্ঞান পীপাসু। সকলোতে নতুনত্ব আহিছে। আহিবই - ই যুগধৰ্ম। কিন্তু আমাৰ লোক সংস্কৃতিবোৰ আধুনিক সমাজত প্ৰচাৰ আৰু প্ৰসাৰ লাভত সকলোৱে সমন্বয়ৰ হাত আগবঢ়োৱা দৰকাৰ।

"মানুহৰ চৰিত্ৰ বৰ বিচিত্ৰ। ভুল- ভ্ৰান্তি, লোভ, ভয় আৰু কাপুৰুষতা- এইবোৰ লৈয়ে মানুহৰ জীৱন। মানুহৰ ওচৰৰ পৰা মানুহ বিচ্ছিন্ন হ'লেই মানুহ হৈ পৰে দুৰ্বল, হৈ পৰে কাপুৰুষ।" কথাযাৰ জাৰ্মান নাট্যকাৰ বাৰ্টোল্ট ব্ৰেখ্‌ট মহোদয়ে বহুদিনৰ আগেয়ে কৈ গৈছে।

মানুহে নিজ বাসনা চৰিতাৰ্থ কৰিবলৈ সৌন্দৰ্য্য ধ্বংস কৰে। ই এটা ডাঙৰ বচন। সেয়ে সৌন্দৰ্য্যপূৰ্ণ ক'লা কৃষ্টি আমাৰ নিজা লোক -সংস্কৃতিখিনি যাতে ধ্বংস নহয়, তাৰ বাবে জ্ঞানীজনে সদায় দৃষ্টি দিয়াটো অতি প্ৰয়োজন। কাৰণ এয়া পাৰমাণৱিক শক্তিৰ যুগ। এই যুগে আমাৰ সমাজ জীৱনত বাৰুকৈয়ে প্ৰভাৱ পেলাইছে। ইয়াৰ ব্যাখ্যা নিষ্প্ৰয়োজন। আমি এতিয়া চাৰিত্ৰিক দিশত ধ্বংসমূখী। ৰাজ শাসনত উৎসৱ পাৰ্বণৰ বাবে গাঁওবোৰৰ মাজত নানা দিশৰ প্ৰতি সচেষ্ট আছিল। চৰিত্ৰৰ প্ৰতিও দৃষ্টি দিছিল কঠোৰ। সমাজ ব্যৱস্থাৰ বাবেই নেকি, আমাৰ বিজনী ৰাজ্যত নানা গুণী-জ্ঞানী জনৰ জন্ম দিব পাৰিছিল। কিন্তু আজি সমাজখন পশ্চিমীয়া আদব কায়দাৰ পঙ্কিলতাত পতিত হৈ লোক সংস্কৃতিভৰা সমাজখনে হা-হুমনিয়াহ কাঢ়িছে। ❑

সহায়ক গ্ৰন্থ ঃ তপস্বিনী ৰাণী অভয়েশ্বৰী ঃ অম্বিকা চৰণ চৌধুৰী।
অভয়াপুৰী ঃ সুৰীতি শৰ্মা ব্ৰহ্মচৌধুৰী।
পূণ্যতীৰ্থ যোগীঘোপা ঃ থানেশ্বৰ দাস।

কৃতজ্ঞতা ঃ দেবেন পাঠক, টিকেন্দ্ৰ নাৰায়ণ দাস, ভবেন সূত্ৰধৰ, ধনেশ্বৰ দাস, সৰযু দেৰী, ভাৰতী বৰমুদৈ, দীপিকা কলিতা।

******

কোচ ৰাজবংশী সমাজৰ সাঁথৰ

।। এক চমু আভাস।।

কামাখ্যা প্রসাদ ৰায় (অকণ)

সাহিত্যই জাতীয়ত্বৰ চিনাকি। এটা জাতিৰ সমগ্র সত্বা সেই জাতিৰ সাহিত্য-সংস্কৃতিৰ মাজেৰে পৰিস্ফুট হয়। কোনো এটা জাতিয়ে প্রগতিৰ সোপান আৰোহণত সেই জাতিৰ প্রচলিত বিভিন্ন লোক সাহিত্যই প্রভূত বৰঙণি যোগাব পাৰে। এই লোক সাহিত্য মানুহৰ মুখে মুখে পৰম্পৰাগত ভাবে চলি আহিছে।

সাঁথৰ লোক সাহিত্যৰ এক অনন্য সম্পদ। এই সম্পর্কত হেমচন্দ্র বৰুৱাই কৈছে- 'অর্থ নেপাই পানীত পৰাৰ দৰে কক্ বকাই ফুৰিব লাগে বা তাৰ পৰা তৰিব অর্থাৎ উদ্ধাৰ লাগে, এতেকে বুজিবৰ নিমিত্তে দিয়া গুপ্ত অর্থৰ এক বা অধিক ফাঁকি কথা।' অর্থাৎ দুর্বোধ্য অর্থ নিহিত এক শ্রেণী প্রবচন। সাঁথৰত কোনো এটা বস্তুৰ তাৰ প্রকৃত পৰিচয় লুকুৱাই ৰাখি আওপকীয়া ভাবে তাৰ এটা বর্ণনা দিয়া হয়। এইবোৰত পাণ্ডিত্যতকৈ বুদ্ধিমতাৰহে বেছি পৰিচয় পোৱা যায়। সাধাৰণতে এই সাঁথৰবোৰ চুটি আৰু ছন্দোবদ্ধ হোৱা হোৱা দেখা যায়। কেতিয়াবা সাঁথৰবোৰত প্রতীক ধর্মীতাও বিদ্যমান।

আমাৰ কোচ ৰাজবংশী সমাজত তাহানিৰ দিনৰ পৰাই 'আতা-আবু' সকলে নাতি-নাতিনীহঁতক সাধু কথাৰে বিচিত্র জ্ঞানৰ উমান দিয়াৰ লগতে এই সাঁথৰ কোৱা আৰু ভঙা খেল চলি থকাৰ উমান পোৱা যায়। ৰাজবংশী ভাষাত এই সাঁথৰবোৰ 'শ্লোক' বা 'শেলুক' হিচাপে পৰিচিত। আমাৰ কোচ ৰাজবংশী সমাজত প্রচলিত কেইটামান সাঁথৰ (শ্লোক) সম্পর্কে এই চমু নিবন্ধত আলোচনা কৰাৰ প্রয়াস কৰা হৈছে।

কৃষি প্রধান অঞ্চল হিচাপে আমাৰ আতা-আবু সকলে আমাক কৃষিৰ সা-সজুঁলি সমূহক লৈ ৰচিত নানা সাঁথৰ গাই শুনাইছিল।

চিক্ চিকা ভুঁই নিকা
ছয় চকু তিন টিকা।। (গৰু হাল সহ হালোৱাজন)

ইয়াত ভুঁই বা খেতিৰ মাটি চহোৱা গৰুহালেৰে সৈতে এগৰাকী হালোৱাৰ ছবি অংকণ কৰা হৈছে। নাঙলৰ চিক্ চিকা ফালেৰে খেতিৰ মাটি নিকা কৰা গৰুহাল সহ খেতিয়কজনৰ ছয় চকু আৰু তিনি টিকাৰ কথা কোৱা হৈছে।

পূৱ গেলং পশ্চিম গেলং
গেলং হাব্রাঘাট
এমন জিনিচ দেখিয়া আহিলং
ফলেৰ মাথাত পাত।। (আনাৰস)

ইখন সিখন কৈ ভালেমান ঠাই ঘুৰি ফুৰোঁতে এঠাইত ফলৰ 'মাথা' (মুৰ)তো পাতযুক্ত ফল দেখাৰ কথা কৈছে। এই ফল অন্য একো নহয় - আমাৰ সকলোৰে প্রিয় সু-স্বাদু ফল 'আনাৰস'।

দিলে নে'নং
নিদিলে নেং।। (মৈ)

গৃহস্থই দিলে নিনিয়ে অথচ নিদিলেহে নিয়ে। অর্থাৎ গৃহস্থই যদি খেতি পথাৰত 'মৈ' দিয়ে, তেতিয়া অন্যজনে নিনিয়ে আৰ নিদিলে নিব পাৰে। ইয়াৰ দ্বাৰা 'মৈ' ক বুজোৱা হৈছে।

হাতীৰ দাঁত কদমেৰ পাত
বুজাবা নাপাৰিলে গাধাৰ জাত।। (মূলা)

খেতিয়কে খেতি পথাৰত অন্যান্য খেতিৰ লগতে মূলাৰ খেতিও কৰে। এই মূলা দেখিবলৈ হাতীৰ দাঁত সদৃশ আৰু তাৰ পাতবিলাকো সাইলাখ কদম গছৰ পাতৰ লেখীয়া। গতিকে দেখিলেই বুজা যায় যে, এই সাঁথৰটোৰ উত্তৰ হ'ব 'মূলা'। সেয়ে কোৱা হৈছে এই সাঁথৰ ভাঙিব নোৱাৰাজন গাধৰ তুল্য।

ক'ত যাইসৰে বুঢ়াৰ বেটা
কান্ধত কুঠাৰ ধৰি
গাছ গেইছে মৰি
ফল আছে ধৰি।। (লাও-কোমোৰা)

এই সাঁথৰটিও কৃষি সম্পর্কীয়। কান্ধত কুঠাৰ লৈ মানুহে কি কৰিবলৈ যায়? নিশ্চয় গছ কাটি খৰি লুৰিবলৈ যায়। কিন্তু গছজোপা কটাৰ কোনো প্রয়োজনেই নাই। ই নিজেই মৰি গৈছে যদিও ফলবোৰ তাত লমালমে লাগি আছে। ইয়াৰ দ্বাৰা ঘৰ

ছালত লগা লাও-কোমোৰাৰ কথা কোৱা হৈছে।

আখানি ঘৰ

কাটাই জৰ জৰ।। (কঠাল)

এটিয়ে মাত্ৰ ঘৰ কিন্তু তাৰ চাৰিওফাল কাঁইটেৰে আবৃত। ইয়াত 'কঠাল' ফলৰ কথাকে কোৱা হৈছে। যিহেতু তাৰ সমস্ত শৰীৰ কাঁইটেৰে ভৰা।

গছৰ পৰা বেল ফল সৰি পৰিলে সাধাৰণতে মানুহে প্ৰথমতে তাৰ পেটতো শুঙি চায়। শুঙি চালে বুজা যায়যে, ই পকা নে কেঁচা। সেয়ে সাঁথৰত কোৱা হয়-

উপৰেৰ পাৰে পৰিল ধমু।

ধুমে কয় মোৰ পেট শুঙ।। (বেলফল)

মামাঘৰেৰ লাঠি

কিৰ কিৰা গাঁঠি।। (ভুটা)

চহা খেতিয়কে খেৰেৰে 'ভুটা' সাজে। সাধাৰণতে ইয়াক জুই ধৰি ৰখাৰ ব্যৱস্থা কৰা হয়। এই 'ভূটা' খেৰেৰে পকাই লোৱা হয় বাবে তাত অজস্ৰ গাঁঠি দিবলগীয়া হয়।

আমাৰ অঞ্চল নৈ, খাল, বিল আদিৰে ভৰা। আন হাতে এই নৈ, বিল, পুখুৰীত মাছ, কাছ আদিও উভৈনদী। এই মাছ-কাছ আৰু মাছ ধৰা বিভিন্ন সা-সঁজুলি লৈও চহা কবিয়ে সাঁথৰ ৰচিছে।

টিক টিকা ৰক্ত বৰণ

চাৰি চকু চৈধ্য চৰণ।। (কেকোঁৰা)

সাধাৰণতে কেকোঁৰাবোৰ দেখাত ৰঙচুৰা। ইয়াৰ চাৰিটা চকু আৰু চৈধ্যখন চৰণ অর্থাৎ ঠেং আছে। ইয়াৰ দ্বাৰা কেকোঁৰাক বুজাইছে।

সাগৰত ঘৰ নগৰত বাতি।

ছাওৰা হইল তাৰ নাই পোৱাতি।। (কাছ)

কাছই পানীত থাকে যদিও ই ৰামত কণী পাৰিহে পোৱালী জগায়। ইয়াত কাছ আৰু তাৰ পোৱালীক বুজোৱা হৈছে।

'টেপা'- এবিধ মাছ ধৰা সঁজুলি । এই সঁজুলি এনেকৈ সজা হয় যে, তাৰ মুখেৰে ভিতৰলৈ মাছ সোমাব পাৰে, কিন্তু ওলাব নোৱাৰে। সেয়ে মাছ তাৰ ভিতৰলৈ সোমালে বাহিৰলৈ ওলাবলৈ পথ বিচাৰি নাপাই তাৰ লগৰবোৰক এনেদৰে বিনায়-

ভাইৰে ভাই

সন্দাবা পাৰিলং

ওলাবা নাপালং।। (টেপা)

টিপ- টিপালি বাই

ঘাটে ঘাটে পানী খায়।। (বৰশী)

ইয়াত 'টিপ টিপালি বাই' মানে বৰশীক বুজাইছে। মানুহে বিশেষকৈ সৰু ল'ৰাবোৰে নদ-নদী, খাল, বিলত মাছ ধৰিবলৈ বৰশী বাই ফুৰে।

একটা মাছেৰ দুইটা ফিচা।

গুম পাৰে তায় সাঁচা মিছা।। (নাও)

নাৱৰ টিঙা দুটাক ইয়াত মাছৰ ফিচাৰ লগত ৰিজাইছে আৰু নদীত চলাচল কৰাৰ ব্যস্ততাৰ মাজতে অলপ জিৰণী লোৱাকে 'সঁচা মিছা ঘুম পাৰে' বুলি কৈছে।

প্ৰকৃতিৰ চৰাই-চিৰিকতি, জীৱ, জন্তুক লৈও আমাৰ চহা কবি সকলে সাঁথৰ ৰচনা কৰিছে। এইবোৰে পশু-পক্ষী সম্পৰ্কে সুক্ষ্ম দৃষ্টিভঙ্গী আলোকপাত কৰে।

আকাশত ঘৰ পাতালত দুৱাৰ।

হুলুক পুচুক কৰে ৰাজাৰ কুমাৰ।। (টোকোৰা চৰাইৰ বাঁহ)

ইয়াত তামোল নাইবা নাৰিকলৰ পাতত বাঁহ সজা টোকোৰা চৰাইৰ বর্ণনা কৰা হৈছে। এই বিধ পক্ষীৰ বাঁহবোৰ দেখিবলৈ অতি শুৱনি। 'আকাশত ঘৰ পাতালত দুৱাৰ' বুলি বাঁহটোৰ তলেদি ওলোৱা সোমোৱা কৰা সুৰঙ্গ সদৃশ পথটোৰ কথা কোৱা হৈছে।

বনেৰ মাজেৰ শালেৰ খুটা।

গাই দুষ্টা গাখীৰ মিঠা।। (মৌ)

মৌ মাখিয়ে বনৰ গছ-গছনিতে বাঁহ সাজে। কেতিয়াবা এই মৌ মাখিয়ে মানুহক আক্ৰমণ কৰি আঘাত হানে যদিও তাৰ 'মৌ ৰস' পিছে খুব মিঠা।

ঠেং নোহোৱা লাঠি

বাটেদিয়া যায় হাটি।। (সাপ)

এইটো এটা প্ৰতীক ধর্মী সাঁথৰ। ইয়াত কোৱা হৈছে- লাঠিৰ ঠেং নাই যদিও ই বাটেৰে খোজকাঢ়ি ফুৰিব পাৰে। সেয়ে 'লাঠি' মানে 'সাপ'কে বুজোৱা হৈছে।

আমাৰ অঞ্চলত প্ৰচলিত কিছুমান সাঁথৰ ৰূপকধর্মী। এইবোৰে কবিৰ কাব্যিক সৌন্দর্য্য প্ৰতীয়মান কৰে। এনেকুৱা দুটা মান সাঁথৰ উল্লেখ কৰা হ'ল।

আলি বান্ধিয়া যায়

মাথা দাঙিয়া চায়। (বেজী)

কাপোৰ চিলোৱা বেজীয়ে কাপোৰ চিলাই গৈ গৈ এটা 'আলি' বান্ধি যায়। অৰ্থাৎ কাপোৰৰ সূঁতাৰ এটা আঁক বহি যায়।

একডাল খেৰে
ঘৰগো বেৰে।। (চাকি)

ইয়াত চাকিৰ কথা কোৱা হৈছে। এটা চাকিৰ পোহৰে সমগ্ৰ ঘৰটোকে পোহৰাই তুলিব পাৰে।

ইচিৰিকি বিচিৰিকি
নাই চোচা নাই বিচি।। (নিমখ)

যাৰ 'চোচা' (বাকলি)ও নাই আৰু 'বিচি' (গুটি) ও নাই অৰ্থাৎ ইয়াৰ দ্বাৰা 'নিমখ'ক বুজাইছে। নিমখৰ কোনো ছাল- বাকলি বা গুটি নাই।

মানুহৰ দৈনন্দিন জীৱনত নিত্য প্ৰয়োজনীয় সামগ্ৰীও চহা কবিৰ সাঁথৰত বাদ পৰি যোৱা নাই। যেনে -

আইৰে আই
ঘৰ আছে দুৱাৰ নাই ।। (আঠুৱা)

মহৰ উৎপাতৰ পৰা পৰিত্ৰাণ পাবৰ বাবে মানুহে শোৱা পাটীত আঠুৱা ব্যৱহাৰ কৰে। ই দেখাত ঘৰ সদৃশ হ'লেও তাৰ ভিতৰলৈ সোমাবলৈ কোনো দুৱাৰ খিৰিকি নাই।

বাৰীত কাঁহে
ওলেয়া নাহে।। (কুঠাৰ)

কুহুৰ কুহুৰ কাঁহিলে বুজা যায় যে, কোনোবা আহি আছে। কিন্তু বাৰীৰ মাজত কাঁহি আছে অথচ কাকো দেখা নাযায়। অৰ্থাৎ কুঠাৰেৰে বাৰীৰ মাজত খৰি কাটোতে মানুহজনৰ ডিঙিৰ পৰা হোৱা শব্দৰ কথা কোৱা হৈছে।

তামোল-পাণ লোক সংস্কৃতিৰ এক উল্লেখনীয় সম্ভাৰ। অতিথিক নিমন্ত্ৰণ তথা আপ্যায়ণ কৰাৰে পৰা বিয়া- সবাহ সকলোতে ইয়াৰ ব্যৱহাৰ মন কৰিবলীয়া। এই তামোল - পাণক লৈও ৰচিত ভালেমান সাঁথৰ পোৱা যায়।

উপৰত বাল, তলত খাল
গু গু গোন্ধায় খাব বৰ ভাল।। (মজা তামোল)

ইয়াত 'মজা -তামোল'ৰ (পকিলে মাটিত পুতি থোৱা তামোল) কথা কোৱা হৈছে। এইবিধ তামোলৰ ওপৰৰ ছালখন চুলিৰ লেখিয়া হয় আৰু ভিতৰত 'খাল' হয়। আনহাতে তাৰ পৰা এক বিকৃত গোন্ধ ওলায়। পিছে ইয়াক গাঁৱলীয়া মানুহে সেলেঙী বোৱাই ভক্ষণ কৰে।

এক ভাই খালত, এক ভাই ডালত।
এক ভাই টিং টিঙা আগালত। (চুণ-পাণ -তামোল)

ইয়াত তিন ভাই মানে চুণ-পাণ-তামোলৰ কথাকে বুজাইছে। অৰ্থাৎ 'খাল' (টেমা)ত থাকে চুণ, পাণ থাকে ডালত আৰু তামোল থাকে 'টিং টিঙা আগালত'।

ফৰকাল আকাশৰ তলত আতা- আবু সকলে নাতি নাতিনীহঁতক লৈ সাধুকথাৰ মেলা পাতে। আকাশৰ অজস্ৰ তৰা দেখি আবুয়ে হঠাৎ নাতি হঁতক সোধে-

এক টুকুলি শুপাৰী
গণিবা নাপাৰে বেপাৰী ।। (তৰা)

'এক টুকলি শুপাৰি' বেপাৰীয়ে গণিব নোৱাৰাত কোনো কাৰণ নাই। পিছে আকাশৰ তৰাবোৰ জানো কোনোবাই গণি পাৰিব?

সীমিত কলেবৰ বাবে ইয়াত মাত্ৰ কেইটামানহে সাঁথৰ উল্লেখ কৰা হ'ল। আমাৰ কোচ ৰাজবংশী জনগোষ্ঠী আধ্যুষিত গ্ৰাম্যাঞ্চলৰ চুকে কোণে এতিয়াও সহস্ৰ এনে সাঁথৰ বা 'শ্লোক' মানুহৰ মুখে মুখে শুনা যায়। এইবোৰ সংগ্ৰহ কৰি উপযুক্ত সংৰক্ষণ কৰিব পাৰিলে আমাৰ লোক সাহিত্যৰ ভড়াঁল চহকী কৰাৰ লগতে অসমীয়া সাহিত্যৰো এক আপুৰুগীয়া সম্পদ হিচপে চিহ্নিত হৈ ৰ'ব। ❑

(ইয়াত উল্লেখিত সাঁথৰবোৰ ল'ৰালিকালতে আমাৰ শ্ৰদ্ধেয়া আবু প্ৰয়াত প্ৰতিমা ৰায়ৰ মুখৰ পৰা শুনা ।)

*****

ৰাজবংশী পদবী পৰিচয়

দীপক কুমাৰ ৰায়

পত্তিটা মানুষিৰে পহেলা পৰিচয়ত কমকৰি দুইটা শব্দ খুব দৰকাৰ। পথমটা হৈল নাম (Name) আৰ ঐন্যটা হৈল উপনাম (Sur name); এই উপনামটায় মানুষিৰ পদবী। খালী নাম দিয়ায় একটা মানুষিৰ পৰিচয়টা পুৰন না হয়, জন গুষ্ঠি বা নৃ-গুষ্ঠিৰ পৰিচয় বুঝিবাৰ গেলে পদবীৰ ভিতিৰা নুকি থকা খন্টাও জানা-বুঝা খুব দৰকাৰ। তাৰ উপৰা থাকে মানুষিৰ নামেৰ নগদ অলংকাৰ -নাম আৰ পদবীৰ মাঝোতে মানুষি যাক্ ব্যৱহাৰ ক'ৰে। যেমন চন্দ্র কুমাৰ, লাল, ৰঞ্জন, ভূষণ, ৰাণী, বালা আৰো কিচিম কাচাম। কিন্তুক এইটা মানুষিৰ ইচ্ছামতন হয়া থাকে। তাৰবাদে মানুষিৰ আসোল পৰিচয়টাৰ হেৰফ্যাৰ না হয়। ৰাজবংশী মানুষি গুলাৰ এই নাখান নাম, পদবী আৰো অলংকাৰোৰ ব্যৱহাৰ আছে। কিন্তুক কালেৰ কুটিল চক্রত পড়ি ৰাজবংশী জাতিটা নানা মতন অ-ৰাজবংশী পদবী আপন কৰি নিছে, কাহ বাঙালী, কাহ অসমীয়া আৰ কাহ-কাহ বিহাৰী পদবী নিয়া আজিও পৰাৰ বোঝা বহন কৰি যাবাৰ ধৈছে। সেইবাদে ঠাই ধৰিয়া ৰাজবংশী পদবী গিলাৰ আলোচনা তল্‌তি ধৰা যায়।

নৃ-গুষ্ঠিৰ (Enthropology) আৰো কৃষ্টি -নৃ-গুষ্ঠিৰ (Cultural Enthropology) দিশ থাকি ৰাজবংশী গুলান মঙ্গোলীয় ফ্যকাৰ ত্র্যাকেনা ঠাকিল। ত্র্যাক্কাৰ বাংলাদ্যাশেৰ উত্তোৰ পাখে, নেপালোৰ ঝাপ-মৰং জেলা আৰো বিহাৰেৰ কাটিহাৰ কিষাণগঞ্জ আদি জেলা, পশ্চিম বঙ্গেৰৰ উত্তৰ বঙ্গ জাগাখান, বীৰভূমি, বাকুড়া মেদিনী পুৰ জেলা এবং সপ্ত কইন্যাৰ (Seven Sisters) দ্যাশত ৰাজবংশী গুলানে সংখ্যাত বেশী বুলি কোলেও খুব এ্যকটা ভুল হবাৰ না হয়। এ্যালেকাৰ ভাগাভাগিতে পদবীৰ খুউবে অদল -বদল হয়া গেইছে। তলত তাক ভট্‌ভট কৰি দিবাৰ চাঙ-

বিহাৰোত ৰাজবংশী পদবী ঃ

সিং সিংহ সিন্‌হা	-	বীৰত্বব্যঞ্জক
দাস	-	যেইলা মানুষি ৰায়সাহেৰ পঞ্চানন বর্মাৰ ক্ষত্রিত্রয় আন্দোলনত যোগ দেয় নাই।
দেৱ শর্মা	-	পুৰোহিত শ্রেণী।
সৰকাৰ	-	জমিদাৰেৰ দেয়া পদবী।

নেপালোত ৰাজবংশী পদবী ঃ

ৰাজবংশী শর্মা	-	ৰাজবংশেৰ মানুষি হিসাবোত।
বাহাদুৰ দাস		নেপালী পদবী গ্রহণ।

পশ্চিম বঙ্গেৰ ৰাজবংশী পদবী ঃ

পশ্চিমবঙ্গেৰ ৰাজবংশী পদবীগিলাৰ আলোচনা কৰিৰ গেইলে দুইটা ভৌগোলীক অৱস্থানত ভাগ কৰি আলোচনাত আগে যাওয়া দৰকাৰ। কাৰণ উত্তৰ বঙ্গ জাগাখান পুৰানী কাল থাকি প্রাগ্‌জ্যোতিষ - কামৰূপ- কমতাপুৰ কোচ-বিহাৰ বুলি ইতিহাসোৰ পাতোত জলজলা হয়া আছে। আৰ বীৰভূম বাকুড়া মেদিনীপুৰ অর্থাৎ দক্ষিণ বঙ্গৰ ৰাজবংশী মানুষিগুলাৰ পুৰানী কাল থাকি দ্রাবিড়-অষ্ট্রিক মিশ্রনত মানুষি গুলা কল্পি গেইছে।

উত্তৰব ঙ্গৰ ৰাজবংশী পদবী ঃ

কোচৰাজা প্রদত্ত পদবী -

দেউৰী ঃ কোচবিহাৰ ৰাজ্যৰ মন্দিৰগুলানেৰ পুৰোহিতগিলা এই পদবী পাইসে; ইমিৰা আসোলোতে কোচ আৰ ৰাজবংশী মানুষি।

নাৰায়ণ ঃ কোচবিহাৰ ৰাজাৰ বংশধৰ।

পাখাধৰা ঃ কোচবিহাৰ ৰাজবাড়িত যাঞ পাখাৰ বাতাস দিছিলো, তাৰ বংশধৰেৰ পদবী।

পাটোয়াৰী ঃ খাজনা আদায় আৰ হিসাব ৰাখা যাৰ কামকাজ।

লস্কৰ ঃ নিস্কৰভোগী সামন্ত মানুষি এলা যাক্ কওৱা হয় আর্মিৰ হাবিলদাৰ বা সার্জেন্ট।

ঠাকুৰিয়া ঃ কোচবিহাৰ ৰাজাৰ কাছ থাকি যাঞ গেৰামেৰ বা

OKDISCD

গাঁওয়েৰ প্ৰধান হিসাবোত চিন্ হৈছিল তাৰ পদবী -ঠাকুৰিয়া ৰাজবংশী ছাড়াও বোড়ো (অসম) গুলানেৰ মইধ্যোতো এইটা পদবী আছে।

ডাকুয়া ঃ কোচবিহাৰ ৰাজ্যোৰ ডাক বিভাগোৰ কৰ্মচাৰীৰ পদবী।

বৰুয়া ঃ কোচবিহাৰ ৰাজাৰ জাঙোই বা জামাই উমাৰ বংশধৰেৰ পদবী হয় বৰুৱা।

বসুনীয়া ঃ কোচবিহাৰেৰ নানামতন অনুষ্ঠানোত যাৰ কাজ-মানুষি জোগাৰ কৰা বা জমায়েত ঘটা।

পেলান ঃ প্ৰজাগুলানেৰ মইধ্যে যাঞ ভাল্ শিকাৰী।

পোটলাধৰা ঃ কোচবিহাৰ ৰাজা বাইৰোত গেইলে যাঞ ৰাজাৰ জামা কাপোড় নগদ নিয়া বা তদাৰকি কৰিছিল তাৰ পদবী পোটলাধৰা।

ঈশোৰ ঃ কোচবিহাৰ ৰাজপৰিবাৰেৰ ৰাজকইন্যাক কনো ৰাজপৰিবাৰ বাদ দি ঐন্যাঠে বিয়াও দিলে বেটা-বোটিৰ পদবী হয় ঈশোৰ।

কাৰ্যী ঃ কোচবিহাৰ ৰাজাৰ নগদ ঐন্যকুল মানুষিৰ বেটিৰ বিয়াও হইলে ৰাজাৰ শ্বশুৰেৰ পদবী কাৰ্যী হয়।

ঝৰিধৰা ঃ ৰাজা মলমূত্ৰ ত্যাগ কৰিবাৰ সময় যাঞ জলেৰ বদনা ধৰি যায়।

মান্তা ঃ ৰাজবাড়িৰ অতিথি গিলাৰ খাওয়া -দাওয়াৰ সময় লাঠি ধৰি যাঞ কুকুৰ পাহাড়া দেয়।

জলপাইগুড়ি ৰাজাৰ পদবী ঃ

ৰায়কত ঃ ৰায়, কোট ৰায় অৰ্থ অধ্যক্ষ এবং কোট অৰ্থ দুৰ্গ অথাৎ ৰায়কত আছিলো কোচবিহাৰ ৰাজ্যোৰ দুৰ্গ ৰক্ষাকাৰী। কোচৰাজা বিশ্বসিংহৰ বড় ভাই শিষ্য সিংহ এই ৰাজবংশটাৰ মুল। শিষ্যসংহৰ বংশধৰ গুলানেৰ পদবী ৰায়কত এবং জাতি পৰিচয় লেখিছেন ৰাজবংশী। কাহ-কাহ দেৱ ৰায়কত লেখেন।

কোঙৰ - < কুমাৰ

ঈশোৰ, কাযী বড়ুয়া পদবী -কোচবিহাৰ ৰাজাৰ নাকান।

ভূটান ৰাজাৰ প্ৰদও পদবী ঃ

উত্তৰ বঙ্গৰ উতোৰ পাখখান মেলা দিন ধৰি আছিলো ভূটান ৰাজ্যৰ দখলত। কোচবিহাৰেৰ নগদ ভূটানেৰ চুক্তি হৈলেও সীমানা নিয়া কাজিয়া পেচাল আঠাৰো শতকেৰ শ্যায ভাগোতো খুউবে আছিলো। শ্যাষম্যায ইংৰাজগুলানেৰ দপদপানিত চুক্তি কৰিৰ বাধ্যো হৈছিল ভূটান। পূৰ্ব আৰ পশ্চিম ডুয়ার্স মিলি ভূটানেৰ দখলিয়া জাগাখানত পৰজা ৰাজবংশী বোড়োগুলানক নানামতন কামকাজেৰ ভিত্তিত কিমিচ-কাচাম পদবী দিছিলো। ভূটিয়া ৰাজাৰ দেওয়া পদবীগুলা ৰাজবংশী মানুষিগুলান এলাও ব্যৱহাৰ কৰে। D.H. Sunder এৰ Settlement Report of the Western Duars, Jalpaiguri District, 1895 অনুসাৰে ৰাজবংশী পদবীগুলান হৈল-

মণ্ডল : " Head of a Village"

কাঠাম : \ dge জলপাইগুড়ি জেলাৰ বৰ্তমান বোড়ো মানুষিলাৰে এই পদবী আছে।

বড়ুয়াঃ "One who is Son- In- Law of a Raja"

কাৰ্যী "One Whose daughter is a Raja's wife"

মল্লিক ঃ "A tahsildar who also had power to fine and imprison and to try cases of all kinds.

গাবুৰ ঃ মল্লিকেৰ বেটাৰ পদবী।

কায়েত ঃ " One who Knows to read and Write".

বসুনীয়া ঃ "One Who gets people to Squat on lavel"

জমাদাৰ ঃ "A Jamader above a peon.

দেউৰী ঃ " The priest of a temple".

অন্যান্য পদবী ঃ

দাস ঃ ৰায়সাহেব পঞ্চানন বৰ্মাৰ ক্ষত্ৰিয় আন্দোলনেৰ আগোত অন্যান্য সৌগ ৰাজবংশী আন্দোলনত যোগদান না কৰা মানুষিগুলাৰ পদবী দাস।

সিং
সিংহ বীৰাত্মব্যঞ্জক পদবী।
সিন্হা

অধিকাৰী - গৌড়িয় বৈষ্ণৱ সংস্কৃতি আপন কৰি নেওয়াৰ পাছোত কাহ-কাহ এই পদবী নেয়। ইমিবা ৰাজবংশী সমাজটাত পূজাৰী শ্ৰেণী।

কীৰ্তনীয়া ঃ 'মড়া খোয়া' গান কৰে যেই মানুষিগুলা।।

ৰায় ঃ সংস্কৃত - ৰাজা > প্ৰাকৃত ৰাআ > ৰায় ক্ষত্ৰিয় হয়া

দাস কাটি ৰায় পদবী নেয়।

প্রধান ঃ শ্রেষ্ঠ অর্থত।

প্রামানীক ঃ বিয়াসাদিত যাওঁ সাক্ষী থাকে।

বর্মণ ঃ বর্ম - অর্থ ৰক্ষাকাৰী ।

বর্মা

দলৈ ঃ সংস্কৃত দলপতি > প্রাঃদলবই > দলৈ ।

চৌধুৰী ঃ ৰাজস্ব আদায়েৰ হিসাব দাখিলকাৰী ।

লায়েক ঃ নায়েক শব্দৰ অপভ্রংশ হৈছে।

নায়েক অর্থ সেনা নায়ক।

মহন্ত ঃ বৈষ্ণৱ প্রভাবোত আইসা।

মাঝি/মাজি ঃ কর্ণধাৰ অর্থত এই পদবী।

দক্ষিণ বঙ্গৰ ৰাজবংশী পদবীঃ

ঘাটা, ঘোড়াই বা ঘড়াই, মার্জিত, গায়েন, গিৰি (বৈষ্ণৱ আশ্রিত গিৰি সম্প্রদায়) বা গিড়ি, গুপ্ত, গুনিন, ঘৰা বা ঘড়া, ঘৰামী (ঘৰামি), জানা, জোয়াদ্দাৰ, দত্ত, দফাদাৰ, দেব, দেববর্মন, ধাৰা (ধাড়া), ৰাণা, ৰাউথ, ৰাউল, ৰায় চৌধুৰী, ৰং , শিকদাৰ, (সিকদাৰ), ছৰদাৰ (ছর্দাৰ), সানা (শানা) , সাউদ (সাউথ), সাঁতৰা (সাতৰা), সাফুই (সাঁফুই) (সাবুই), সেন (শ্যেন), সেনাপতি, (শ্বণকাৰ), হহিত (হাইৎ, হাজৰা (হালদাৰ), নাইয়া (নায়া), নায়ক, পাল, নেয়ে, পণ্ডিত, পর্বত (পর্ব্বত), পাত্র, পহিক, পাখিয়া, বাৰুই, পাড়ই (পাড়ুই পড়উ, পোড়েল (পড়েল), বাকড়া (বাকৰা), বিশ্বাস, বেজ, বেৰা(বেড়া), বেপাৰী (ব্যাপাৰী, বৈৰাগী, বোস, ভঞ্জ, ভূঞা, ভৌমিক, মণ্ডল, মহন্ত, মহাপাত্র, মজুমদাৰ, মাঝি, মান্না, মাইতি, মালিক, মালাকাৰ, মিদ্যো, মিস্তী (মিস্ত্রি), মূড়া, মৃধা মোড়ল, মৌলিক, হেম (হেঁম), ইত্যাদি।

অসমেৰ ৰাজবংশী পদবী ঃ

অসমেৰ আগিলা গোয়ালপাড়া জিলাৰ ৰাজবংশী মানুষিগুলানেৰ পদবীৰ সাথোত কোচবিহাৰ ৰাজা প্রদত্ত পদবীৰ ভালেখান সম্পর্ক আছে; কেনেনা আগিলা কোচ ৰাজ্যোৰ ভিতিৰায় একটা সময় আগিলা গোয়ালপাড়াও পড়ছিল। তাৰ উপুৰা আছে -

আহোম ৰাজাৰ থাকি পাওয়া পদবী ঃ

লহকৰ ঃ আহোম ৰাজ্যৰ দিনত সৈন্য সহায়ক হিসাবোৎ নিযুক্ত। (A Class of people during Ahom reign who served as cami followers.)

মুন্সী < মুন্সিক ঃ দেওয়ানী- আদালতেৰ বিচাৰক। (A Subordinate Judicial officer)

বৰুয়া ঃ 'The Chief Judicial Officer of Ahome Kings.'

শইকীয়া ঃ 'An office during Ahom reign whose duty was to supervise the work of one hundred labourers'

চলিহা ঃ আহোম ৰাজাৰ দেওয়া - 'A title of a class of officers during Ahom Reign'.

বৰা ঃ আহোম ৰাজাৰ কুড়িজন পাইকেৰউপোৰ একঝন। 'A Class of Officers of Ahome Kings'

বৰ বৰুৱা ঃ 'The Chief Judicial Officers of Ahom Kings'

মজুমদাৰঃ আহোম ৰাজাৰ দিনত ৰাজা বা বৰফুকনেৰ হিসাব পত্র আৰ চিঠি লেখাৰ কামকাজ কৰা মানুষি। 'A private Secretary of the king or Viceroy'

চমুৱা ঃ 'A Class of people during Ahome reign above the rank of manual workers. ' পাইকেৰ উপৰোত ইমাৰ স্থান।

ঐন্য সূত্র থাকি আইসা পদবী ঃ

চৌধুৰী ঃ জমিদাৰ অথবা সামন্ত ৰাজা ।

মেধী ঃ সত্রত নিযুক্ত । শংকৰ দেৱেৰ প্রভাবত।

কোচ ঃ কোচ ৰাজবংশ থাকি উৎপত্তি।

কোৱৰ ঃ কুমাৰ (ৰাজকুমাৰ) ।

খাটনিয়াৰ ঃ শংকৰীয় সত্রত নিযুক্ত বিষয়া।

গিৰি ঃ অনুমান বৈষ্ণবেৰ গিড়ি সম্প্রদায় থাকি আইসা।

গিতাল < গিদাল ঃ গায়ক

তহবিলদাৰ ঃ কোষাধ্যক্ষ (treasurer) ৰাজাৰ দিনত সৃষ্টি হওৱা।

OKDISCD

তৰফদাৰ ঃ তৰফ অর্থ পৰগনাৰ অংশ। তৰকদাৰ তৰফেৰ খাজনা আদায় আৰ শান্তি ৰইক্ষা কৰে।

তালুকদাৰ ঃ তালুক (গাও) এৰ ভাৰপোৱা মানুষি।

তামুলী ঃ গুয়া-পান কাটি দিছিলো যাঞ।

ডিহিডাৰ ঃ অঞ্চল প্রধান।

দলৈ ঃ মন্দিৰেৰ মূল পূজাৰী।

মালি ঃ ফুলেৰ মালা গাথা যাৰ পেশা।

লস্কৰ ঃ সৈন্য ।

সেনাপতি ঃ সৈন্যাধ্যক্ষ ।

হাজৰিকা ঃ হাজাৰ সৈন্যেৰ অধিনায়ক। মোগল যুগেৰ পদবী। হাজৰা > হাজাৰী > হাজৰিকা

বৈষ্ণৱ ঃ বিষ্ণুৰ উপাসক অর্থত।

ফৌজদাৰ ঃ ফৌজদাৰী আৰো শান্তি ৰইক্ষা বিভাগেৰ পৰিচালক (Magistrate)।

ৰায়

বর্মন ঃ পশ্চিমবঙ্গৰ মতন ক্ষত্রিয় আন্দোলনেৰ পৰে আইসা পদবী।

বর্মা

দস্তিদাৰ ঃ দলিল লেখাইয়া।

এইলা বাদদি আৰো নানামতন পদবী অসমেৰ ৰাজবংশী মানুষিগুলান ব্যৱহাৰ কৰে যাৰ সুঙসুত্রো জানা খুব দৰকাৰ বুলি ভাবা যায় । যেমন টকৰিয়া, আতা, নাৰায়ণ দেৱ, ডাউকা, দেৱ, ভৰালী, দেৱ বর্মা, ঢিং, পাঠক, পাটগিৰি, পাল, বানই / বায়ন, বশিষ্ট, বৈৰাগী, বৰবৰা, ভুঞা (land holder), মহন্ত (A religious Instructor) মণ্ডল (Headman of a village) ইত্যাদি । ❑

******



ৰাজবংশী ভাষা সংস্কৃতিৰ সৰবৰহী অনুষ্ঠান ঃ কুশান গান

নিৰঞ্জন ৰায়

'কুশান গান' ৰাজবংশী ভাষা-সংস্কৃতিৰ এক উল্লেখযোগ্য আৰু সৰবৰহী অনুষ্ঠান । অকল অবিভক্ত গোৱালপাৰা জিলাতে নহয় , উত্তৰ বংগৰ কোচবেহাৰ, জলপাইগুৰি, আৰু পূর্ববংগৰ (বর্তমান বাংলাদেশ ৰ ৰংপুৰ জিলাৰ) বিভিন্ন অঞ্চলত ইয়াৰ ব্যাপক প্রচলন আছে ।

'কুশান গান' এক লোকগীতি নাট্য ধর্মী অনুষ্ঠান । সেয়ে পণ্ডিত সকলে ইয়াক একমতেৰে লোকনাট্যৰ অর্ন্তভুক্তি কৰিছে। ইয়াৰ উৎপত্তি সন্দর্ভত ভিন্নজনে ভিন্ন মত পোষণ কৰে যদিও দুটা মতবাদহে এইক্ষেত্রত বহুল ভাৱে প্রচলিত । কোচ শাসনকালৰ গান বা কোচৰ গানৰ পৰাই কোচান গান হৈ কুশান গান হৈছে । আনটো মত হৈছে "কুশৰ মুখত যি গান শুনা গৈছিল, সেয়ে কুশান গান" । লৱ সীতাৰ কাষৰ পৰা সাময়িক ভাৱে আঁতৰি থকাত সীতাৰ সন্তাপ দূৰ কৰিবলৈ মর্হিষি বাল্মীকিয়ে কুশ বনৰ পৰা কুশৰ সৃষ্টি কৰিছিল । পিছত সেই লৱ আৰু কুশই লাহে - লাহে বুজন হোৱাত বাল্মীকিৰ পৰা শিক্ষা গ্রহণ কৰি ৰাম সীতাৰ দুখ - দুর্দশাৰ জীৱন কাহিনী সম্বলিত গীত দেশ-দেশান্তৰে গাই ফুৰিছিল । এই গানৰ আর্হিৰে পৰৱর্তী কালত সমগ্র ভাৰতবর্ষৰ লগতে পশ্চিম অসম, পূৱ বংগ (বাংলাদেশৰ ৰংপুৰ অঞ্চল) আৰু উত্তৰ বংগৰ ৰাজবংশী জনগোষ্ঠী অঞ্চলত প্রচলিত হ'বলৈ ধৰিলে । ইয়াকে কুশৰ গান বা কুশান গান বুলি পশ্চিম অসমত জনজাত হ'ল বুলি পণ্ডিত সকলে দাবি কৰিলেও দ্বিতীয় মতবাদতকৈ প্রথম মতবাদটোৰ পৰা কুশান শব্দটোৰ উৎপত্তি হোৱাৰ সম্ভাৱনা বেছি । কাৰণ ১৫১৫ খৃষ্টাব্দ পিছত কোচৰজাৰ তত্বধানত ৰামায়ণৰ মূলকাহিনীবোৰ কমতাপুৰী ভাষা বা ৰাজবংশী ভাষাত গীতৰ ৰূপ দি ৰাজবংশী অঞ্চলবোৰত প্রচলিত হোৱা দেখা যায় ।

'কুশান গান'ত ৰামাণয়ৰ গীতকে গোৱা হয় । বাকী মহাভাৰত -পুৰাণ ৰ আখ্যানভাগৰ কাহিনী গোৱা নহয় । কুশান গান পৰিবেশনৰ কাৰণে প্রায় পোন্ধৰৰ পৰা কুৰিজন মান ব্যক্তিৰ প্রয়োজন । তেওঁলোক পাঁচ ভাগত বিভক্ত । গীদাল (মুল গায়ক), দোৱাৰী (মূল পালি), পাইল (পালি বাইন বাদ্যযন্ত্রী বাদক) আৰু ছুকুৰী (নাচনী) পূর্ব্বতে ল'ৰাই ছোৱালীৰ ভেশ লৈ নাচিছিল বাবে ছুকুৰী বোলা হৈছিল । বর্তমান ছোৱালীও এই নৃত্যত ভাগ লয় । ইয়াত এজন গীদাল, এজন দোৱাৰী, দুই তিনিজন পাইল, তিনিৰ পৰা চাৰিজন মান বাইন, আৰু সাত-আঠ জনী ছুকুৰী থাকে । মঞ্চ সদৃশ এক - ডেৰ ফুট মান ওখকৈ মাটিৰ ভেটি সাজি কুশান গান পৰিবেশন কৰা হয়। (বর্তমান ইয়াক মঞ্চতে পৰিবেশন কৰা হয়) । মঞ্চৰ সোঁমাজত পাইল আৰু বাইনসকল মুখামুখিকৈ বহে । তেওঁলোকে বহা ঠাইখিনিৰ পৰা চাৰিও ফালে পাঁচ ছয় হাতমানকৈ মঞ্চত খালী ঠাই ৰাখে । মঞ্চত থকা খালী ঠাইখিনিত গীদাল আৰু দোৱাৰীয়ে থিয় হৈ কুশান বা পালা গানৰ ঘোষা পদবোৰ বিভিন্ন মূদ্রাৰে পৰিবেশন কৰে । বাইনসকলে খোল , তাল, বেণা, বাঁহী আৰু দোতোৰা বজাই গানৰ লগত সংগত কৰে । গীদালে লগাই দিয়া গানবোৰত পাইল সকলে গান গাই সহযোগ কৰে, আৰু নাচনী বা ছুকুৰী সকলে মুৰত ৰঙা নীলা ফিতাৰে চুলিকোচা দুভাগ কৰি বান্ধি লৈ নাচে । মঞ্চৰ চাৰিওফালে শ্রোতা দর্শকসকল বহি কুশান গান উপভোগ কৰিব পাৰে । দৰং জিলাৰ বিভিন্ন অঞ্চলত প্রচলিত যাত্রা ভাৱৰীৱাৰ মুকুলি মঞ্চৰ দৰে কুশান গানৰ মঞ্চও চাৰিওফালে মুক্ত ।

এই অনুষ্ঠান পৰিশেনৰ শৈলী বা অংগ হৈছে দুটা। এটা হৈছে অন্তৰংগ আৰু আনটো হৈছে বহিঃ ৰংগ । গীদাল আৰু পাইলবোৰে প্রত্যেকে প্রত্যেকৰ সহ -যোগিতাৰে মুল আখ্যান পদবোৰ গায় আৰু সুৰ অনুক্রমে প্রয়োজন অনুসৰি বাইনে বাদ্য যন্ত্র বজাই সহযোগ কৰে । মূল কথা বা কাহিনীৰ কিছু অংশ গোৱাৰ পিছত গীদাল আৰু দোৱাৰীয়ে গাই থকা গীত-পদবোৰৰ কাহিনী আৰু অর্থ ৰসাল কথোপকথনৰ মাজেৰে দর্শক শ্রোতাসকলৰ সন্মুখত ব্যাখ্যা কৰে। এনেদৰে কথা আৰু গানৰ মাজেদি মূল আখ্যান আগবাঢ়ি যায়। ইয়াকে অন্তঃ ৰংগ বুলি কয়। মূল কথা কিছুদুৰ আগবাঢ়ি যোৱাৰ পিছত মূলৰ লগত সম্পর্ক নথকা যিকোনো আদি বা হাস্যৰসাত্মক গান গোৱা হয়। তেতিয়া ছুকুৰীবোৰে নানান ভংঙ্গীমাত নাছে। কেতিয়াবা আকৌ গীদাল দোৱাৰীয়ে কোনো উপকথা বা কাহিনী ৰসাল আলোচনাৰে

OKDISCD

উপস্থাপন কৰে আৰু মূল কাহিনীৰ পিছৰ অংশ শুনিবৰ কাৰণে সাময়িক ভাবে মানসিক বিশ্রাম দি দর্শকক প্রস্তুত কৰি তোলে। ইয়াকে কয় বহিঃ ৰংগ । কুশান গানৰ এই বহিঃ ৰংগত কিছুমান কথা উপকথা ৰাজবংশী ভাষাৰ কিছুমান ৰসাল ফকৰা-যোঁজনা ব্যাৱহাৰ কৰা দেখা যায়। দোৱাৰী আৰু ছুকুৰীৰ (নাচনীৰ) মাজত ধেমেলীয়া ফকৰাত দোৱাৰীয়ে নাচনীক উদ্দেশ্যে কয়,

উৰিয়া যায়ৰে চকোৱা পক্ষী,
পাখা নৰৱৰ কৰে।।
তোৰ মতো কত চেংৰি,
মোৰ সৈতে যাছিয়া ভাতাৰ ধৰে।

তেতিয়া ছু কুৰী (নাচনী) বিলাকে লাজ পাই লাজুক - লাজুক ভাৱে দোৱাৰীক উদ্দেশ্যে কৰি কয়-

চিনা জোক পাদুৰা পোকা।
তুই এলায় হবি মোৰ ভাতাৰেৰ জোখা।।


এনে ফকৰাৰে ছুকুৰীয়ে দোৱাৰীক ঠাট্টা কৰাত দোৱাৰীয়ে লাজ পোৱাত তেতিয়া উপস্থিত শ্রোতাই হাতত চাপৰি মাৰি আনন্দ অনুভৱ কৰে। তদুপৰি আকৌ কুশান গানত বেনা (বীণ, বেহেলা) অপৰিহার্য । সেয়ে এই গানক কোনো-কোনোয়ে বেনা গান বা দোতৰা গান বুলি কয়। আৰু কুশান গানত এক মাত্র-ৰামায়ণৰ ঘোষা পদহে গোৱা হয়। ওজাপালিৰ নিচিনা এই অনুষ্ঠানত বেলেগ বেলেগ আখ্যান গোৱা নহয়।

উল্লেখযোগ্য কথা যে কুশান গানত কৃতিবাসী ৰামায়ণৰ পদবোৰহে গোৱা হয়।

"শ্রী ৰাম ৰাৱন যুদ্ধ লাগিল আৱাৰ।
বাচিয়া বাচিয়া ৰাম কৰেম প্রহাৰ।।
শ্রী ৰামৰ বানে ৰাজা কৰে ধৰ-ফৰ।
সহিতে নাপাৰি ৰাজা উঠে দিল লৰ।।
সাৰথিকে আজ্ঞা দিল ৰাজা দশানন।
লংকাতে চলাওঁ ৰথ তড়িৎ গমন।।
লংকাতে পলাইয়া গেল ৰাজা লংকেশ্বৰ।
পশ্চাতে বানৰ যায় বলে ধৰ ধৰ।।
সেই দিন মৰিতেন ৰাৱন ৰাজায়।
ৰঘুনাথ বাক্য কভু খণ্ডন নাযায়।।" ইত্যাদি

কুশান গানত প্রথমে বন্দনা কৰি পিছত হাক-ডাক দি কাহিনী আৰম্ভ কৰে। পদ পয়াৰ গায়। গীদাল দোৱাৰী ৰ কথোপকথনৰ যোগেদি ভাঙনি দিয় থাকে। মাজে মাজে চটক ভাৱাইয়া দেহতৱৰ গীত গাই গাই ধর্মীয় কাহিনী শুনাৰ এক ঘেয়ামি দুৰ কৰে। কিছুমান অঞ্চলত এই অনুষ্ঠান থিয় হৈ গীত পৰিবেশ কৰে বাবে তাক খাৰা তাল বা খাৰাতালী বুলি কয়। আৰু বহি কৰা অনুষ্ঠানক বইশাতালী বোলে। এয়াও মূলতে কুশা গানেই। আকৌ কিছুমান অঞ্চলত ৰামায়নৰ কাহিনীকে বিষ বস্তু হিচাপে লৈ গীদাল দোৱাৰী আৰু পাঁচ ছয়জনমান পাইক গোৱা আন এবিধ গীতৰ অনুষ্ঠান আছে। ইয়াকে ৰামাযণী গা বোলে। কুশান গান ৰামায়ণী -গানক ভোজপুৰীৰ 'ৰামলীলা অনুষ্ঠানৰ লগত ৰিজাব পাৰি। ❑

* * * * * *



OKDISCD

ৰাজবংশী কৃষ্টি

যামিনী কুমাৰ বৰুৱা

কৃষ্টি বুলি ক'লে লোকগীত, লোকনৃত্য, লোকনাট্য, সামাজিক পূজা পার্বন, সামাজিক ৰীতি-নীতি, সাজপাৰ আৰু খাদ্যাভাস আদিকে বুজায়। কোনো এটা জনগোষ্ঠীৰ কৃষ্টি বুলি ক'লে বুজিব লাগিব যে সেই বিশেষ কৃষ্টিবোৰ অইন জনগোষ্ঠীৰ মাজত নাই। উমৈহতীয়া কৃষ্টিবোৰ কোনো বিশেষ এটা জনগোষ্ঠীৰ নিজস্ব কৃষ্টি নহয়। আমাৰ আলোচ্য বিষয় হ'ল ৰাজবংশী কৃষ্টি। আমি প্রথমতে ৰাজবংশী লোকগীতৰ কথাই আলোচনা কৰা হ'ল ।

ৰাজবংশী লোকগীত বুলি আমি সেইবোৰ লোকগীতকেই ক'ব খোজো যিবোৰ লোকগীতক গুৱাহাটী অনাতাঁৰ কেন্দ্র আৰু গুৱাহাটী দূৰৰ্শন কেন্দ্রই গোৱালপৰীয়া লোকগীত বুলি প্রচাৰ কৰি আছে। ইয়াত গোৱালপৰীয়া নামটোৱে পুৰণি গোৱালপাৰা জিলা তথা বর্তমানৰ ধুবুৰী জিলা, কোকৰাঝাৰ জিলা, বঙাইগাঁও জিলা আৰু গোৱালপাৰা জিলাক বুজায়। বর্তমানৰ এই কেইখন জিলাক প্রৱন্ধটোত অবিভক্ত গোৱালপাৰা জিলা হিচাপে উল্লেখ কৰা হৈছে। তথাকথিত গোৱালপাৰা লোকগীতবোৰ অকল অভিভক্ত গোৱালপাৰা জিলাৰে লোকগীত নহয়, এইবোৰ উত্তৰ বঙ্গৰ কোচবেহাৰ জিলা, জলপাইগুৰি জিলা, দিনাজপুৰ জিলা আৰু বাংলা দেশৰ ৰংপুৰ জিলাৰো লোকগীত। যিবোৰ লোকগীত দুখন স্বাধীন ৰাষ্ট্রৰ অর্থাৎ ভাৰতবর্ষৰ আৰু বাংলাদেশৰ মুঠ পাঁচখন জিলাৰ লোকগীত সেই লোকগীত অকল গোৱালপৰীয়া লোকগীত বুলি ক'ব পাৰিনে? ই কৃষ্টিৰ ক্ষেত্রত চৌর্যবৃত্তিৰ বাহিৰে আন একো নহয়।

তেনেহ'লে তথাকথিত গোৱালপৰীয়া লোকগীতবোৰক কি নামেৰে অভিহিত কৰিব পৰা যায়? ওপৰত উল্লেখ কৰা ৰাষ্ট্রদুখনৰ যি পাঁচখন জিলাত এই লোকগীতবোৰ প্রচলিত, সেই পাঁচখন জিলা আগতে কমতাপুৰ ৰাজ্যৰ অন্তর্গত আছিল আৰু লোকগীতবোৰ তেতিয়াৰ পৰাই প্রচলিত আছিল। সেই কাৰণে এই লোকগীতবোৰক 'কমতাপুৰীয়া লোকগীত' নামেৰে অভিহিত কৰাটো হে যুক্তিসংগত। 'কমতাপুৰীয়া লোকগীত' নামটোৱে কমতাপুৰ ৰাজ্য গঠনৰ দাবী আন্দোলনত ইন্ধন যোগাব পাৰে বুলি ভাবিলে ৰাজবংশী লোকগীত নাম দিয়ক। কিন্তু গোৱালপৰীয়া লোকগীত নাম নৈব নৈব চ।

ৰাজবংশী লোকগীত নাম দিয়াৰ যুক্তি এই যে, ওপৰত উল্লেখ কৰা জিলা কেইখনত অর্থাৎ কমতাপুৰ ৰাজ্যত ৰাজবংশী সকল আছিল ভূমিপুত্র। তেওঁলোক আছিল সংখ্যাগৰিষ্ঠ জনগোষ্ঠী আৰু তেওঁলোকৰ চহা জনগনে গাইছিল এইবোৰ গান। ৰাজবংশীসকলৰ বাহিৰেও কমতাপুৰ ৰাজ্যৰ ভূমিপুত্র আছিল বড়ো,ৰাভা,আদি জনজাতি সকল। কিন্তু তেওঁলোকৰ ভাষা কৃষ্টি সম্পূর্ণ বেলেগ। কমতাপুৰ ৰাজ্যত ইছলামধর্মী লোকৰ সংখ্যাআছিল নিচেই তাকৰ। ব্রাহ্মণ,কায়স্থ আদি উচ্চবর্ণৰ লোকসকলক কমতাপুৰৰ ৰজাসকলে অন্যান্য ৰাজ্যৰ পৰা আনি কমতা পুৰত সংস্থাপন কৰিছিল। তেওঁলোকৰ ভাষা কৃষ্টি আছিল বেলেগ। পিছত লাহে - লাহে তেওঁলোকে কমতাপুৰীয়া ভাষা - কৃষ্টি গ্রহণ কৰে। তেতিয়া আন কোনো জনগোষ্ঠী কমতাপুৰ ৰাজ্যত নাছিল, থাকিলেও তেওঁলোকৰ সংখ্যা আছিল নিচেই তাকৰ । গতিকে এই লোকগীতবোৰ আছিল ৰাজবংশী জনগনৰ লোকগীত। তাত কোনো সন্দেহ নাই। তদুপৰি, এই লোকগীতবোৰৰ উৎস নো কি? এই লোকগীতবোৰৰ উৎস হ'ল -

১) কাতিকা পূজাৰ গান
২) মদনকামদেৱ পূজাৰ গান
৩) সোনাৰায় মাগা গান
৪) অ'ৰি বা এউৰি মাগা গান
৫) কুশান গানৰ ছুকৰী সকলে গোৱা মাল্শ্বী গান
৬) বাশীপুৰাণ গানৰ ছুকৰী সকলে গোৱা মাল্শ্বী গান
৭) নয়নশৰী গানৰ ছুকৰী সকলে গোৱা মালশ্বী গান

মৈষালী আৰু মাহুতৰ গীত বুলি তেওঁলোকৰ নিজস্ব কোনো গীত নাই । আগৰ কালত বহুতো চহকী মানুহে ম'হৰ বাথান আছিল। ম'হ চৰাবলৈ,গাখীৰ খিৰাবলৈ আৰু ম'হৰ যতন ল'বলৈ মহাজনে কিছুমান মানুহ নিযুক্ত কৰিছিল । সিহঁতকে মৈষাল বুলি কোৱা হৈছিল। মৈষালবোৰে ম'হ চৰাই ফুৰোতে নিঃ সঙ্গতা দূৰ কৰিবলৈ ওপৰত উল্লেখ কৰা গীতবোৰেকে

গাইছিল। মৈষালী গীত বুলি নামাকৰণ কৰাটো বিভ্রান্তিজনক। হাতীৰ মাউতবোৰেও সেইবোৰ গীতকে গাইছিল। মাউতৰ গীত বুলি বেলেগ কোনো গীত নাই। 'মাহুত বন্ধুৰে' নামৰ চিনেমাখনৰ মাউতে গোৱা গীতবোৰৰ পৰাহে 'মাহুতৰ গীত' কথাষাৰ প্রচাৰ হৈছে। আচলতে সেইবোৰ লোকগীতৰ সুৰেৰে ৰচনা কৰিছিল ড° ভূপেন হাজৰিকাই । তেওঁ আছিল চিনেমাখনৰ সঙ্গীত পৰিচালক আৰু গীতিকাৰ । গায়িকা আছিল প্রয়াত প্রতিমা বৰুৱা তেতিয়া তেওঁ পাণ্ডে হোৱা নাছিল। গায়ক আছিল হাজৰিকাদেৰ নিজেই।

এহি মানৰ কথা এহি মানে থক, এতিয়া পূজা -পাতালৰ কথা আৰম্ভ হ'ক। বাশ পূজা ৰাজবংশীসকলৰ এটি বৈশিষ্টপূর্ণ পূজা। বাশ পূজাত আচলতে বাঁহ গছক পূজা কৰা নহয়। বাশ পূজা নামেৰে কিছুমানে পূজা কৰে কালী গোসাঁনীক আৰু বাশ পূজা নামেৰে কিছুমানে পূজা কৰে মদনকামেদেৱক। এই কালী পূজা কৰা হয় ব'হাগ মাহৰ 'আওয়ালী' বা আউসীৰ দিনা অর্থাৎ অমাৱস্যা তিথিত। মদনকামদেবৰ পূজা কৰা হয় ব'হাগ মাহৰ মদন চতুদ্দর্শী তিথিত । মন কৰিবলগীয় কথা যে, দুয়োটা পূজা হয় ব'হাগ মাহত। এটা পূজা হয় কৃষ্ণপক্ষত আৰু আনটো পূজা হয় শুক্লপক্ষত। এই দুয়োবিধ পূজাত দহ -বাৰ হাতমান দীঘল দহ -বাৰডালমান বাঁহ কটা হয় প্রতিডাল বাঁহ কাপোৰেৰে মেৰিয়াই তাৰ মূৰত একোটাকৈ চোৰঁৰ বন্ধা হয়। পূজাৰ সময়ত মানুহবোৰে সেই বাঁহবোৰ হাতেৰে থিয়কৈ ধৰি পূজা প্রাঙ্গনত ঘুৰি-ঘুৰি নৃত্য-গীত কৰে। বাঁহবোৰ লৈ নৃত্য-গীত কৰে বুলি এই পূজাটোৰ নাম বাশ পূজা হ'ল নেকি ?

এইখিনিতে প্রশ্ন উদয় হয় পূজা হয় কালী বা মদনকামদেৱৰ, নাম হ'ল বাশ পূজা। ইয়াৰ কিবা এটা গূঢ় তাৎপর্য নিশ্চয় আছে। আমি বৃক্ষ পূজা কৰা ধান এৰিধ তৃণজাতীয় বৃক্ষ। ধানক আমি লক্ষ্মীৰূপে পূজা কৰো। ধান ৰোৱাৰ আগতে পূজা কৰিহে আমি 'গোছা দিওঁ'। কাতি বিহুৰ দিনা ধাননি পথাৰত 'বাতি দিওঁ অর্থাৎ বন্তি জ্বলাই লক্ষ্মীক আদৰো। আকৌ ধানকটাৰ আগতে পূজা কৰি আগ আনি হে ধান কটা কাম আৰম্ভ কৰো। প্রথম ধান মৰণা মৰাৰ দিনাও এটা অনুষ্ঠান কৰা হয়। তাৰ পালন কৰা হয় 'ন-খোৱা' উৎসৱ । ন-খোৱাৰ সময়তো পূজা-পাতল কৰা হয়। এইদৰে ধানক আমি লক্ষ্মীৰূপে পূজা -সেৱা কৰো।

ধানৰ গছৰ পিছতে আমাৰ আটাইতকৈ লাগতিয়াল হ'ল বাঁহ। আগৰ কালৰ মানুহে ঘৰ বান্ধিছিল বাঁহৰ খুটিৰে। বাঁহৰ ৰুৱা, কামি আৰু বাঁহৰ তেঁৱালেৰে ঘৰৰ চাল বন্ধা হৈছিল। নিত্য প্রয়োজনীয় কুলা-ডলা, চালনী,বিচনী, চেৰেকী, উষা আকৌ মাছমৰা সঁজুলি যেনে জাকৈ-খালৈ, পলো, চেপা, ঠুহা আদি কৃষি সঁজুলি যেনে নাঙল, গৰু বা ম'হ গাড়ীৰ যুঁৱলি, জবকা, বিন্ধা, মৈ, দলিমাৰিৰ মাৰিডাল ইত্যাদি আটাইবোৰ বস্তুয়েই হয় বাঁহৰ দ্বাৰা। এনেকৈ খেতিয়কৰ এছাৰিডালো বাঁহৰ । আগৰ কালত হাবি-বননিত ঘৰৰ ওচৰতে বাঘ ভালুক আদি হিংস্র জন্তুবোৰ ঘুৰি ফুৰিছিল। পদে- পদে আছিল সাপৰ ভয়। সেয়ে মানুহে বাঁহৰ শকত লাঠি এডাল হাতত লৈ ফুৰিছিল। হাতত লাঠিডাল থাকিলে মনত সাহস জাগে, শৰীৰত শক্তিৰ সঞ্চয় হয়। সেই কাৰণে মানুহে বাঁহক শক্তিৰ প্রতীক বুলি মানিবলৈ ধৰিলে। ধান হ'ল আমাৰ লক্ষ্মীৰ প্রতীক আৰু বাঁহ হ'ল শক্তিৰ প্রতীক। সেয়ে ধানক পূজা কৰাৰ দৰে বাঁহকো পূজা কৰা নিয়ম প্রৱর্তিত হৈছিল। পিছত বাঁহৰ পৰিৱর্তে হৈছিল শক্তিৰ অধিষ্ঠাত্রী দেৱী কালী গোসাঁনীক পূজা কৰা নিয়ম প্রচলিত হ'ল। কিন্তু পূজাৰ নাম হ'ল বাশ পূজা। নামৰ লগত সঙ্গতি ৰাখি বাঁহ নৃত্যৰ প্রচলন হ'ল। কালীপূজা হয় লক্ষ্মীপূর্ণিমাৰ পিছৰ অমাৱশ্যা তিথিত। কিন্তু বাশ পূজাৰ নামত কালীপূজা হয় ব'হাগ মাহৰ অমাবশ্যাত, কাৰণ ব'হাগ মাহ হ'ল বাঁহ গছ ৰুৱাৰ সময় । গতিকে ব'হাগ মাহত বাশ পূজা কৰা হয়।

কিন্তু বাশ পূজাৰ নামত মদনকামদেৱৰ পূজা কৰা হয় কিয় ? মদনকামদেৱ প্রজনন শক্তিৰ প্রতীক। প্রজননৰ দ্বাৰা জীৱৰ সংখ্যা বৃদ্ধি হয়। উদ্ভিদো এবিধ জীৱ। আৰু ইয়াৰো বংশ বৃদ্ধি হয়। এডাল বাঁহৰ মূৰাৰ পৰাই হয় এচুপা বাঁহ। বাঁহৰ গজালিবোৰ দেখিবলৈ শিৱলিঙ্গৰ দৰে। এতেকে বাঁহক প্রজনন শক্তিৰ প্রতীক ৰূপে ধৰা হ'ল। প্রজনন শক্তিৰ দেৱতা হ'ল মদনকামদেৱ। সেয়ে কিছুমানে বাঁহ পূজাৰ নামত মদনকামদেৱৰো পূজা কৰে ব'হাগ মাহৰ মদন চতুদ্দর্শী দিনা। সেয়ে কিছুমানে পূজা কৰে আঘোনমাহৰ শুক্লা চতুর্দ্দশীৰ দিনা। আঘোন মাহত পূজা কৰাৰ অর্থ হ'ল এয়ে যে, ব'হাগ মাহত বাঁহ ৰুলে সি আঘোন মাহত ঠন ধৰি উঠে। আমি বাৰিষাৰ আৰম্ভনিতে অর্থাৎ জেঠ মাহৰ শেষত বা আহাৰ মাহৰ পহিলা ভাগত শালিধান ৰুলে যেনেকৈ আহিন মাহত ধানৰ গোছাবোৰ ঠন ধৰি উঠে আৰু তেতিয়া আহিন মাহৰ সংক্রান্তিৰ দিনা কাতি বিহুত বা 'কাতি গছা' ত ধাননি পথাৰত বন্তি জ্বলাই লখিমীক আদৰো। সেইদৰে আঘোন মাহত অর্থাৎ বাঁহ ঠন ধৰি উঠাৰ সময়ত কিছুমানে মদনকামদেৱৰ পূজা পাতে। মদনকামদেৱৰ পূজাত বাঁহ নচুৱাই-নচুৱাই গীত গোৱা হয়। কিছুমান গীত যৌনধর্মী আৰু কিছুমান গীত অযৌনধর্মী। ভাল গীতবোৰক লোকগীত হিচাপেও গোৱা হয়।

কাতিকা পূজা কৰা হয় কার্তিক পূর্ণিমাৰ দিনা। ইয়াক 'নাৰী মহোৎসৱ' আখ্যা দিব পাৰি। গাৱঁৰ তিৰোতাসকলে সমূহীয়া ভাবে কাতিকা পূজা পাতে। পূজা সন্ধিয়া সময়ত হয় আৰু তাৰ পিছত গোটেই ৰাতি তিৰোতাসকলে নাচ-গান কৰি কটায়, নাচ-গানত অংশ গ্ৰহণ কৰিবলৈ বা চাবলৈ বেলেগ গাঁৱৰ পৰাও তিৰোতাসকল আহে। এইদৰে আজি ইখন গাঁৱত, কালি সিখন গাৱঁত পূজা অনুষ্ঠিত হৈপ্ৰায় দু-সপ্তাহমান ধৰি চলি থাকে। ইয়াৰ বেচিভাগ গীতেই যৌনধৰ্মী। অযৌনধৰ্মী গীত আছে আৰু সেই গীতবোৰ গোৱালপৰীয়া লোকগীত' হিচাপে প্ৰসিদ্ধ হৈছে। কাতিকা পূজাৰ নাচ-গান চোৱাটো পুৰুষৰ কাৰণে নিষিদ্ধ। কাতিকা পূজাত কার্তিক দেৱতাক পূজা কৰা হয়। কার্তিক দেৱতা সকলৰ সেনাপতি আৰু তেওঁৰ প্ৰকৃত নাম কার্তিকেয়। কার্তিকেয় শব্দৰ অপভ্ৰংশ ৰূপ হ'ল 'কাতিকা'। বহুতে 'কাতি পূজা' বুলি কয়। কাতি পূজা মানে কাতি মাহত হোৱা পূজাক হে বুজায়। কাতি মাহত আন বহুতো পূজা হ'ব পাৰে । সেয়ে ব্যাকৰণ মতে কাতিকা পূজা নামটোহে শুদ্ধ বুলি ক'ব পাৰি। 'কাতিকা পূজা' ৰ লগত নাৰীজাতিৰ মনস্তত্ব জড়িত হৈ আছে। কার্তিক দেৱতাসকলৰ সেনাপতি । নাৰী সকলে তেওঁক একান্ত ভাবে পূজা কৰে। নৃত্য-গীতেৰে তেওঁৰ আগত মনৰ গুপুত কামনা- বাসনা প্ৰকাশ কৰে। সেয়ে, গীতবোৰ হয় যৌনধৰ্ম্মী । ইয়াৰ অর্থ এয়ে যে, নাৰীসকলে বীৰ পুৰুষ আৰু খ্যাতিমান পুৰুষকহে মনে-প্ৰাণে ভাল পায় আৰু পাবলৈ বাঞ্ছা কৰে।

হুদুমদেও পূজাও একান্ত ভাবে নাৰীসকলৰ পূজা । কাতিকা পূজা হয় মানুহৰ ঘৰৰ আগচোতালত । ভিতিৰা চোতালখন আহল-বহল হ'লে তাতো কাতিকা পূজা হব পাৰে। তেতিয়া যৌনধৰ্মী গানবোৰৰ অশ্লীল শব্দবোৰ উহ্য ৰাখি গান গায়। নামতীসকলে ভাল সাজ-পাৰ পিন্ধি নাচ-গান কৰে। কিন্তু হুদুমদেও পূজাৰ আটাইবোৰ গানেই যৌনধৰ্মী আৰু নামতীসকলে উলঙ্গহৈ নাচ-গান কৰে। সেয়ে হুদুমদেও পূজা পতা হয় লোকালয়ৰ বাহিৰত পথাৰৰ মাজত । পূজা হয় ঘোৰ অমানিশা ৰাতিত। এই পূজাৰ নির্দ্দিষ্ট কোনো মাহ বা তাৰিখ নাই। বাৰিষাকালত যেতিয়া একেৰাহে কেইবা সপ্তাহজুৰি অনাবৃষ্টি হয় তেতিয়া বৰষুনৰ বাবে তিৰোতাসকলে ইন্দ্রদেৱতাৰ পূজা পাতে। এই পূজাটোকে কোৱা হয় হুদুমদেও পূজা। হুদুম মানে হুদু চৰাই। হুদুম চৰাইটোক ইন্দ্রদেৱতাৰ প্ৰতীক বুলি ধৰা হয়। হুদু চৰায়ে কাচিৎ হে কান্দে। হুদু চৰায়ে যদি খৰাং বতৰৰ সময়ত একেৰাহে তিনিৰাতি কান্দে তেনেহ'লে বৰষুণ হয় বুলি এটি জনবিশ্বাস আছে। সেয়ে হুদু বা হুদুম চৰাইক ইন্দ্রৰ প্ৰতীক বুলি ধৰা হয়। কিন্তু হুদুম চৰাই ক'ত থাকে তাক সময়মতে বিচাৰি উলিওৱা টান আৰু তাক ধৰও চান। সেয়ে এতিয়া পূজাথলীত এডাল কলগছ পুতি তাৰ গুৰিত মাটিৰ চপৰাৰে হুদুম চৰাইৰ এটি প্ৰতিকৃত বনোৱা হয়। উলঙ্গ হৈ নচাৰ কাৰনে বহুতে ভাবিব পাৰে, এনে নির্ল্লজ্য আচৰণ কিয়? ইয়াৰ উত্তৰত ইয়াকে কব পাৰি যে আজিকালি বাথৰুমত বহুতে উলঙ্গহৈ গা নোধোৱে নে? বাথ ৰুমত যদি উলঙ্গ হব পৰা যায় তেন্তে লোকালয়ৰ বাহিৰত অমাৱস্যাৰ ঘোৰ অন্ধকাৰত উলঙ্গ হৈ নৃত্য-গীত কৰাত আপত্তি কি থাকিব পাৰে? দ্বিতীয় কথা, পূজা কৰা হয় ইন্দ্রদেৱতাক সন্তুষ্ট কৰাৰ কাৰণে। ইন্দ্র দেৱতা য়ে চৰিত্রহীন দেৱতা তাক সকলোৱে জানে। গতিকে, ৰাইজৰ মঙ্গলৰ কাৰনে, দেশৰ মঙ্গলৰ কাৰনে খৰ্য্য বতৰত বৰষুণ দিবলৈ চৰিত্রহীন দেৱতাগৰাকীক সন্তুষ্ট কৰিবলৈ তিৰোতাসকলে উলঙ্গ হৈ নৃত্য কৰে। ইন্দ্র দেৱতা হে, মানুহ নহয়। মানুহে নেদেখাকৈ দেৱতাৰ আগত উলঙ্গ হোৱাত বাধা কি?

সোনাৰায় পূজা কোনো দেৱতাৰ পূজা নহয়। ই হ'ল বনৰজা বাঘৰ পূজা। আজিকালি যাক 'ৰয়েল বেঙ্গল টাইগাৰ' বুলি কোৱা হয় তাক আমাৰ এইফালে 'বৰ বাঘ' বুলি কোৱা হয়। বৰ বাঘ মুগা বৰনীয়া । মুগা বৰনটো সোনৰ দৰে। সোনক আমি । 'সোনা' বুলি কওঁ। 'ৰায়' শব্দৰ অর্থ 'ৰজা'। গতিকে 'সোনাৰায়' ৰ অর্থ হ''ল বনৰজা। 'বৰবাঘ'। আগৰ কালত হাবি-বন বহুত বেছি আছিল। বাঘৰ উপদ্রবো আছিল বহুত বেচি। সন্ধিয়া হ'লেও গোহালীৰ পৰআ বাঘে গৰু টানি লৈ যোৱাটো নিত্য-নৈমিত্তিক ঘটনা আছিল। এনেকি দিন দুপৰতো পালৰ পৰা বাঘে গৰু মাৰি লৈ গৈছিল। উপায়হীনহৈ মানুহে বাঘক অর্থাৎ বনৰজাক সন্তুষ্ট কৰিবলৈ পাতিছিল পূজা । ইয়াৰ নাম হ'ল সোনাৰায় পূজা।

আমাৰ মাজত কৃষি সম্পর্কীয় পূজাও আছে। শালি ধান ৰুৱাৰ প্ৰথম দিনটোক 'গোছা দিয়া ' বুলি কোৱা হয়।পঞ্জিকাত ধান ৰোপন'ৰ তাৰিখটো চাই 'গোছা দিয়া' হয়। প্ৰথমতে পৰিয়ালৰ এজনক 'গোছা লোৱা' হিচাপে বাছনি কৰা হয়। পঞ্জিকামতে পৰিয়ালৰ যিজনৰ আয়, ব্যয়, স্থিতি ভাল সেই জনেই। 'গোছা লয়'। গোছা লোৱাজন মতাও হ'ব পাৰে, তিৰোতাও হ'ব পাৰে নাইবা লৰাও হব পাৰে, ছোৱালীও হব পাৰে। নির্দ্দিষ্ট দিনা পুৱাই গা-পা ধুই, একো নোখোৱাকৈ চহোৱা পথাৰখনত নিয়ম-নীতিৰে বস্তি জ্বলাই পূজা কৰি কঠিয়া ৰুব লাগে। তাৰ পিছত আহিন মাহৰ সংক্রান্তিৰ দিনা বিশেষ নিয়ম-নীতিৰে ধাননি পথাৰত বস্তি দিব লাগে। ঔ টেঙাৰ খোলোপাত বাঁহৰ কাঠিৰে খোচ মাৰি

কাঠি ডাল ধাননি পথাৰত মাজত ওখকৈ পুতি ৰখা হয়। তাৰ ওপৰত থকা ঔ টেঙাৰ খোলোপাটোত তেল-শলিতা দি চাকি জ্বলোৱা হয়। ইয়াকে 'কাতি গোছা' বুলি কয়। কাতি গোছা কাতি বিহুৰ নামান্তৰ। ধান পৰিয়ালে প্রথম ধান কটাৰ দিনটোক 'আগ অনা' বুলি কোৱা হয়। আগ অনা' ৰ বাবেও পৰিয়ালৰ নির্দ্দিষ্ট এজনক বাছনি কৰা হয়। আগ অনা জনে নির্দ্দিষ্ট দিনত ধাননি পথাৰত পূজা কৰি ওগোছা ধান কাটি মুৰৰ ওপৰত দুহাতেৰে ধৰি ঘৰলৈ আনে। পাক ঘৰৰ দুৱাৰ মুখত তাক উৰুলি ধ্বনিৰে আদৰা হয়। এৱা গাখীৰ মিহলোৱা এলোটা পানীত তুলসীপাত আৰু দুর্ব্বা দি দুৱাৰ মুখৰ চালৰ ওপৰত ঢালি দিয়া হয়। সেই সময়তে ঘৰৰ গিৰিহতিনীয়ে ধানৰ গোছাটো লৈ গৈ ঘৰ গোসানী' থানৰ ওপৰত ধানৰ কিছুমান শীষ ওলোমাই বান্ধি ৰাখে । বাকী থকা ধানৰ শীষবোৰ ভঁৰালত থৈ দিয়ে। প্রথম ধানৰ মৰনা মৰাৰ দিনাও বুঢ়া-বুঢ়ী খেদা নামেৰে এটা অনুষ্ঠান পতা হয়। তাৰ পিছত দিন -বাৰ চাই এদিনা 'ন খোৱা' নবান পাতে। অৱশ্যে 'নবান্ন'ক সকল ৰাজবংশী কৃষ্টি বুলি কব নোৱাৰি । কাৰণ, অসম আৰু বঙ্গৰ সকলো হিন্দুই নবান্ন খায়। কিন্তু ৰাজবংশীসকলৰ নবান্নৰ নিয়ম-নীতি বোধ হয় বেলেগ ধৰণৰ । আমি নবান্নৰ দিনা সাতপুৰুষৰ উদ্দেশ্যে পিণ্ডদান কৰো, সন্ধিয়া সময়ত প্রথমে গৰুক নবান্ন খুৱাও, এনেকি শিয়ালৰ বাবেও এভাগ নবান্ন বাৰীৰ পিছফালে থৈ আহো। তাৰ পিছতহে ৰাতি আমি নবান্ন খাঁও।

অ'ৰি মাগা বা এউৰি মাগা আন এটি কৃষ্টি। পুহ মাহৰ পূর্ণিমাৰ দিনাৰ পৰা সন্ধিয়াৰ পৰা ৰাতি সাত- আঠামান বজাৰ সময়লৈকে ডেকাবোৰে ঘৰে ঘৰে অ'ৰি মাগি ফুৰে। ইয়াৰ গানবোৰৰ সুৰ -তাল-মান উত্তৰ কামৰূপৰ মহোহো গীতবোৰৰ লগত একে ধৰণৰ । গানগোৱাৰ সময়ত কোনো বাদ্যযন্ত্র নবজায়। প্রত্যেকৰ হাতত একোডালকৈ বাঁহৰ টাঙোন থাকে। টাঙোনেৰে গৃহস্থৰ চোতালত খুন্দিয়াই খুন্দিয়াই গীত গায়। গৃহস্থৰ ঘৰত আহিয়েই প্রথমতে এ শিবে "বা" শিৱ শিৱম শিবে" বুলি জয়ধ্বনি দিয়ে। তাৰ পিছত গাবলৈ আৰম্ভ কৰে আৰু গীত গোৱৰ অন্তত আকৌ " এ শিবে" বুলি জয়ধ্বনি দিয়ে। ই বোধহয় মহ নির্ম্মুল কৰণ অভিযান। আগৰ কালত হাবিবন আৰু খাল-ডোবা আদি বেচি। তাত মহৰ উৎপত্তি বেচিকৈ হৈছিল আৰু তাৰ পৰা ঘৰে ঘৰে মেলেৰিয়া জ্বৰ বিয়পি পৰিছিল। গতিকে মানুহে মহক শত্রুৰূপে জ্ঞান কৰিছিল। শত্রুৰ প্রতিশব্দ অৰি। অৰিৰ পৰা হৈছে 'এউৰি' গীতগোৱাৰ সময়ত এজনে গীত আৰম্ভ কৰে আৰু বাবোৰে 'অৰি অৰি' বা 'এউৰি এউৰি' বুলি দোহাৰে। ই য়ে মহ নির্ম্মুলকৰণ অভিযান তাক কামৰূপৰ 'মহোহে' নামটোৰ পৰা বুজিব পাৰি। তেওঁলোকে গায়-

"মহোহো, মই মাৰক যাঁও চ"

আমাৰ ইফালে গায়" মসৰে তেলে বাৰবাতি জ্বলে।। অর্থাৎ মহ মাৰি তাৰ তেলেৰে বস্তি জ্বলায়। ইয়াৰ পৰা প্রতীয়মান হয় ই মহ নির্ম্মুল কৰণ অভিযান। আৰু এটা কৃষ্টি আছে 'হোলি বা শ্রীকৃষ্ণৰ দৌলযাত্রাৰ সময়ত ডেকা আৰু লৰাবোৰে হোলি মাগা গীত গাই ঘৰে ঘৰে ফুৰে আৰু ফাগু গুৰি ছটিয়াই আনন্দ উৎসৱ কৰে। বৰপেটা অঞ্চলত প্রচলিত হোলি গীতৰ লগত আমাৰ এইফালৰ হোলি গীতৰ সম্পূর্ন মিল আছে। আমাৰ এইফালে বাঁহেৰে বনোৱা 'ঠক ঠকি' ৰ বাহিৰে হোলি গীত গোৱাৰ সময়ত অইন বাদ্য যন্ত্র নবজায়।

তিনিটা বিহু আমিও পালন কৰো। কিন্তু আমাৰ নাম বেলেগ বিহুৰ ৰীতি-নীতিবোৰ আমাৰ লগত একেধৰণৰ। ৰঙালী বিহু বা সাত বিহুক আমি কওঁ 'সাত বিযুৱা'। ৰঙালী বিহু আৰম্ভ হয় চ'ত মাহৰ সংক্রান্তিৰ দিনা । চ'ত মাহৰ সংক্রান্তিটোৰ নাম । মহাবিষুৱ সংক্রান্তি'। বিষুৱ শব্দৰ লগত উৱা প্রত্যয় যোগ কৰি। বিযুৱা শব্দটো হৈছে। কিছুমানে বিষিমা' বুলি কয়। ব্যাকৰণ মতে। বিযুৱা শব্দটোকে শুদ্ধ বুলি কব পাৰি। সাত বিহুৰ লগত আমাৰ সাত বিযুৱাৰ পার্থক্যটো হ'ল এয়ে যে আমাৰ মাজত বিহুগীতৰ প্রচলন নাছিল। তাৰ পৰিবর্ত্ত অবিভক্ত গোৱালপাৰা জিলা আৰু উত্তৰ বঙ্গৰ বহু ঠাইত এদিনীয়া, তিনিদিনীয়া , সাত দিনীয়া আৰু পোন্ধৰ দিনীয়াকৈ বিভিন্ন থানত পূজা আৰু মেলা বহে। কাতি বিহুক আমাৰ ইয়াত কাতি গছা বুলি কয় আৰউ সিদিনা ধাননি পথাৰত বস্তি দিয়া হয়।

ভোগালী বিহুটো আমাৰ ইয়াত বিভিন্ন নামেৰে পৰিচিত। যেনে দোমাহী, দোমাসী আৰু পুষুনা। ভোগালী বিহুটো ভোগৰে উৎসৱ। লাডু -পিঠাৰ উপৰিয়ো ৰাজবংসীলোকসকলে ভোগালী বিহুত 'আটকড়াই' আৰু 'টোপোলা ভাত' খায়। বন্নি চাউল, তিল আৰউ মাহ মিহলাই আটকড়াই ভজা হয় আৰু তাৰ লগিছত সৰু সৰু কৈ নাৰিকল কাটি তাৰ লগত মিহলাই খাবলৈ দিয়া হয় নতুন গুড়ৰ লগত । কুমলীয়া কলপাততে এমুঠিমানকৈ বন্নিচাউল টোপোলা বান্ধি ৰান্ধিব লাগে। গুড়েৰে সৈতে টোপোলা ভাত খাবলৈ ভাল লাগে। গাখীৰ বা দৈৰে সৈতে খাবলৈ আৰু বেচি ভাল লাগে।

যাত্রা পূজা কৰা হয় দুর্গা পূজাৰ দশমীৰ দিনা।

OKDISCD

ৰাজবংশীসকলে ঘৰে ঘৰে যাত্ৰ পূজা কৰে। যাত্ৰাপূজাৰ দিন নাঙল আদিকৰি যাৱতীয় কৃষি সজুঁলি আৰু দা-কটাৰী, কোৰ-কুঠাৰ আদি ধুই-পখালি তুলসী গুৰিৰ কাষত থৈ প্ৰত্যেকতে সেন্দুৰৰ ফোট দিয়া হয়। তাফ পিছত পঞ্চ দেৱতাক পূজা কৰা হয়। পূজাত পুৰোহিতৰ প্ৰয়োজন নাই। গৃহস্তই নিজে পূজা কৰে। পূজাৰ প্ৰসাদ হিচাপে দিয়া হয় চাউল -চিৰা । চাউল -চিৰা মানে চাউল আৰু চিৰা নহয়। বন্নি চাউলেৰে বনোৱা ই একৰকম চিৰা। ত্তৰ্তন -ঘোষাত চাউল -চিৰাৰ উল্লেখ আছে। বিষহৰি পূজা মানে মনসাদেৱীৰ পূজা । ৰাজবংশী মানুহৰ মাজত বিষহৰি নামটো বেচি প্ৰচলিত। মনকৰ, দুৰ্গাবৰ আৰু কবি নাৰায়নদেৱৰ মনসা কাব্যত বিষহৰি নামটোহে বেচিকৈ উল্লেখ কৰা আছে। বিষহৰি ৰাজবংশীসকলৰ গৃহদেৱী। প্ৰত্যেকৰ ঘৰতে বিষহৰি থান আছে। বিয়াৰ সময়ত দৰা কইনাই বিষহৰি থানত সেৱা কৰিব লাগে। সামৰ্থ্যবান গৃহস্থই ল'ৰা -ছোৱালীৰ বিয়াৰ সময়ত 'মাৰৈ পূজা' পাতে। অৰ্থাৎ, বিষহৰি পূজাৰ সময়ত 'মাৰৈ গান' গোৱাৰ ব্যৱস্থা কৰিলে সেই পূজাটোক মাৰৈ পূজা বুলি কোৱা হয়। মাৰৈ গান এদিনীয়া, তিনিদিনীয়া বা সাত দিনীয়াও হব পাৰে। গৃহস্থৰ সামৰ্থ্য অনুযায়ী। তিনিদিনীয়া বা সাত দিনীয়াকৈ হ'লে তাক 'গোটা মাৰৈ' বুলি কোৱা হয়।

সাজ-পাৰ কৃষ্টিৰ এটা অঙ্গ। সাজ-পাৰৰ ক্ষেত্ৰত ৰাজবংশী সকলে নিজস্ব বৈশিষ্ট হেৰুৱাৰ দৰে হৈছে। আগথে তিৰোতা-সকলে পাটানি পিন্ধিছিল। অবিভক্ত গোৱালপাৰা জিলাৰ পশ্চিম অঞ্চলৰ তিৰোতাসকলে এশ বছৰমান আগতে সম্পূৰ্ণৰূপে পাটানি বিৰ্সজন দি শাৰী ব্যৱহাৰ কৰা আৰম্ভ কৰিছিল। পুব অঞ্চলৰ তিৰোতাসকলে পাটানি পিন্ধে যদিও এতিয়া মেখেলা -চাদৰৰ ব্যৱহাৰ দিনে দিনে বাঢ়িব লাগিছে। পুৰুষসকলে ঘৰৰ তাত শালত বোৱা ছয়হাত মান দীঘল আৰু ডেৰহাত মান বহল এক ধৰণৰ গামোচা পৰিধান কৰে। ডেৰহাত -দুইহাতমান দীঘল আৰু পৌনে একহাতমান লং পেন্ট। খাদ্যভ্যাস আন এটা কৃষ্টি। আজিকালি হোটেল-ৰেস্তোৰাৰ অণ্ড্যাসটো ৰাজবংশীসকলৰ আন এটা বৈশিষ্ট্য। অবিভক্ত গোৱালপাৰা জিলাৰ পূৱ-পশ্চিম উভয় অঞ্চলৰ ৰাজবংশী মানুহৰ মাজত যাৰ লোক অভ্যাসটো আছে। কৃষ্টি সম্পৰ্কে লিখিবলৈ বহুত বিষয় আছে। কিন্তু প্ৰৱন্ধাটো দীঘলীয়া হোৱাত ইমানতে সামৰিলো হৈছিল। মৈৰানবোৰে ম'হ চৰাই ফুৰোতে নিঃসঙ্গতা কটাবলৈ ওপৰত উল্লেখ কৰা গীত বোৰেকে গাইছিল। মৈৰানী গীত বুলি নামাকৰন কৰাটো বিভ্ৰান্তিজনক। হাতীৰ মাউটবোৰেও সেইবোৰ গীতকে গাইছিল। মাহুতৰ গীত বুলি বেলেগ কোনো গীত নাই। মাহুত বন্ধুৰে' নামৰ চিনেমাখনৰ মাউতে গোৱা গীতবোৰৰ পৰাহে মাহুতৰ গীত কথাযাৰ প্ৰচাৰ হৈছে। আচলতে সেইবোৰ লোকগীতৰ সুৰেৰে ৰচনা কৰিছিল ড° ভূপেন হাজৰিকাই । তেওঁ আছিল চিনেমাখনৰ সঙ্গীত পৰিচালকআৰু গীতিকাৰ । গায়িকা আছিল প্ৰয়াত প্ৰতিমা বৰুৱা তেতিয়া তেওঁ পাণ্ডে হোৱা নাছিল। গায়ক আছিল হাজৰিকাদেৱ নিজেই।

এহি মানৰ কথা এহি মানে থক, এতিয়া পূজা -পাতনৰ কথা আৰম্ভ হ'ক। বাশ পূজা ৰাজবংশীসকলৰ এটি বৈশিষ্টপূৰ্ণ পূজা। বাশ পূজাত আচলতে বাঁহ গছক পূজা কৰা নহয়। বাশ পূজা নামেৰে কিছুমানে পূজা কৰে কালী গোসানীক আৰু বাশ পূজা নামেৰে কিছুমানে পূজা কৰে মদনকামেদেৱক। এই কালী পূদা কৰা হয় ৰগাহ মাহৰ 'আওয়ালী' বা আউসীৰ দিনা। অৰ্থাৎ অমাৱস্যা তিথিত। মদনকাম পূজা কৰা হয় বহাগ মাহৰ মদন চতুৰ্দ্দশী তিথিত । মন কৰিবলগীয় কথা যে, দুয়োটা পূজা হয়। বহাগ মাহত। এটা পূজাত্ব কৃষ্ঠ পক্ষত আৰু আনটো পূজা শুক্লপক্ষত। এই দুয়োবিধ পূজাত দহ -বাৰ হাতমান দীঘল দহ-বাৰটমান বাঁহ কটা হয় প্ৰতিডাল বাঁহ কাপোৰেৰে মেৰিয়াই তাৰ মুৰত একোটাকৈ চোঁৰৰ বন্ধা হয়। পূজাৰ সময়ত মানুহবোৰে সেই বাঁহবোৰে মেৰিয়াই তাৰ মুৰত একোটাকৈ চোঁৰৰ বন্ধা হয়। পূজাৰ সময়ত মানুহবোৰে সেই বাঁহবোৰ হাতেৰে থিয়কৈ ধৰি পূজা প্ৰাঙ্গনত ঘুৰি ঘুৰি নৃত্য -গীত কৰে। বাঁহবোৰ লৈ নৃত্য-গীত কৰে বুলিয়াই পূজাটোৰ নাম বাশ পূজা হ'ল নেকি ?

নহয় বোধহয় পূজা কালী বা মদনকামদেৱৰ, নাম হ'ল বাশ পূজা। ইয়াৰ কিবা এটা গূঢ় তাৎপৰ্য্য নিশ্চয় আছে। আমি বৃক্ষ পূজা কৰা ধান এবিধ তৃণজাতীয় বৃক্ষ। ধানক আমি লক্ষ্মীৰূপে পূজা কৰো ধান ৰোৱাৰ আগতে পূজা কৰিহে আমি 'গোছা দিওঁ'। কাতি বিহুৰ দিনা ধাননি পথাৰত 'বাতি দিওঁ অৰ্থাৎ বস্তি জ্বলাই লক্ষ্মীক আদৰো। আকৌ ধানকটাৰ আগতে পূজা কৰি 'আগ আনি' হে ধান কটা কাম আৰম্ভ কৰো। প্ৰথম ধান মৰনা মৰাৰ দিনাও এটা অনুষ্ঠান কৰা হয়। তাৰ পাছত 'ন-খোৱা'। ন-খোৱাৰ সময়তো পূজা-পাতল কৰা হয়। এইদৰে ধানক আমি লক্ষ্মীৰূপে পূজা -সেৱা কৰো।

ধানৰ পিছতে আমাৰ আটাইতকৈ লাগতিয়া বৃক্ষ হ'ল বাঁহ। আগৰ কালৰ মানুহে ঘৰ বান্ধিছিল বাঁহৰ খুটিৰে। বাঁহৰ ৰুৱা -কামি আৰু বাঁহৰ তেঁৰালোৰ ঘৰৰ চাল বন্ধা হৈছিল। নিত্য প্ৰয়োজনীয় কুলা-ডালা, চালনী-বিচনী, ডোল-ডেলী, চেৰেকী -উঘা আকৌ মাছমৰা সজুলি যেনে জাখৈ-খালৈ, পলো, চেপা,

ঠুহা আদি কৃষি সজুলি যেনে নাঙলৰ সুৱনি, গৰু বা ম'হৰ গাড়ীৰ যুৱলি, জবকা, বিন্ধা , মৈ দলিমাৰিৰ মাৰিডাল ইত্যাদি আটাইবোৰ বস্তুয়েই হয় বাঁহৰ দ্বাৰা। এনেকৈ খেতিয়কৰ এছাৰিডালো বাঁহৰ । আচাৰ কালত হাবি-বননি বেচি আছিল। ঘৰৰ ওচৰতে বাধ ভালুক আদি হিংস্ৰ জন্তুবোৰ ঘুৰি ফুৰিছিল। পদে পদে আছিল সাপৰ ভয়া। সেয়ে মানুহে বাঁহৰ শকত লাঠি এডাল হাতত লৈ পুৰিছিল। হাতত লাঠডাল থাকিলে মনত সাহস জাগে, শৰীৰত শক্তিৰ সঞ্চায় হয়। সেই কাৰনে মানুহে বাঁঙক শক্তিৰ প্রতীক বুলি মানিবলৈ ধৰিলে। ধান হ'ল আমাৰ লক্ষ্মীৰ প্রতীক আৰু বাঁহ হ'ল শক্তিৰ প্রতীক। সেয়েধানক পূজা কৰাৰ দৰে বাঁহকো পূজা কৰা নিয়ম প্রৱর্ত্তিত হৈছিল। পিছত বাঁহৰ পৰিৱর্ত্তে হৈছিল। পিছত বাঁহৰ পৰিৱর্ত্তেশক্তিৰ অধিষ্ঠাত্রী দেৱী কালী গোসানীক পূজা কৰা নিয়ম হ'ল। কিন্তু পূজাৰ নাম হল বাশ পূজা। নামৰ লগত সঙ্গতি ৰাখি বাঁহ নৃত্যৰ প্রচলন হ'ল। কালীপূজা হয় লক্ষ্মীপূর্ণিমাৰ পিছৰ অমাৱশ্যা তিথিত। কিন্তু বাশপূজাৰ নামত কালীপূজা হয় বহাগ মাহৰ অমাবশ্যাত কাৰণ , বহুতো মাহ হ'ল বাঁহ গছ ৰুৱাৰ সময় ।গতিকে বহাগ মাহত বাশ পূজা কৰা হয়।

কিন্তু বাশ পূজাৰ নামত মদনকামদেৱৰ বাশ পূজা কৰা হয় ? মদনকামদেৱ প্রজনন শক্তিৰ প্রতীক। প্রজননৰ দ্বৰা প্রাণী সংখ্যা বৃদ্ধি হয়। উদ্ভিদো এবিধ প্রাণী। শতাধিক বাঁহৰ উৎপত্তি হয়। এটা বাঁহৰ মূৰাৰ পৰাই হয় এচুপা বাঁহ। বাঁহৰ গজালিবোৰ দেখিবলৈ শিৱলিঙ্গৰ দৰে। এতেকে বাঁহক প্রজনন শক্তিৰ প্রতীক ৰূপে ধৰা হ'ল। প্রজনন শক্তিৰ দেৱতা হ'ল মদনকামদেৱ। সেয়ে কিছুমানে বাঁহ পূজাৰ নামত মদনকামদেৱৰো পূজা কৰে বহাগ হ'ল মদন কামদেৱ। সেয়ে কিছুমানে বাঁহ পূজাৰ নামত মদনকামদেৱৰো পূজা কৰে বহাগ মাহৰ মদন চতুর্দ্দশীৰ দিনা। কিছুমানে পূজা কৰে আঘোন মাহৰ শুক্লা চতুর্দ্দশীৰ দিনা। আঘোন মাহত পূজা কৰাৰ অর্থ হ'ল এয়ে যে, বহাগ মাহত বাঁহ ৰুলে সি আঘোন মাহত ঠনধৰি উঠে। আমি বাৰিষাৰ আৰম্ভনিতে অর্থাৎ জেঠ মাহৰ শেষত বা আহৰ মাহৰ পহিলা ভাগত শালিধান ৰুলে যেনেকৈ আহিন মাহত ধানৰ গোছাবোৰ ঠনধৰি উঠে আৰু তেতিয়া আহিন মাহৰ সংক্রান্তিৰ দিনা কাতি বিহুত বা 'কাতি গছা'ত ধাননি পথাৰত বন্তি জ্বলাই লখিমিক আদৰো সেইদৰে আঘোন মাহত অর্থাৎ বাঁহ ঠনধৰি উঠাৰ সময়ত কিছুমানে মদনকামদেৱৰ পূজা পাতে। মদনকামদেৱৰ পূজাত বাঁহ নচুৱাই নচুৱাই গান গোৱা হয়। কিছুমান গান যৌনধর্মী আৰু কিছুমান গান ভাল। ভাল গানবোৰক লোকগীত হিচাপেও গোৱা হয়।

কাতিকা পূজা কৰা হয় কার্ত্তিক পূর্ণিমাৰ দিনা। ইয়াক 'নাৰী মহোৎসৱ' আখ্যা দিব পাৰি। গাওঁৰ তিৰোতাসকলে সমূহীয়া ভাবে কাতিকা পূজা পাতে। পূজা সন্ধিয়া সময়ত হয় আৰু তাৰ পিছত গোটেইৰাতি তিৰোতাসকলে নাচ-গান কৰি কটায়, নাচ-গানত অংশ গ্রহণ কৰিবলৈ বা চাবলৈ বেলেগ গাঁওৰ পৰাও তিৰোতাসকল আহে।এইদৰে আদি ই গাঁওত, কালি সি গাঁওত পূজা প্রায় দু-সপ্তাহমান ধৰি চলে। ইয়াৰ বেচিভাগ গানেই যৌনধর্ম্মী। ভাল গানো আছে আৰু সেই গানবোৰ গোৱালপৰীয়া লোকগীত' হিচাপে প্রসিদ্ধ হৈছে। কাতিকা পূজাৰ নাচ-গান চোৱাটো পুৰুষৰ কাৰণে নিষিদ্ধ। কাতিকা পূজাত কার্ত্তিক দেৱতাক পূজা কৰা হয়। কার্ত্তিক দেৱতা সকলৰ সেনাপতি আৰু তেওঁৰ প্রকৃত নাম কার্ত্তিকেয়। কার্ত্তিকেয় শব্দৰ অপভ্রংস ৰূপ হ'ল 'কাতিকা'। বহুতে 'কাতি পূজা' বুলি কয়। কাতি পূজা মানে কাতি মাহত হোৱা পূজাক হে বুজায়। কাতি মাহত আন বহুতো পূজা হব পাৰে । সেয়ে ব্যাকৰণ মতে কাতিকা পূজা নামটোহে শুদ্ধ বুলি কব পাৰি। কাতিকা পূজাৰ লগত নাৰীজাতিৰ মনস্তত্ব জড়িত হৈ আছে। কার্ত্তিক দেৱতাসকলৰ সেনাপতি । নাৰী সকলে তেওঁ একান্ত ভাবে পূজা কৰে। নৃত্য - গীতোৰ তেওঁৰ আগতে হে মনৰ গুপুত কামনা - বাসনা প্রকাশ কৰে। সেয়ে, গানবোৰ হয় যৌনধর্ম্মী । ইয়াৰ অর্থ এয়ে যে, নাৰীসকলে বীৰ পুৰুষ আৰু খ্যাতিমান পুৰুষকহে মনে-প্রানে ভাল পায় আৰু কামনা কৰে।

হুদুমদেও পূজাও একান্ত ভাবে নাৰীসকলৰ পূজা । কাতিকা পূজা হয় মানুহৰ ঘৰৰ আগচোতালত । ভিতিৰা চোতালখন আহল-বহল হ'লে তাতো কাতিকা পূজা হব পাৰে। তেতিয়া যৌনধর্মী গানবোৰৰ অশ্লীল শব্দবোৰ উহ্য ৰাখি গান গায়। নামতীসকলে ভাল সাজ-পাৰ পিন্ধি নাচ-গান কৰে। কিন্তু হুদুমদেও পূজাৰ আটাইবোৰ গানেই যৌনধর্মী আৰু নামতীসকলে উলঙ্গহৈ নাচ-গান কৰে। সেয়ে হুদুমদেও পূজা পতা হয় লোকালয়ৰ বাহিৰত পথাৰৰ মাজত । পূজা হয় ঘোৰ অমানিশা ৰাতিত। এই পূজাৰ নির্দ্দিষ্ট কোনো মাহ বা তাৰিখ নাই। বাৰিষাকালত যেতিয়া একেৰাহে কেইবা সপ্তাহজুৰি অনাবৃষ্টি হয় তেতিয়া বৰষুনৰ বাবে তিৰোতাসকলে ইন্দ্রদেৱতাৰ পূজা পাতে। এই পূজাটোকে কোৱা হয় হুদুমদেও পূজা। হুদুম মানে হুদু চৰাই। হুদুম চৰাইটোক ইন্দ্রদেৱতাৰ প্রতীক বুলি ধৰা হয়। হুদু চৰায়ে কাচিৎ হে কান্দে। হুদু চৰায়ে যদি খৰাং বতৰৰ সময়ত একেৰাহে তিনিৰাতি কান্দে তেনেহ'লে বৰষুণ হয় বুলি এটি জনবিশ্বাস আছে। সেয়ে হুদু বা হুদুম চৰাইক ইন্দ্রৰ প্রতীক বুলি ধৰা হয়। কিন্তু হুদুম চৰাই ক'ত থাকে তাক সময়মতে বিচাৰি উলিওৱা টান আৰু তাক ধৰও

চান। সেয়ে এতিয়া পূজাথলীত এডাল কলগছ পুতি তাৰ গুৱিত মাটিৰ চপৰাৰে হুদুম চৰাইৰ এটি প্রতিকৃত বনোৱা হয়। উলঙ্গ হৈ নচাৰ কাৰনে বহুতে ভাবিব পাৰে, এনে নির্ল্লজ্য আচৰণ কিয়? ইয়াৰ উত্তৰত ইয়াকে কব পাৰি যে আজিকালি বাথৰুমত বহুতে উলঙ্গহৈ গা নোধোৱে নে? বাথ ৰুমত যদি উলঙ্গ হব পৰা যায় তেন্তে লোকালয়ৰ বাহিৰত অমাৱস্যাৰ ঘোৰ অন্ধকাৰত উলঙ্গ হৈ নৃত্য-গীত কৰাত আপত্তি কি থাকিব পাৰে? দ্বিতীয় কথা, পূজা কৰা হয় ইন্দ্রদেৱতাক সন্তুষ্ট কৰাৰ কাৰণে। ইন্দ্র দেৱতা য়ে চৰিত্রহীন দেৱতা তাক সকলোৱে জানে। গতিকে, ৰাইজৰ মঙ্গলৰ কাৰনে, দেশৰ মঙ্গলৰ কাৰনে খৰ্য্য বতৰত বৰষুণ দিবলৈ চৰিত্রহীন দেৱতাগৰাকীক সন্তুষ্ট কৰিবলৈ তিৰোতাসকলে উলঙ্গ হৈ নৃত্য কৰে। ইন্দ্র দেৱতা হে, মানুহ নহয়। মানুহে নেদেখাকৈ দেৱতাৰ আগত উলঙ্গ হোৱাত বাধা কি?

সোনাৰায় পূজা কোনো দেৱতাৰ পূজা নহয়। ইহ'ল বনৰজা বাঘৰ পূজা। আজিকালি যাক 'ৰয়েল বেঙ্গল টাইগাৰ' বুলি কোৱা হয় তাক আমাৰ এইফালে 'বৰ বাঘ' বুলি কোৱা হয়। বৰ বাঘ মুগা বৰনীয়া। মুগা বৰনটো সোনৰ দৰে। সোনক আমি। 'সোনা' বুলি কওঁ। 'ৰায়' শব্দৰ অর্থ 'ৰজা'। গতিকে 'সোনাৰায়' ৰ অর্থ হ'ল বনৰজা। 'বৰবাঘ'। আগৰ কালত হাবি-বন বহুত বেছি আছিল। বাঘৰ উপদ্রবো আছিল বহুত বেচি। সন্ধিয়া হ'লেও গোহালীৰ পৰআ বাঘে গৰু টানি লৈ যোৱাটো নিত্য-নৈমিত্তিক ঘটনা আছিল। এনেকি দিন দুপৰতো পালৰ পৰা বাঘে গৰু মাৰি লৈ গৈছিল। উপায়হীনহৈ মানুহে বাঘক অর্থাৎ বনৰজাক সন্তুষ্ট কৰিবলৈ পাতিছিল পূজা। ইয়াৰ নাম হ'ল সোনাৰায় পূজা।

আমাৰ মাজত কৃষি সম্পর্কীয় পূজাও আছে। শালি ধান ৰুৱাৰ প্রথম দিনটোক 'গোছা দিয়া' বুলি কোৱা হয়।পঞ্জিকাত ধান ৰোপন'ৰ তাৰিখটো চাই 'গোছা দিয়া' হয়। প্রথমতে পৰিয়ালৰ এজনক 'গোছা লোৱা' হিচাপে বাছনি কৰা হয়। পঞ্জিকামতে পৰিয়ালৰ যিজনৰ আয়, ব্যয়, স্থিতি ভাল সেই জনেই। 'গোছা লয়'। গোছা লোৱাজন মতাও হ'ব পাৰে, তিৰোতাও হ'ব পাৰে নাইবা লৰাও হব পাৰে, ছোৱালীও হব পাৰে। নির্দ্দিষ্ট দিনা পুৱাই গা-পা ধুই, একো নোখোৱাকৈ চহোৱা পথাৰখনত নিয়ম-নীতিৰে বস্তি জ্বলাই পূজা কৰি কঠিয়া ৰুব লাগে। তাৰ পিছত আহিন মাহৰ সংক্রান্তিৰ দিনা বিশেষ নিয়ম-নীতিৰে ধাননি পথাৰত বস্তি দিব লাগে। ঔ টেঙাৰ খোলোপাত বাঁহৰ কাঠিৰে খোচ মাৰি কাঠি ডাল ধাননি পথাৰত মাজত ওখকৈ পুতি ৰখা হয়। তাৰ ওপৰত থকা ঔ টেঙাৰ খোলোপাটোত তেল-শলিতা দি চাকি জ্বলোৱা হয়। ইয়াকে 'কাতি গোছা' বুলি কয়। কাতি গোছা কাতি বিহুৰ নামান্তৰ। ধান পৰিয়ালে প্রথম ধান কটাৰ দিনটোক 'আগ অনা' বুলি কোৱা হয়। আগ অনা' ৰ বাবেও পৰিয়ালৰ নির্দ্দিষ্ট এজনক বাছনি কৰা হয়। আগ অনা জনে নির্দ্দিষ্ট দিনত ধাননি পথাৰত পূজা কৰি ওগোছা ধান কাটি মুৰৰ ওপৰত দুহাতেৰে ধৰি ঘৰলৈ আনে। পাক ঘৰৰ দুৱাৰ মুখত তাক উৰুলি ধ্বনিৰে আদৰা হয়। এৱা গাখীৰ মিহলোৱা এলোটা পানীত তুলসীপাত আৰু দুর্ব্বা দি দুৱাৰ মুখৰ চালৰ ওপৰত ঢালি দিয়া হয়। সেই সময়তে ঘৰৰ গিৰিহতিনীয়ে ধানৰ গোছাটো লৈ গৈ ঘৰ গোসানী' থানৰ ওপৰত ধানৰ কিছুমান শীষ ওলোমাই বান্ধি ৰাখে। বাকী থকা ধানৰ শীষবোৰ ভঁৰালত থৈ দিয়ে। প্রথম ধানৰ মৰনা মৰাৰ দিনাও বুঢ়া-বুঢ়ী খেদা নামেৰে এটা অনুষ্ঠান পতা হয়। তাৰ পিছত দিন -বাৰ চাই এদিনা 'ন খোৱা' নবান পাতে। অৱেশ্য 'নবান্ন'ক সকল ৰাজবংশী কৃষ্টি বুলি কব নোৱাৰি। কাৰণ, অসম আৰু বঙ্গৰ সকলো হিন্দুই নবান্ন খায়। কিন্তু ৰাজবংশীসকলৰ নবান্নৰ নিয়ম-নীতি বোধ হয় বেলেগ ধৰণৰ। আমি নবান্নৰ দিনা সাতপুৰুষৰ উদ্দেশ্যে পিণ্ডদান কৰো, সন্ধিয়া সময়ত প্রথমে গৰুক নবান্ন খুৱাও, এনেকি শিয়ালৰ বাবেও এভাগ নবান্ন বাৰীৰ পিছফালে থৈ আহোঁ। তাৰ পিছতহে ৰাতি আমি নবান্ন খাঁও।

অ'ৰি মাগা বা এউৰি মাগা আন এটি কৃষ্টি। পুহ মাহৰ পূর্ণিমাৰ দিনাৰ পৰা সন্ধিয়াৰ পৰা ৰাতি সাত- আঠামান বজাৰ সময়লৈকে ডেকাবোৰে ঘৰে ঘৰে অ'ৰি মাগি ফুৰে। ইয়াৰ গানবোৰৰ সুৰ -তাল-মান উত্তৰ কামৰূপৰ মহোহো গীতবোৰৰ লগত একে ধৰণৰ। গানগোৱাৰ সময়ত কোনো বাদ্যযন্ত্র নবজায়। প্রত্যেকৰ হাতত একোডালকৈ বাঁহৰ টাঙোন থাকে। টাঙোনেৰে গৃহস্থৰ চোতালত খুন্দিয়াই খুন্দিয়াই গীত গায়। গৃহস্থৰ ঘৰত আহিয়েই প্রথমতে এ শিবে "বা" শিৱ শিৱম শিবে" বুলি জয়ধ্বনি দিয়ে। তাৰ পিছত গাবলৈ আৰম্ভ কৰে আৰু গীত গোৱৰ অন্তত আকৌ " এ শিবে" বুলি জয়ধ্বনি দিয়ে। ই বোধহয় মহ নির্ম্মূল কৰণ অভিযান। আগৰ কালত হাবিবন আৰু খাল-ডোবা আদি বেচি। তাত মহৰ উৎপত্তি বেচিকৈ হৈছিল আৰু তাৰ পৰা ঘৰে ঘৰে মেলেৰিয়া জ্বৰ বিয়পি পৰিছিল। গতিকে মানুহে মহক শত্রুৰূপে জ্ঞান কৰিছিল। শত্রুৰ প্রতিশব্দ অৰি। অৰিৰ পৰা হৈছে 'এউৰি' গীতগোৱাৰ সময়ত এজনে গীত আৰম্ভ কৰে আৰু বাবোৰে 'অৰি অৰি' বা 'এউৰি এউৰি' বুলি দোহাৰে। ই য়ে মহ নির্ম্মূলকৰণ অভিযান তাক কামৰূপৰ 'মহোহে' নামটোৰ পৰা বুজিব পাৰি। তেওঁলোকে গায়-

"মহোহো, মই মাৰক যাঁও চ"

আমাৰ ইফালে গায়" মসৰে তেলে বাৰবাতি জ্বলে!। অথার্ৎ মহ মাৰি তাৰ তেলেৰে বন্তি জ্বলায়। ইয়াৰ পৰা প্রতীয়মান হয় ই মহ নির্ম্মূল কৰণ অভিযান। আৰু এটা কৃষ্টি আছে 'হোলি বা শ্রীকৃষ্ণৰ দৌলযাত্রাৰ সময়ত ডেকা আৰু লৰাবোৰে হোলি মাগা গীত গাই ঘৰে ঘৰে ফুৰে আৰু ফাগু গুৰি ছটিয়াই আনন্দ উৎসৱ কৰে। বৰপেটা অঞ্চলত প্রচলিত হোলি গীতৰ লগত আমাৰ এইফালৰ হোলি গীতৰ সম্পূর্ন মিল আছে। আমাৰ এইফালে বাঁহেৰে বনোৱা 'ঠক ঠকি' ৰ বাহিৰে হোলি গীত গোৱাৰ সময়ত অইন বাদ্য যন্ত্র নবজায়।

তিনিটা বিহু আমিও পালন কৰো। কিন্তু আমাৰ নাম বেলেগ বিহুৰ ৰীতি-নীতিবোৰ আমাৰ লগত একেধৰণৰ। ৰঙালী বিহু বা সাত বিহুক আমি কওঁ 'সাত বিযুৱা'। ৰঙালী বিহু আৰম্ভ হয় চ'ত মাহৰ সংক্রান্তিৰ দিনা । চ'ত মাহৰ সংক্রান্তিটোৰ নাম । মহাবিযুৱ সংক্রান্তি'। বিযুৱ শব্দৰ লগত উৱা প্রত্যয় যোগ কৰি। বিযুৱা শব্দটো হৈছে। কিছুমানে বিষিমা' বুলি কয়। ব্যাকৰণ মতে। বিযুৱা শব্দটোকে শুদ্ধ বুলি কব পাৰি। সাত বিহুৰ লগত আমাৰ সাত বিযুৱাৰ পার্থক্যটো হ'ল এয়ে যে আমাৰ মাজত বিহুগীতৰ প্রচলন নাছিল। তাৰ পৰিবর্ত্ত অবিভক্ত গোৱালপাৰা জিলা আৰু উত্তৰ বঙ্গৰ বহু ঠাইত এদিনীয়া, তিনিদিনীয়া , সাত দিনীয়া আৰু পোন্ধৰ দিনীয়াকৈ বিভিন্ন থানত পূজা আৰু মেলা বহে। কাতি বিহুক আমাৰ ইয়াত কাতি গছা বুলি কয় আৰউ সিদিনা ধাননি পথাৰত বন্তি দিয়া হয়।

ভোগালী বিহুটো আমাৰ ইয়াত বিভিন্ন নামেৰে পৰিচিত। যেনে দোমাহী, দোমাসী আৰু পুযুনা। ভোগালী বিহুটো ভোগৰে উৎসৱ। লাডু -পিঠাৰ উপৰিয়ো ৰাজবংসীলোকসকলে ভোগালী বিহুত 'আটকড়াই' আৰু 'টোপোলা ভাত' খায়। বন্নি চাউল, তিল আৰউ মাহ মিহলাই আটকড়াই ভজা হয় আৰু তাৰ লগিছত সৰু সৰু কৈ নাৰিকল কাটি তাৰ লগত মিহলাই খাবলৈ দিয়া হয় নতুন গুড়ৰ লগত । কুমলীয়া কলপাতত এমুঠিমানকৈ বন্নিচাউল টোপোলা বান্ধি ৰান্ধিব লাগে। গুড়েৰে সৈতে টোপোলা ভাত খাবলৈ ভাল লাগে। গাখীৰ বা দৈৰে সৈতে খাবলৈ আৰু বেচি ভাল লাগে।

যাত্রা পূজা কৰা হয় দূর্গা পূজাৰ দশমীৰ দিনা। ৰাজবংশীসকলে ঘৰে ঘৰে যাত্র পূজা কৰে। যাত্রাপূজাৰ দিন নাঙল আদিকৰি যাৱতীয় কৃষি সজুঁলি আৰু দা-কটাৰী, কোৰ-কুঠাৰ আদি ধুই-পখালি তুলসী গুৰিৰ কাযত থৈ প্রত্যেকতে সেন্দুৰৰ ফোট দিয়া হয়। তাফ পিছত পঞ্চ দেৱতাক পূজা কৰা হয়। পূজাত পুৰোহিতৰ প্রয়োজন নাই। গৃহস্তই নিজে পূজা কৰে। পূজাৰ প্রসাদ হিচাপে দিয়া হয় চাউল -চিৰা । চাউল -চিৰা মানে চাউল আৰু চিৰা নহয়। বন্নি চাউলেৰে বনোৱা ই একৰকম চিৰা। ত্তর্তন -ঘোযাত চাউল -চিৰাৰ উল্লেখ আছে। বিষহৰি পূজা মানে মনসাদেৱীৰ পূজা । ৰাজবংশী মানুহৰ মাজত বিষহৰি নামটো বেচি প্রচলিত। মনকৰ, দুর্গাবৰ আৰু কবি নাৰায়নদেৱৰ মনসা কাব্যত বিষহৰি নামটোহে বেচিকৈ উল্লেখ কৰা আছে। বিষহৰি ৰাজবংশীসকলৰ গৃহদেৱী। প্রত্যেকৰ ঘৰতে বিষহৰি থান আছে। বিয়াৰ সময়ত দৰা কইনাই বিষহৰি থানত সেৱা কৰিব লাগে। সামর্থ্যবান গৃহস্থই ল'ৰা -ছোৱালীৰ বিয়াৰ সময়ত 'মাৰৈ পূজা' পাতে। অর্থাৎ, বিষহৰি পূজাৰ সময়ত 'মাৰৈ গান' গোৱাৰ ব্যৱস্থা কৰিলে সেই পূজাটোক মাৰৈ পূজা বুলি কোৱা হয়। মাৰৈ গান এদিনীয়া, তিনিদিনীয়া বা সাত দিনীয়াও হব পাৰে। গৃহস্থৰ সামর্থ্য অনুযায়ী। তিনিদিনীয়া বা সাত দিনীয়াকৈ হ'লে তাক 'গোটা মাৰৈ' বুলি কোৱা হয়।

সাজ-পাৰ কৃষ্টিৰ এটা অঙ্গ। সাজ-পাৰৰ ক্ষেত্রত ৰাজবংশী সকলে নিজস্ব বৈশিষ্ট হেৰুৱাৰ দৰে হৈছে। আগথে তিৰোতা-সকলে পাটানি পিন্ধিছিল। অবিভক্ত গোৱালপাৰা জিলাৰ পশ্চিম অঞ্চলৰ তিৰোতাসকলে এশ বছৰমান আগতে সম্পুর্ণৰূপে পাটানি বির্সজন দি শাৰী ব্যৱহাৰ কৰা আৰম্ভ কৰিছিল। পুব অঞ্চলৰ তিৰোতাসকলে পাটানি পিন্ধে যদিও এতিয়া মেখেলা -চাদৰৰ ব্যৱহাৰ দিনে দিনে বাঢ়িব লাগিছে। পুৰুষসকলে ঘৰৰ তাত শালত বোৱা ছয়হাত মান দীঘল আৰু ডেৰহাত মান বহল এক ধৰণৰ গামোচা পৰিধান কৰে। ডেৰহাত -দুইহাতমান দীঘল আৰু পৌনে একহাতমান লং পেন্ট। খাদ্যভ্যাস আন এটা কৃষ্টি। আজিকালি হোটেল-ৰেস্তোৰাৰ অভ্যাসটো ৰাজবংশীসকলৰ আন এটা বৈশিষ্ট্য। অবিভক্ত গোৱালপাৰা জিলাৰ পূৱ-পশ্চিম উভয় অঞ্চলৰ ৰাজবংশী মানুহৰ মাজত যাৰ লোক অভ্যাসটো আছে। কৃষ্টি সম্পর্কে লিখিবলৈ বহুত বিষয় আছে । কিন্তু প্রৱন্ধাটো দীঘলীয়া হোৱাত ইমানতে সামৰিলো। ❑

******

ৰাজবংশী ভাষাত 'ভাংনি' ঃ

'শ্ৰীমদ্ভগবদ্‌গীতা'ৰ বিষয়ে কিছু অনুভৱ

মৰমী বৰঠাকুৰ তালুকদাৰ

উত্তৰ পূৱ ভাৰতত কোচ-ৰাজবংশী সকল সুকীয়া বৈশিষ্ট্যৰে সু-পৰিচিত এটি নাম । পুৰাণৰ দিনৰ পৰাই মঙ্গোলীয় ফৈদৰ এই লোক সকলৰ নাম পোৱ যায় । অসমৰ বিভিন্ন ঠাইৰ বাহিৰেও বিহাৰ, বাংলাদেশ আদি ঠাইত ক্ষুদ্ৰ-ক্ষুদ্ৰ ভাগত বিভক্ত হৈ থকা এই লোক সকলৰ স্বকীয় ভাষা সংস্কৃতি মনকৰিবলগীয়াকৈ উন্নত। অসমীয়া ভাষা সংস্কৃতিৰ বৰ ঘৰ শুৱনি কৰিব পৰা কোচ-ৰাজবংশী সকলৰ ভাষা-সাহিত্য-সংস্কৃতিৰ অধ্যয়ন, বিশ্লেষণ বিকাশৰ প্ৰচেষ্টা অতীব প্ৰয়োজন ।

ৰাজবংশৰ পৰা হোৱা ৰাজবংশী সকল পশ্চিম অসমৰ এক বৃহৎ জনগোষ্ঠী । ঐক্য সংহতিৰ পৰা ধৰ্ম, সাহিত্য, সংস্কৃতিৰ ক্ষেত্ৰত আগবঢ়োৱা এওলোকৰ অবদান সদাস্মৰণীয় । ভগদত্ত, কুমাৰ ভাস্কৰ বৰ্মণ, দুৰ্লভনাৰায়ণৰ লগতে মহাৰাজ নৰনায়ণৰ দিনৰে পৰা বিকাশ লাভ কৰা এওঁলোকৰ ভাষা সংস্কৃতি ভাৰতীয় তথা অসমীয়া সংস্কৃতিৰ অন্যতম আধাৰ ।

ৰাজবংশী ভাষাক যদিওবা দেশী, কামতালী, গোৱালপৰীয়া, আদি আখ্যা দিয়া হয় যদিও হাৰ্ডচন, গীয়াৰ্চন আদি পণ্ডিতে 'ৰাজবংশী উপভাষা' (Rajbonshi dialect) বুলিহে উল্লেখ কৰিছে । বিভিন্ন ধৰণৰ লোকগীত-মাত, প্ৰবাদ-প্ৰৱচনকে আদি কৰি এই ভাষাতে নানা লোক-সাহিত্যৰ সৃষ্টি হৈছে । তাৰ ভিতৰত অনুবাদ কাৰ্যও বাদ পৰা নাই । প্ৰবন্ধ, কবিতা, গীত আদি ৰাজবংশী ভাষাত বহুতে অনুবাদ কৰি আহিছে । 'শ্ৰীমদ্ভগবদগীতা'ৰ দৰে এখন মহৎ পুঠি ৰাজবংশী ভাষালৈ কৰা অনুবাদ দেখি আশ্চৰ্যবোধ কৰাই নহয়, গৌৰব বোধো কৰিছো যে গৌৰীপুৰৰ এজন অনামী লেখকে অসাধাৰণ পাণ্ডিত্যৰে গীতাৰ দৰে এখন তত্বগধুৰ পুথি অনুবাদ কৰিছে । সম্ভৱতঃ এইখন ৰাজবংশী ভাষালৈ অনুদিত প্ৰথম গীতাৰ অনুবাদ । গতিকে এই খনৰ ওপৰত বিচাৰ-বিবেচনাৰ প্ৰয়োজন । এনে এটি মহৎ কাৰ্য সম্পাদন কৰা শ্ৰীযুত ৰত্নেশ্বৰ ৰায় দেৱক এই চেগতে জনাইছো আন্তৰিক ধন্যবাদ ।

প্ৰায়বোৰ আধুনিক ভাৰতীয় ভাষাতেই গীতাৰ অজস্ৰ ভাঙনি আছে । অসমীয়াও তাৰ পৰা বাদ নপৰে । গদ্য আৰু পদ্য উভয় ধৰণেৰে অনুবাদ হোৱা গীতাই নতুন সম্পদৰ সৃষ্টি কৰিছে। যুগে-যুগে গীতাৰ ভাব সম্পদক কাব্যিক সৌন্দৰ্যই অনুৰাগী হৃদয়ক কৰিছে আতুৰ । "পৰম সত্তাৰে সাৰ্থক বন্দনাত গাম্ভীৰ্য পূৰ্ণ প্ৰকাশৰ ই এনে এক প্ৰমাণ, যাক মিল্টনৰ উৎকৃষ্টতাইও ঢুকিপোৱা নাই বুলি চাৰ্লচ উইলকিঞ্চে ইংৰাজী ভাষালৈ কৰা গীতাৰ অনুবাদ 'দ্য ভগৱদগীতা'ৰ মুখবন্ধত অতি উচ্ছাসিত প্ৰশংসা কৰিছে। তেনেকৈ টি এছ ইলিয়টে আৰ্ণল্ডৰ ' দ্য চং চেলেষ্টিয়েল' পঢ়ি গীতাৰ বিষয়ে মন্তব্য কৰিছে এনেদৰে ' (The Bhagavad-Gita is the second greatest philosophical poem in my experiment - T.S. Eliot, Selected Essay)' এই খিনিতে বিশ্ব সাহিত্যৰ মহোত্তম দাৰ্শনিক কাব্য গ্ৰন্থৰ নাম লোৱা উচিত । ইলিয়টৰ মতে 'ডিভাইনা কমেডিয়া' হ'ল বিশ্ব সাহিত্যৰ মহোত্তম দাৰ্শনিক কাব্যগ্ৰন্থ।

বিশ্বসাহিত্যতো বাদেই ভাৰতবৰ্ষৰ ধৰ্ম-ভাষা গোষ্ঠী নিৰ্বিশেষে গীতাৰ লগতে নিৰক্ষৰ লোকৰ মুখতো গীতৰ বাণী নিৰ্গত হয় । ভাৰতীয় লোক জীৱনৰ লগতো গীতাৰ গভীৰ সম্পৃক্ত যদিও গীতাৰ সাৰমৰ্ম অতি কঠিন আৰু বিভিন্ন ভাবৰ তথাপি ধ্বনিময় ইয়াৰ স্পন্দনত লুকাই থাকে সাধাৰণ অৰ্থ সৌন্দৰ্য। গীতাৰ এই মৰ্মবাণী অনুভৱ কৰিবলৈ প্ৰয়োজন এখন সংবেদনশীল হৃদয়ৰ।

শ্ৰীযুত ৰত্নেশ্বৰ ৰায়দেৱে 'শ্ৰী মদ্ভগবদ্ভগীতা'ৰ প্ৰচ্ছদপটতেই উল্লেখ কৰিছে।

"মন্মনা ভব মদ্ভক্ত মদযাজী মাং নমস্কুৰু।
মামেৱৈষ্যপি সত্যাংতে প্ৰতিজানে পিয়োহসি মে।।

ৰাজবংশী অনুবাদ-

মনচিত কৰো এক মাত্ৰ মুখী,
মোকেই সদায় ভক্তি কৰো দিন ৰাতি,
মোৰেই পূজা পাঠ কৰো জীৱন ভৰি,
মোকেই ভক্তি কৰো নাদেখি অন্য ভিত্তি,
সত্য কৰিয়া কনুবে মুঞি প্ৰতিতো কৰি,

মোকে পাইবেন শেষে মোৰ প্ৰিয় বুলি ।

ৰায়দেৱে শ্ৰীমদ্ভগৱদগীতাৰ গীতাৰ কথা, প্ৰথম স্কণ্ড, প্ৰথম অধ্যায়, বিষাদযোগৰ পৰা অনুবাদ আৰম্ভ কৰিছে এনেদৰে --

ধৃতৰাষ্ট্ৰ পুছিলেন-
ধৰ্ম্মক্ষেত্ৰে কুৰুক্ষেত্ৰে যুদ্ধ সাজে সাজি,
মোৰ আৰ পাণ্ডপুত্ৰ জোত বান্ধি আজি
কায়বা কি কাম এলা কৰি আছে সেটি ?
ক'ত মোক, সঞ্জয় যুদ্ধেৰ সঠিক গতি।।১
সঞ্জয় কন-
বেহু বানেয়া আছে পাণ্ডৱ সৈন্য গণ
দেখিয়া পাণ্ডব সৈন্য ৰাজা দুৰ্য্যোধন
গুৰু দ্ৰোণাচাৰ্য্যেৰ আগত গয়া কন।।২

এইদৰে কুৰুক্ষেত্ৰ যুদ্ধৰ কথা দূৰদৰ্শী সঞ্জয়ৰ মুখে জানিব বিচাৰিছে ধৃতৰাষ্টই। সঞ্জয়ে দুৰ্যোধনৰ সৈন্যবল স্বীকাৰ কৰিছে যদিও পাণ্ডবৰ শক্তিৰ কথা জনাইছে এনেকৈ-

যদিও কৌৰব সেনাপতি ভীষ্মবলী,
তবুও মনে হয় পাণ্ডব শক্তিশালী,
ভীম আজি পাণ্ডব দলেৰ ৰক্ষাকাৰী,
মনে হয় উমাৰে ভাগ্যে মঙ্গল বুজি।১০

শ্ৰীকৃষ্ণ যেতিয়া পাৰ্থক বিপক্ষত থকা ভীষ্ম দ্ৰোণ আদিক দেখুৱাই যুদ্ধ কৰিবলৈ গ'লে, তেতিয়া অৰ্জুনে দুখ কৰি কৃষ্ণক কৈছে-

অৰ্জুন কন-হে কৃষ্ণ। যুদ্ধে আইসা জ্ঞাতি বন্ধুজন,
সন্মুখে দেখিয়া উমাক অৱস মোৰ মন,
শুকাইছে টুটিতা নাই টুতিত জল।।২৮

স্বজনৰ মৃত্যু বা ধ্বংস কামনা নকৰা অৰ্জুনে যুদ্ধ যে মঙ্গলজনক কাম নহয় তাকে শ্ৰীকৃষ্ণক অথিৰ হৈ কৈছে-

'হে সখা। ঘোৰ পাক খাইছে মন আজি
নাপাবে থাকিবাৰ মুই সুস্থিৰ কৰি ৩০
(প্ৰথম অধ্যায়)
পিতা পিতামহ আৰ বেটা নাতিজন,
গুৰুদেৱ মামা- শালা পাণ্ডব স্বজন।
নিজে মৰিম তাওজল মধূসুদন,
মাৰিব নাপাইম উমাক কোনো দিন ৩০-৩৪
শ্ৰীকৃষ্ণই তেতিয়া অৰ্জুনক বুজাইছে-
এই ঘোৰ বিপদে তোমাৰ একি ৰোগ
মোহে ডুবিয়া যাওৱা সাজেনাবীৰক
(দ্বিতীয় অধ্যায়)
সকলো যে স্বাভাবিক তাক বুজাবলৈ কৃষ্ণই কৈছে-
মুঞি তোমৰা আৰও এই ৰাজাগুলা,
ছিলেক সগায় আগে এলাও আছে,
পাছেও থাকিবে জীৱ এই পৃথিৱীতে।" ১২

মানুহৰূপী শৰীৰত থকা আত্মা যে অবিনশ্বৰ তাকো বুজাইছে এনেকৈ-

অস্ত্রে কাটেনা আত্মাক আগুনে নাপুৰে,
জলত নাগলে আৰ বাতাসে নাশুকে

মানুহে পুৰণা কাপোৰ সলোৱাৰ দৰে আত্মাইয়ো পুৰাণ দেহা সলায় ঃ

মানষি যেমন ছেড়া কাপুৰ সালেয়া,
পিন্ধে নতুন কাপুড় হাউস কৰিয়া;
সেইমত আত্মা কেলেয়া পুৰাণ দেহা,
নতুন সাজে সাজিয়া ধৰে নয়ে দেহা।

জন্মিলে মৰিব লাগিব ই ধ্ৰুবসত্য। সেয়ে শোকাতুৰ হৈ লাভ নাই, ধৰ্মযুদ্ধ কৰিলেহে ধৰ্মকীৰ্তি থাকিব বুলি বুজোৱা শ্ৰীকৃষ্ণই কৰ্মযোগৰ দ্বাৰা অৰ্জুনক কৈছে-

সেইবাদে হে ভাৰত। আত্মজ্ঞান দিয়া,
অজ্ঞানৰূপী হৃদয়ৰ সংশয় ভেদি
কৰ্ম্মযোগ ধৰো উঠো যুদ্ধ কৰো আমি।। ৪২
চতুৰ্থ অধ্যায়

কৃষ্ণময় প্ৰেমেই যে জীৱনৰ শেষ মুক্তিৰ পথ তাকেই বুজাবলৈ এনে ভাৱ ব্যক্ত কৰা হৈছে।

এই সংসাৰ যে মায়া ভগৱান শ্ৰীকৃষ্ণই গীতাৰ ওঠৰ অধ্যায়ৰ ৬১ নং শ্লোকত কৈছে-

'ঈশ্বৰ সৰ্ব্বভূতানাং হৃদ্দেশেহৰ্জ্জুন তিষ্ঠতি
ভ্ৰাম্যমান সৰ্ব্বভুতানি মন্ত্ৰাৰূঢ়ানি মীযয়া।।
ৰাজবংশী ভাষাত এওঁ এনেদৰে কৰিছে-
হে অৰ্জুন। দেহ ৰূপী যন্ত্ৰে চৰি হৰি
জীৱ গণ ৰাখিছে মায়া জালত গাথি
সুত্ৰধাৰেৰ মতো কৰ্ম্মে আবদ্ধ কৰি,
সমস্ত জীৱেৰ হৃদয়ে থাকিয়া হৰি,

সদায় ভক্তৰ অধীন ভগবান আৰু ভক্ত ভগবানৰ প্ৰিয়। ভক্তৰ উদ্ধাৰৰ বাবে সেয়ে ভগবান শ্ৰীকৃষ্ণই একে অধ্যায়ৰে

OKDISCD

৬৬ নং শ্লোকত কৈছে -

সর্ব্বধর্ম্মান পৰিত্যজ্জ্য মামেকং শৰনং ব্রজ !
অহংত্বাৰে সর্ব পাপেভ্যো মোক্ষয়িষ্যামি মা শুচ ঃ

ৰাজবংশী ভাষাত এনেধৰণৰ অনুবাদ-

হে অর্জুন,
সউগ ধর্ম্মে দেও পৰিত্যাগ কৰি,
শৰণ নেও মোৰে একমন কৰি,
মুঞে সমস্ত পাপ দিম খণ্ডন কৰি,
ছাড়ো সউগ, তোমাৰ মুক্তি নিশ্চয় জানি।
শ্রীশ্রী মাধৱদেৱেও নামঘোষাত কৈছে-
মোত হন্তে হোৱে চৰাচৰ, মোতসে প্রবর্ত্তে
ইহাকে অর্জ্জুন জানে যিটো মহাজন।
পৰম বিবেকী সিটো জন, মোৰ ভাবে যুক্ত হুয়া মন;
মোকে মাত্র ভজে শ্রৱণ কৰি কীর্ত্তণ।

শ্রীৰায়দেৱে এনেধৰণেৰে অতি সহজ-সৰল ৰাজবংশী ভাষাৰে গীতাৰ যি সুন্দৰ অনুবাদ কৰিছে পঢ়িলেহে তাক উপলব্ধি কৰিব পৰা যায়। তেওঁ গীতা পাঠৰ মাহাত্ম্য বুজাবলৈকৈ কিতাপখনত লিখিছে

ভগবান শ্রীকৃষ্ণ দৈৱকীনন্দন
গীতা পাঠে যতো আনন্দিত হন
বেদ পাঠ যজ্ঞ দান অনুষ্ঠান
তীর্থ ব্রত নাহয় তাৰ সমান। ২৬

গীতাই হ'ল এই সংসাৰৰ শেষ সীমা। গীতা যিকোনো ভাষাতেই সুন্দৰত্তম আৰু সম্ভৱত ঃ প্রকৃতার্থত দার্শনিক সঙ্গীত, কালৰ টোয়ে মচিব নোৱাৰা এই মহাগ্রন্থৰ ৰাজবংশী অনুবাদ ৰসত তৃপ্ত নকৰাকৈ নাথাকিব। নিজা ববীয়া প্রচেষ্টাৰে একনিষ্ঠাৰে কৰা এই অনুবাদৰ বাবে ৰায়দেৱ প্রশংসাৰ যোগ্যই নহয় পথ প্রদর্শকো। ভক্তিৰ পৰা শ্রীমদ্ভগবদগীতাৰ অনুবাদ প্রসঙ্গত তেওঁ লেখকৰ কথাত উল্লেখনীয় কাকতালীয় সংযোগৰ কথা উল্লেখ কৰিছে এনেদৰে-

"এই গীতাখন ১৬-০৪-২০০২ ইং তাৰিখে সকাল ৯-৩০ টাত লেখা শেষ হয়। গীতাখন লেখা শেষ কৰি মঞি মনেৰ আনন্দে চকু মুজি হৰিবোল, হৰিবোল কওয়া আৰম্ভ কৰং, ঠিক ঐ সময় মোৰ সাথে সাথে আৰো একজন হৰিবোল হৰিবোল কয়া উঠে। চকু মেলি দেখং মোৰ ঘৰৰ ভিতৰ একজন নিঃকিঞন প্রভূনামে গৌড়ীয় সন্যাসী, ভগবানেৰ কি লীলা, মোৰ গাৰ লোম খাড়া হইয়া গেইল। ভাবিনু নিশ্চয় ভগবানে মোক আর্শীবাদ জনোৱাৰ বাদে এই শুভ মহুর্ত্তত একজন শুদ্ধ সন্নাসী ভক্তক মোৰ এটি পাথে দিছে। মোৰ পৰম কৰুনাময় ভগবানেৰ চৰণে মোৰ আত্মাৰ হিয়া ভৰা ভক্তি জানাং আৰ ভক্ত সমাজক মোৰ হিয়া ভৰা ভক্তি জানাং।" এই ছেগতে আমিও জনালো পৰম প্রভূৰ প্রতি আত্মিক সেৱা। লগতে অনুসন্ধিৎসু পাঠক সমাজক অনুৰোধ জনাও যে সাধাৰণ ভাবে প্রকাশ কৰা (কেঁচাবন্ধা) উক্ত গীতাখনৰ সামগ্রিক সৌন্দর্যবর্ধন কৰি ভক্ত সমাজৰ সৈতে বৌদ্ধিক সমাজলৈও গুৰুত্বপূর্ণ অ বদান আগবঢ়ায় যেন। ❑

* * * * * *



OKDISCD

কোচ ৰাজবংশী জাতিৰ সৰ্বাংগীন উন্নতিৰ বাবে কোচ-ৰাজবংশী সন্মিলনীৰ দায়িত্ব

প্রভাত চন্দ্র কাকতি

কোচ ৰাজবংশী সন্মিলনীৰ জন্ম হয় ১৯১২ চনত ভাৰতবর্ষ স্বাধীন নোহোৱাৰ আগ ভাগতেই। বর্তমান কোচ ৰাজবংশী সকলৰ ৯১ বছৰ পূর্ণ কৰা কোচ ৰাজবংশী সন্মিলনীয়ে কোচ জাতিৰ সর্বাংগীন উন্নতি ৰ বাবে কি কি সৃষ্টি মূলক ভূমিকা লৈ আহিছে তাক বিচাৰ কৰি চোৱাৰ সময় আহিছে । সন্মিলনীৰ জন্ম লগ্নৰে পৰা বিভিন্ন প্রান্তত বার্ষিক অধিবেশন অনুষ্ঠিত কৰি আজি লৈকে জাতিটোৰ গঠনৰ বাবে লোৱা সৃষ্টিমূলক ভূমিকাবোৰৰ বিশ্লেষণ সমাজৰ আগত দাঙি ধৰিব লাগিব ।

অসমীয়া জাতি আৰু ইয়াৰ ভাষা-সংস্কৃতি আদি সকলো সংমিশ্রিত। কোচ ৰাজবংশী অসমীয়া জাতিৰেই এটা বৃহৎ উপজাতি। বর্ত্তমান ভাৰতবর্ষত ইয়াৰ সংখ্যা প্রায় ১.৫ (ডেৰ) কোটি আৰু অসমত প্রায় ৬২ লাখ। সেয়ে কোচ ৰাজবংশী জাতিটোৰ ভাষা, কৃষ্টি, সংস্কৃতি আদিৰ বিকাশ, উন্নতি আৰু প্রচাৰ হ'লেহে বৃহৎ অসমীয়া জাতিৰ উন্নতি হ'ব। গতিকে অসমীয়া জাতিৰ বুকুত মিহলি হৈ থকা এই জাতিটোৰ সামগ্রীক উন্নতিৰ বাবে কোচ- ৰাজবংশী সন্মিলনীয়ে কি কৰি আহিছে বা কি কৰি অহা নাই আৰু কি কৰিব লাগিব তাৰ ওপৰতো বিজ্ঞান সন্মত বিশ্লেষণ হোৱা দৰকাৰ। আজি অসমীয়া জাতিটোৰ নানান বিপর্যয়ৰ সন্মুখীন হ'ব লগা হৈছে । অসমত বাস কৰা উপজাতি সমূহৰ সমবিকাশ নোহোৱাটোৱেই ইয়াৰ প্রধান কাৰণ । এই ক্ষেত্রত কোচ-ৰাজবংশী জাতিয়ে উন্নতিৰ শিখৰত অগ্রসৰ হ'বলৈ হ'লে কোচ - ৰাজবংশী সন্মিলনীয়ে নিজেই কাম কৰি যাব লাগিব।

আগন্তুক বার্ষিক অধিবেশনৰ সময়ত সন্মিলনীয়ে নিজৰ কর্মমুখী সৃষ্টিমূলক অৱদানৰ ওপৰত পুংখানুপুংখ ৰূপে বিশ্লেষণ কৰি হৈ যোৱা ভুলত্রুটি আৰু দায়িত্বৰ কথা পুনৰ অনুধাৱণ কৰিবলৈ চেষ্টা ল'ব লাগিব। সন্মিলনীয়ে জাতিটোক সমন্বয়ৰ এনাজৰীৰে কটকটীয়াকৈ বান্ধিব নোৱাৰিলে জাতিটোৰ বিপদ হ'ব পাৰে। কর্মৰ দ্বাৰাই সন্মিলনীয়ে জাতিটোৰ সর্বসাধাৰণক আপোন কৰি ল'ব পাৰিব লাগিব। "একতাই হৈছে এটা জাতিৰ ৰাজহাড়" এই কথা সকলোৱে অন্তৰেৰে সৈতে বুজি ল'ব লাগিব। জাতিৰ এটা অনুষ্ঠান হিচাবে কোচ ৰাজবংশী সন্মিলনীয়ে জাতিৰ সামগ্রীক উন্নতিৰ কাৰণে সৃষ্টিমূলক প্রচেষ্টা নল'লে জাতিটো প্রতিটো দিশতে কিম্বা প্রতিটো সংকটতে সন্মিলনীয়ে আগভা ল'বলৈ সাজু থাকিব লাগিব। সামাজিক দায়বদ্ধতা পালন কৰিবৰ এই অনুষ্ঠানৰ জৰিয়তে সন্মিলীত প্রচেষ্টা চলাব লাগিব আনহাতে কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰৰ দায়িত্ব এ জাতিটোৰ ওপৰত কিমান? নিজক তথা দেশক বচাই ৰখা ক্ষেত্রত এই উপ-জাতিটোৱেও আগভাগ ল'ব নেলাগিব জানো

অসম বিভিন্ন জাতি-উপজাতিৰ মিলন ভূমি । ইয়া বিভিন্ন ধর্ম-সম্প্রদায়ৰ মাজত আছে এক এৰাব নোৱাৰা বান্ধোন এই অসমী আইৰ কোলাত উমলি -জামলি প্রতিজন অসমীয়া নিজ-নিজ জাতি সত্তাৰ পৰিচয় দিব পাৰে। এই ক্ষেত্রত কোচ ৰাজবংশী সন্মিলনীৰ আৱশ্যকতা কোনো গুণে কম হ'ব নোৱাৰে । শক্তিশালী অসমীয়া জাতি গঠনত সৃষ্টিহোৱা হেঙাৰবো আতঁৰাবলৈ সদৌ অসম কোচ - ৰাজবংশী সন্মিলনীৰ অ প্রয়োজন। বর্তমানে অসমীয়া জাতীয় জীৱন ভয়ঙ্কৰ ভাঙোন গৰাহত পৰিছে। এই ভাঙণ সংকট কালত প্রতিজন সৎ অসমীয়া দায়িত্ব হ'ল-বৃহত্তৰ অসমীয়া জাতীয় জীৱন সম্পূর্ণ ভাবে জী যাবলৈ নিদিয়াটো। এই খিনি কৰাৰ সুবিধা হৈছে কোচ- সন্মিলনী জৰিয়তে।

অসমখন কাৰো ধোবাৰ পীৰা নহয় যে অসমৰ বাহিৰ পৰা ইয়ালৈ আহি হাঁহি - হাঁহি নাচি-বাগি থাকিব পাৰে। নিজ স্বকীয় ক'লা - সংস্কৃতিক ৰক্ষা কৰি যোৱাটো প্রতিটো উপ জাতিৰে প্রধান কর্তব্য ।

আমাৰ দৃঢ় বিশ্বাস কোচ- ৰাজবংশী সন্মিলনীয়ে জাতিটো সন্মুখত দেখা দিয়া কোনো ধৰণৰ বাদ -প্রতিবাদ আৰু অসন্তু সমূহ সমাধান কৰি জাতিটোৰ সর্বাংগীন উন্নতিৰ বাবে অগ্রস হ'ব পাৰিব নিশ্চয়। "সদৌ অসম কোচ ৰাজবংশী সন্মিলনী মানে অসম তথা ভাৰতবর্ষত বস-বাস কৰি অহা আন-আন জা সমূহক অৱজ্ঞা কৰাটো নুবুজায়। নিজ জাতিৰ জীৱন-যাত্রা অনিবার্যতাক আনন্দময় ৰূপ দিয়াৰ আন্তৰিক প্রচেষ্টায়ে হ'ব সদৌ অসম কোচ - ৰাজবংশী সন্মিলনীৰ মূল ভেটি। ❑

OKDISCD

ভাৰতত কোচ - ৰাজবংশী জনগোষ্ঠীৰ 'পৰিচিতি'

বিপিন বৰ্মণ

উত্তৰ পূৰ্ব - ভাৰতৰ যি কেইটা আদিমবাসী জনগোষ্ঠী আছে তাৰে এটা অন্যতম জনগোষ্ঠী কোচ-ৰাজবংশী। কোচ-ৰাজবংশী জনগোষ্ঠী অতীজৰে পৰা নিজা ভাষা- সংস্কৃতিত চহকী । পঞ্চম শতিকাৰ গৌড় নগৰৰ নির্মাতা ৰজা সংকলাদীপৰ পৰা আৰম্ভ কৰি বর্ত্তমানৰ কোচবিহাৰৰ ৰাজ পৰিয়াল, বিদ্যাপুৰৰ চিদ্‌লী ৰাজ্যৰ কোচ ৰাজপৰিয়াল, গুৱাহাটী মহানগৰীৰ বেলতলাৰ কোচ ৰাজপৰিয়াল, মঙলদৈৰ কোচ ৰাজ -পৰিয়াল আৰু অভয়াপুৰী চহৰৰ মাজমজিয়াত থকা কোচ ৰাজ পৰিয়ালে কোচ - ৰাজবংশী জনগোষ্ঠীৰ এক বিশাল অঞ্চলত থকা আধিপত্যৰ কথাকে সোঁৱাৰইদি আছে।

এইটো সত্য যে প্ৰাচীন ভাৰতত জাতিভেদ প্ৰথা তীব্ৰ আছিল। অনার্য্য মূলীয়া কোচ-ৰাজবংশী জনগোষ্ঠীটোৰে জাতিভেদ প্ৰথাৰ দ্বাৰা বেয়াকৈ আক্ৰান্ত হৈছিল । প্ৰাগবৈদিক যুগত প্ৰব্ৰজনকাৰী আর্য্যসকলে কোচ-ৰাজবংশী জনগোষ্ঠীক কুভাষী বুলি নিন্দা বা বিদ্রুপ কৰিছিল। সেয়ে কোচসকল কবচ্ বা কুৰাচ বা মন্দভাষী হিচাবে বেদ, তন্ত্ৰ সাহিত্য, ইতিহাস আদিত লিপিবদ্ধ হৈ আছে। পাছলৈ ৰূপান্তৰিত হৈ কোচ হয় ।

কোচ -ৰাজবংশী সংমিশ্রিত জনগোষ্ঠী। পণি আৰু কবচ বিলাকে বেদৰ পুৰোহিতক আমান্য কৰাৰ কথা বেদত লিপিবদ্ধ হৈ আছে। নানা কাৰণত আদিম কালতে জনগোষ্ঠীগত সংমিশ্রণ আৰম্ভ হৈছিল। ফলত পণি আৰু কবচৰ সুকীয়া সুকীয়া পৰিস্থিতিৰ পৰিবর্ত্তে সৃষ্টি হয়- পনি কোচৰ । পাছলৈ অষ্ট্রিক আৰু দ্রাবিড় সকলৰ সংস্পর্শলৈ আহি পুনৰ সংমিশ্রিত হৈ পৰে।

প্ৰাচীন ভাৰতত গঙ্গা-যমুনা উপত্যকাৰ পৰা আৰম্ভ কৰি ব্রহ্মপুত্র উপত্যকালৈ কোচ-ৰাজবংশী ৰজা মহাৰজা সকলে শাসন কৰাৰ তথ্য আমাক ইতিহাসে দিয়ে। আনকি সপ্তদশ শতাব্দী পর্য্যন্ত ভুটান দেশ কোচ -ৰাজবংশী সকলৰ গৃহ ভূমিৰ একাংশ আছিল। তেতিয়াৰ ভূটানত কোচ-ৰাজবংশী সকল 'টেফু' নামেৰে পৰিচিত আছিল।

আজিৰ ভাৰত তথা বিশ্বৰ বহু দেশত লিপিবদ্ধ হৈ থকা কোচ-ৰাজবংশীৰ ইতিহাস ৰাজপৰিয়াল উৎত্থান-পতন, যুদ্ধত জয়-পৰাজয় আৰু ৰাজ্যবিস্তাৰৰ তথ্যৰে পূর্ণ। ৰাজপৰিয়াল বিলাকৰ উত্থান -পতনৰ ইতিহাস কোচ- ৰাজবংশী জনগোষ্ঠীৰ সম্পূর্ণ ইতিহাস নহয়। কোচ-ৰাজবংশী জনগোষ্ঠী যে ভাৰতৰ আদিম বাসিন্দা তাৰ দৃষ্টান্ত পোৱা যায় ঋক বেদৰ পাততে । পণ্ডিত সকলৰ মতে ঋকবেদৰ ৰচনা কাল খৃঃপূঃ ৫০০০ চন। ১১ শতিকাত কোকৰাঝাৰ চহৰৰ উত্তৰে ৩৫ কিঃ মিঃ আঁতৰত অৱস্থিত চিক্‌নাঝাৰত এটা কোচ-ৰাজবংশী ৰাজ পৰিয়ালৰহে উত্থান হৈছিল । এসময়ত কোচ-ৰাজবংশী জনগোষ্ঠীৰ অসমীয়া আৰু বঙালী সমাজত বিলীন হৈ যোৱাৰ প্ৰবণতা প্ৰৱল আছিল। প্ৰথম মহা যুদ্ধৰ কিছু বছৰ আগৰ পৰা ৰায়বাহাদুৰ পঞ্চানন বর্মণৰ নেতৃত্বত ক্ষত্রীয়কৰণৰ আন্দোলন আৰম্ভ হৈছিল। এই বিলীন হৈ যোৱাৰ প্রক্রিয়াক বহুদূৰ আগু�ৱাই লৈ যাব পাৰিলেহেঁতেন। ইয়াক সংস্কৃতায়নৰ এটি গুৰুত্বপূর্ণ ঢাপ হিচাবে ধৰা যায়। এই সংস্কৃতায়ন প্রক্রিয়াই কোচ- ৰাজবংশীৰ লগত বঙালী আৰু অসমীয়াৰ মাজত থকা দূৰত্ব বহু পৰিমাণে কমাব পাৰিলেহেতেঁন। কিন্তু "শুদ্ধ" হৈয়ো কোচ-ৰাজবংশী সকলৰ অসমীয়া আৰু বঙালী সমাজৰ অভ্যন্তৰত সোমোৱা সম্ভৱপৰ হোৱা নাই। অন্ত্যজ (Out Caste) হৈয়েই থাকিবলগীয়া হৈছে। মহাপুৰুষ শঙ্কৰদেৱক কোচবিহাৰৰ মহাৰাজ নৰনাৰায়ণে আশ্রয় দি বৈষ্ণৱ ধর্ম প্রচাৰত সহায় কৰিছিল। তৎস্বত্বেও বৰপেটাৰ সত্রত কোচ-ৰাজবংশীৰ প্রৱেশ নিষিদ্ধ আছিল। কোচ-ৰাজবংশী জনগোষ্ঠীক ঘৃণা কৰাৰ দৃষ্টান্ত ইয়াতকৈ আৰু কি বেছি প্রয়োজন ?

কোচ - ৰাজবংশী জনসাধাৰণে নিজৰ পুৰণি দুনিয়াখন খণ্ড খণ্ডকৈ হেৰুৱাওৰ ফলত এখন নতুন দুনিয়াৰ সন্ধান নাপালে। ১৯৬৭ চনৰ পৰা সদৌ অসম কোচ- ৰাজবংশী সম্মিলনীৰ নেতৃত্বত জনজাতিকৰণৰ গণতান্ত্রিক আন্দোলন চলাই অহা স্বত্বেও স্বজাতীয় নেতা সকলে কোচ- ৰাজবংশী জনসাধাৰণৰ হাততে এখন নতুন দুনিয়া তুলি দিব নোৱাৰিলে। সেয়ে আজি ভাৰতৰ কোচ - ৰাজবংশী জনগোষ্ঠীয়ে 'পৰিচিতি'ৰ [Identity] সংকটত পৰিছে। কোচ -ৰাজবংশীৰ নিজস্ব ঐতিহাসিক 'পৰিচিতি' অক্ষুন্ন ৰক্ষাৰ সংগ্রামত অগণন জনসাধাৰণে আজি বিচাৰিছে- নির্ভীক , নিস্বার্থ, ত্যাগী, দূৰদর্শী আৰু অভিজ্ঞ নেতৃত্বৰ।

এতিয়াও সময় আছে। জনসাধাৰণৰ বিশ্বাস কোচ-ৰাজবংশী জনগোষ্ঠীৰ ক্ষতবিক্ষত আত্মপৰিচয় নিৰাময় কৰাৰ সময় পাৰ হৈ যোৱা নাই। ইয়াৰ কাৰণে এতিয়াই বহুধা বিভক্ত নিজৰ গৃহ ভূমিত সাংবিধানিক অধিকাৰ আদায়ৰ সংগ্রামত নিপিড়ীত কোচ-ৰাজবংশী জনগোষ্ঠীৰ দল-মত নির্বিশেষে সর্বস্তৰৰ কোচ-ৰাজবংশী জনসাধাৰণ ঐক্যবদ্ধ হওঁক । ঐক্যবদ্ধ সংগ্রামে হৈছে এই জনগোষ্ঠীৰ বিৰুদ্ধে পৰিকল্পিত ভাৱে চলাই অহা ৰাজনৈতিক ষড়যন্ত্রৰ পৰা মুক্তি পোৱাৰ একমাত্র উপায়। ❑

OKDISCO

বিৰল প্ৰতিভাৰ মহীয়সী পদ্মশ্ৰী প্ৰতিমা বৰুৱা পাণ্ডে

অৰুণা চক্ৰৱৰ্তী

'সংস্কৃতি মনৰ বিলাস নহয়, মনেৰে সজা বা সৃষ্টি কৰা সম্পদো নহয় । ই বাস্তৱ প্ৰয়োজনত গঢ় লয় । মানুহৰ জীৱন সংগ্ৰামত ই প্ৰেৰণা যোগায় আৰু জীৱন যাত্ৰাৰ বাস্তৱ উদ্দেশ্য সিদ্ধি কৰে। সেই জীৱন যাত্ৰাৰেই ঘাত-প্ৰতিঘাতত সংস্কৃতিৰ ৰূপ - ৰং জিলিকি উঠে।' - ড° নিৰ্মল প্ৰভা বৰদলৈৰ এইযাৰ উক্তিৰ যথাৰ্থতা প্ৰমাণ কৰি জীৱন যাত্ৰাৰ সফল আৰু অপ্ৰতিদন্দ্বী যাত্ৰী হিচাবে জীৱনৰ পথত স্বৰ্ণ আভা চটিয়াই থৈ যোৱা পদ্মশ্ৰী প্ৰতিমা বৰুৱা পাণ্ডে অন্যতম মহীয়সী নাৰী।

সেয়া ১৯৩৪ চনৰ কথা। গৌৰীপুৰৰ বিখ্যাত ৰাজপৰিয়ালত ভূমিষ্ঠ হোৱা 'বুচু' প্ৰকৃতেশ বৰুৱা আৰু মালতী বৰুৱাৰ কন্যা। 'বুচু' আছিল প্ৰতিমা বৰুৱাৰ ডাক নাম। গৌৰীপুৰত সেই সময়ত বিদ্যালয় সমূহত পঢ়াৰ মাধ্যম আছিল বাংলা। 'বুচু'ৰ স্কুলীয়া জীৱন আৰম্ভ হ'ল বাংলা মাধ্যমেৰে । 'সেলা কিন্তুক আমৰা বাংলা সাহিত্য বাংলা ভাষাতেই পইচ্চিনু । সেলা বাংলা ভাষাতেই শিক্ষা দেওৱা হৈছিল।' কথাযাৰ আজিৰ পট ভূমিত অলপ বিসদৃশ হ'লেও প্ৰতিমা বৰুৱাৰ এইযাৰ নিভাঁজ সৰল কথিত বক্তব্য আছিল। কাৰণ তেতিয়া অসমীয়া মান্যভাষাই অবিভক্ত গোৱালপাৰা জিলাৰ পশ্চিমাঞ্চলত ভালদৰে খোপনি পুতিব পৰা নাছিল। সি যি কি নহওঁক সেই সময়ৰ বাংলা ভাষাৰ পয়োভৰ নেওচি ৰাজবাৰীৰ ভিতৰত 'দেশীয়' সংস্কৃতি ঠিকেই চলিছিল। ঘৰুৱা ভাষা আছিল 'দেশী', যাক আজি গোৱালপৰীয়া ভাষা হিচাবে মৰ্যদা দিয়া হৈছে। এনে সংস্কৃতিবান এখন আদৰ্শ ঘৰৰ কন্যা প্ৰতিমা বৰুৱা জন্মলগ্নৰ পৰা মৃত্যু পৰ্যন্ত নিজ ভাষা আৰু সংস্কৃতিৰ পূজা কৰিয়েই জীৱন উছৰ্গা কৰি মহীয়ান হৈ ৰ'ল।

বিবাহিতা অসমীয়া নাৰীৰ মুৰৰ ও ৰণি, সেন্দুৰী সেওঁতা আৰু কপালৰ ফোট, শঙ্খৰ শাখাই নাৰীৰ প্ৰকৃত ভূষণ । সেই কথাৰ তেওঁ নিজেই প্ৰমাণ । তেওঁৰ সেই ছবিখনে সদায় সকিয়াইছিল স্বদেশ প্ৰেমৰ নিৰ্মল মাৰ্গ। তেওঁৰ ভাষাত- 'শঙ্খৰ শাখা আৰো মাথাৰ ঘোমটা বৌ মানুষেৰ শোভা'। আজিৰ আধুনিক যুগৰ বোৱাৰী, জীয়ৰীসকলে আধুনিকতাৰ নামত পৰিধান কৰা বস্ত্ৰ নামৰ প্ৰলেপবোৰে সেইজনা মহীয়সীৰ সাজ-পোছাকৰ বিৰুদ্ধে শীতল যুদ্ধত অৱতাৰণা কৰাৰ নিচিনাই লাগে। অসমীয়া বোৱাৰীৰ শালীনতাখিনিয়েই য'ত ৰক্ষা নহয়, সংস্কৃতি কেনেকৈ জীয়াই থাকিব? সেয়েহে আজিৰ 'বুগি উগি'ৰ তাণ্ডৱ প্ৰচাৰ এইবোৰ সমস্যা চিন্তনীয় বিষয় নহ'লে এই মহামাৰীয়ে সৰ্বত্ৰ ছানি নিজ সংস্কৃতিৰ অপমৃত্যু ঘটাব। সাজ পোছাকৰ ভিতৰত সোমোৱা বাবে কথাযাৰ নকৈ নোৱাৰিলো।

বীৰত্বমূলক কাৰ্যৰ অন্যতম উপাদান হ'ল সাহস। সাহস মানে শাৰীৰিক সাহস নহয়, ই এক ধাতুগত বৈশিষ্ট্য। চেইন বাৰ্ণাডে ইয়াক অন্তৰৰ সুনম্ৰ আৰু পবিত্ৰ সমুন্নতি বুলি অভিহিত কৰিছে। প্ৰাত্যহিক জীৱনত এই সাহস কঠোৰ পৰীক্ষাৰ সন্মুখীন হয়। নিজমতত অবিচলিত হৈ যি নিষ্ঠাৰে জীৱনবাটত খোজ দিব পাৰে তেওঁৰ মহৎ উদ্দেশ্য সফল হয় আৰু বিশ্বৰ ওলগ লাভ কৰে। ব্যক্তিত্বৰ পৰা সামূহিকত্বলৈ ধাবিত কৰিব পৰা প্ৰাণ পদ্মশ্ৰী প্ৰতিমা বৰুৱাৰ অজেয় প্ৰাণ ভগৱান প্ৰদত্ত। সেয়েহে মুখত সোণৰ চামুচলৈ জন্মা স্বত্বেও ৰাজসিক পৰিক্ৰমাৰ পৰা ফালৰি কাঁহি আহি গাৱঁৰ 'চাচা-ভুচা'ৰ মাজলৈ সোমাই পৰিছিল। গাৱঁৰ চহ জীৱনেৰে গঁথা গীতবোৰৰ ওচৰ চাপিছিল। হৃদয়ঙ্গম কৰিছিল তেওঁলোকৰ মাটিৰ সুবাস। তেওঁ কেৱল গানেই নেগাইছিল চহ জনতাৰ সুখ-দুখৰ কথাবোৰ গানেৰে কৈছিল । সেই গানৰ সুৰ আছিল হৃদয়ৰ নিভৃততম স্থানলৈ গতি কৰা চিৰসেউজ সুৰ গৰুৰ খোজৰ ধুলিয়ৰি পথৰ পৰা, নদীৰ বুকুৰ নদীয়াল ভাইৰ পৰা, হাতীৰ মাহুতৰ পৰা, পাকঘৰৰ পীৰালিৰ পৰা গান বোৰ বুটলি বিশ্বৰ দৰবাৰত উপস্থাপন কৰি গোৱালপৰীয়া গানৰ গোৱালপৰীয়া সংস্কৃতিৰ উচ্চ মূল্যায়ণ কৰি প্ৰতিমা বৰুৱা পাণ্ডে জনতাৰ প্ৰতিমা, গোৱালপাৰা তথা সমগ্ৰ অসমবাসীৰে প্ৰাণৰ প্ৰতিমা হৈ ৰ'ল। সেয়ে তেওঁ সাধাৰণ হৈও অসাধাৰণ।

সাংসাৰিক বিশালতা, দেহ -মনৰ ক্ষুদ্ৰতা আৰু ক্ষণ ভঙ্গুৰতাই সকলো সময়তে মাথো মিছা অহংকাৰ বুলি সকিয়াই

থাকিলেও মানুহ ধাবিত হৈছে বৃথা অহংকাৰৰ পিচে পিচে আৰু এনেহেন পৰতে প্ৰতিমা বৰুৱা পাণ্ডেই নিজঘৰতে পোৱা সকলো সুখ- স্বাচ্ছন্দ্য পৰিত্যাগ কৰি সাধাৰণ ৰাইজৰ মাজতে সাধাৰণ জীৱন যাপন কৰিছিল । সেয়ে তেওঁৰ কণ্ঠেৰে অকৃত্ৰিম সুৰ নিগৰি ওলাই ছিল ঃ

" দিনে-দিনে খসিয়া পৰে ৰঙ্গিলা দালানেৰ মাটি ..... ।"

দৰদী কণ্ঠেৰে শ্ৰোতাৰ মন অতি সহজে মোহিব পৰা এই গৰাকী মহিয়সীয়ে অসমৰ বিভিন্ন সাংস্কৃতিক মঞ্চত গোৱালপৰীয়া লোক -সংগীতক প্ৰতিনিধিত্ব কৰিছিল। অনাতাঁৰ কেন্দ্ৰত 'বঙলুৱা' ভাষা বুলি অনুষ্ঠান পৰিবেশন কৰাত তেওঁ যথেষ্ট আহুকাল পালেও ড° ভূপেন হাজৰিকাৰ অহোপুৰুষাৰ্থত অনাতাঁৰ কেন্দ্ৰ আৰু দূৰদৰ্শনত অনুষ্ঠান পৰিবেশন কৰিবলৈ সমৰ্থ হৈছিল। সংগীত হৃদয়ৰ ভাষা সুৰ তাৰ সঞ্জীৱনী সুধা। সেই গান দেশীয়ে হওক বা বিদেশীয়ে হওক। সেই সুধাৰ প্ৰকৃত সুবাস লব জনাটোহে আচল কথা। আজি সমগ্ৰ অসমবাসী এই সুধা পাণ কৰি চি ৰধন্য হৈছে। সংগীত জগতৰ শ্ৰেষ্ঠ পুৰস্কাৰ সংগীত একাডেমী বঁটা আৰু পদ্মশ্ৰী বঁটা বিজয়িনী প্ৰতিমা বৰুৱা পাণ্ডে অকল গৌৰীপুৰৰ গৌৰৰ নহয়, গোটেই অসম তথা ভাৰতবাসীৰ গৌৰৰ। গোৱালপৰীয়া লোকগীতৰ সাম্ৰাজ্ঞী হিচাবে সুকীয়া আসন লাভ কৰা স্বৰ্গীয়া প্ৰতিমা বৰুৱা পাণ্ডে কিংবদন্তিত পৰিণত হ'ল।

"তুম্ৰা গেইলে কি আসিবেন মোৰ মাহুত বন্ধুৰে...." বুলি পুণৰ আকুল কণ্ঠে অমিয়া সুৰেৰে জীৱন্তে বাজি নুঠিলেও আৰু সেই কণ্ঠৰ সঁচা সজীবতা নিৰাকাৰ হৈও গুণ গুণকৈ সেই গানৰ লহৰে কিন্তু চিৰসজীৱ হৈ প্ৰতিজনৰে প্ৰাণত আলোড়িত হৈ থাকিব । "অ'জীৱন ৰে চাৰিয়া নাযাইছ মোকে , তুই জীৱন চাৰিয়া গেইলে আদৰ কৰিবে কায় জীৱন ৰে ..." অসমৰ মঞ্চই মঞ্চই আলোড়নৰ সৃষ্টি কৰি কণ্ঠদান কৰা পদ্মশ্ৰী প্ৰতিমা বৰুৱা পাণ্ডেক জীৱনে বিশ্বাসঘাটকতা কৰি গুচি গ'ল । উকা হৈ পৰিল গোৱালপৰীয়া সংস্কৃতিৰ এখন বৃহৎ মঞ্চ। গীতৰ সভাত আজি প্ৰতিমা বৰুৱা পাণ্ডে নাই, আছে তেওঁৰ ঐকান্তিক প্ৰচেষ্টাৰে গঢ় লৈ উঠা গোৱালপৰীয়া সংস্কৃতি উচিত মৰ্যদাৰে জীয়াই ৰখা গোটেই অসমবাসীৰ দায়িত্ব আৰু কৰ্তব্য। তেতিয়াহে এইজনা বিৰল প্ৰতিভাৰ মহীয়সীক সশ্ৰদ্ধ কুসুম পাহিৰ অঞ্জলি প্ৰদান কৰা হ'ব। ❑

******



কোচ- ৰাজবংশী জনগোষ্ঠীৰ সাজ-পাৰ আৰু আ- অলংকাৰ

ৰমলা ৰায় সৰকাৰ

মানৱ ইতিহাসৰ পাত লুটিয়াই চালে আমি দেখা পাওঁ অতীত সম্বলিত কিছু কথা, অতীত বুৰঞ্জী।

আদিম মানুহে জীৱ-জন্তুৰ দৰে নাঙঠ হৈ ঘূৰি ফুৰিছিল হাবি-বননিয়ে। খাদ্য সন্ধানেই তেওঁলোকৰ আছিল একমাত্ৰ লক্ষ্য। সেইমতে তেওঁলোকে শৰীৰৰ গোপন অংগবোৰ গুপুতে ৰখা আৰু শীত-তাপৰ পৰা সুৰক্ষিত হোৱাৰ উপায় হিচাপে ব্যৱহাৰ কৰিছিল গছৰ বাকলি আৰু জন্তুৰ ছাল।

সভ্যতাৰ অগ্ৰগতিৰ লগে লগে শৰীৰক শীত তাপৰ পৰা নিজকে ৰক্ষা কৰিবলৈ আৰু লাজ নিবাৰণৰ উপায়ৰ উপৰিও শৰীৰৰ সৌন্দৰ্য্যবৰ্ধক হিচাপে মানুহে উদ্ভাৱন কৰিলে আধুনিক বস্ত্ৰ-সাজ- পাৰ।

যন্ত্ৰৰ আৱিস্কাৰ হোৱাৰ আগতে যন্ত্ৰৰ অভাৱত মানুহে নিজ হাতেৰে নিজৰ প্ৰয়োজনীয় কাপোৰ বৈ লৈছিল।

নৱ প্ৰস্তৰ যুগৰ এবিধ গুৰুত্বপূৰ্ণ আৱিস্কাৰ হ'ল বোৱা -কটা। কালৰ গতিত ধাতুৰ যুগত ইয়াৰ যথেষ্ট উন্নতি হ'ল।

স্বভাৱগত বৈশিষ্ট্য, ধৰ্ম, লোকাচাৰ, ভাষা, জীৱিকা নিৰ্বাহ প্ৰণালী, গৃহনিৰ্মাণৰ চানেকি, সাজ-পাৰ, আ-অলংকাৰ, আচাৰ - অনুষ্ঠান, ৰাজনীতি , চিন্তা-চৰ্চা, দৰ্শন তথা মানসিকতাত একোটা জন-গোষ্ঠীৰ স্বকীয় পৰম্পৰা পৰিলক্ষিত হয়।

সাজপাৰ আৰু আ- অলংকাৰে কোনো এটা জাতি বা জনগোষ্ঠীৰ মানসিক আৰু সাংস্কৃতিক জীৱনৰ বিশ্লেষণাত্মক দিশটো সূচনা কৰে।

অসমৰ এটি অতি পুৰণি জনগোষ্ঠী হ'ল কোচ - ৰাজবংশী। কোচ - ৰাজবংশীসকল অসমৰ আদিম ভূমিপুত্ৰ; বৃহৎ মঙ্গোলীয় ফৈদৰ লোক। সাম্প্ৰতিক অসমৰ বাৰেবৰণীয়া কলা সংস্কৃতিৰ এক ধ্বজাবাহক সংস্কৃতি - সেয়া হ'ল কোচ - ৰাজবংশী জন-গোষ্ঠীয় কলা - সংস্কৃতি।

কোচ- ৰাজবংশী জনগোষ্ঠীৰ সংস্কৃতি প্ৰকৃতাৰ্থত কৃষিভিত্তিক। পুৰণি কালৰ পৰাই বিভিন্ন শস্য উৎপাদনৰ উপৰিও কপাহৰ খেতি কৰি আহিছে। কপাহ হ'ল কাপোৰ বোৱাৰ কাৰণে কেঁচা সামগ্ৰী।

কপাহৰ পৰা সূতা তৈয়াৰ কৰোতে প্ৰথমতে 'কেৰখাৰে' কপাহৰ গুটিসমূহ উলিয়াই লয়। তাৰ পিছত ধনুৰ দ্বাৰা ধুনাই লৈ 'পাজি' তৈয়াৰ কৰি লয়। আৰু টাকুৰীৰে সূতা কাটি লয়। টাকুৰীৰে সূতা কাটি সেই সূতাৰে নিজৰ আৰু পৰিয়ালৰ কাপোৰ বৈ লোৱা কাৰ্য্যই কোচ-ৰাজবংশী তিৰোতাসকলৰ এটা উল্লেখনীয় বৈশিষ্ট্য। জীয়ৰী সকলে মাকৰ ঘৰৰ পৰাই কাপোৰ বোৱা, ফুলবছা, ৰন্ধা-বঢ়া বিদ্যা আয়ত্ব কৰে। হাতে কামে নিপুনতা দেখুৱাব নোৱাৰা কোচ ৰাজবংশী জীয়ৰীৰ বিয়া হোৱাটো টান। শাহু, বোৱাৰী, জীয়ৰী প্ৰতি ঘৰে ঘৰে একোখন তাঁত শাল আছে - যেন কাপোৰবোৱা প্ৰতিযোগিতাহে।

কোচ ৰাজবংশী জনগোষ্ঠীৰ তিৰোতাসকলে সাজ - পাৰ হিচাপে ব্যৱহাৰ কৰে পাটানি আৰু আগৰণ। তেওঁলোকে পাটানি খন বুকুত পিন্ধে আৰু আগৰণ খনেৰে শৰীৰৰ ওপৰ অংশ ঢাকি ৰাখে। বুকুৰ পৰা গেৰোৱালৈকে ঢকা এই পাটানি খনৰ এক বিশেষ তাৎপৰ্য্য আছে। কিছুমানৰ মতে পা মানে ভৰি, টানি মানে টানি ধৰা; এই খনে খোজকঢ়াত পা টানি ধৰে কাৰণে ইয়াক পাটানি বোলে। সন্মানীয় ব্যক্তিৰ সন্মুখেদি দীঘল দীঘল ডেংদি অহা - যোৱা কৰিব নোৱাৰে । কিয়নো পা-টানি ধৰে। ৰঙা, নীলা, সেউজীয়া সূতাৰে পাটানি তৈয়াৰ কৰা হয়। পাটানিবোৰত ফুলৰ পৰিবৰ্তে পাচোটা 'পাৰি' থাকে। পাটানিৰ এই পাঁচোটা পাৰিৰো আধ্যাত্মিকতা বিজাড়িত হৈ আছে। পিছলৈ পাঁচটা পাৰিৰ সলনি তিনিটা পাৰিৰো পাটানি প্ৰচলিত হৈছে। নাৰীৰ স্বভাৱ জাত, গুণ আৰু সৌন্দৰ্য্য হ'ল এপাহ ফুলৰ দৰে কমনীয়। ডাঙৰৰ প্ৰতি সন্মান, সমাজৰ প্ৰতি সুসংগত দায়বদ্ধতা, মাৰ্জনীয় আচৰণ কোচ- ৰাজবংশী নাৰীসকলৰ এক পৰম্পৰাগত আচৰণ বিধি। ই দেখাক দেখি জীয়ৰী-বোৱাৰী সকলে শিকি লয় ।

উদং ঘৰ এখনৰ চাৰিও ফালে আৰবেৰ থাকিলে যেনেকৈ ঘৰ এখনৰ সৌন্দৰ্য্য বাঢ়ে, ঠিক সেইদৰে পিন্ধি উৰি ওলালে নাৰী এগৰাকী সুন্দৰী হৈ পৰে।

কোচ - ৰাজবংশী সমাজত এষাৰ কথা আছে।

'ঘেৰিলে বেৰিলে বা ৰী
পিন্ধিলে উৰিলে নাৰী।'

কোচ - ৰাজবংশী তিৰোতাসকলে তেওঁলোকে পিন্ধা-সাজ- পাৰবোৰ বৈ লোৱাৰ উপৰিও তেওঁলোকে দৈনন্দিন জীৱনত ব্যৱহৃত পুৰুষৰ বাবে আওঁছা, পাচাৰা, বিয়াৰ দৰা-কইনাৰ সাজ- পোছাক ইত্যাদি নিজ হাতে বৈ লয়।

পুৰুষে পিন্ধা কাপোৰখনক আওঁছা বোলে। ঠাই বিশেষে বা অঞ্চল ভেদে ইয়াক আংছা বুলিও কয়। এই আওঁছা শব্দটোৰ এটা বিশেষ অর্থ এনেধৰণৰ আওঁ মানে তল আৰু ছা মানে আগৰণ। অর্থাৎ পুৰুষৰ লাজ নিবাৰণৰ কাৰণে ব্যৱহাৰ কৰা কাপোৰ খনেই আওঁছা। এই আওঁছা কাপোৰ খন ৬ হাত দীঘল। দীঘে পথালিয়ে ধূতিৰ নিচিনা সৰু পাৰিযুক্ত। লোক বিশ্বাস মতে ৬ হাত দৈঘ্যৰ আওঁছা খন ষড় ৰিপু দমনৰ কাৰক। সেয়ে ষড় ৰিপু দমনৰ কাৰণে পুৰুষে ৬ হাত দীঘল আওঁছা কাপোৰ পিন্ধা প্রচলিত ৰীতি। আজিকালি আওঁছাৰ পৰিবর্তে মানুহে গামচাও পিন্দে আওঁছাৰ ব্যৱহাৰ কম দেখা যায়।

আওঁছা কাপোৰতকৈ সৰু কাপোৰকে গামচা বুলি কয়। হাত ভৰি মোছা, সৰু সৰু ল'ৰা- ছোৱালীক পিঠিত বোকা বান্ধি লোৱা ইত্যাদি বিভিন্ন কামত ব্যৱহাৰ অনুযায়ী কোচ ৰাজবংশী তিৰোতাসকলে বই লয়। কিছুমান অঞ্চলত পিঠিত বোকা ধৰা গামচাখনক "বোকালী বা 'বোকাধৰা' কাপোৰ বুলি কোৱা হয়। তিৰোতাসকলে গামচাৰে কঁকাল বন্ধা আৰু গাত মেৰিয়াই লোৱা গা-মোচাৰ ব্যৱহাৰ মন - কৰিবলগীয়া। ফুলবছা গামোছা শিপিনী সকলৰ শিল্পী সুলভ মনৰ পৰিচায়ক।

জাৰকালি সচৰাচৰ উৰি ফুৰা কাপোৰ খনক পাচৰা নামে নামকৰণ কৰা হয়। পাচৰা শব্দৰ অর্থ পা মানে ভৰি চাৰা মানে এৰা। অর্থাৎ ভৰিৰ ফালে এৰা। এই পাচাৰা খোজ কাঢ়ি ঘুৰি ফুৰাত ভৰিৰ ফালে ব্যৱহাৰ নহয় কাৰণে ইয়াৰ নাম পাচাৰা। পাচাৰখনৰ নাম অঞ্চলভেদে- টানা, ফোচা বুলিও কয়। পাচাৰা দুই ধৰণৰ - সূতাৰ পাচাৰা আৰু এণ্ডি পাচাৰা।

সূতাৰে বৈ লোৱা পাচাৰাখনক সূতাৰ পাচাৰা বোলে।

কোচ ৰাজবংশী তিৰোতাসকলে "এণ্ডি পোকা" পোহে। এণ্ডি পোক পোহা এই জনগোষ্ঠীৰ মহিলাসকলৰ এটা প্রধান বৈশিষ্ট্য। ঘৰে ঘৰে এৰা গছৰ খেতি কৰি এণ্ডি পোকা পুহি, লেটাৰ পৰা সূতা কাটি এণ্ডি কাপোৰ গঢ়োৱাত তিৰোতাসকল পাকৈত। কোচ ৰাজবংশী পুৰুষসকলে এণ্ডি পোকৰ সূতাৰে তৈয়াৰ কৰা পাচাৰা ব্যৱহাৰ কৰে। কোচ ৰাজবংশী তিৰোতা সকলে দৰা- কইনাৰ বিয়াৰ কাপোৰ সমূহো যথা ৰীতি - নিয়মেৰে বৈ লয়। বিয়াত ব্যৱহৃত কাপোৰ সমূহ হ'ল-

(১) তেলেৰ আওঁছা
(২) তেলেৰ পাটানি
(৩) পঞ্চৰঙী পাটানি
(৪) ফালী
(৫) দোপাটী
(৬) আঁৰ কাপোৰ
(৭) হালধি মুচা
(৮) আখৈ তুলি দিয়া

তেলৰ আওঁছাখন ছয় হাত দীঘল, বগা; দীঘত পাৰি নাথাকে; পথালিত সৰুকৈ ৰঙা পাৰি দিয়ে। বিয়াৰ কাপোৰ সমূহ কিছুমান নিয়ম নীতি মানি গঢ়োৱা হয়। ৰবিবাৰ, অমাৱস্যা, পূৰ্ণিমা, গ্রহণ আদিত বিয়াৰ কাপোৰ গঢ়োৱা নিষেধ। পুতল চিৰিলে অমঙ্গলৰ লক্ষণ বুলি জনবিশ্বাস। বিয়াৰ কাপোৰ কাটিব নাপায়। কাপোৰৰ দাহিখিনি বিভিন্ন ধৰণে দি থোৱা হয়।

তেলৰ পাটানি আওঁছাৰ দৰে দীঘল পাৰি নথকা; পথালিত ৰঙৰ সৰু পাৰিযুক্ত। এই তেলৰ আওঁছা আৰু পাটানি বিয়াৰ দিনা তেল চৰোৱাত ব্যৱহাৰ হোৱাৰ কাৰণে এই কাপোৰক তেলৰ আওঁছা আৰু তেলৰ পাটানি বুলি কোৱা হয়।

বিয়াৰ পাটানিখন বিয়াৰ সময়ত কইনাই পিন্ধে। বিয়াৰ পাটানিখন পঞ্চৰঙী। মাটীয়া, নীলা, ৰঙা, ধোঁৱা আৰু আকাশী ৰঙৰ সূতাৰে পাটানি গঢ়াৰ কাৰণে পঞ্চৰঙী পাটানি বুলি কয়।

বিয়াত দৰাৰ মুৰত মেৰিয়াই দিয়া কাপোৰ খনক ফালী বুলি কয়। ফালীৰ কাপোৰখন দহ হাত দীঘল; পথালিয়ে (কিছুমানৰ মতে) দহইঞ্চি। এই ফালীখন একে দিনাই বৈ উলিওৱা প্রচলিত নিয়ম। বিয়াত ফালি মৰাৰ ধাৰণাটো হ'ল ফালীয়ে সংসাৰী জীৱনৰ মূল দায়িত্ব মুৰ পাতি লোৱা বুজায়।

দোপাটী খন হ'ল বিবাহৰ যোগসূত্র। দৰা- কইনাক লগোন গাঁথি দি দুই প্রাণক এক কৰাৰ অর্থে ব্যৱহাৰ কৰা কাপোৰ খনক দোপাটী বোলে। সেই উদ্দেশ্যেৰে দোপাটী ব্যৱহাৰ কৰে বুলি লোক বিশ্বাস। দোপাটীৰ দুটা ৰং - বগা আৰু ৰঙা। এই ৰং দুটাই শিৱ আৰু শক্তিক বুজায় অর্থাৎ পুৰুষ আৰু প্রকৃতিক বুজায়। কইনা উলিয়াই দৰাৰ ওচৰত অনাৰ সময়ত দৰা-কইনাৰ মাজত আঁৰ কাপোৰ এখন তৰি দিয়া হয়। দৰা কইনাই যাতে ইজনে সিজনক নেদেখে। প্রচলিত নিয়ম মতে কইনাই দৰাক প্রদক্ষিণ কৰি স্বামী ৰূপে ফুল দি পূজা কৰাৰ পিছত এই আঁৰ কাপোৰ

OKDISCD

গুচাই দিয়া হয়।

বিয়াত ব্যৱহৃত হালধি মুচা কাপোৰ খন অতি গুৰুত্ব পূর্ণ কাপোৰ । তেল-হালধিৰে গা-ধোৱাৰ পিছত দৰা-কইনাৰ গা এই কাপোৰেৰে মচা হয় বাবে ইয়াক হালধি মচা কাপোৰ বুলি কোৱা হয় । হালধি মচা কাপোৰ খন বগা যদিও হালধিৰ ৰং সানি লয় । কিছুমানে আকৌ হালধীয়া সুতাৰে বৈ লয় । "তেল চৰোৱাত এই কাপোৰ" খনৰ অধিক প্রয়োজন ।

কইনাৰ সৰু ভায়েকে দৰা - কইনাৰ হাতত আখৈ তুলি দিয়ে । আখৈ তুলি দিয়াৰ সময়ত কইনাই সৰু ভয়েকক এখন কাপোৰ দিয়ে। সেই কাপোৰ খনক 'আখৈ তুলি দেওৱা কাপোৰ' বুলি কয় ।

আনাকটা বা নকটাকৈ বোৱা কাপোৰৰ ব্যৱহাৰ কোচৰাজবংশী জনগোষ্ঠীৰ মাজত দেখা যায় । এই অঞ্চলত হোৱা পূজা-পার্বণ, মাংগলিক অনুষ্ঠান, চুড়াকৰণ, অন্নপ্রাসন্ন পঞ্চামৃত আদি সকলো ক্ষেত্রতে এই আনাকাটা কাপোৰৰ ব্যৱহাৰ অপৰিহার্য্য।

কোচ-ৰাজবংশী নাৰী সমাজত আ-অলংকাৰ পৰিধান কৰা প্রথা অতি প্রাচীন কালৰে পৰা চলি আহিছে । সোণ আৰু ৰূপৰ অলংকাৰবোৰ ডিঙি, হাত, নাক, কাণ, বাজু, কঁকাল, ভৰিত পিন্ধে । ডিঙিত পিন্ধে হাসা, পেণ্ডচি, চন্দ্রহাৰ, বেচাহাৰ । কাণত পিন্ধে ঝিজিৰি টানা ফুলকৰি, অন্তি, উপৰ কাণৰ বালি, নাকত পিন্ধা অলংকাৰ কেইবিধ হ'ল - নোত, নলক, নাকফুল । হাতত পিন্ধা অলংকাৰ বোৰ - খাৰু, মুঠাখাৰু, মুঠা কাটি লা ইত্যাদি । ভৰিত পিন্ধে ভৰি খাৰু বা ঠেংখাৰু আৰু চেলা । কোচ ৰাজবংশীৰ কইনাই মূৰৰ সেওঁতাত সীতাপটি লৈছিল । বিয়াৰ সময়ত দৰাই মধ্যমা আঙুলিত চিৰি আঙুঠি ব্যৱহাৰ কৰে । 'শ্রী' মানে সৌন্দর্য্য বা স্বাস্থ্য যদিও এই আঙুঠিৰ "শ্রী" হ'ল তিনিটা গুণ বিশিষ্ট 'শ্রী' । এই গুণ তিনিটা যথাক্রমে সত্ব, ৰজঃ আৰু তমঃ । বাজু বা বাহুত পিন্ধা অলংকাৰ কেইপদ হ'ল কাটা বাজু, কংকণ ।

ওপৰত উল্লেখ কৰা সাজপাৰ আৰু আ-অলংকাৰ বোৰৰ ব্যৱহাৰ কিছু কম হোৱা দেখা যায়; ইয়াৰ কাৰণ বিশ্লেষণ কৰিলে দেখা যায় প্রযুক্তি বিদ্যাৰ অগ্রগতি । যন্ত্রৰ সহায়ত যি সাজ পাৰ, আ-অলংকাৰ তৈয়াৰ কৰা হয় সেইবোৰ হাতে-বোৱা কাপোৰ বা সাজ-পাৰৰ তুলনাত সহজ লভ্য আৰু কম খৰচত হয় । সচৰাচৰ গাঁও অঞ্চলত এতিয়াও পাটনি, আংচা পৰিধান কৰা দেখা যায় । চহৰত ইয়াৰ প্রচলন নাই বুলিয়েই ক'ব পাৰি । কোচ-ৰাজবংশী জনগোষ্ঠীৰ ঐতিহ্যখিনি জনগোষ্ঠীৰ পুৰুষ-মহিলা উভয়ে ধৰি ৰাখিবৰ চেষ্টা কৰিব লাগিব ।

সি সাজ পাৰ কোচ ৰাজবংশী নাৰীয়ে পৰিধান কৰিলে জনগোষ্ঠীয় স্বকীয়তা ৰক্ষা কৰাৰ লগতে যাতায়তৰ সুবিধা থাকে, তেনেকুৱা সাজ-পাৰ আজিৰ যুগৰ মনোনীত সাজ-পাৰ ।

পাটানি শব্দৰ অর্থগত দিশ আৰু ব্যৱহাৰত সৃষ্টি কৰা জটিলতাবোৰলৈ চাই; যান্ত্রিক যুগৰ লগত সামঞ্জস্য ৰাখি ইয়াৰ নতুনকৈ আধুনিকীকৰণ কৰাৰ আৱশ্যকতা আছে বুলি আজিৰ এই জনগোষ্ঠীৰ মহিলা সকলে দৃঢ়তাৰে কয় ।

পুৰুষ-নাৰী উভয়ে গতিশীল হ'বলৈ হ'লে কোচ-ৰাজবংশী নাৰী সকলক লাগিব স্বকীয় স্বাধীনতা; বাহিৰৰ বাস্তৱতাৰ সতে যুজিবলৈ লাগিব সাহস-সংগ্রাম; যান্ত্রিক সভ্যতাৰ লগত মিলি চলিবলৈ প্রস্তুত কৰি ল'ব লাগিব নিজৰ বেশভূষা ।

তেল সেন্দুৰ লগাই, পাটানি পৰিহিতা নাৰী এজনীক কোচ ৰাজবংশী জনগোষ্ঠীৰ বুলি সহজতে নিশ্চিত কৰিব পাৰি সেই কথা সঁচা । নিজস্ব স্বকীয় সাজ-পাৰ থকাটো প্রত্যেক জনগোষ্ঠীৰ বাবেও বাঞ্ছনীয়, কিন্তু ই কেৱল নাৰী সমাজৰ ওপৰতে প্রযোজ্য হওঁক এনে নহয়; পুৰুষ সমাজেও এই বিষয়ে চিন্তা চর্চা কৰক ।

সাহিত্য-সমাজ পৰিবর্ত্তণশীল । যুগৰ সতে খোজ মিলাই চলিবলৈ প্রত্যেক জনগোষ্ঠীৰ থাকিব লাগিব এৰা-ধৰাৰ মানসিকতা । স্থবিৰবোৰ হয় ক্ষণস্থায়ী; ই কালৰ বুকুত হেৰাই যায়।

বাহিৰৰ যান্ত্রিক যুগৰ ধুমুহাই যাতে কোচ-ৰাজবংশীৰ পৰম্পৰা ঐতিহ্যখিনি নিঃশেষ কৰিব নোৱাৰে তাৰ বাবে এই জনগোষ্ঠীৰ প্রত্যেকজনে থিয় দিয়ক ধুমুহাজাকৰ আগভেটি । ❑

******

কোচ- ৰাজবংশী মহিলাৰ কৰ্মসংস্কৃতি

শৰ্মাৰাম দাস

কোচ-ৰাজবংশী মহিলাসকল পুৰুষৰ সমানে সমানে কৰ্মক্ষেত্ৰৰ লগত জড়িত। ঘৰে - পথাৰে মহিলা সকল সকলো কামতে জড়িত। কোঁচ ৰাজবংশী মহিলাৰ দৰে আন জনগোষ্ঠীৰ মহিলাসকল, (জনজাতীয় মহিলাক বাদ দি) সাধাৰণতে পুৰুষৰ লগত সকলো ক্ষেত্ৰতে কৰ্মত জড়িত হোৱা দেখা নাযায়। বিশেষকৈ গাঁৱৰ মহিলা সকলৰ ক্ষেত্ৰত এই কথাখিনি প্ৰযোজ্য। অৱশ্যে আজিকালি পৰিবৰ্ত্তনৰ যুগত, শিক্ষিতা মহিলাসকলৰ ক্ষেত্ৰত একেধৰণে মন্তব্য কৰিব নোৱাৰি। কিন্তু কম শিক্ষিতা বা অশিক্ষিতা গাঁৱৰ মহিলা সকল কৰ্মক্ষেত্ৰত পুৰুষৰ পূৰামাত্ৰাই সহযোগী।

আমি এই প্ৰৱন্ধত গাঁৱৰ সাধাৰণ মহিলা সকলৰ কথাই কব খুজিছোঁ। ৰাতিপুৱা পুৰুষ গৰাকীয়ে গৰুহাল লৈ পথাৰলৈ যোৱাৰ পিচতে গৃহিনীয়ে বাহিবন কৰি অঁতাই গা - পা ধুই-চোতালত তুলসীৰ তলত চাকি গছি জ্বলাই ঈশ্বৰক সেৱা জনাই ৰান্ধনি ঘৰলৈ সোমায় আৰু জা- জলপানৰ যোগাৰ কৰে। জলপান বোলোতে সাধাৰণতে চাহ, চাহৰ লগত খাবলৈ চিৰা, খলাচাপৰি পিঠা, টেকেলী পিঠা, কঢ়াই ভজা - কঢ়াই বৰাচাউলৰো হ'ব পাৰে নতুবা উখোৱা চাউলৰো হ'ব পাৰে। উখোৱা চাউলৰ কঢ়াই ভাজি কেতিয়াবা গুৰা খুন্দা হয়। মুঠতে চাহৰ লগত খাবৰ বাবে চাউলৰ কিবা এবিধ কৰেই। পিচত ঘৰত থকা ল'ৰা-ছোৱালী, বুঢ়া- বুঢী বা অন্যান্য সকলক জলপান খাবলৈ দি, পথাৰলৈ হালবাবলৈ যোৱা সকলৰ বাবে চাহ আৰু লগত খোৱা বস্তুৰ টোপোলা বান্ধিলৈ নিজে পথাৰলৈ যায়। কেতিয়াবা অৱশ্যে ঘৰৰ কিশোৰ-কিশোৰীকো পঠোৱা হয়। কিন্তু সৰহ ক্ষেত্ৰত গৃহিনীয়ে নিজে যাবলগীয়া হয়। অৱশ্যে কিছুমান পৰিয়ালত আকৌ চাহৰ সলনি পথাৰত ভাতো লৈ যোৱা হয়। এই সকলোখিনি কামত ঘৰৰ মহিলা জড়িত।

আহুখেতিৰ বেলিকা, পথাৰত ধাননি যতন কৰিবৰ বাবে 'নিৰনি'ৰ কামতো মহিলাই পুৰুষৰ লগতে কামত যোগদান কৰে। শালি খেতিৰ বেলিকা কঠীয়াতলীত কঠীয়া তোলা কামতো মহিলা সকলে কৰে। আকৌ শালিভূঁই ৰোৱা কামটো মহিলাৰে। পুৰুষে কাৎচিৎহে এই দুটা কামত সহযোগ কৰে। ধান কটা কামটো পুৰুষ মহিলা উভয়ে কৰে। অৱশ্যে মহিলাৰ ভাগটো ইয়াত বেচি। মাহখেতি, দালি খেতি, আলুখেতি, সৰিয়হ খেতি চপোৱা কাম বিলাকত মহিলা সকলে জোৰদাৰ ভূমিকা গ্ৰহণ কৰে।

বোঁৱা কটাৰ ক্ষেত্ৰত কোচ - ৰাজবংশী মহিলা সাধাৰণতে পাকৈত। একালত বোঁৱা-কটা নজনা মহিলাৰ বিয়া বাৰুৰ ক্ষেত্ৰত বৰ আহুকাল হৈছিল। নিজে পিন্ধা পাটানি খন, গাত লোৱা খন (চাদৰ), মেখেলাখন,সাধাৰণতে কোচ- ৰাজবংশী মহিলাই নিজে বই লয়। আকৌ পুৰুষে গাত লোৱা (চাদৰ), বিচনাৰ চাদৰ আদিত কোচ- ৰাজবংশী মহিলাই বই দিয়ে। বহুতে মিহি সূতাৰ, চোলাৰ কাপোৰো তাঁতী শালতে তৈয়াৰ কৰে। কোচ-ৰাজবংশী মহিলাই মেখেলা, গামোছা চাদৰ আদিত ধুনীয়াকৈ ফুল বাচিবও জানে।

কোচ- ৰাজবংশী মহিলাৰ আৰু এটা উল্লেখযোগ্য কাম হ'ল, এৰী পলু আৰু এৰীসূতা কাটি এৰীচাদৰ তৈয়াৰ কৰা। বৰ্তমানে পাটসূতা, মূগা সূতাৰে কাপোৰ তৈয়াৰ কৰা কোচ-ৰাজবংশী মহিলাও ভালকৈ আয়ত্ব কৰিব পাৰিছে।

বছৰৰ বিভিন্ন সময়ত ঘৰৰ চৌহদত কোচ - ৰাজবংশী মহিলাই শাক - পাচলিৰ খেতি কৰাটো সাধাৰণ কথা। কোমোৰা, লাউ, জিকা, ভোল, তিঁয়হ, আদা, হালধী আদিও মহিলা সকলে ৰোৱে। উক্ত খেতিৰ বাবে প্ৰয়োজনীয় 'জাকা', জেওৰা আদি অৱশ্যে পুৰুষে দিয়ে।

অৰণ্যত চিকাৰ নকৰে যদিও কোচ- ৰাজবংশী মহিলাই মাছ খাল-বিলত মাৰে। জাকৈ, পলো, বেৰজাল, জুলুকি আদিৰে মাছ মৰাটো কোচ ৰাজবংশী মহিলাৰ প্ৰিয়কাম। বননিৰ পৰা কচু, ঢেকীয়া, হেলচী, জোনাকী ফুল, পুণ্ডিৰ গাজ, বেতৰ গাজ, লতি তিতা আদি বনৰীয়া শাক-পাচলিও কোচ- ৰাজবংশী মহিলাই সংগ্ৰহ কৰে।

সমাজত নাপায় বুলি কয় যদিও সীমিত সংখ্যক মহিলাই বাঁহৰ কামো কৰে। টুকুলী পাঁচি, ঢাৰি, চালনি আদি সৰু-সুৰা বাঁহৰ কামো কোচ- ৰাজবংশী মহিলাই কৰা দেখা যায়। অৱশ্যে

এনে কাম অতি দুখীয়া মহিলাই পেটৰ দায়তহে কৰে। আজি কালি পেটৰ দায়ত বহুতে মহিলাই বনৰীযা শাক সংগ্রহ কৰি বজাৰত বিক্রী কৰাও দেখা যায়। অৱশ্যে এয়া গোষ্ঠীগত বুলি কব নোৱাৰি । তথাপিও সময়ৰ পৰিবর্তনৰ লগে লগে কোচ-ৰাজবংশী মহিলাই দোকান-পোহাৰো দিয়া দেখা গৈছে।

সময় অতিবাহিত হোৱাৰ লগে লগে কোচ- ৰাজবংশী মহিলাই সময়ৰ লগত কিছুপৰিমাণে হ'লেও আগুৱাবলৈ সক্ষম হৈছে। ইতিমধ্যে ভালে সংখ্যক মহিলাই উচ্চ শিক্ষাৰ ডিগ্রী লবলৈও সক্ষম হৈছে । চৰকাৰৰ বিভিন্ন চাকৰি দখল কৰিবলৈও সক্ষম হৈছে। কিন্তু তুলনা মূলক ভাৱে অধিক সংখ্যক মহিলাই সময়ৰ লগত খোজ মিলাবলৈ সক্ষম হোৱা নাই।

কোচ-ৰাজবংশী মহিলা সকলক সকলো দিশতো আগুৱাই নিয়াটো আজি অতি প্রয়োজন হৈ পৰিছে। কাৰণ ৰাজ্যৰ জনসংখ্যাৰ এটা বুজন সংখ্যাই এই জনগোষ্ঠীৰ । সেয়ে এই জনগোষ্ঠীৰ মহিলা সকল পিচপৰি থাকিলে ৰাজ্যখনেই পিচপৰি থাকিব। যিহেতু পুৰুষৰ সমানে মহিলা সকলেও বিভিন্ন কামৰ সমান অংশীদাৰ হব পৰা পৰম্পৰা এই জনগোষ্ঠীৰ আছে । গতিকে কোচ- ৰাজবংশী মহিলা সকলক উপযুক্ত পথ প্রদর্শন কৰিলে, তেওঁলোকে আগুৱাই যাবলৈ যে, সক্ষম হ'ব তাত সন্দেহ নাই। ৰাণী অভয়েশ্বৰী, ৰাণী গায়ত্রীদেৱী আদিয়ে জলন্ত উদাহৰণ। ❑

******



বৃহত্তৰ অসমীয়া জাতি গঠনত কোচ ৰাজবংশী জনগোষ্ঠীৰ ভূমিকা

পৰমেশ্বৰ ৰায়

ভাৰতৰ উত্তৰ পূব প্ৰান্তত থকা বৃহৎ অসমীয়া জাতিৰ মাজৰ কোচ ৰাজবংশী জনগোষ্ঠীটো এটি উল্লেখযোগ্য জনগোষ্ঠী। অসমৰ বৰ্তমানৰ মুঠ জনসংখ্যাৰ (প্ৰায় ২ কৌটি ২২ লাখ জন) তিনি ভাগৰ এক অংশই এই জনগোষ্ঠীৰ লোক (প্ৰায় ৭০ লাখ)। কোনো এটি জাতি বা বৃহৎ জাতিগোষ্ঠী বিভিন্ন সৰু ডাঙৰ জনগোষ্ঠীৰ সন্মিলিত ৰূপ। আজিৰ বৃহৎ অসমীয়া জাতিও আগৰ বৃহৎ অসমৰ ভৌগলিক সীমাৰেখাৰ মাজত থকা ৰাভা,গাৰো, মিচিং,দেউৰী, কোচ ৰাজবংশী, বড়ো-কছাৰী, কাৰ্বি,ডিমাচা, খাছীয়া,খাম্‌টি, লালুং, সোণোৱাল, ব্ৰাহ্মণ,কলিতা আৰু পমুৱা-মুছলমান ভাইসকলৰ সন্মিলিত বিভিন্ন ভাষা- সংস্কৃতিৰ সমন্বয়ৰ এটি সুঁতি বুলি ক'ব পাৰি । এই সুঁতিৰ খৰস্ৰোতা ৰূপ আজি বিশ্ব দৰবাৰত আলোকিত হোৱাৰ সময়তেই যেন বিভিন্ন জনগোষ্ঠীৰ লোকসকল শঙ্কিত হৈ পৰিছে, নিজক হেৰুৱাই যোৱাৰ ভয়ত। সকলোৱে বৰ্তমান স্বকীয় ভাষা সংস্কৃতিক উদ্ধাৰ কৰি নিজ নিজ জাতিসত্বাক বৃহৎ সমাজখনৰ লগত ফেৰ মাৰিব পৰাকৈ আগবাঢ়ি আহিবলৈ চেষ্টা কৰা দেখা গৈছে। যাৰ ফলত বিভিন্ন সময়ত উত্থাপিত হৈছে স্ব-নিয়ন্ত্ৰণৰ অধিকাৰ, বিভিন্ন অৰ্থনৈতিক সা-সুবিধাৰে সাংবিধানিক ৰক্ষণাবেক্ষণ। এনেবোৰ প্ৰৱণতা উদ্ভৱ হোৱাৰ বহুতো কাৰণ বিচাৰি পোৱা যায়। সেই কাৰণবোৰৰ অন্যতম প্ৰধান কাৰণ হ'ল অৰ্থনৈতিক। সময়ৰ কুটিল গতিত সমাজৰ সৰু সৰু জনগোষ্ঠীবোৰ বা অৰ্থনৈতিক ভাবে দুৰ্বল জনগোষ্ঠীবোৰ বৃহৎ সমাজখনৰ লগত সকলোফালে প্ৰতিযোগিতাত ফেৰ মাৰিব নোৱাৰি ক্ৰমে ক্ৰমে যেন লীন যোৱাৰ উপক্ৰম হৈছে। সেয়ে এইবোৰ জনগোষ্ঠীয়ে আজি ক্ৰমে ক্ৰমে অনুভৱ কৰিছে- তেওঁলোকৰ নিজ নিজ সত্বা বা স্বকীয় পৰিচয়।

কোনো এটি বৃহৎ জাতিক জাতি গঠনত অৰিহণা যোগোৱা সৰু সৰু জনগোষ্ঠীবোৰৰ স্বকীয় বিকাশ হ'লে জাতিৰ জাতীয় সংস্কৃতি অবক্ষয় হোৱাৰ বিপৰীতে ই বেছিকৈহে ডাল-পাত মেলি ডাঙৰ বৃক্ষ স্বৰূপত পৰিণত হৈ এটি জাকত জিলিকা জাতিত পৰিণত হয় বুলি ক'ব পাৰি। ইয়াৰ বিপৰীতে বৃহৎ অসমীয়া জাতি আজি বিপদ সংকুল অৱস্থাত উপস্থিত হৈছে। ইয়াৰ মূল কাৰণ ৰাজনৈতিক ।

আমি ভাবো, বৃহৎ অসমীয়া জাতিক জীয়াই ৰাখিবলৈ হ'লে অসমৰ মাজৰ দুৰ্বলতাৰ সৰু সৰু জনগোষ্ঠীবোৰৰ লগতে অসমৰ তথা ভাৰতৰ ভূমিপুত্ৰ কোচ ৰাজবংশী সকলক সাংবিধানিক ৰক্ষণাবেক্ষণ দি জীয়াই ৰাখিবই লাগিব। অসমৰ এই সৰু সৰু জনগোষ্ঠীবোৰৰ বহুতো অৱদান বৰ্তমান অসমীয়া জাতিটোৰ ওপৰত সদা বিদ্যমান। বৃহৎ অসমীয়া জাতি গঠনত কোচ ৰাজবংশী জনগোষ্ঠীটোৰ অবদান কম নহয়। অসমৰ এই বৃহৎ জনগোষ্ঠীটোৰ এসময়ত নিজস্ব ভাষা সংস্কৃতি আছিল। নিজস্ব কলা-কৃষ্টি এতিয়াও বিদ্যমান । স্বকীয় ভাষা সম্পূৰ্ণ লোপ হোৱা নাই যদিও লাহে লাহে সময়ৰ গৰ্ভত এইবোৰ লীন যোৱাৰ উপক্ৰম হৈছে। কোচ ৰাজবংশী ভাষা উত্তৰ বঙ্গৰ একাংশৰ লগতে অবিভক্ত গোৱালপাৰা জিলাৰ গাঁও সমূহত এতিয়াও বিদ্যমান। ভাষাচাৰ্য গ্ৰীয়াৰ্চন চাহাবে তেওঁৰ ভাৰতীয়া ভাষা জৰীপ গ্ৰন্থত কৈ গৈছে যে, তেতিয়াৰ উত্তৰ-পূব ভাৰতত কোচ ৰাজবংশী ভাষা কোৱা লোক আছিল। ১৯০১ চনৰ পিয়ল মতে কোচ ৰাজবংশী ভাষাত কথা কোৱা লোকৰ সংখ্যা আছিল ১২৫২২ জন (Census Report of India, 1902 Vol-VI Pt I P, 340)। ১৯২১ চনৰ লোকপিয়ল ভিত্তিক সেই দশকত কোচ ৰাজবংশী ভাষাত কথা-কোৱা লোকৰ সংখ্যা ১৬১৬৫ জন বুলি ভাষাচাৰ্য গ্ৰীয়াৰ্চন চাহাবে তেওঁৰ ভাৰতীয় ভাষা জৰীপ গ্ৰন্থত দেখুৱাইছে।

আকৌ ডেল্টন চাহাবেও কোচ ৰাজবংশী সকলক নিজস্ব ভাষা-সংস্কৃতিৰে ভাৰতবৰ্ষৰ এটি পূৰণিতম জনগোষ্ঠী বুলি স্বীকাৰ কৰিছে।

আনহাতে জে দি এন্দ্ৰাৰ্চন চাহাবৰ বক্তব্যই প্ৰমাণ কৰে যে, কোচ বুলি এটি পুৰণি ভাষা আছিল। (It would seen then that the language spocken in ancient Koch kingdome which extended from the Himalanya to the Bay of Bangal of Koch....(Introducation to the

Kachries 1975, XVII .)

এইবোৰ নানা তথ্য প্ৰমাণৰ পৰা ক'ব পাৰি যে, কোচ ৰাজবংশী জনগোষ্ঠী এটা সময়ত স্বকীয় ভাষা-কৃষ্টিৰে এটি জাকত জিলিকা জাতি আছিল। আজি সেই জাতি নানা ৰাজনৈতিক হেঁচাত জৰুলা প্ৰায় হৈ বিলু প্তি হোৱাৰ পথত।

" আছিলো ৰাজাৰ বেটা হইলো খৰি কাটা

আৰো ক'ত দিন কৰিয়া থাকিবি হেচা মাথা"

নিজ ভাষা-কৃষ্টি, ৰাজ্য থকা এই জনগোষ্ঠীটোয়ে আজি ওলাই আহিবলৈ বাধ্য হৈছে- স্বকীয় অস্তিত্ব বিচাৰি, সাং বিধানিক ৰক্ষণা-বেক্ষণৰ দ্বাৰা কিছুমান অৰ্থনৈতিক সুবিধা বিচাৰি। এই জনগোষ্ঠীটোয়ে তাহানিৰ পৰা কেতিয়াও অসমীয়া নহয় বুলি কোৱা নাই আৰু আজিও নকয়। অসমীয়া জাতিৰ পিতা, ভাষা - কৃষ্টিৰ কাণ্ডাৰী জগতগুৰু শঙ্কৰদেৱকো কোচ ৰজা নৰনাৰায়ণেই ৰক্ষা কৰিছিল আহোমৰ হাতত সাম্ভাব্য হত্যাৰ পৰা। নৰনাৰায়ণ আৰু চিলাৰায়ৰ তত্বাবধানত জগত গুৰুজনাই ধৰ্ম প্ৰচাৰত, ভাষা-কৃষ্টিৰ বিকাশত অৰিহণা যোগোৱাৰ বাবে আজি এই বৃহৎ অসমীয়া জাতি বিশ্ব দৰবাৰত মূৰ দাঙি উঠিব পাৰিছে। ভাষা আন্দোলন, মাধ্যম আন্দোলন সদৌ শেষত দেশৰ অস্বিত্ব ৰক্ষাৰ আন্দোলনত শ্বহীদ হোৱা সকলৰ শতকৰা ৭০-৮০ জন শ্বহীদেও হয়তো এই সম্প্ৰদায়ৰেই হ'ব। অসমৰ অস্বিত্ব ৰক্ষাৰ আন্দোলনত শ্বহীদ হোৱা প্ৰথম শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰ এই কোচ ৰাজবংশী সম্প্ৰদায়ৰেই ল'ৰা। আনহাতে উত্তৰ শালমাৰা মহকুমাৰ অন্যতম শ্বহীদ খগৰপুৰ গাঁৱৰ মুকুনী বালা ৰায় আৰু অগনন....। বৰ্তমানৰ ৰাষ্ট্ৰসন্ত্রাসৰ বলি হোৱা মুক্তিকামী সংগ্রামীৰ আধাতকৈ বেচি সংখ্যক প্রতিভাসম্পন্ন যুৱকেই হ'ল এই সম্প্ৰদায়ৰ। প্রতিভাসম্পন্ন এই যৱশক্তিবোৰৰ সময়ে সময়ে হৈ থকা অপচয়বোৰৰ কথা আমি সকলোয়ে চিন্তা কৰিবৰ হ'ল। নহ'লে বৃহৎ জাতিগঠনৰ প্রক্রিয়া স্বৰূপ শ্লোগানবোৰ কাগজৰ বুকুতেই আবদ্ধ হৈ থাকিব। বৰ্তমান সময়ত আমি সকলোয়ে সকলকে পৰস্পৰে পৰস্পৰক চিনিবলৈ আৰু জানিবলৈ দৰকাৰ হৈ পৰিছে। সৰু সৰু জনগোষ্ঠীবোৰক ওপৰলৈ নিয়াৰ দায়িত্ব হ'ল সমাজৰ উচ্চস্তৰৰ লোক সকলৰ। কিন্তু তথাকথিত আমাৰ সমাজৰ বুদ্ধিজীৱী সকল বা উচ্চস্তৰৰ লোকসকল এই ক্ষেত্রত প্রায় নীৰৱ ভূমিকা গ্রহণ কৰি আহিছে। যাৰ ফলত সৰু সৰু জনগোষ্ঠীবোৰৰ লগতে কোচ-ৰাজবংশী জনগোষ্ঠীৰ মাজত আজি চাকৰি বাকৰিত, ব্যৱসায়- বাণিজ্যত, কাৰিকৰী দিশত থকা লোকৰ সংখ্যা নিচেই তাকৰ হৈ পৰিছে। জনসংখ্যাৰ ভিত্তিত তুলনা কৰি চাকৰি বাকৰিত এই জনগোষ্ঠীৰ লোক শতকৰা দহ ভাগ মানহে হ'ব। সিয়ো সৰু সুৰা চাকৰি বা নিম্ন সুবিধাতেই সীমাবদ্ধ। কোচ ৰাজবংশী জনগোষ্ঠীৰ নিজস্ব ভাষা থকা স্বত্বেও অসমীয়া ভাষা সংস্কৃতিৰ পূজা কৰি অহা এই সম্প্ৰদায়ৰ লিখক সাহিত্যিকসকলে (বিশেষকৈ নামনি অসমৰ) অসম সাহিত্য সভাৰ পৰাও যথাসময়ত সমদৃষ্টি নোপোৱা বুলি আক্ষেপ এটিও এই সম্প্ৰদাযৱ লোকৰ মাজত আছে। যি ক্ষোভৰ চিনস্বৰূপ ১৯৯৩ ইং চনৰ ২২ মে তাৰিখে কোকৰাঝাৰ চহৰৰ প্রগতি ভৱনত "কোচ-ৰাজবংশী সাহি ত্য সভা" নামৰ এটি অনুষ্ঠানৰ ইতিমধ্যে জন্ম হৈছে। এনেকুৱা জনগোষ্ঠী বা উপ জনগোষ্ঠীয় অনুষ্ঠান -প্রতিষ্ঠানবোৰে আজি নিজ ভাষা কৃষ্টি বিচাৰি ইতিমধ্যে ইতিহাসৰ অটল গহ্বৰলৈ সোমাবলৈ প্রয়াস কৰিছে নাইবা তাৰ বাবে যথোপযুক্ত ব্যৱস্থা গ্রহণ কৰিছেই।

খৃষ্টপূর্ব ৪০০০ / ৫০০০ বছৰৰ ভাৰতৰ পুৰণি গ্রন্থ ঋগবেদত উদ্ধৃত থকা কোচসকল আজি বৃহৎ অসমীয়া জাতিৰ জাতীয় কৰণত বিভিন্ন সময়ত বিভিন্ন প্রকাৰে অৰিহণা যোগোৱা স্বত্বেও আজি এই জাতিটো নিজকে অবহেলিত আৰু ভৰিষ্যতত বিলুপ্তি হোৱাৰ শঙ্কাত ত্রাসিত হোৱাৰ উপক্রম হৈছে। আজি বৃহৎ অসমীয়া জাতিৰ কাণ্ডাৰীসকলে এই জনগোষ্ঠীটোক সাংবিধানিক সুৰক্ষা নিদিলে সময়ৰ চকৰিত কোচ ৰাজবংশী জাতিটো হেৰাই যাব আৰু এনেবোৰ হ'বলৈ দি থাকিলে সময়ৰ গৰ্ভত অসমীয়া জাতিও জীণ যোৱাৰ বাবে বেচি দিন নেলাগিব। ❑

******

কুশান নৃত্য গীত

নির্মলেন্দু বণিক্য

ভাৰতবর্ষৰ উত্তৰ পূর্বাঞ্চলৰ বৈচিত্রতাৰ অন্তনাই। এফালে যেনেকৈ ই জৈৰ বৈচিত্রতাত চহকী ঠিক তেনেকৈ কলা কৃষ্টিৰ বৈচিত্রতাৰ ক্ষেত্রতো চহকী। ইয়াৰ প্রতিটো জনগোষ্ঠীৰে গীত মাত সুকীয়া সুকীয়া। এই গীত-মাত কলা- কৃষ্টিৰে ইহঁতে নিজস্ব পৰিচয় দাঙি ধৰিবলৈ সক্ষম হোৱাৰ উপৰিও এইবোৰ কলা-কৃষ্টিৰ বৰঙণিৰে বিশাল ভাৰতীয় সংস্কৃতিত অৰিহণা যোগাইছে। এই সমূহ কলা কৃষ্টিৰ মাজেৰে গোৱালপৰীয়া লোক-কৃষ্টিয়েও এক সুকীয়া আসন দখল কৰি আহিছে। পশ্চিম অসমৰ কোচ - ৰাজবংশী সম্প্রদায় প্রমূখ্যে কেইটামান জনগোষ্ঠীয়ে এই কৃষ্টি কলা জীয়াই ৰাখিছে। গোৱালপৰীয়া লোক - কৃষ্টিৰ অন্যতম ধ্বজা বাহক হ'ল কুশান নৃত্য গীত। এইবিধ নৃত্য গীতৰ এক সুকীয়া বৈশিষ্ট আছে। কুশান নৃত্য- গীত সমূহ ৰামায়ণৰ সাৰ কথা। কথিত আছে যে, শ্রীৰামচন্দ্রই যেতিয়া সীতা আৰু লক্ষ্মণৰ সৈতে চৈধ্য বছৰ বনবাস খাটি আহি ৰাজ্যভাৰ গ্রহণ কৰিছিল তেতিয়া ৰামৰাজ্যৰ প্রজাগণে বৰ সুখ - শান্তিৰে দিনবোৰ অতিবাহিত কৰিছিল। পিছে ৰাৱণে সীতাক হৰণ কৰি নিয়া হেতুকে তাইৰ চৰিত্রৰ প্রতি প্রজাগণৰ মাজৰে এচামে সন্দেহৰ চকুৰে চাবলৈ ধৰিলে। সীতাৰ চাৰিত্রিক বিষয়টো যেতিয়া ৰাজদৰবাৰলৈকে গৈ পালে তেতিয়া প্রজাৰঞ্জক ৰজা শ্রীৰামচন্দ্রই প্রজাগণৰ সন্তোষ্টিৰ বাবে তেওঁৰ প্রিয় প্রাণেশ্বৰী জানকীক বনবাস দিলে। শ্রীৰামচন্দ্রৰ আজ্ঞা পালন কৰি লক্ষ্মণে যেতিয়া সীতাক দণ্ডকাৰণ্যত এৰি থৈ আহে তেতিয়া তাই গর্ভৱতী আছিল। এটা সময়ত সীতাই বাল্মিকী মুণিৰ আশ্রমত থাকি লৱ নামৰ পুত্র সন্তান এটি জন্ম দিয়ে। এবাৰ সীতাই গা- ধুবলৈ নে পানী আনিবলৈ বুলি নৈৰ ঘাটলৈ যাওঁতে লৱক বাল্মিকীৰ ওচৰত এৰি থৈ গৈছিল। কিন্তু বাল্মিকীয়ে ধ্যানত মগ্ন থকাৰ সুযোগ লৈ লৱই মাকক বিচাৰি নৈৰ ঘাট পালে। ইফালে ধ্যানৰ অন্তত যেতিয়া বাল্মিকীয়ে লৱক দেখা নাপালে, তেতিয়া গোটেই অৰণ্যখন বিচাৰি তেওঁ চলাথ কৰিলে কিন্তু লৱ নাই। উপায়ন্তৰ হৈ তেওঁ 'কুশ' বনেৰে লৱ সদৃশ এটি শিশু সজাই তাক তপশক্তিৰে প্রাণদান কৰে। এটা সময়ত সীতাই লৱৰে সৈতে আহি আশ্রম পালে আৰু লৱ সদৃশ শিশুটি দেখি সিনো কোন সেইকথা জানিবলৈ কৌতুহল হ'ল। বাল্মিকীয়ে সমস্ত কথাৰ আদ্যপান্ত বর্ণনা কৰিলে আৰু নতুনকৈ সৃষ্টি কৰা শিশুটোৰ নাম কুশ ৰাখিলে। তেতিয়াৰে পৰা সীতাৰ লৱ-কুশ নামৰ দুজন পুত্র হ'ল। বাল্মিকীৰ আশ্রমত থাকি লৱ- কুশই সকলো বিদ্যাতে পার্গত হৈ উঠিল। আনকি সেই বনৰ মাজেদি যোৱা শ্রীৰামচন্দ্রৰ অশ্বমেধ যজ্ঞৰ ঘোঁৰা গৈ থাকোতে দুয়ো ভায়েকে সকলোকে পৰাস্ত কৰি যজ্ঞৰ ঘোঁৰা হস্তগত কৰিছিল। অৱশ্যে বাল্মিকীৰ পৰামর্শমতে সিহঁতে যজ্ঞৰ ঘোঁৰা ওভটাই দিছিল। সেইসূত্রে সিহঁত দুয়ো অশ্বমেধ যজ্ঞলৈ নিমন্ত্রণ পাইছিল। যথাসময়ত দুই ভাই লৱ - কুশই শ্রীৰামচন্দ্রই আয়োজন কৰা অশ্বমেধ যজ্ঞত ৰামায়ণৰ কাহিনী বর্ণনা কৰি নৃত্য - গীত প্রদর্শন কৰি সভাৰ সকলোকে বিমুগ্ধ কৰিলে। তেতিয়াৰে পৰা এই নৃত্য-গীতবোৰ কুশান নৃত্য - গীত বুলি খ্যাত হয়।

কুশান গান দুই ধৰণে পৰিবেশন কৰা হয় আৰু সেই অনুসৰি ই দুই প্রকাৰৰ (১) বেনা কুশান আৰু (২) দোতাৰা কুশান। বেনা হ'ল তাঁৰ বিশিষ্ট এবিধ বাদ্যযন্ত্র বিশেষ, এই বেনাৰ পৰিবেশন কৰা কুশান গানক বেনা কুশান বোলে। আকৌ দোতাৰা হ'ল চাৰিডাল তাঁৰ যুক্ত এবিধ বাদ্যযন্ত্র। এই দোতাৰাৰে পৰিবেশন কৰা কুশান গানক দোতাৰা কুশান বোলে। দোতাৰা কুশান আমাৰ সমাজত খাৰাতাল হিচাপেহে খ্যাত। 'খাৰা' মানে থিয় হৈ থকা আৰু 'তাল' শব্দটোৱে গানৰ তাল -মানক বুজায়। অর্থাৎ গীতৰ তালৰ লগত সংগতি ৰাখি থিয়ই থিয়ই যি নৃত্য গীত পৰিবেশন কৰা হয় সেয়াই খাৰাতাল। খাৰাতাল আমাৰ সমাজৰ এবিধ জনপ্রিয় আৰু মনোৰঞ্জক সাংস্কৃতিক অনুষ্ঠান।

দোতাৰা কুশান আৰু বেনা কুশানৰ মাজত মূলতঃ পার্থক্য এয়ে যে, প্রথমবিধ লেহেম সুৰৰ আৰু দ্বিতীয় বিধ মিহি তথা দীঘলীয়া টান বিশিষ্ট। বেনা আৰু দোতাৰা বাদ্যযন্ত্র দুবিধ যদিওৰা যথাক্রমে একতাঁৰ আৰু চাৰিতাঁৰ বিশিষ্ট তথাপি দুয়োবিধ বাদ্যযন্ত্র তিনিটা সুৰত বিভক্ত হৈ থাকে - (১) বোম (গধুৰশব্দ যুক্ত) (২) সুৰ (মধ্যম শব্দ যুক্ত) আৰু (৩) ৰাগিনী (মিহি শব্দযুক্ত)। বেনাত এডাল তাঁৰতে উক্ত ভাগ তিনিটাত বিভক্ত কৰিব পাৰি যদিও

OKDISCD

দোতাৰাত বাওঁফালৰ তাঁৰডালত 'বোম', মাজৰ দুডালত 'সুৰ' আৰু সোঁ ফালৰ ডালত 'ৰাগিনী' ৰূপত বিভক্ত হৈ থাকে।

কুশান নৃত্য-গীত পৰিবেশনৰ বাবে এটি সংগীতৰ দল গঠিত হয়। দলটোৰ মূল ব্যক্তিজনক গীদাল বোলে। তেখেতেই প্ৰথমে গীতৰ পাতনি মেলে। আকৌ গীদালৰ গীতৰ সুৰ আৰু তাল ধৰি দোৱাৰী বা লেঙ্গাই নৃত্য ভঙ্গীমাৰে দৰ্শকৰ আগত কাহিনী ভাগ প্ৰদৰ্শন কৰে। বাইনে বাদ্যযন্ত্ৰ বজোৱাত গীদালক সহায় কৰাৰ উপৰিও দোৱাৰী আৰু ছুকুৰীবোৰ নাচোনৰ তাল ৰক্ষা কৰে। বাইন এক বা একাধিক থাকিব পাৰে। বাইনৰ উপৰিও আনুষঙ্গিক বাদ্যযন্ত্ৰ বজাবলৈ আন কিছুমান সহযোগী থাকে। ছুকুৰীবোৰ হ'ল কুশান নৃত্যৰ অন্যতম আকৰ্ষণীয় ব্যক্তি। ছোৱালীবোৰক ৰঙ চঙীয়া 'ঘাগ্ৰা' পিন্ধাই, মুখে হাতে ৰহণ সানি দি দেখনীয়াৰ কৰি তোলে। আগৰ কালত ছোৱালীৰ অভাৱত ল'ৰাকে ছোৱালী সজাই ছুকুৰী কৰা হৈছিল। এই ছুকুৰী আৰু লেঙ্গাৰ বিভিন্ন ভঙ্গীমাৰ নৃত্য-গীত আৰু মাত-কথাই দৰ্শকক অতিশয় আনন্দ প্ৰদান কৰে।

কুশান নৃত্য গীতৰ পাতনি 'আচাৰ বন্দনা'ৰে কৰা হয়। এই 'আচাৰ বন্দনা' ৰ পিচতে গীদালে সুৰ বন্দনা আৰম্ভ কৰে। সুৰ বন্দনাটি হ'ল-

(গীদালে সুৰ বন্দনাৰ পাতনিতে ৰাগ- ৰাগিনী টানে, তাৰ পিছত বন্দনা আৰম্ভ কৰে।)

ৰাম বন্দনং
সীতা বন্দনং
সকাষ্টয়ং কৰুণয়ং
গুন নিধিং...
(তাৰ পিছত ৰাগ টানে)
বিপ্ৰ ধাৰ্মিকং
ৰাজেন্দ্ৰং সত্য বন্দং
শান্তি মুক্তি ... (পুনৰ ৰাগ টানে)
বন্দে লোকা অভিৰাম
লক্ষ্মণ লোকা অভিৰাম
সীতাৰ ৰঘুতমং

তাৰ পিছত পুনৰ ৰাগ টানি সুৰ বন্দনা শেষ কৰে।

সুৰ বন্দনা শেষ কৰাৰ পিছত আৰম্ভ হয় সৰস্বতী বন্দনা। বাগেদেৰীক উদ্দেশ্যি গোৱা- এই বন্দনাটি হ'ল-

আইসেক মা সৰস্বতী
ৰথে কৰিয়া ঘৰ
জয় জগৰি নামিয়া
মোৰ সভাৰ ভিতৰ
মোৰ সভা চাৰি যদি
অইনে সভাই যাইচ
আৰ কিছু কিৰা নাদং
ধৰ্মৰ মাথা খাইছ
মোক যদি লজ্জা দিবি মা
ভৰা সভাৰ মাঝে
তুয়ো একদিন লজ্জা পাবি
দেৱেৰো সমাজে।
দিনেৰ বেলা থাকেক মা তুই
কাকা সৰোৱৰে
আৰো সন্ধ্যা হ'লে নামেক মা তুই
এই সভাৰ ভিতৰে
উত্তৰে কালিকা বন্দং
দক্ষিণে সাগৰ
পূৱেৰ ৰাজা বন্দং
ভানুমূৰীয়া ভাস্কৰ
আকাশেৰ বন্দনা কৰুং মা
আকাশেৰো কামুনি
আৰো পাতালেৰ বন্দনা কৰুং মা
নাগেৰো নাগিনী
আৰো এতসা বন্দনা গাইতে মা
জেদে বৈয়া যায়
কৌটি কৌটি প্ৰণাম কৰুং মা
সেইনা দেৱেৰ পাওৱে
এতসা বন্দনা গাইতে মা
যে চৰাবে যাঁও
আগে হৰি পিছে সধৰ মাও
হাত গুৰু পাত গুৰু বন্দং
শিক্ষা গুৰু পাওৱে
সেইজনে হ'ব গুৰু
শিখায় দানে বায়ে।

সৰস্বতী বন্দনাৰ অন্তত মূল পালা আৰম্ভ হয়। 'পালা' মানে হ'ল ৰামায়নৰ পূজা লোৱা একো একোটি কাহিনী বা উপাখ্যান। সাধাৰণতে কুশান নৃত্য গীতত ৰজা হৰিশ্চন্দ্ৰ, লক্ষ্মণৰ শক্তি শেল, দাতাকৰ্ণ, উদয় চন্দ্ৰ আদি কাহিনীবোৰ প্ৰদৰ্শন কৰা হয়। এইবোৰৰ ভিতৰত ৰজা হৰিশ্চন্দ্ৰই শ্ৰেষ্ঠতাৰ স্থান পাইছে।

OKDISCD

মূল কাহিনী ভাগ প্রদর্শন কৰাৰ উপৰিও দর্শকৰ মনোৰঞ্জনৰ বাবে 'ৰঙ্গিলা' প্রদর্শন কৰা হয়। 'ৰঙ্গিলা'ত হাস্য-ৰহস্য, শৃংগাৰ, কৰুণ আদিৰে ৰচনা কৰা উপ কাহিনী আৰু গীত মাত সন্নিবিষ্ট হৈ থাকে।

কুশান নৃত্য গীতৰ শেষত প্রভূৰ নামত এটি 'হৰিবোল' ধ্বনি দি পালো সামৰণি মাৰে।

সঁচা অর্থত অসমৰ সংস্কৃতিৰ অন্যতম উপাদানবোৰৰ ভিতৰত গোৱালপৰীয়া লোকগীতৰ আধাৰত সৃষ্টি হোৱা কুশান -নৃত্য-গীত বা খাৰাতালে বিশেষ ভূমিকা পালন কৰি আহিছে। এই গীতৰ বহুল প্রচাৰ তথা জনমুখী কৰাৰ লগতে ৰাষ্ট্রীয় আৰু আন্তর্জাতিক মঞ্চত উপস্থাপন কৰা চৰকাৰ আৰু বিভাগীয় কর্তৃপক্ষই অধিক গুৰুত্ব প্রদান কৰাটো একান্তই বাঞ্ছনীয়। অন্যথা সাম্প্রতিক যি আধুনিকতাৰ সংস্কৃতিৰ বতাহে আমাৰ সমাজখনক চানি ধৰিছে সিয়ে অনাগত দিনত এই লোক সংস্কৃতিবোৰ বিলুপ্তি ঘটৰাটো নিতান্তই স্বাভাৱিক কথা। ফলত আমাৰ লোকসংস্কৃতিৰ বিস্তাৰ ক্ষতি সাধন হ'ব। সেয়ে সংস্কৃতিবান আৰু সংস্কৃতিপ্রেমী সজাগতা আৰু বিভাগীয় কর্তৃপক্ষ তথা চৰকাৰে ইয়াক উদজীৱিত কৰি ৰখাৰ লগতে ইয়াৰ উন্নয়নৰ হকে কাম কৰিবলৈ আহ্বান জনালোঁ। ❑

*****



অসমীয়া জাতি গঠনত কোচ ৰাজবংশী সকলৰ ভূমিকা

কুঞ্জ বিহাৰী ৰায়

অতীজৰে পৰা নানা জাতি, উপজাতি সম্প্রদায়ৰ বাসভূমি হ'ল এই অসম ভূখণ্ড। প্রাগ ঐতিহাসিক যুগৰে পৰাই বিভিন্ন সম্প্রদায়ৰ ৰজা মহাৰজা এই অসমৰ বিভিন্ন খণ্ডত সাম্রাজ্য বিস্তাৰ কৰাৰ সূত্রে এই অসম ভূমি বিভিন্ন সম্প্রদায়ৰ বাসভূমি হৈ উঠিছে। সেয়েহে ইয়াত আমি আজিও ভিন্নতাৰ মাজত একতাৰ সুৰভি বিচাৰি পাওঁ। আহোম, মিছিং, গাৰো, ৰাভা, বড়ো, কাৰ্বি, কোচ, তিৰা আদি জনগোষ্ঠীৰ বাসভূমি হ'ল এই অসম। আচলতে এই সকলোবোৰ জাতি - জনজাতিৰ নিজা নিজা কলা সংস্কৃতিৰ আলমতেই গঢ়ি উঠিছে বৃহত্তৰ অসমীয়া সংস্কৃতিৰ মেটমৰা ভঁৰাল। আন আন জাতি জনজাতিৰ দৰে কোচ - ৰাজবংশী সকলেও বৃহত্তৰ অসমীয়া জাতি গঠনত উল্লেখযোগ্য অৱদান আগবঢ়াই আহিছে।

মধ্য শতিকাত অসমত আহোম সকলৰ ছশ বছৰীয়া শাসন কালত গঢ়ি উঠিছিল অসমীয়া সংস্কৃতিৰ বৰ ভেটিটো। সেই কালছোৱাতে পশ্চিম অসমৰ আটাইখিনি অঞ্চলৰ উপৰিও বর্তমান উত্তৰবঙ্গ আৰু বাংলাদেশৰ এটা বৃহৎ অঞ্চল সাঙুৰি গঢ়ি উঠিছিল কোচ সাম্রাজ্য । কোচ ৰজা নৰনাৰায়ণ আৰু চিলাৰায়ৰ শৌর্য্য-বীর্য্যৰ কথা বুৰঞ্জীৰ পাতে পাতে সোণালী আখৰেৰে লিপিবদ্ধ হৈ আছে। প্রবল পৰাক্রমী আহোম সকলক কেৱল কোচ সেনাইহে প্রতিহত কৰিব পাৰিছিল।

কোচ সাম্রাজ্যৰ ইতিহাস বিচাৰিলে আমি পাঁও যে, হাড়িয়া মণ্ডল নামৰ এজন ব্যক্তিয়ে প্রতিষ্ঠা কৰিছিল কোচ সাম্রাজ্য। হাড়িয়া মণ্ডলৰ পিচত বিশ্বসিংহই এই সাম্রাজ্যৰ সিংহাসনত বহি ছিল। এওঁৰেই পুতেক আছিল নৰনাৰায়ণ আৰু চিলাৰায়। যি দুগৰাকী মহামানৱৰ দিনত কোচ সাম্রাজ্যই উন্নতিৰ চূড়ান্ত শিখৰ বগাবলৈ সক্ষম হৈছিল।

মহাৰাজ নৰনাৰায়ণ আৰু সেনাধ্যক্ষ চিলাৰায়ৰ জীৱন বুৰঞ্জী অধ্যয়ন কৰিলে আচৰিত হোৱাৰ কথা। এওঁলোকৰ দৰে একেধাৰে সু-প্রশাসক, সাহিত্যিক, পণ্ডিত পৃথিৱীৰ বুৰঞ্জীত বিৰল। মোগল সকলৰ ইতিহাসত আকবৰকে আদিকৰি ভালেমান পৰাক্রমী সম্রাট পাওঁ। কিন্তু তেওঁলোক আছিল নিৰক্ষৰ। বিশ্ব ইতিহাসতো কেৱল নেপোলিয়নৰ ক্ষেত্রত কিছু ব্যতিক্রম। নৰনাৰায়ণ আৰু চিলাৰায় দুয়োজনেই আছিল সংস্কৃতত বিদগ্ধ পণ্ডিত। এওঁলোকৰ শাসন কালতেই কোচ সাম্রাজ্যত গঢ়ি উঠিছিল ভালেমান শিক্ষা, সংস্কৃতিৰ কলাকেন্দ্র ।

মধ্য যুগত সমগ্র ভাৰতবর্ষত যি ধর্মীয় অৰাজকতাৰ সূত্রপাত ঘটিছিল তাক নিৰাময়ৰ কাৰণে যি বৈষ্ণৱ আন্দোলনৰ উদ্ভৱ হৈছিল অসমত সেই আন্দোলনৰ গুৰি বঠা ধৰিছিল মহাপুৰুষ শ্রীমন্ত শঙ্কৰদেৱে । একশৰণ বৈষ্ণৱ ধর্ম প্রৱর্ত্তন কৰি মহাপুৰষজনাই অসমীয়া মানুহৰ মাজত গঢ় লোৱা ধর্মীয় অন্ধ বিশ্বাস আতৰাই একতাৰ ডোলেৰে বন্ধাৰ আপ্রাণ চেষ্টা চলাইছিল। সমাজখন সংগঠিত কৰাই আছিল তেওঁৰ প্রধান আৰু একমাত্র উদ্দেশ্য। ফলত তেওঁ ৰজাঘৰীয়া ৰোষত পৰিছিল। ভয়ত তেওঁ পলাই গৈ কোচ নৃপতিৰ ওচৰত আশ্রয় বিচাৰে । গুণীৰ মোল বুজা মহাৰাজ নৰনাৰায়ণে লগে লগে নিজ ৰাজ্যত শ্রীমন্ত শঙ্কৰদেৱক স্থান দি তেওঁ সাহিত্য চর্চা কৰাৰ সুবিধা নিদিলে আজি অসমীয়া সহিত্য সংস্কৃতিয়ে কেনেকুৱা ৰূপত থাকিলেহেঁতেন সেয়া কল্পনাতীত। মহাৰাজ নৰনাৰায়ণৰ প্রত্যক্ষ উৎসাহতেই শ্রীমন্ত শঙ্কৰদেৱৰ কাপেৰে সৃষ্টি হৈছিল ভালেমান উৎকৃষ্ট গ্রন্থ। সেয়েহে একে আষাৰতেই কব পাৰি যে, বৰ অসমৰ সাহিত্য সংস্কৃতিৰ বৰভেটিটো মহাৰাজ নৰনাৰায়ণেই গঢ়িছিল যদিও আমি মহাপুৰুষ জনাক অসমীয়া সাহিত্য সংস্কৃতিৰ জনক বুলি মান্য কৰো।

সকলো জাতিৰে নিজা নিজা কলা সংস্কৃতি থকাৰ দৰে কোচ ৰাজবংশী সকলৰো নিজা ভাষা কৃষ্টি আছে। এটা জাতি কিমান সংস্কৃতিবান সেইটো জোখাৰ প্রধান মাধ্যম হ'ল জাতিটোৰ কলাকৃষ্টি । তাৰ ওপৰতেই নির্ভৰ কৰে জাতিটোৰ আয়ুস কাল। কোচ ৰাজবংশী সকলৰ ভাষা সংস্কৃতিক এই অঞ্চলৰ জনসাধাৰণে গোৱালপৰীয়া সংস্কৃতি হিচাপে ক'বলৈ ভাল পায় আৰু সেইমতে ই আখ্যাও পাইছে। গোৱালপৰীয়া লোকগীত, কুশান গীত আৰু নৃত্য, মাৰৈ গীত, মৈশাল গীত , ঝালিমাটি গীত আদি

গোৱালপৰীয়া সংস্কৃতিৰ বিভিন্ন অঙ্গ।

গতিকে ক'ব পাৰি যে, অসমীয়া জাতি গঠনত কোচ ৰাজবংশী সকলৰ ভূমিকা উল্লেখযোগ্য। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আছিল একেধাৰে সমাজ সংগঠক, ধৰ্ম প্ৰৱৰ্ত্তক, নাট্যকাৰ, গীতিকাৰ আৰু সাহিত্যিক। তেওঁৰ প্ৰতিভাৰ প্ৰচাৰ আজি দেশজোৰা। কিন্তু তেওঁৰ বন্দনা কেৱল ধৰ্ম প্ৰৱৰ্ত্তক হিচাপেহে বেছি হোৱা যেন লাগে, এগৰাকী সমাজ সংগঠক বা সাহিত্যিক হিচাপে নহয়। তেওঁ একেধাৰে অসমীয়া নাট্য সাহিত্য সঙ্গীত আদিৰ পিতৃপুৰুষ।

কিন্তু আজি তাহানিৰ সেই চহকী অৱস্থা কোচ ৰাজবংশী সকলৰ নাই। নিজৰ ভূমিতেই নিজৰেই অস্তিত্ব ৰক্ষা তথা নাৰ্য প্ৰাপ্তিৰ কাৰণে কৰিবলগীয়া হৈছে দীঘলীয়া সংগ্ৰাম। তেওঁলোকৰ জনজাতিকৰণৰ নিয়মীয়া দাবীকলৈ তথাকথিত উচ্চ মধ্য বিত্ত শ্ৰেণীৰ চতুৰ ৰাজনীতিবিদ সকলে হেতালি খেলিছে। আজি অসমত বিচ্ছিন্নতাবাদে দকৈ শিপাইছে। সকলোৱে নিজা নিজা স্বায়ত্ব শাসন বিচাৰিছে। এই বিচ্ছিন্নতাবাদৰ মূল কাৰণ কিন্তু আমাৰ তথাকথিত উচ্চ মধ্যবিত্ত শ্ৰেণীৰ শাসকগোষ্ঠীৰ সংকীৰ্ণ মানসিকতাৰেই ফচল। অদূৰ ভবিষ্যতত হয়তো স্বভাৱতে সৰল অসমত বাস কৰা ২৮ লক্ষ কোচ ৰাজবংশীসকলে তেওঁলোকৰ পূৰ্বৰ বাসভূমি 'কমতাপুৰ' সন্মিলিত ভাবে একেখন ছত্ৰৰ তলতে থি য় হৈ দাবী তুলিব পাৰে। সেয়া সময়হে কব। সেয়েহে নীতি নিৰ্দ্ধাৰকসকলে বিষয়টো চিন্তা কৰি চাবলগীয়া হ'ল। ❑

কোচ ৰাজবংশী জন গোষ্ঠীৰ নীৰৱ সাধক হেমেন সিংহ

তৰুণ সিংহ

অবিভক্ত বঙ্গ আৰু অসমবিখ্যাত ওস্তাদ বেণী মাধৱ সিংহৰ দ্বিতীয় পুত্ৰ কোচ ৰাজবংশী জন গোষ্ঠীৰ নীৰৱ সাধক হেমেন সিংহ। এই জনা কলানুৰাগীৰ জন্ম হয় অভয়াপুৰীৰ দেও হাটী মেধিপাৰাত ১৯২১ চনৰ ২০ ফেব্ৰুৱাৰীত । তেওঁ প্ৰাথমিক শিক্ষা লাভ কৰে ১ নং দেওহাটী প্ৰাইমাৰী স্কুলত আৰু ওপৰ মহলাৰ শিক্ষা অভয়েশ্বৰী হাই স্কুলত শেষ কৰিবলৈ নৌপাওঁতেই সংগীত্ নাটকৰ পিনে ঢাল খাই শৈক্ষিক জীৱন অসমাপ্ত কৰি ওলাই আহে । কাৰণ কলাৰ মোহিনী শক্তিয়ে তেওঁক সম্পৰ্ণকৈ গ্ৰাস কৰি পেলাইছিল। যিহেতু সৰুৰে পৰা তেওঁ ঘৰখনত কলাৰ এক সুন্দৰ পৰিৱেশ পাইছিল আৰু তাতেই তেওঁ বাছি লৈছিল জীৱনৰ এক অনবদ্য অভিন্ন ছবি। যি অভিন্নতাই তেওঁক পৰলোকগামী হোৱাৰ আগমুহূৰ্তলৈকে সাৱটি আছিল । সংগীতৰ সকলো দিশতে তেওঁ অভ্যস্ত হৈ পৰিছিল। এক সুদক্ষ তৱলিচ হোৱাৰ উপৰিও চেতাৰ আৰু হাৰমনিয়ামৰ সুৱাদক হিচাবে কৃতিত্ব অৰ্জন কৰিছিল। তেওঁ বিশ্ব বিশ্ৰুত গায়ক ড° ভূপেন হাজৰিকাৰ গীতত তবলিচ ৰূপে আমন্ত্ৰণ পাইছিল, লগতে সংগীত পৰিচালনাৰ দায়িত্বও গ্ৰহণ কৰি হাজৰিকা আৰু কলানুৰাগীৰ মন জয় কৰি এক সুদক্ষ সংগীত পৰিচালক ৰূপে খ্যাতি অৰ্জন কৰিছিল। সেই 'গান্ধী ময়দান'ৰ কথা জানো পুৰণি সংগীতপ্ৰেমীসকলে পাহৰিব পাৰে ! তেওঁ একেধাৰে ১৯৫০ চনৰ পৰা ১৯৭০ চনলৈ এই দুই দশক কাল সংগীত আৰু নাটকৰ বলিষ্ঠ পৰিচালক হিচাবে খ্যাতি অৰ্জন কৰি বিভিন্ন অঞ্চলত বিশেষকৈ বঙাইগাঁও, চিতকাগাঁও, বইটামাৰী, স্থানীয় ধৰ্মপুৰ, শিঙিমাৰী আৰু উত্তৰ শালমাৰা ৰাইজৰ মন জয় কৰিছিল। এই কথা আজিও পৌঢ় কলানুৰাগী ব্যক্তি সমূহৰ মুখত শুনিবলৈ পোৱা যায়। অতি পৰিতাপৰ কথা এই কঠোৰ সাধনাৰ মাজতেই এই জনা ওস্তাদৰ শৰীৰত দু�ৰাৰোগ্য ৰোগে আক্ৰমণ কৰাত সংগীত, নাটক সাধনাৰ অলঙ্কাৰখিনি কোনো শিষ্যকেই বিলাই দি যাব নোৱাৰিলে। বিগত শতিকাৰ ৭৩ চনৰ ফেব্ৰুৱাৰী মাহত তেওঁ স্বৰ্গগামী হ'য়।

কোচ ৰাজবংশী সংস্কৃতিৰ ওস্তাদ ৰমণীকান্ত ৰায়ৰ অৱদান

ভাগিৰথী ৰায়

বিজনী ৰাজ্যৰ অন্তিম ৰাজধানী অভয়াপুৰী নগৰীত 'কোচ-ৰাজবংশী সাংস্কৃতিক পৰিষদ'ৰ দ্বাৰা আয়োজিত সাংস্কৃতিক সমাৰোহত প্ৰয়াত লোক শিল্পী ৰমণী কান্ত ৰায়ৰ অভাৱ বাৰুকৈ অনুভৱ হৈছে । এই জন দৰদী লোক শিল্পী ওস্তাদ ৰমণী কান্ত ৰায় আগজীৱনত সাধাৰণ ব্যৱসায় কৰি কোকৰাঝাৰ নগৰত ভাড়া ঘৰত সপৰিয়ালে আছিল। ইতিমধ্যে আমাৰ সকলোৰে শ্ৰদ্ধাৰ পাত্ৰ আৰু কোচ - ৰাজবংশী সমাজৰ নিষ্ঠাবান সমাজ সেৱক শ্ৰী অম্বিকাচৰণ চৌধুৰী দেৱৰ সান্নিধ্যত অহাৰ সুযোগ পায় আৰু তেওঁৰেই প্ৰেৰণাত উদ্বুদ্ধ হৈ কোকৰাঝাৰ নগৰৰ ভাড়াঘৰ আৰু সাধাৰণ ব্যৱসায় পৰিত্যাগ কৰি বাৰাগড় নামৰ গাঁৱত থকা জুপুৰী ঘৰত নতুন জীৱন ধাৰাত প্ৰবেশ কৰে। শ্ৰী চৌধুৰী দেৱৰ প্ৰচেষ্টাতেই লোক শিল্পী ৰমণী কান্ত ৰায়ে সদৌ অসম কোচ - ৰাজবংশী সন্মিলনীৰ সাংগঠনিক সম্পাদক হিচাপে সাংস্কৃতিক বিভাগৰ দায়িত্ব বহন কৰি সন্মিলনীৰ প্ৰধান সম্পাদক শ্ৰী অম্বিকাচৰণ চৌধুৰী দেৱৰ সহায়ক হিচাপে কোচ ৰাজবংশী জনগোষ্ঠীলৈ আমৃত্যু সেৱা আগবঢ়াইছিল। সাংস্কৃতিক সমাৰোহৰ সন্দৰ্ভতে প্ৰয়াত ওস্তাদ ৰমণীকান্ত ৰায়ক শ্ৰদ্ধাৰে সোঁৱৰণ কৰা হ'ল। আজীৱন সদৌ অসম কোচ-ৰাজবংশী ক্ষত্ৰীয় সন্মিলনীৰ এগৰাকী অক্লান্ত কৰ্মী ৰমণী কান্ত ৰায়ে প্ৰায় জন্মলগ্নৰে পৰা সংগঠনটোৰ লগত জড়িত থাকি ১৯৬৯ চনৰ যুগান্তৰকাৰী চৌতাৰা অধিবেশনত সাংগঠনিক সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি পিছলৈ বিভিন্ন পদত থাকি সাংস্কৃতিক সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰে আৰু মৃত্যুৰ দিন পৰ্যন্ত প্ৰায় পচিশ বছৰ কাল উক্ত পদত থাকে ।

বৰ্ত্তমান যি জাতীয় চেতনা বা আলোড়নৰ সৃষ্টি হৈছে নিজৰ অস্তিত্ব আৰু অধিকাৰ ৰক্ষাৰ বাবে সেয়া অৰ্থহীন হৈ পৰিব যদিহে জাতিটোৰ স্বকীয় পৰিচয়সূচক কৃষ্টি সংস্কৃতিৰ ৰক্ষণাবেক্ষণ বা পুনৰুদ্ধাৰৰ প্ৰচেষ্টা কৰা নহয়। এই গুৰু দায়িত্ব তেওঁ সূচাৰুৰূপে সম্পাদন কৰিবলৈ আজীৱন প্ৰচেষ্টা অব্যাহত ৰাখে। তেওঁ নিজে এগৰাকী লোকশিল্পী আছিল। সাপটগ্ৰাম চহৰৰ নিকটৱৰ্তী সোণামুই গাঁৱত তেওঁৰ জন্ম হৈছিল। সময়ত অধ্যয়ন এৰি লোকনাট্যানুষ্ঠান 'কুশান গান'ত 'ছুকুৰী' অৰ্থাৎ ছোৱালী নৰ্ত্তকীৰ ভূমিকাৰে সাংস্কৃতিক জগতত প্ৰৱেশ কৰে। যাৰ বাবে তেওঁ নাক কাণ পৰ্যন্ত ফুটাই লব লগা হৈছিল। তাৰ পিছত ক্ৰমাৎ বিভিন্ন অনুষ্ঠানত বিভিন্ন ভূমিকাত অৱতীৰ্ণ হৈ এগৰাকী সুদক্ষ গায়ক তথা নৃত্য-বাদ্য শিল্পী হৈ পৰে।

তেওঁ অনুভৱ কৰিছিল যে ৰাজবংশীসকলৰ স্বকীয় ভাষা, কৃষ্টি সমূহ লাহে লাহে লোপ পাই যাব ধৰিছে। সেইবোৰ উপযুক্ত ভাৱে সংৰক্ষণ আৰু পুনৰুদ্ধাৰৰ ব্যৱস্থা নকৰিলে জাতিটোৰ স্বকীয় বৈশিষ্ট্য সমূহ লোপ পোৱাৰ উপৰিও জাতীয় চেতনাৰ যি আন্দোলন লাগিলে সেয়া জনজাতিৰ মৰ্যাদাৰ বাবেই হওক বা কমতাপুৰ বিচাৰিয়েই হওক সেই দাবী অসম্ভৱ আৰু অৰ্থহীন হৈ পৰিব । লোককৃষ্টিসমূহ যাতে মৰহি নাযায় তাৰ বাবে বিভিন্ন জাতি- উপজাতিৰ সহযোগত 'গোৱালপৰীয়া সাংস্কৃতিক সমাৰোহ' আদিৰ দৰে অনুষ্ঠানৰ আয়োজনতো ভাগ লৈছিল। যদিও ইয়াৰ প্ৰকৃত নামকৰণ 'ৰাজবংশী সংস্কৃতি' হোৱাটো তেওঁ উপযুক্ত মঞ্চত প্ৰতিপন্ন কৰিবলৈ দৃঢ় সংকল্পবদ্ধ আছিল।

'গোৱালপৰীয়া বনাম ৰাজবংশী' বিতৰ্ক চলি থকাৰ সময়তে তেওঁ ৰাজবংশী ভাষাত এখনি ছবি কৰিবলৈ চিত্ৰনাট্য প্ৰস্তুত কৰি বহু বছৰ জুৰি প্ৰচেষ্টা চলায় যদিও আৰ্থিক কাৰণত সেই সপোন বাস্তবায়িত হ'ব নোৱাৰিলে। অৱশ্যে ১৯৯৪-৯৫ চনত Total literacy campaign অৰ্থাৎ স্বাক্ষৰতা অভিযানে প্ৰয়োজনা কৰা আৰু জৌংদাও বডোচাৰ সহযোগিতাত এখনি ৰাজবংশী ভাষাৰ ভিডিঅ ফিল্ম বনায়। অভিনয়ৰ উপৰিও কাহিনী, চিত্ৰনাট্য, সংলাপ, সংগীত সকলো তেওঁৰ নিজৰে আছিল। প্ৰায় একে সময়তে পদ্মবিল গাঁৱত পোন প্ৰথমবাৰৰ বাবে তেওঁ ৰাজবংশীসকলৰ লোক - উৎসৱ 'পুষুণা' ৰাজহুৱাভাবে পাতি তাতে জনজাতিৰ আধ্যাদেশ জাৰি কৰাৰ বাবে বিজয় উৎসৱো একেলগে পালন কৰে। উক্ত সভাত কেবাগৰাকী বয়োজ্যেষ্ঠ নেতাক সম্বৰ্ধনা জনোৱাৰ উপৰিও এখনি ৰাজবংশী লোকগীতৰ পুথি 'আশা' উন্মোচন কৰে।

এনেধৰণৰ অনুষ্ঠান আয়োজনৰ জৰিয়তে তেওঁ সমাজত এক সাংস্কৃতিক জাগৰণ অনাৰ চেষ্টা কৰিছিল। তাৰ আগতে মানুহৰ মাজত অহেতুক এক হীনমন্যতা আছিল 'পুষুনা' উৎসৱ সম্পৰ্কে। বিহুৰ সমসাময়িক এইটো উৎসৱক 'পুষুণা' নুবুলি ভোগালী বিহু বুলি কৈহে ভাল পাইছিল। যাৰ ফলত শেষ হৈ গৈ আছিল ইয়াৰ অস্তিত্ব। লোকগীতৰ পুথিখনৰ প্ৰকাশে ৰাজবংশী

ভাষাৰ গীত-মাতবোৰ সংগ্ৰহ কৰি ছপোৱাৰ এক চানেকী আৰু উৎসাহৰ সৃষ্টি কৰে।

তেওঁৰ আটাইতকৈ উল্লেখযোগ্য অৱদানটো হ'ল ক্ৰমে অৱলুপ্ত হৈ যাবলৈ ধৰা সাজ-পোছাক সমূহৰ পুনৰ প্ৰচলন। তেওঁ উপলব্ধি কৰিছিল যে, স্বকীয় পৰিচয় বহনকাৰী ভাষাৰ লগতে সাজ - পোছাকো সমানে জৰুৰী। যাৰ বাবে তেওঁ কুশান গান, গোৱালনী আদি লোকনৃত্যত পৰম্পৰাগত ৰাজবংশী সাজ 'পাটানি' ৰ পুনৰ প্ৰচলনৰ ব্যৱস্থা কৰে। ৰাজবংশী সমাজত সন্মান জনোৱা বা সামাজিক কামত কান্ধত 'সইযাফুলি আওচা'ৰ ঠাই লাহে লাহে বগা ফুলাম গামোচাই লব ধৰিছিল। তেওঁ পোন প্ৰথমে তাঁত ব্যৱসায়ীক নিৰ্দ্দিষ্ট ডিজাইন আৰু আকৃতিৰ 'সইযাফুলি আওচা' বনাবলৈ দি সেইবোৰ সভা-সমিতি ইত্যাদিৰ জৰিয়তে পুনৰ জনপ্ৰিয় কৰি তোলে।

তেওঁ সন্মিলনীৰ প্ৰতিটো অধিবেশনতে একোটাকৈ বিৰাট সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰিছিল। য'ত ৰাজবংশী লোকনৃত্য-গীত সমূহ প্ৰদৰ্শিত হৈছিল। ১৯৯১ চনত কোকৰাঝাৰত অনুষ্ঠিত সন্মিলনীৰ অভিবৰ্তনত তেওঁ বিভিন্ন ঠাইৰ পৰা অহা শিল্পীসকলক এক ত্ৰিত ভাৱে প্ৰশিক্ষণ দি সাংস্কৃতিক শোভাযাত্ৰা আৰু সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত কৰে। ৰাজবংশী লোককৃষ্টি সমূহক প্ৰদৰ্শন আৰু প্ৰচাৰৰ উদ্দেশ্যে এখনি তথ্যচিত্ৰ নিৰ্মাণৰ স্বপ্ন আছিল যদিও উক্ত অভিবৰ্ত্তনৰ ভিডিঅ ৰেকৰ্ডিঙৰ লগতে গাঁওসমূহৰ পৰা কিছুমান লোকাচাৰ, জীৱনশৈলী আদিৰ দৃশ্য সংযোজন কৰে আৰু লোকগীত শিল্পী শ্ৰীমতী পুতুলী সৰকাৰৰ লগতে এক লোকগীত চিত্ৰায়ণতো ভাগ লয়। কিন্তু দুঃখৰ কথা যে, ৰাজবংশী লোকজীৱন আৰু ঐতিহাসিক অভিবৰ্ত্তনখনৰ দৃশ্যসম্বলিত ভিডিঅ কেছেটখন দুৰ্ঘটনাক্ৰমে চিৰদিনলৈ নষ্ট হৈ যায়। যাৰ প্ৰতিলিপি বৰ্তমান কাৰোবাৰ হাতত অক্ষত ভাবে থাকিবও পাৰে । এইবোৰ প্ৰচেষ্টাই ৰাজবংশী লোককৃষ্টিৰ পুনৰুদ্ধাৰৰ ক্ষেত্ৰত অৰিহণা যোগাইছে আৰু এক সুদূৰ প্ৰসাৰী প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব বুলি তেওঁ বিশ্বাস কৰিছিল।

'কোচ ৰাজবংশী সাংস্কৃতিক সংৰক্ষণ সমিতি' নামে এক অনুষ্ঠান সংগঠিত কৰি তেওঁ ১৯৮৩-৮৪ চনত কোকৰাঝাৰত অনুষ্ঠিত উত্তৰ পূৰ্বাঞ্চল ভিত্তিক 'শিল্পী সমাৰোহ'ত দলীয়ভাৱে ৰাজবংশী লোকনৃত্য- গীতত ভাগ লয়। তেওঁৰ জীৱনৰ আটাইতকৈ সাফল্যৰ কথা হ'ল 'গোৱালপাৰীয়া বনাম ৰাজবংশী' বিতৰ্কৰ মাজতে ১৯৯৩ চনত ৰাজ্যিক সাংস্কৃতিক সঞ্চলকালয়ৰ তৰফৰ পৰা অনুষ্ঠিত এক নৃত্য -গীত প্ৰশিক্ষণ শিবিৰত অংশগ্ৰহণ কৰি ৰাজবংশী লোক নৃত্য-গীত প্ৰশিক্ষক অৰ্থাৎ ওস্তাদ স্বীকৃতি পোৱাটো । তেওঁৰ এই স্বীকৃতি গোটেই ৰাজবংশী ভাষা আৰু সংস্কৃতিৰ স্বীকৃতি। তাৰ পিছতেই নিজৰ সাংস্কৃতিক দলটোৰে গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ বাবে এটি লোক নৃত্য গীতৰ অনুষ্ঠান প্ৰস্তুত কৰি তাক ৰাজবংশী অনুষ্ঠান বুলি প্ৰচাৰ কৰিবলৈ খাটনি ধৰে যদিও দূৰদৰ্শন কৰ্তৃপক্ষই সেয়া অসম্ভৱ বুলি কৈ তাক গোৱালপৰীয়া বুলিয়ে সম্প্ৰচাৰ কৰে।

তেওঁ বিভিন্ন জনগোষ্ঠীৰ সহায়-সহযোগত ৰাজবংশী সংস্কৃতিক পুনৰুদ্ধাৰৰ বাবে কাম কৰি গৈছিল। সেই সকল ব্যক্তিৰ নাম উল্লেখ কৰিব নোৱাৰা বাবে মই বিনম্ৰ ভাৱে মাৰ্জনা বিচাৰিলো। কিন্তু এটা পৰিতাপৰ কথা এয়ে যে, যিমান সহযোগিতা তেওঁ নিজ জনগোষ্ঠীটোৰ পৰা বিচাৰিছিল সিমান আশানুৰূপ সহযোগিতা তেওঁ লাভ কৰা নাছিল। আনহাতে অন্যান্য জনগোষ্ঠীৰ পৰা তেওঁ আশাতীত সঁহাৰি লাভ কৰিবলৈ সক্ষম হৈছিল। আনকি গোৱালপৰীয়া বিতৰ্ক চলি থকাৰ সময়তো বামুন, কলিতা; মুছলমান আদি সম্প্ৰদায়ৰ ব্যক্তিৰ পৰা নৈতিক বা আৰ্থিক সমৰ্থন লাভ কৰিছিল। বহুসময়ত তেওঁ স্বজাতীয় ব্যক্তি কিছুমানৰ লগত এই সংস্কৃতিৰ নামকৰণ ৰাজবংশী হোৱা উচিত অনুচিত তাক লৈ বিতৰ্কত লিপ্ত হবলগাও হৈছিল।

গোটেই জীৱনজুৰি বিভিন্ন আহুকাল- অনাটনৰ মাজত থাকি পাৰিবাৰিক সুখ- শান্তিক আওকাণ কৰি এক মহান উদ্দেশ্যক বাস্তবায়িত কৰিবলৈ তেওঁ যুঁজ অব্যাহত ৰাখে। কিন্তু ১৯৯৬ চনৰ ২১ মাৰ্চৰ দিনা সন্ধিয়া ওচৰৰ গাঁও এখনৰ পৰা নিজৰ পঞ্চায়তৰ কাম চাই উভতি অহাৰ পথত (তেওঁ চোৰাইখোলা গাঁও পঞ্চায়তৰ সভাপতি আছিল) অচিনাক্ত দুৰ্বৃত্তৰ দল এটাই আক্ৰমণ কৰাত তেওঁ অকাল মৃত্যুক সাৱটি লব লগা হয়। এৰি যায় বহু আধৰুৱা কৰ্ম আৰু স্বপ্ন।

মৰণোত্তৰ ভাৱে কোকৰঝাৰত দুবছৰ আগত অনুষ্ঠিত চৰকাৰী শান্তি শোভাযাত্ৰাৰ দ্বিতীয় নিশাৰ সাংস্কৃতিক সন্ধিয়াটি শিল্পীজনালৈ উচৰ্গা কৰি শ্ৰদ্ধা তৰ্পণ কৰে। ১৯৯৬-৯৭ চনত বঢ়মপুৰত অনুষ্ঠিত সদৌ অসম কোচ-ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ বাৰ্ষিক অধিবেশনত তেওঁক জাতীয় শিল্পীৰ মৰ্যাদা দিবলৈ প্ৰস্তাৱ লোৱা হৈছিল । অৱশ্যে সেয়া আজিকোপতি মাথোন এক প্ৰস্তাৱ হৈয়ে আছে। জাতিক উদ্দেশ্যে লিখা তেখেতৰ গীত এফাঁকিৰে সামৰিলো-

"আমি জাতি ভাই
তোমৰা আছিলেন মাগুৰ হৈলেন কৈ
তোমৰা আছিলেন ৰাজাৰ বেটা
হৈলেন কেনে কামলা খাটা
আশ পৰশি তোমাক দেখি হাশে।" ❑

ভাষা মৰিবাৰ বাদে জন্মে না

ড. নিখিলেশ ৰায়

মাঘ-ফাগুন মাস হইল ৰাজবংশী ক্ষত্রিয় জাতিৰ জীৱনেৰ সবচাই পুণ্যৰ মাস । ৰাজবংশী ক্ষত্রিয় জাতিৰ জনক ৰায়সাহেব ঠাকুৰ পঞ্চাননেৰ জীবনেৰ সাথে এই দুইটা মাসক গোটায় বছৰটাক বেড় দিয়া আছে । মাঘ মাস যদি হয় উমাৰ কর্মেৰ মাস, তা হইল ফাগুন মাস হইল জন্মেৰ । মাথাভাঙ্গাৰ খলিসামাৰীত খোসাল চন্দ্র সৰকাৰ আৰ চম্পলা দেবীৰ বেটা পঞ্চানন ১২৭২ সালেৰ ১ ফাগুন শিব চতুর্দ্দশীৰ দিন জন্ম নেয় । আৰ উমাৰ ঐ নাকান মহাজীৱনটা নানান নাকান ঘাত প্রতিঘাতেৰ মধ্যে দিয়া আগাইতে আগাইতে ভালেদিন পতিত হয়া পড়ি থাকা ৰাজবংশী ক্ষত্রিয় জাতিৰ উদ্ধাৰেৰ দিন ১৩১৯ সালেৰ ২৭ মাঘত যায়া পৌছিলেক, যেদিন উমাৰ নেতৃত্বত কৰতোয়া নদীৰ বগলেৰ পেৰলবাড়ী গ্রামত হাজাৰ ৰাজবংশী ক্ষত্রিয় গাভুৰ-চ্যাংড়া একেটে হয়া নগুন পিন্ধিয়া দিনটাক স্মৰণীয় কৰি ৰাখিল । এই ১ ফাগুন আৰ ২৭ মাঘ দুইটা দিনক্ ফাম থুইয়া এলাও উত্তৰবংগেৰ এ-পাড়াত ও-পাড়াত, এ-গ্রামত ও-গ্রামত কতশত অনুষ্ঠান যে হয়া থাকে তাৰ কোন সীমাসংখ্যায় নাই ! যতয় দিন যায় ততয় আৰও বেশি কৰি ঠাকুৰ পঞ্চাননক আপন কৰি নিবাৰ ধচ্চে মানষি ।

আৰ ইংৰাজী মাসেৰ হিসাবে দেখিলে এই ফেব্রুৱাৰী মাসটা মাতৃভাষাৰ মাস । মাতৃভাষা অবশ্য মানষিৰ নাড়িৰ সাথে এমন কৰি জড়েনাপ্টে ৰয় আলদা কোন একেনা মাসক আৰ আলদা কৰি মাতৃভাষাৰ মাস কওয়া ঠিক নাহয় । ১৯৫২ সালেৰ ২১ ফেব্রুৱাৰী ওপাৰ বাংলাৰ ঢাকাত বাংলাভাষাৰ জন্যে সেদিন জীবন দিচে ডবডবা পাতাগাবুৰ চাইৰ চাইৰঝন জোয়ান-মোহাম্মদ সালাউদ্দিন (২৬) আব্দুল জব্বাৰ (৩০), আবুল বৰকত (২৫), আৰ ৰফিকুদ্দিন আহমেদ (২৭) । এইলা ইতিহাসেৰ কতা জানেন সগায় । তাৰপৰ থাকিয়া প্রায় পঞ্চাশ বছৰ ধৰি এই দিনটা বাঙালীৰঠে আছিল একেসাথে শোকেৰ আৰ গৈৰবেৰ দিন । কিন্তুক ৰাষ্ট্রসংঘ ২০০০ সালত এই একইশে ফেব্রুৱাৰীক আৰ খালি বাঙালীৰ বাদে থুইলেক না, দিনটাক বিশ্বমাতৃভাষাদিবসেৰ সন্মান দিল । নিজেৰ নিজেৰ মাতৃভাষা তো সগাৰেঠে মা-ৰ মতনে আপন - আদৰেৰ আৰ ভালোবাসাৰ; সেই কথা মনত থুইয়া সগায় যেন পত্তিটা মানসিৰ মাতৃভাষাক নিজেৰ মা-ৰ ভাষাৰ মতয় ভক্তিশ্রদ্ধা কৰি কথা ভুলি না যায় । ইংৰাজী মাধ্যম স্কুলত ভর্তি কৰি দেওয়াকে গৈৰব বুলি মনে কৰে; হ্যাপী বার্থ ডে পালন কৰিয়া বাপ মাও ছাওয়ালাক ড্যাডী, মাম্মী কওয়া শেখায়, থ্যাঙ্ক ইউ, গুড বাই, গুড মর্নিং, গুড আফটাৰনুন কওয়াৰ কথা জোৰ কৰি চাপেয়া দেয় স্কুলেৰ বাচ্চা বাচ্চা ছাত্রছাত্রী লাক । ইমাৰঠে ২১ ফেব্রুৱাৰীই কন আৰ বিশ্বমাতৃভাষাদিবসে কন, ওটা একটা হ্যাসিবিৰা দিন । এইঢক ইংৰাজীয়ানা দেখাইয়া তথাকথিত বাঙালীৰ নাকান মেলা ৰাজবংশীও আছে যায় ৰাজবংশী বুলি নিজকে পৰিচয় দিবাৰ লজ্যা পায় । মইয়োৰেৰ দলত নাম লেখেয়া নিজেৰ পাছপাকখান ভুলি যায় । ৰাস্তায়-ঘাটত, শহৰ-বন্দৰত, অফিছ-কাছাৰিত তো দূৰেৰ কথা নিজেৰ বাড়িতও ৰাজবংশী ভাষাত কথা কয় না । ছাওয়াছোটলাক ৰাজবংশী ভাষা শেখায় না এমনকি বিশ্ববিদ্যালয়েৰ বড় বড় ডিগ্রী নেওয়া দুই চাইৰঝন ৰাজবংশী আছে যাৰ সাথে আৰ একঝন ৰাজবংশী ৰাজবংশী ভাষাত কথা কইলে উত্তৰ দিবাৰ চায় না । এই ভাষা নিয়া যায় ভাবনাচিন্তা কৰে বা লেখালেখি কৰে তাৰ বগলে চাপে না । হয় বাংলা নাহয় ইংৰাজীত ফৰফৰায় । পাছিলাত মইয়োৰেৰ পাখা গোজায়া নিজেৰ পৰিচয়টা ঘুষি থুবাৰ চাইলে কাউয়া যদি মইয়োৰ হবাৰ পাইল হয় তা হইলে তো হয়ায় গেইল হয় । উমৰা কয়, নিজেৰ ভাষা মৰি যায় যাউক, বাংলাভাষাৰে যেটেখুনা মৰণ-বাচন অবস্থা, ৰাজবংশী শিখি কী হবে ? চাকিৰি জুটিবে ? এই বিশ্বায়নেৰ যুগত নাকি ইংৰাজী ছাড়া গতি নাই ! ইংৰাজীয়ে হইল কৰি খাওয়াৰ ভাষা ! বায়ৰে । উমাক কই, নিজেৰ খালটাকে খালি দুনিয়া বুলি না ভাবিয়া খোলা চখু দিয় বায়ৰাৰ ভিতি খানিক দেখো, দুনিয়াটা অনেকটায় বড় ! ইংল্যাণ্ডত ইংৰাজী শেখা ৫ কুটি ৮০ লক্ষ মানসিৰ মধ্যে ২৯ লক্ষ মানসি তা হইল বেকাৰ কেনে, আমেৰিকাত ২৯ কুটি ২০ লক্ষ মানষিৰ মধ্যে ৰ কুটি ৮০ লক্ষ মানষিৰ-এ বা ক্যা কাজ নাই ? চীন, জাপান, জার্মান মাতৃভাষা ছাড়া শিক্ষা দেওয়াৰ কথা ভাবে না, মার্কিনগুলা এলা চীনা ভাষা, জাপানী ভাষা শিখিৰ ধচ্চে, আয়াৰলেণ্ডত আইৰিশ ভাষা ছাড়া সই কৰা যায় না, ফ্রান্সেৰ মানষি

OKDISCO

নিজেৰ ভাষা ছাড়া ইংৰাজীত কথাও কয় না, ইংৰাজীৰ দেশ গ্ৰেট ব্ৰিটেইনত সৰকাৰী কাজ হয় ইংৰাজী ছাড়া আৰও তিনটা ভাষাত - স্কটিশ, ওয়েলস্ আৰ গ্যালিক; আমেৰিকাত 'ইংলিশ ওনলি' আন্দোলনেৰ উল্টা আন্দোলন কৰে অন্যভাষাভাষী মানষিলা, ওটেখুনা এলা একশোঝনেৰ মধ্যে ৩০ ঝন ছাওয়া ইংৰাজীত আৰ বাকি ছাওয়াছোটলা উমাৰ নিজেৰ ভাষাতে প্ৰাইমাৰী স্কুলত বই পড়ে । আৰ আমাৰ দেশত ? এই ৰাজ্যেৰ অবস্থা তো কওয়ায় না যায় । ছাওয়াছোটলাক এন্দুৰ বনেয়া একবাৰ ইংৰাজী চালু কৰে, একবাৰ বন্ধ কৰে । ওটা তায় ওটা, এটেখুনা যে বাংলা ছাড়াও আৰও মেলা ভাষাভাষী মানষি আছে প্ৰাইমাৰীত উমাৰ ছাওয়াছোটলা কোন ভাষা দিয়া লেখাপড় শিখিবে, তোমাৰ চাপে দেওৱা ভাষাত ? ভোদাইয়েৰ নাকান আৰও পুছ কৰেন প্ৰাইমাৰীত নাহয় নিজেৰ ভাষাত শিক্ষা নিল, তাৰ পৰে শিখিবে ক্যাং কৰি ? চাকিৰি -বাকিৰি পাবে কোটে ? আৰে, প্ৰাইমাৰীতেয় নিজেৰ ভাষা না পায়া অচেনা একটা ভাষাত পড়িব যায়া ওইটেখুনায় যে পড়া বন্ধ কৰি দেয় হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰী, ওই হিসাবটা নিবেন না ? ১৯৯৮ সালত স্কুল ছাড়া ছাত্ৰ সংখ্যা আছিল ৫৭ লক্ষ । আৰ ২০০৩ সালত ৯৩ লক্ষ ক্যানে এইঢক কৰি স্কুল ছাড়িবাৰ সংখ্যা দিনদিন বাড়িব ধচ্চে ? সবচাইয়া বড় কাৰণগুলা কী কী ? কোমৰা দেখান উচ্চ শিক্ষা না পাওয়াৰ ভয়, চাকিৰি না পাওয়াৰ ভয়, বাপৰে কী দৰদিয়া ! উত্তৰবংগ মেডিকেল কলেজেৰ বাঙালী ডাক্তাৰগুলাৰ কথায় বুঝি পায় না বেশিৰভাগ ৰুগি, এক চিকিস্যা কৰিৰ যায়া এইন্য চিকিস্যা কৰি ফেলায় - এই খবৰলা জানেন ? বিশ্বাস হয় ? না হইলে যায়া খোজ নেও । মেডিকেল কলেজত বেশিৰভাগ কোন মানষিলা ৰুগি ধৰি আইসে ? উমাৰ তোমৰা লেখাপড়া শিখি দিবেন না, চিকিস্যা পাবাৰও দিবেন না ? মাত্ৰ কয়মাস আগোত ব্ৰিটেইনেৰ ওয়েলস্-ত ইংৰাজীত খবৰ পড়া চলিবে না দাবি জানেয়া (B.B.C.) ৰ সদৰ দপ্তৰ দখল কৰি নেয় ওয়েলস্ -এৰ মানষি, উমাৰ দাবি ওয়েলস্ ভাষাতে খবৰ পড়া খাবে । দ্য ইকনমিষ্ট পত্ৰিকা ৩২ টা দেশেৰ শিক্ষিত গাবুৰ-গাবুৰীক নিয়া সমীক্ষা চালে দেখিচে ইংল্যাণ্ড আৰ আমেৰিকাত এমনকি অঙ্কৰ বিজ্ঞানত ইংৰাজলা হইল ২৫ নম্বৰ আৰ আমেৰিকানলা ২৯ নম্বৰত, ১,২, আৰ ৩ -ওত আছে সিঙ্গাপুৰ, হংকং আৰ জাপান । প্ৰযুক্তিৰ দিক থাকি মাতৃভাষাৰ মাধ্যমে শেখা জাপান, চীন, জার্মানী কতয় আগোত ! বাবুৰঘৰ নিজেৰ বাড়ি জিনিষলা একবাৰ ভাল কৰি চায়া দেখো । টি.ভি., ফ্ৰিজ, টেলিফোন, ওয়াশিং মেশিন কোনটা ইংল্যাণ্ড বা আমেৰিকাৰ ? হয় জাপান, না হয় চীন, না হয় জার্মানেৰ ।

তায় এইলা খবৰক কী কওয়া যাবে ? নিজেৰ নিজেৰ মাতৃভাষাক নিয়া সব মানষি আগে যাবাৰ দচ্চে আৰ আমৰায় খালি পামু না ? ভাষাৰ তো ছোটবড় বুলি কোন কথা নাই । ভাষা দুই ঢকেৰ - দাবে থোওয়াৰ ভাষা আৰ দাবে থোওৱা ভাষা । সব ভাষা দিয়ায় জ্ঞান-বিজ্ঞানেৰ যে কোন বড় বড় শিক্ষা দেওয়ায় সম্ভব । ইংৰাজী ছাড়া বোলে সম্ভব না হয়, কম্পিউটাৰ শেখাৰ বাংলাদেশেৰ বাংলা বই এ দেশত হু-হু কৰি বেচি হয় না ? মাইক্ৰসফট তো বাংলাতও উইণ্ডোজ বানেৰ ধচ্চে । ক্যা যাবে না ? খুব বেশি অশিক্ষিত আৰ বোকা না হইলে কাওয় কবে না যে, কম্পিউটাৰেৰ ভাষা ইংৰাজী । কম্পিউটাৰেৰ কি একেৰে নিজেৰ কোনয় ভাষা আছে নাকি ? যদি ৰয় তাহইলে ওখোনাৰ নাম বাইন্যাৰি, ইংৰাজী না হয় । কম্পিউটাৰ বা যে কোন নাকান প্ৰযুক্তিৰ (তথ্য, জৈব) নিজেৰ কোনয় ভাষা নাই । যে ভাষা দিয়া শেখাবেন সেই ভাষা দিয়ায় সেখা যায় । কম্পিউটাৰ তো এই সেদিনকাৰ কথা, ব্ৰিটিশ আমলত ১৮৩২ সালে কেমিষ্ট্ৰিৰ বই বাংলাত অনুবাদ হইচে, ইংৰাজ সৰকাৰেৰ কথায় ফিজিক্সেৰ বই বাংলাত অনুবাদ কৰিছে জগদীশচন্দ্ৰ বসু, সৰকাৰী হুকুম পায়া মহেন্দ্ৰলাল গুপ্ত ব্ৰিটিশ আমলত গ্ৰেৰ আন্যাটমি কৰিচে বাংলাত, বাংলা ভাষাত ডাক্তাৰি পড়া শুৰু হইচে ১৮৫২ সালেৰ ২১ জুন, বাংলাদেশত এলাও ডাক্তাৰি বিজ্ঞান কাৰিগৰি সব বাংলা দিয়ায় পড়ায় । আমৰা ইংৰাজী বা অইন্য কোন ভাষাৰে বিৰোধী না হই, কিন্তুক পথমে চাই মাতৃভাষা । ৰবীন্দ্ৰনাথ, অমর্ত্য সেনও খানিক বড় হয়া ইংৰাজী শিখিচে । অর্থাৎ খালি ইংৰাজীই নাহয় অন্য যে কোন ভাষা দিয়ায় সবকিছুই শিখি দেওয়া সম্ভব, সিকি নেওয়া সস্তা, মাতৃভাষা দিয়া সবচাইয়া বেসি সম্ভব । বাংলা ভাষা দিয়াও যেমন, ৰাজবংশী ভাশা দিয়াও যাবে । ৰাজবংশী ভাষাৰও নিজেৰ সেই জোৰ আচে । সেইতানে চাই ভাষা নিয়া সব গোড়ামি দূৰ কৰা, বিশেষ কৰিয়া ৰাজনৈতিক গোড়ামি । ভাষা মৰি যায় থিক কিন্তুক ভাষা মৰিযাবাৰ জন্যে জন্মে না । মৰিৰ দিলে মৰে, বাচিৰ চাইলে বাচে ৰাখা যায় । ভাষা বাচিলে মানষি বাছে । ভাষা বাচিলে খালি সেই ভাষাভাষী মানষিৰা ভাল না হয়, শিল্প-সাহিত্য-বিজ্ঞান-সংস্কৃতিত কোন ভাষাৰ মানষি আগে আসিলে লাভ হয় গোটায় দেশেৰ, গোটায় দুনিয়াৰ । ভাষা চর্চা বা ভাষা আন্দোলনেৰ বিৰোধীতা যায় কৰে তায় আসলে মানষিক বিচ্ছিন্ন কৰি থুবাৰ চায় । উমৰা দেশেৰ শত্ৰু । এই দেশেৰ শত্ৰুলাক সগায় যেনে ঘিণ কৰিবাৰ আৰ ধিক্কাৰ জানেবাৰ শেখে । ❑

OKDISCO

চিক্‌নাঝাৰ আৰো চিদলী ৰাজ্যৰ ইতিহাস

জ্ঞানেন্দ্র নাৰায়ণ চৌধুৰী ৰ্ড্ড

চিক্‌নাঝাৰ বর্তমান অসমৰ কোকৰাঝাৰ জিলাৰ উত্তৰ চিদলীৰ পাঁৰা ৪০-৪৫ কিঃ মিঃ উত্তৰ পশ্চিমত। এই চিকনাঝাৰ মধ্যযুগত ৰত্নপীঠৰ অন্তর্গত সৰলভাঙ্গা আৰো চম্পাৱতী নদীৰ মধ্যৱর্তীয় এখান গাঁও আছিল গাওঁখানৰ নাম চিক্‌নাঝাৰ। চাৰিওফালে ঝাৰ থাকাৰ জন্য গাঁওখানৰ নাম চিকনাঝাৰা হয়। আৰো কিছুমানৰ মতে চিকন নাৰায়ণৰ ৰাজধানী আছিল কাৰণে গাঁওখানৰ নাম চিক্‌নাগাঁও হয় আৰো তাৰ পাৰাই চিক্‌নাঝাৰ নাম হয়।

পঞ্চম শতিকাৰ কোচ ৰাজা শঙ্কলা দেৱৰ পাৰাই পৰিবর্তনৰ মাজেদি পুৰুষানুক্রমে হাড়িয়া মণ্ডলৰ পূর্বৰ বংশধৰ চিকনাঝাৰত আহিয়া বসতি কৰে।

এই চিকনাঝাৰত হাড়িয়া মণ্ডল নামৰ একজন খুব ক্ষমতাশালী লোক আছিল। কিছুমানে হাড়িয়া মণ্ডলক হৰিদাস মণ্ডল বুলিয়াও কয়। হাড়িয়া মণ্ডলৰ পূর্ব্বৰ বংশধৰ গিলাৰ পৰশুৰামৰ ভয়ত এই গভীৰ ঝাৰ থাকা ঠাঁই চিকনাঝাৰত আত্ম গোপন কৰিয়া আছিল আৰো আত্মগোপন কৰিয়া থাকা কালত নিজকে ম্লেছ বা ব্রাত্য ক্ষত্রিয় বুলিয়া বাৰজন ক্ষত্রিয় কুমাৰে চিনাকি দিছিল। এই বাৰজন ব্রাত্য ক্ষত্রিয় কুমাৰৰ ভিতিৰাত সুমতি আছিল আচল। সুমতিৰ পুত্র ভদ্রাজিত, ভদ্রাজিতৰ পুত্র ভদ্রশ্রবা, ভদ্রশ্রবাৰ পুত্র বসুদাস; আৰো তাৰ পুত্র বসুদাম। বসুদামৰ পুত্র দম্বাবু। এই দম্বাবুৰ ঔৰসত আৰো উর্ব্বশীৰ গর্ভত জন্ম হয় হাড়িয়া মণ্ডলৰ। হাড়িয়াৰ ছোটতে মা-বাবা মৰাৰ জন্য কাবায় কাবায় মাউৰীয়া বুলিয়াও কৈছিল। পাছত হাড়িয়া ওৰফে হাউৰীয়া ওৰফে হৰিদাসে চিকনাঝাৰ অঞ্চলৰ একজনা প্রভাৱশালী ক্ষমতাবান লোক হেয়া উঠাত মণ্ডল উপাধি পায় আৰো হাড়িয়া মণ্ডল নামেৰে পৰিচিত হয়।

হাড়িয়া মণ্ডলেই প্রথমতে চিকনাঝাৰত ৰাজধানী পাতিছিল।

কমতাপুৰ ৰাজ্য মুছলমানৰ শাসন কালত ধ্বংস হোৱাৰ পাছত ৰত্নপীঠত একপ্রকাৰ অৰাজকতাই দেখা দিয়ে। সেই সময়ত হাড়িয়া মণ্ডল চম্পাৱতী আৰো সৰলভাঙ্গা নদীৰ মধ্যৱর্তী জাগাৰ চিকনাঝাৰত খুব পৰাক্রমী হয়া উঠে। ৰাইজে লগ লাগিয়া এই অৰাজকতাৰ সুবিধা লোৱা হাড়িয়াক এই অঞ্চলৰ মণ্ডল অর্থাৎ ৰাজা পাতে।

"পূবত মানাহ সোণকোষ পশ্চিমত
উত্তৰে ধবলগিৰি দক্ষিণে লোহিত।
সবে আহি হাড়িয়াক মণ্ডল পাতিলা
ভোজ ভাত খায়া সবে আনন্দে চলিলা
সেই দিন ধৰি বাৰ গ্রাম ভৈলা অধিকাৰী,
কাহাকেও নাদেয় কৰ এই সীমাধৰি।"

হাড়িয়া মণ্ডলে হাজো অঞ্চলৰ কোচ ৰাজা হাজুৰ বেটী হীৰা আৰো জীৰাক বিয়া কৰায়। হাড়িয়া মণ্ডলৰ মৃত্যুৰ পাছত তাৰ পুত্র বিশুয়ে বিশ্ব সিংহ নামলয়া ৰাজা হয়। অনুমান ১৪৯৬ ইং চনত কমতেশ্বৰ বুলিয়া ঘোষণা কৰিয়া পূর্ব্বোত্তৰ ভাৰতত এখন স্বাধীন ৰাজ্য স্থাপন কৰে।

মহাৰাজা বিশ্ব সিংহৰ বিয়া গন্ধর্ব প্রথামতে হৈছিল। তাৰ ৰাণীৰ সংখ্যা কিমান জন আছিল তাক ঠিক ভাবে নাজানিলেও বহুত তথ্যৰ পাৰা তাৰ আচল ৰাণীৰ সংখ্যা ১৯ জন আছিল বুলিয়া স্থিৰ কৰিবা পাৰোং। মহাৰাজা বিশ্বসিংহই মিথিলা, নেপাল, গৌড়, কাশী, কাশ্মীৰ, কামৰূপ আৰো শোণিতপুৰ আদি ৰাজ্যৰ কন্যাৰ পাণি গ্রহণ কৰিছিল। এই ৰাণীসকলৰ গর্ভত ১৯ জন পুত্রৰ ভিতিৰাত নৰসিংহ, নৰনাৰায়ণ, শুক্লধ্বজ, আৰো কমল নাৰায়ণেই প্রধান আছিল। সুদীর্ঘ ২৫ বছৰ কাল ৰাজত্ব কৰিয়া ১৫৩৩ চনত মহাৰাজা বিশ্ব সিংহই ইহলোকক ত্যাগ কৰে।

বিশ্ব সিংহই তাৰ মাতৃ হীৰা দেবীৰ কাথা মতে পৰৱর্তী কালত চিকনাঝাৰৰ পাৰা নিম্ন ভূমি হিঙ্গলা বাসত ৰাজধানী তুলিয়া আনে (বর্তমান তুফানগঞ্জ নগৰ) এই তুফান গঞ্জৰপাৰাই পাছত কোচ বিহাৰত ৰাজধানী স্থাপন হৈছিল।

মহাৰাজা বিশ্ব সিংহই চিকনাঝাৰৰ পৰা ৰাজধানী তুলি নিয়াৰ পাছ কালত অৰাজকতাৰ সৃষ্টি হয়। ভূটানৰ শাসনকর্তা অত্যাচাৰী দেৱৰাজে বিজনী দুবাৰত অত্যাচাৰ কৰিয়া নিজ প্রতিপত্তি

বিস্তাৰ কৰিছিল। ইয়াৰ ফলত গোৱালপাৰা জিলাৰ উত্তৰ অঞ্চল ভূটিয়াৰ তলত যায়। আৰো বিজনী ৰাজ্যৰ পৰিধি কিছু সঙ্কচিত হয়। আগতে বিজনী ৰাজ্যখানৰ পৰিধি বৰ্তমানৰ-সম্পূৰ্ণ গোৱালপাৰা জিলাখান অন্তৰ্গত আছিল। কালক্রমত এই বিজনী ৰাজ্যখানৰ পাৰা কেবাখানো ৰাজ্যৰ (জমিদাৰী) সৃষ্টি হয়। চিলাৰায়ৰ বংশৰ দ্বাৰা স্থাপিত বিজনী ৰাজ্যৰ পাৰা আৰো মহাৰাজ নৰনাৰায়ণৰ বংশৰ দ্বাৰা শাসিত কোচবিহাৰ ৰাজ্যৰ পাৰা বৰ্তমানৰ ধুবুৰী জিলাৰ চাপৰ, গৌৰীপুৰ, বগৰীবাৰী, কড়াইবাৰী, মেছপাৰা পৰ্বত জোৱা জমিদাৰবোৰ সৃষ্টি হৈছিল।

অসমত মানৰ আক্রমণৰ ফলত হাজাৰ হাজাৰ আহোম তথা অসমীয়া মানুহ গোৱালপাৰা জিলাত আশ্রয় লৈছিল। তাৰ জন্য গোৱালপাৰা জিলা খানকো মানে আক্রমণ কৰিছিল। ১৬১২ খৃষ্টাব্দত মুছলমান আক্রমণ কাৰীৰ বিৰুদ্ধে ধুবুৰীত প্রচণ্ড যুদ্ধ হয়, ১৭৮০ খৃষ্টাব্দত কোচবিহাৰ আৰো ভূটানৰ মাজত প্রচণ্ড যুদ্ধ হয়। এই যুদ্ধত ভোট সেনাপতি জিম্বু পৰা জয় আৰো নিহত হয়। ১৮২৬ ইং চনত ইয়ান্দাবুৰ সন্ধি মতে গোটায় অসম ইংৰাজৰ তলত আহে গোৱালপাৰা জিলাৰ (সেলাৰ গোৱালপাৰা জিলা) উত্তৰ অংশ যাক সচৰা -চৰ ভূটিয়া দুৱাৰ বুলিয়া কয় সেই অংশ আগতে মহাৰাজ নৰনাৰয়ণৰ জেষ্ঠ্য ভাতৃ নৰসিংহৰ তলতীয়া জায়গা আছিল। নৰসিংহই পূৰ্ণখাত বা পুণ্যাখ্যাত ৰাজধানী পাতি ভূটান অর্থ্যাৎ তিব্বতৰ নামনি অঞ্চলৰ ৰাজা আছিল বুলিয়া বহুতো তথ্যৰ পাৰা পাওৱা যায়। কোচ ৰাজগিলাৰ ক্ষমতা হ্রাস পাওৱাৰ সময়ত বিশেষ কৰিয়া আহোম আৰো মোগলৰ যুদ্ধৰ বেলা উক্ত ভূটান দুৱাৰ অঞ্চল ভূটিয়াৰ প্রকৃত শাসনাধীন হয়। ভূটিয়া শাসনকর্তা দেৱৰাজৰ নেতৃত্বত প্রজা গিলাক খুব অত্যাচাৰ কৰিছিল। আৰো যেলা আগৰ অবিভক্ত গোৱালপাৰা জিলাখান ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতত যায় সেলা কোম্পানী আৰো ভূটিয়াৰ মাজত যুদ্ধ হয়। সেই সময়তে দেৱান গিৰিৰ যুদ্ধত ১৮৬৪ চনত ভূটিয়া পৰাস্ত হয়। ফলত ভূটান দুৱাৰ অঞ্চল গোৱালপাৰা জিলাৰ অন্তর্গত হয়।

এই অৰাজকতাৰ সৃষ্টিহোৱাৰ সময়তে ভীমা পাটগিৰি নামৰ একজন ক্ষমতাশালী কোচ মানুহে ভীম সিংহ নাম গ্রহণ কৰিয়া ভূটান ৰাজ্যৰ শাসনকর্তা দেৱ ৰাজৰ সহায় লয়া এখান ৰাজ্য স্থাপন কৰে। এই ভীম সিংহ মহাৰাজ বিশ্বসিংহৰ বিমাতৃ জীৰা দেৱীৰ বংশৰ লোক বুলিয়া জনাজাত। ভীম সিংহ আচলতে এজন সামৰিক অন্বেষণকাৰী লোক আছিল। লগত কুলপুৰোহিত, সেন্যাধ্যক্ষ, দেৱান আৰো নৱদুর্গা দেৱীৰ বিগ্রহ লয়া আহিছিল। কথিত আছে যে, যিকুনো ভক্তই নিষ্ঠা আৰো ভক্তিৰে আগবঢ়াই দিয়া পূজাত দেৱীয়ে সন্তুষ্ট হয় আৰো মনবাসনা পূর্ণ কৰে। ভীম সিংহই ৰাজ্য স্থাপন কৰাৰ সঠিক চন-তাৰিখ জানা নায়ায যদিও অনুমানিক প্রাগজ্যোতিষপুৰ, আৰো কামতা ৰাজ্যৰ সমসাময়িক বুলিয়া ধাৰণা হয়। ভীম সিংহ বংশৰ কিমান জন ৰাজাই চিকনাঝাৰত ৰাজত্ব কৰিছিল জানা নাযায়। ভীম সিংহ বংশৰ ৰাজাগিলাৰ পতন হোৱাৰ পাচত, বর্তমান বংশৰ আদিপুৰুষ চিকন নাৰায়ণ নামৰ একজন ক্ষমতাপ্রিয় ৰাজবংশী মানুহে সাধাৰণ অৱস্থাৰ পৰা নতুন ৰাজাৰ শ্রেণীত উঠে কিম্বাদন্তী মতে ভূটানৰ এই নামনি অঞ্চল বহিশত্রুৰ আক্রমণৰ পাৰা ৰক্ষা কৰাৰ জন্যে শাসনকর্তা দেৱৰাজে ভূটানৰ এই নামনি অঞ্চলত এখান ৰাজ্য পাতিব। এলা এই ৰাজখানৰ জৈন্যে কাক ৰাজা পাতি দিব? এই ৰাজা নির্বাচনৰ জৈন্যে নামনি অঞ্চলত থকা ভূটানৰ জায়গীদাৰ বা জমিদাৰ গিলাক ডাকেয়া নিয়া তাৰ পাৰা ৰঞ্চাই আৰো চিকনা নামৰ দুইজন জাইগীদাৰক বাচি উলিয়ায়। এই দুই জায়গাৰৰ ভূটানৰ ৰাজাক দিবা লাগা কুনো কৰ বাকী নাছিল। গতিকে এই দুইজনাৰ ভিতিৰাত একজনক ৰাজাপাতাৰ দিহা মনে মনে ভাবি লোৱা দেৱৰাজে কয় যে শামুকা নদীয়েদি কিবা বস্তু ভাচি ভাচি আহিব, তাক তুমিৰা ধৰিয়া মোৰ ওচৰত আজি নিব লাগিব। এই কাথা শুনিয়া বিহানৰ পাৰা দুইয়োজনে নদীৰ পাৰত চুপিয়া থাকিল। কি বস্তু ভাচিয়া আহিব ধৰিবা পাৰিম না, নাপাৰিম মহাচিন্তাত পৰিয়া থাকিল। খুটা, খেৰ, পাত যি ভাচি আহে দুইজনে তাৰাতাৰি কৰিয়া ধৰে আৰো চিন্তা কৰে যে, এইগিলা ধৰিব লাগা বস্তু হয় নাকি? এওকা কৰিয়া চিন্তা কৰিয়া থাকিতে থাকিতে একটা একটা ডাঙৰ কাছ আৰো একটা ডাঙৰ সাপ একেলগতে ভাচিয়া আহা দেখা পায়। আৰো দুয়ো জনে সাহস কৰিয়া ধৰিবা যায়। ৰঞ্চাইয়ে কাছটাক আৰো চিকনাই সাপটাক ধৰিয়া দেৱ ৰাজৰ ওচৰত নিয়া দেখুৱায়। চিকনাই এই সাপটাক সাহসেৰে ধৰা জৈন্য ৰাজা হোৱাৰ উপযুক্ত ভাবিয়া চিকনাক ৰাজাপাতে। আৰো চিকনাই দেৱ ৰাজৰ উপদেশ মতে চিকনা নাৰায়ণ নাম ধৰিয়া ভূটানৰ নামনি অঞ্চলৰ এই ৰাজ্যখানৰ ৰাজা হয়। ভূটান ৰাজ্যৰ তলত কৰতলীয়া ৰাজ্য হিচাপে মানি লয়া শাসন ভাৰ হাতত লয়া চিকনাঝাৰতে ৰাজধানী পাতিয়া মহাৰাজ উপাধি গ্রহণ কৰে চিকন নাৰায়ণ দেৱে।

(১) মহাৰাজ চিকনা নাৰায়ণ দেৱৰ (বীজপুৰুষ) পাছৰ তলত লিখা ধৰণে চিদলী ৰাজ্যত ৰাজত্ব কৰে (২) মহাৰাজ সাম্যক নাৰায়ণ দেৱ (৩) মহাৰাজ বিশ্বসিংহ নাৰায়ণ দেৱ (৪) মহাৰাজা সমুদ্র নাৰায়ণ দেৱ(৫) মহাৰাজ ভূজ্য নাৰায়ণ দেৱ

OKDISCD

(৬) মহাৰাজা শিম্ভু নাৰায়ণদেৱ (৭) মহাৰাজ মহত নাৰায়ণ দেৱ (৮) মহাৰাজ সুন্দৰ নাৰায়ণ দেৱ (৯) মহাৰাজ লক্ষীনাৰায়ণ দেৱ (১০) মহাৰাজ উদয় নাৰায়ণ দেৱ (১১৯১) (১১) মহাৰাজ সূর্য্য নাৰায়ণ দেৱ (১২১২) সূর্য্য নাৰায়ণে বিজনীৰ মহাৰাণী চদ্রেশ্বৰীক বিয়া কৰাইছিল (অন্য একটা নাম গুদ্রেশ্বৰী) আৰো মহাৰাজৰ মৃত্যু হোৱাৰ পাছত ৰাণীয়ে চিদলী ৰাজ্যৰ শাসন ভাৰ গ্রহণ কৰে। এই জনা মহাৰাণীৰ শাসন কালতে চার্দ্দাৰ আৰো দুধ নাখোৱা নামেৰে দুইজন দুষ্ট, অবিশ্বাসী মানুহে ভুটিয়াগিলাৰ লগত লগ লাগিয়া কিবা কিবি বেয়া ভাৱৰ ষড়যন্ত্র কৰিয়া চিদলী ৰাজ্যখান লোৱাৰ জন্যে নানাধৰণৰ বুদ্ধি কৰে। মহাৰাণী গুদ্রেশ্বৰীয়ে তাৰ ওপৰত বিষয়া গিলাৰ পাৰা সেই গিলা কু- বুদ্ধি, ষড়যন্ত্র শুনিয়া প্রতিজ্ঞা কৰিয়া কয় যে, এই বিশ্বাসঘাটক মানুহ দুইজনৰ মাথা কাটিয়া আনি তাৰ তেজেৰে চুলি নুধুয়া পর্য্যন্ত চুলি নাবান্ধে। এই প্রতিজ্ঞা মতে বিশ্বাসঘাটক দুই জনাক মাৰি পেলোৱাৰ পাছতহে তামাৰ তেজেৰে মহাৰাণী গুদ্রেশ্বৰীয়ে নিজৰ চুলি ধুই বান্ধিছিল।

এইগিলা ঘটনা হোৱাৰ পাছতো সীমান্তৱর্তী অঞ্চলৰ ভুটিয়া গিলাক নানাধৰণৰ উৎপাত কৰিয়া আছিল আৰো তাৰ পাছত মহাৰাণী চন্দ্রেশ্বৰী ওৰফে গুদ্রেশ্বৰীয়ে ভুটানৰ ৰাজাৰ দৃষ্টি গোচৰ কৰিয়া জানায়া দিয়ে যে, তায় তিৰি মানুহ হোৱাৰ জন্যই সীমান্ত অঞ্চলৰ ভুটিয়া গিলাই অনবৰত অত্যাচাৰ কৰিয়া আছে। ভুটান আৰো চিদলীৰাজ্য যিহেতুকে চুবুৰীয়া ৰাজ্য, সেই জন্যে দুয়োখান ৰাজ্যৰ প্রজাগিলাৰ মাজত কুনো ৰকমৰ হিংসা ভাৱ বা শত্রুতা থাকা কাম্য নহয়, আৰো সেংকা পৰিস্থিতি নোহোৱা কৰোৱা উচিত বুলি ভাবিয়া চিন্তিয়া মহাৰাণী গুদ্রেশ্বৰীয়ে তাৰ স্বামীৰ ভাই (দেৱৰা) ইন্দ্র নাৰায়ণক চিদলী ৰাজসিংহাসনত উত্তৰাধিকাৰী হিচাবে ৰাজা পাতিবলৈ প্রস্তাৱ আগবঢ়ায়। আৰো সেই প্রস্তাৱ মতে মহাৰাজ ইন্দ্র নাৰায়ণক চিদলী ৰাজ্যৰ ৰাজা পাতে। আৰো চিদলী ৰাজ্যত ভুটান ৰাজ্যৰ মাজত বন্ধুত্বৰ সম্পর্ক দৃঢ় হয়। দুয়োখন ৰাজ্যৰ মাজত বিয়া বাৰুৰ আদান - প্রদান হয়। মহাৰাণী গুদ্রেশ্বৰীৰ কুনো ছাওৱা-ছোট নাছিল, নিৰ্বংশ আছিল। মহাৰাজ ইন্দ্র নাৰায়ণ দেৱ চিদলী ৰাজ্যৰ ৰাজা হোৱাৰ পাছত ভুটানৰ একজন ৰাজকুমাৰী ইন্দ্র নাৰায়ণক বিয়া দিয়ে। ১৮৮৭ খৃষ্টাব্দত বৃটিছে চিদলী ৰাজ্যখান ভুটানৰ মিত্র ৰাজ্য হিচাবে চাৰিয়া দিয়ে। মিত্রতা বা বন্ধুতাৰ চিন হিচাপে চিদলী ৰাজ্যৰ মহাৰাজাই ভুটান ৰাজ্যৰ ৰাজাক তলত নামলিখা উপঢৌকনগিলা দিছিল।

উপঢৌকনগিলাৰ নাম ঃ

৫০০ ৰিজ্ (সেলাৰ মুদ্রা) হাতীৰ দাঁত ১ যোৰা; ৯ ৰকমৰ কাপুৰ ১১ যোৰা, গেৰাৰ শিং ১ যোৰা, বাঘৰ ছাল ১ খান, জাৰী ১ টা, পিতলৰ বটা ১ খন, পাংখা ১, ময়ুৰৰ পাখি ১, খোৰা ১ শাৰী, ১ (ফ্রোক) টাংগুনপনি -১, আঠুৰা -১, শুকান মাছ ৮০ বোজা, (চিদলী মাছৰ বাশৰ চুঙা) ভুটিয়া ৰাজা গিলাত তাৰ বদলী তলত নামলিখা বস্তুগিলা মহাৰাজা ইন্দ্র নাৰায়ণক উপঢৌকন পঠাই দিছিল। বস্তুগিলাৰ নাম, (বেৰনেট- ১), সোণালী জাপি - ১, ঘোঁৰা-১, লোন-১, হাতীৰ দাঁত ২, গেৰাৰ শিং ২, থাল ২ যোৰা, বাঘৰ ছাল ২ খান ঘন্টা -১, ঢোল-১ ।

এইগিলা বস্তু দিয়াৰ পাচতো পূজা- পার্ব্বণত ভুটান ৰাজ্যৰ ৰাজাগিলাক তলত নাম উল্লেখ কৰা বস্তুগিলা দিছিল- শুক্লা কাপুৰ-২ এণ্ডি কাপুৰ-২ , ৰাজ ফলাল কাপুৰ-২ পাংকা ছেট (এক প্রকাৰ ৰঙীণ কাপুৰ)-২, ছালী কাপুৰ-২ ।

মহাৰাজ ইন্দ্র নাৰায়ণৰ দুইজন ৰাণী আছিল। মহাৰাজাৰ মৃত্যুৰ পাছত একজন ৰাণী শঙ্কেশ্বৰীয়ে সহমৃত্যু বৰণ কৰে (সতী যায়)। তাৰ পাচত মহাৰাজাৰ আৰো একজন মহাৰাণী ইন্দ্রেশ্বৰীয়ে (ভুটানৰ ৰাজকন্যা) চিদলী ৰাজ্যৰ শাসনভাৰ গ্রহণ কৰে । এৰ ৰাজত্ব কালতে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে চিদলী ৰাজ্য অধিগ্রহণ কৰে । সেলা মহাৰাজা গৌৰী নাৰায়ণ নাবালক আছিল। তাৰ বাবাৰ মৃত্যুৰ পাছতে জন্ম হোৱাৰ জন্য তাক 'ডিমা' ৰাজা বুলিয়া মানুহ গিলায় কৈছিল । মহাৰাজা ইন্দ্র নাৰায়ণৰ ৰাজত্ব কাল হৈছে ১২৪৩ চনৰ পৰাৰ ১২৪৪ ইং চন পর্য্যন্ত । মহাৰাণী ইন্দ্রেশ্বৰীৰ ১৩০০ ইং চনত মৃত্যু হয় ।

বৃটিছৰ কালত বৃটিছ সাম্রাজ্ঞী মহাৰাণী ভিক্টোৰিয়াই বৃটিছ লোকসভাৰ অনুমোদন ক্রমে এক অধিসূচনা জাৰি কৰিছিল তাৰো সেইমতে বৃটিছ সাম্রাজ্য এলেকাৰ স্বতন্ত্র ৰাজ্যগিলাত আমাৰ নিজৰ শাসন প্রণালী চলাই থকাৰ পোষকতা কৰা হৈছিল আৰো বৃটিছৰ তাত অনুপ্রবেশ বন্ধ কৰাৰ জন্যে বাধা দিয়া হৈছিল । সেই মতে চিদলী আৰো বিজনী এই দুয়োখন ৰাজ্যতে বৃটিছৰ অনুপ্রবেশ বন্ধ কৰাৰ হুকুম বাহাল আছিল । মহাৰাজ গৌৰী নাৰায়ণৰ ৰাজত্ব কালত নানকৰ গাঁও অঞ্চলত সংঘর্ষ আৰম্ভ হয় । এই সংঘর্ষৰ কাৰণ আছিল নানকৰ গাঁৱৰ চুবুৰীয়া বৃটিছ অধ্যুষিত অঞ্চলত অপৰাধ সংঘটিত কৰা অপৰাধী গিলাক চিদলীৰ ৰাজাই বৃটিছৰ হাতত সমজাই দিয়াত অস্বীকাৰ কৰা । বৃটিছগিলাই সদায় একটা নহয় একটা দোষ উলিয়াই যুদ্ধ কৰাৰ জন্য চেলু উলাইছিল । ফকিৰাগ্রামৰ ওচৰৰ হেল নদীৰ পাৰা অন্যায়ভাৱে খুটাৰ বোজা গিলা নিব ধৰাত মহাৰাজা গৌৰীনাৰায়ণে বাধা দিয়াৰ জন্য বৃটিছ গিলায় মহাৰাণী ভিক্টোৰিয়াৰ অধিসূচনা অমান্য কৰিয়া চিদলী

ৰাজ্যখান আক্রমণ কৰে । এই অন্যায় ঘটনাত মহাৰাজ গৌৰী নাৰায়ণ দেৱেও বৃটিছ গিলাৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে । পাছত মহাৰাজা গৌৰী নাৰায়ণ পৰাজয় বৰণ কৰে আৰো বৃটিছ চিদলী ৰাজ্য কাঢ়ি লয় ।

১৮৬৮ খৃষ্টাব্দত বৃটিছৰ লগত ভুটানৰ যুদ্ধ হয় । সন্ধিমতে চিদলী ৰাজ্যখান বৃটিছক এৰিয়া দিয়ে । চিদলীৰ মহাৰাজা গৌৰী নাৰায়ণ দেৱে বৃটিছৰ লগত মিত্রতা নকৰাৰ উদ্দেশ্যত চিকনা ঝাৰৰ পাৰা নানা ঠাইত যাই আত্মগোপন কৰিয়া থাকিব ধৰে আৰো কিছু বছৰৰ পাছত নমলপুৰত (চিদলী) ৰাজাধানী চিকনাঝাৰৰ পাৰা স্থানান্তৰিত কৰে । ১২১৯ খৃষ্টাব্দত মহাৰাজা গৌৰী নাৰায়ণ দেৱৰ মৃত্যু হয় । সেলা বিষ্ণুনাৰায়ণ আদালতৰ সংৰক্ষণাধীন ৰাজা হয় । (জন্ম ১২৩২ চন) বিষ্ণুনাৰায়ণ আজমীৰত শিক্ষা গ্রহণ কৰিয়া আছিল আৰো শিক্ষা গ্রহণ শেষ কৰিয়া ফিৰি আহিয়া চিদলী ৰাজ্যৰ সামান্য অংশহে ঘুৰাই পায় ।

মহাৰাজা বিষ্ণু নাৰায়ণৰ ১৩০৮ চনত মৃত্যু হয় । মহাৰাজা বিষ্ণুনাৰায়ণৰ দুজন ৰাণী আছিল । দুৰ্বেশ্বৰী আৰো পদ্মেশ্বৰী । ১২৯০ চনত মহাৰাণী দুৰ্বেশ্বৰীৰ গৰ্ভত অভয় নাৰায়ণ দেৱৰ জন্ম হয় নমলপুৰত । মহাৰাজা বিষ্ণুনাৰায়ণ নমলপুৰত ৰাজধানী থাকাটো নিৰাপদ দেখা নাপায়া নমলপুৰৰ পাৰা দক্ষিণে ১৬ কি.মি. দূৰাইত বিষ্ণুপুৰ নামৰ জায়গাত ৰাজধানী স্থানান্তৰিত কৰে । এই বিষ্ণুপুৰেই পাছত বিদ্যাপুৰ নাম পায় । বৃটিছৰ অধীনত বিষ্ণুনাৰায়ণে চিদলী ৰাজ্যৰ ৰাজা হিচাবে শাসনভাৰ লোৱাৰ জন্য সন্মত হয় । সেলা বিদ্যাপুৰ অঞ্চল বন-জঙ্গলেৰে ভৰা আছিল । প্রকৃতি ৰম্যভূমি এই বন জঙ্গলৰে ভৰিয়া থাকা এই অঞ্চলত বনৰীয়া প্রাণী বাঘ, ভালুক গিলা মুক্ত ভাৱে ঘূৰীয়া বেৰাইছিল । মানুহৰ বসতি আছিল খুব পাতলা । এককালৰ বিখ্যাত কানীভূৰ উপনৈ ভূটানৰ পাৰা ওলাই আহি চিদলী ৰাজ্যৰ দ্বিতীয় ৰাজধানী নমলপুৰ (চিদলী) ৰাজবাৰীৰ পূব কাষেদিয়া বৈ আহিয়া এতে চম্পাবতী নদীৰ লগত লগ লাগিছে । ওচৰতে থাকা লাথুৰী পাহাৰ খানে জাগাখানাৰ শোভা বাঢ়াইছে । এই পাহাৰ খানাত লেংটিয়াৰী মাৰ থান আছে । চিদলী ৰাজ্যৰ ৰাজধানী এই বাৰ ধৰিয়া তিনিটা জায়গাত স্থাপন হ'ল ।

মহাৰাজা অভয়নাৰায়ণ দেৱৰো তিনিজন ৰাণী আছিল । প্রথম জন ৰাণীৰ নাম বনলতাদেৰী, দ্বিতীয় জন ৰাণীৰ নাম আছিল দুৰ্গেশ্বৰী দেৰী আৰো তৃতীয় জনীৰ নাম আছিল সুভাসিনী দেৰী । এই দুৰ্গেশ্বৰী দেৰী ৰাণীৰ সম্পর্কে কথিত আছে যে - একদিন দুপুৰ বেলা একজন গেৰুৱা কাপুৰ পিন্ধা সন্ন্যাসী গাণ্ডুভিটি গাঁৱত ভিক্ষা বিচাৰি যায় । সেইখিনি সময়তে দুৰ্গেশ্বৰীয়ে তাৰ সমনীয়া লগৰীয়া গিলাৰ লগত চোতালত খেলা কৰি আছিল । সন্ন্যাসী জনাক দেখিয়া ঘৰত কুনো মানুহ নাথাকাৰ জন্য নিজে ঘৰৰ পাৰা অলপ চাউল আনি সন্ন্যাসীক দিয়ে । সন্ন্যাসীয়ে ভিক্ষা লৈ ১২ বছৰীয়া দুৰ্গেশ্বৰী আপিটাৰ ফালে চায়া থাকে, ঠিক সেই সময়তে বাপেকে পাথাৰৰ পাৰা হালবোৱাই ঘৰত আহি চোতালত সন্ন্যাসী জনাক তাৰ বেটীটাৰ ফালে চাই থাকা দেখা পায়া ৰাক উঠে আৰো নানা ধমক দি মাৰিবৰ জন্য উদ্যত হয় । সন্ন্যাসীয়ে গৃহস্থৰ ৰাক দেখা পাই ভয় খাই ভক্তি কৰিয়া কয় যে - মই আপোনাৰ বেটীক কু -অভিপ্রায় লয়া চাই থাকা নাই, আপোনাৰ বেটীৰ গাত ৰাজৰাণী হোৱাৰ লক্ষণ আছে । ৩/৪ মাসেৰ ভিতিৰত ৰাণী হ'ব । তাৰ গাত থাকা লক্ষণ গিলা মোৰ চকুত পৰিছিল । আপুনি মোক বিশ্বাস কৰক । তাৰ পাছত সন্ন্যাসীজনাৰ কাথাত গৃহস্থ পাছু বৰ্মণ খুচি মতে ভিক্ষা দিয়া সন্ন্যাসীজনাক বিদায় দে । এই ঘটনা হয়া জাওৰাৰ তিনি মাহ মান পাচত এক দিনা গাঁও ভিটি, চাপাৰাকাটা, পোপৰাগাঁও আৰো ওচৰৰ দুই তিনিখান গাঁৱৰ বুঢ়ি, চেঙেৰী আপি মানুহ গিলা লগ লাগিয়া চাপাৰাকাটাৰ ওচৰতে থাকা বিষপানী বিলত জাকৈ ৰে মাছ মাৰি থাকোতে চিদলী ৰাজ্যৰ কৰ্ম্মচাৰী হাতীত চৰিয়া বিষপানী বিলৰ ওচৰেদিয়া যাবা ধৰে । এনেতে দহ এঘাৰ বছৰীয়া বয়সৰ একজন খুব সুন্দৰী আপি ছাওৰা দেৱানৰ চকুত পৰে আৰো এই আপি ছাওৰাটা ৰাণী হোৱাৰ উপযুক্ত বুলিয়া মনতে ভাবিয়া হাতীৰ পিঠিৰ পাৰা নামিয়া বিলত মাছ মাৰি থাকা একজন মানুহৰ পাৰা সেই সুন্দৰী আপি ছাওয়াটাৰ মা-বাবাৰ ঠিকিনা লয়া গুচি যায় । ইফালে একদিনা কৰিয়া হাতী নেদেখা আপি গিলা হাতীৰ পিঠিত থাকা মানুহ গিলা মাছ মাৰা আপিখানৰ ফালে চায়া থাকা দেখিয়া আপিমাখা ভয় খায়া হিৰাহিৰ বিলৰ পাৰা উঠিয়া ঘৰত যাবা ধৰে ।

দেৱানৰ মুখৰ পাৰা মহাৰাজ অভয় নাৰায়ণ দেবে সৰ কাথা জানিয়া লয়া এক মাহৰ ভিতিৰাতে শুভ দিন বাৰ চাই চিটি দেৱানে অন্যান্য ৰাজ কৰ্ম্মচাৰীক লগত লয়া ভাণ্ডুভিটি গাঁৱৰ পাছু বৰ্মনৰ ঘৰত উপস্থিত হ'ল । পাছু বৰ্মনৰ ঘৰত গণ্যমান্য ৰাইজ আহি চোতাল ভৰি পৰিয়া মানুহ নধৰা হ'ল । পাছুয়ে গলৱস্ত্র হয়া সৰ মানুহকে সেৱা ভক্তি কৰিয়া কয় যে, মোৰ বেটী একেবাৰে অজলা আপি, কুনো কাম কাজৰ জ্ঞান নাই । কেঙ্কা কৰিয়া ৰাজাৰ ঘৰত চলিব মই চিন্তা কৰিয়া পাৰ পাওৰা নাই । দেৱান বাহাদুৰে কয় যে, আপুনি ভাগ্যবান আপোনাৰ বেটীও খুব ভাগ্যৱতী ।

ৰাজৰাণী হ'ব। আপোনাৰ গাঁও আৰো ৰাইজেও সৌভাগ্যৱতী। দুর্গেশ্বৰী সাজিয়া কাচিয়া ঘৰৰ পাৰা ওলাই আহিয়া প্ৰথমে ৰাইজক ভক্তি কৰে। তাৰ পাছত মা- বাবাক ভক্তি কৰিয়া ৰাইজৰ আশীৰ্ব্বাদ লয়া দুর্গেশ্বৰী দেৱীয়ে একখোজ দুইখোজ কৰি যায়া হাতীৰ পিঠিত উঠে। কিছুদিনৰ পাছতে মহাৰাজ অভয়নাৰায়ণদেৱে ৰাজবাৰীত বিবাহ উৎসৱ পাতিয়া মহাৰাণী কৰিয়া নিজৰ জীৱনী সঙ্গীনী কৰিয়া লয়। পাছু বৰ্মণে পাছত পাছু বৰুৱা উপাধি লয়। পাছু বৰুৱাৰ জ্যেষ্ঠ পুত্ৰ গোলক বৰুৱা। গাণ্ডুভিটি (বৰ্তমান নোৱাপাৰা) গাঁৱত থাকা কাইট বৰুৱা, কৃষ্ণ বৰুৱা আৰো কলিকাতাৰ বালীগঞ্জত থাকা ভাই ককাই ডাক নাম ঘুট আৰো পুটু ৰাণীৰ বংশধৰ।

এই ইতিহাস লিখকৰ মা স্বৰ্গীয়া গুণেশ্বৰী দেৱীয়ে জাকৈৰে লগৰীযা গিলাৰ লগত বিষপানী বিলত মাছমাৰিয়া যাইয়ে ৰজাৰ চকুত পৰি ৰাণী হ'ল বুলিয়া মায়ে মোক কৈছিল। কন্যা ৰাজকুমাৰী মঞ্জুলা দেৱীক বিয়া কৰা যায়। ৰাজা অজিত নাৰায়ণ দেৱ এম, এ, বি, এল, ডিগ্ৰী ধাৰী আছিল। ৰাজা অভয় নাৰায়ণ দেৱৰো উচ্চ শিক্ষাৰ প্ৰতি আগ্ৰহ আছিল। বিদ্যাপুৰ ৰাজবাৰীত এখন মধ্য ইংৰাজী বিদ্যালয় পাতি দিয়া প্ৰজাগিলাক শিক্ষাৰ পোহৰত আগবঢ়াই দিছিল। ১৩১৭ বাংলা চনত পশ্চিমবঙ্গৰ ৰংপুৰ নগৰত ক্ষত্ৰিয় সমিতিৰ কাৰ্য্যলয় গঠন হয়। ঠাকুৰ পঞ্চানন বৰ্মা নেতৃত্বত ক্ষত্ৰিয় আন্দোলন পশ্চিমবঙ্গত খুব জৰদাৰ হয়া উঠে। ১৩১৯ বাংলা চনেৰ ২৭ শে মাঘত মিথিলা কামৰূপ আৰো কলিকতাৰ পাৰা আহা ডাঙাৰ ডাঙাৰ পণ্ডিত গিলাৰ অধ্যক্ষতাত যাৱতীয় যজ্ঞ, হোমাদিক্রীয়া কৰ্ম শেষ কৰিয়া অগনিত ৰাজবংশী ক্ষত্ৰিয় ৰাত্য প্ৰায়চিত্ত সমাপ্ত কৰিয়া যজ্ঞোপৰীত গ্ৰহণ কৰে। এই উপবীত গ্ৰহণৰ মিলন ভূমি জলপাইগুৰী জিলাৰ অন্তৰ্গত পুণ্যতোৱা কৰতোৱা নদীৰ পাৰত দেৱীগঞ্জ নামেৰে জায়গাত ১,৮২,১৫৪ জনে ৰাজবংশী ক্ষত্ৰিয় ৰাত্য মোচনান্তে উপবীত গ্ৰহণ কৰে। আৰো এই উপবীত গ্ৰহণেৰ কাম চলিয়া থাকে। চিদলীৰ ৰাজা অভয়নাৰায়ণ দেবেও ৰাত্য মোচনৰ নেতৃত্ব লয়া ১৩১৯ চনত বাসুগাঁৱৰ ওচৰত বিজাগাঁৱৰ চম্পানদীৰ পাৰত মিলন ক্ষেত্ৰৰ আয়োজন কৰিয়া অবিভক্ত গোৱালপাৰা জিলাৰ হাজাৰ হাজাৰ কোচ - ৰাজবংশী ক্ষত্ৰিয় মানুহক উপবীত দিয়ে। সেই সময়ত অভয় নাৰায়ণ দেৱৰ নেতৃত্বত বহা মিলন ক্ষেত্ৰকে ধৰিয়া ২৯২ টা মিলন ক্ষেত্ৰ হৈছিল।

ৰাজা অজিত নাৰায়ণ দেৱে চিদলীৰ ৰাজসিংহাসনত বহিয়াই চিদলী ৰাজ্যৰ শাসনভাৰ বৃটিছ গৱৰ্নমেন্টৰ পাৰা ১৯৫২ ইং চনত লয়। আগেয়ে উল্লেখ কৰা হৈছে যে, অভয় নাৰায়ণ দেৱ আজমীৰ পাৰা শিক্ষা লাভ কৰিয়া আহিয়া চিদলী ৰাজ্যৰ এক সামান্য অংশহে পাইছিল। সেই সামান্য অংশই ৰাজা অজিত নাৰায়ণ দেৱৰ ৰাজ্য চিদলী ৰাজ্যক ৭ টা খণ্ডত ভাগ কৰোৱা হৈছে। এই ভাগগিলা তলত দিয়া হ'ল-

১ম খণ্ড চিদলী ঃ আটুগাঁও, টেঙাইগাঁও, ডাংতল আৰো বিদ্যাপুৰ অঞ্চল।

২য় খণ্ড চিদলী ঃ তাকতাৰা, ডুলীগাঁও, ঢালী গাঁও আৰো কুকুৰমাৰী অঞ্চল।

৩য় খণ্ড চিদলী ঃ চিদলী, বেংতল, বাৰীগাৰা, হাস্বাওবাৰী অঞ্চল।

৪র্থ খণ্ড চিদলী ঃ কাশীকটৰা, গৰুভাচা, ঈচিলাখাত আৰো ৰাণীখাতা অঞ্চল।

৫ম খণ্ড চিদলী ঃ কাঢ়িগাঁও, বালাজানা, আৰো পাটগাঁও অঞ্চল।

৬ষ্ঠ খণ্ড চিদলী ঃ সেৰফাংগুৰী আৰো ৰামফল বিল অঞ্চল

৭ম খণ্ড চিদলী ঃ পাটাকাটা অঞ্চল।

ৰাজা অজিত নাৰায়ণদেৱ বৃটিছ চৰকাৰৰ পাৰা ৰাজ্যখান লোৱাৰ পাছত বা ৰাজ্যভাৰ লোৱাৰ পাছত মহাৰাজা উপাধি লিখা নাছিল। ৰাজ্যৰ পাট্টাপত্ৰ, যাৱতীয় নথি পত্ৰত ৰাজা অজিত নাৰায়ণ দেৱ এম, এ. বি. এল, এম, এল. এ বুলিয়া লিখা আছিল। বিদ্যাপুৰ ৰাজবাৰীত ষ্টেটৰ প্ৰধান কার্যালয় পাতি দেৱান ইন্দ্ৰকুমাৰ ক'ৰ (I.K. Kor) ৰ দ্বাৰা ষ্টেটৰ কাম চালাইছিল। চিদলীত থাকা বৃটিছ গৱৰ্নমেন্টৰ চার্কেল ও তহশীল অফিচৰ খাজানা আদায়ৰ যাৱতীয় নথিপত্ৰ, মাটিৰ হিচাবৰ জমাবন্দি, চিঠা, গাঁৱৰ মাটিৰ হিচাপ ৰখাৰ নক্সা ইত্যাদিত ৰাজা অজিত নাৰায়ণদেৱৰ সৱৰকমৰ কাম কৰাৰ ক্ষমতা চৰকাৰৰ পাৰা পাইছিল। ষ্টেটৰ দেৱানৰ তলত চার্কেল অফিচৰ (C.O.) নায়েব, মোহৰাৰ জৰানবীশ, মেনেজাৰ, আমিন, বৰকন দাস, পিয়ণ ইত্যাদি আছিল। আৱশ্যক বুজিয়া চার্কেলৰ গৱৰ্নমেন্টৰ অফিচাৰ চাৱ ডেপুটী কালেক্টাৰ আৰো অফিচ সহায়ক কৰ্মচাৰী গিলায় ষ্টেটৰ কামত সহায় কৰিছিল।

সেই কালত মটৰ গাড়ীৰ বেছি চলাচল নাথাকাত বিদ্যাপুৰ ৰাজবাৰীৰ পাৰা ৰাজাবাহাদুৰ দেৱান, আৰো অন্যান্য কৰ্মচাৰী গিলা হাতীত চৰি চিদলীত আহিয়া কামকাজ কৰিছিল। আহা-যাহ কৰা ক্ষেত্ৰতো ৰাস্তা ঘাট প্ৰায় নাছিল। চিদলী ৰাজ্যৰ ৰাজধানী চিকনাঝাৰতে ইতিপূৰ্বেৰ ৰাজত্ব কৰা কোচ ৰাজা বিশ্বসিংহৰ পুত্ৰ মহাৰাজা নৰনাৰায়ণৰ অনুজ গোঁহাই কমলে কোচবিহাৰৰ পৰা উত্তৰ লক্ষীমপুৰ পর্যন্ত তৈয়াৰী কৰিয়া দিয়া 'গোঁহাই কমল আলি' বাটতায় প্ৰধান এই আলিবাট টা ৫০০ কিঃ মিঃ দিঘিলা। ইংৰাজৰ

OKDISCD

দিনত এই আলিবাটাৰ নাম হয় উত্তৰ টাঙ্কৰোড আৰো বৰ্তমান এই আলিবাট টাৰে উপৰে উপৰে মাটি উঠিয়া, ডাঙাৰ ডাঙাৰ পাথৰ , শিল, বালা দিয়া তাৰ উপৰতে ছোট ছোট শিলৰ লগত পিছ দিয়া ৩১ নং ৰাষ্ট্ৰীয় পথ অসম চৰকাৰৰ সহায়ত দিল্লীৰ কেন্দ্ৰীয় চৰকাৰে তৈয়াৰ কৰিয়া দিছে। এই আলিবাটটো চিদলীৰ মাজেদিয়া গেছে। মহাৰাজা গৌৰীনাৰায়ণে চিকনাঝাৰৰ পাৰা নমলপুৰত ৰাজাধানী স্থানান্তৰ কৰাৰ বেলা ৰাজপ্ৰাসাদ অট্টালিকা নাছিল। ডাঙাৰ ডাঙাৰ টিনৰ ঘৰ পাকা কৰা ঘৰহে আছিল। সেইজন্যে চিদলীত ৰাজ প্ৰাসাদৰ ভগ্নাৱশেষৰ কুনো চিন নাই। ৰাজ প্ৰাসাদ থকা জায়গা দেউল দিয়া গোসাইৰ বাপ ৰাজাই দুৰ্গা পূজা দিয়া মন্দিৰৰ জায়গা আৰো ৰাজা বিষ্ণু নাৰায়ণ দেৱৰ দিনত মন্দিৰৰ চাৰিওফালে ৰুৱা বৰ্তমান বাচি থাকা তিনিডাল খুব ডাঙাৰ গাছ আছে ইংৰাজীত এই গাছগিলাক 'ৰেইন ট্ৰি' বুলিয়া কয়।

ভীম সিংহই লগত অনা নৱ-দুৰ্গাৰ বিগ্ৰহ ৰাজবাৰীৰ দুৰ্গা মন্দিৰত প্ৰতিষ্ঠা কৰিছিল। ভীম সিংহ বংশৰ ৰাজা গিলাৰ ৰাজত্ব পতন হোৱাৰ পাছত চিকনীঝাৰত চিকনা নাৰায়ণে নৱ দুৰ্গাৰ পূজা পাৰ্বণ কৰিছিল আৰো বংশানুক্ৰমে দুৰ্গাপূজা চলিছিল। মহাৰাজ গৌৰীনাৰায়ণে চিকনাঝাৰৰ পাৰা চিদলীত ৰাজধানী স্থানান্তৰিত কৰাত (নমলপুৰ) তেওঁ দুৰ্গা মন্দিৰত নৱ দুৰ্গাৰ বিগ্ৰহ প্ৰতিষ্ঠা কৰে। সেই দিনত ৰাজাৰ বাহিৰে কুনো প্ৰজাই দুৰ্গা পূজা নকৰিছিল। যাৰ ফলত চিদলী দুৰ্গা পূজা খান দেখাৰ জন্য দূৰ-দূৰন্ত ঠাইৰ পাৰা দৰ্শক আহিছিল। ভুটানৰ পাৰা ভুটিয়া গিলাও - বিষমাও, জাৱ্ৰেং, মচবৰ তিতা ইত্যাদি আনি পূজাৰ মেলাত বেচা কিনা কৰিছিল।

চিদলী ৰাজ্য আদিতে ভূটান ৰাজ্যৰ এখান অঙ্গ ৰাজ্য আছিল। ভুটানৰ শাসনকৰ্ত্তাই কৰ্মচাৰীক চিদলী অঞ্চলৰ প্ৰজাৰ পাৰা কৰ তুলিবৰ জৈন্যে বছৰে বছৰে কৰ্মচাৰী পাঠায়। একবাৰ চিদলীৰ কুনো একজন প্ৰজাই কৰ আদায়কাৰী কৰ্মচাৰীক টাকা দিবা নাপাৰি টাকাৰ পৰিবৰ্ত্তে 'সিদল' মাছৰ চুঙা পাছটামান ভুটিয়া ৰাজাক খাবাৰ জন্য দিয়ে। কৰ্মচাৰীজনে টাকাৰ পৰিবৰ্ত্তে সিদল মাছেৰ চুঙা পাঁচটাৰ হিচাব দি সিদল মাছৰ চুঙা গিলা ৰাজাৰ খাবৰ জন্য দিয়ে। ৰাজাই সিদল মাছ খাই খুব বোলে সোৱাদ পাইছে আৰো পাছত মাহে পযেকে সিদল মাছৰ জন্য কৰ্মচাৰী পাঠায়াই থাকে। তাৰে পাৰা সিদল মাছ পাওয়া জাগাটাৰ নাম সিদলী হয় আৰো ভুটিয়া ৰাজাই ৰাজ্যখনৰো নাম সিদলী ৰাখে। সিদলী বানানটা ইংৰাজীত (Sidli) লিখে বৃটিছৰ দিনত। চিদলী অঞ্চলৰ ৰাইজে সিদলী বুলি উচ্চাৰণ নকৰিয়া চিদলী উচ্চাৰণ (Chidli) হে কৰে। সিদলী শব্দৰ এই বিসঙ্গতিৰ জন্যে এই প্ৰৱন্ধ লিখকে শিক্ষকতা চিদলীত কৰিয়া থাকা কালত ১৯৫৮ ইং চনৰ পাৰা ছাত্ৰ-ছাত্ৰীগিলাক 'চিদলী' বানান লিখাৰ প্ৰচলন কৰায়। ৰাজধানী বিদ্যাপুৰত খাওয়াৰ পাছৰ পৰাৰ চিদলী দুৰ্গা পূজাৰ ভাৰো ৰাইজৰ ওপৰত পৰে। তাৰ পাৰা আজি পৰ্য্যন্ত দুৰ্গা পূজাখান ৰাইজে চলাই আছে। আৰো ভীমসিংহ দিনৰ দুৰ্গাৰ বিগ্ৰহ আজিও বিদ্যাপুৰ ৰাজবাৰীত আছে।

১৯৫৬ ইং চনৰ ১ লা এপ্ৰিলত গবৰ্নমেন্টে (ভাৰত চৰকাৰ) জমিদাৰী অধিগ্ৰহণ কৰাৰ ফলত প্ৰাচীন কোচ বংশৰ স্বাধীন ৰাজ্য আৰো ৰাজাৰ অৱসান হৱা গেল। চিদলী ৰাজ্য প্ৰতিষ্ঠাতা বীজপুৰুষ চিকন নাৰায়ণ দেৱ আৰো শেষ ৰাজা অজিত নাৰায়ণ দেৱ, ৰাণী মঞ্জুলা দেৱী। শেষ ৰাজধানী বিদ্যাপুৰ। বৰ্ত্তমান একমাত্ৰ ভাতিজী শ্ৰীমতী অনঙ্গৰেখা দেৱী আৰো একমাত্ৰ ভাতিজা শ্ৰী জয়েস নাৰায়ণ দেৱৰ তত্বাৱধানত ৰাজবাৰী ও ৰাজবাৰীৰ সা-সম্পত্তি গিলা আছে।

প্ৰথম ৰাণী বনলতা দেৱীৰ গৰ্ভত আৰো মহাৰাজ অভয় নাৰায়ণ দেৱৰ ঔৰসত অজিত নাৰায়ণ দেৱ আৰো শৈলেন্দ্ৰ নাৰায়ণ দেৱৰ জন্ম হয়। অজিত নাৰায়ণ দেৱৰ বিমাতৃ অৰ্থাৎ মহাৰাজ অভয় নাৰায়ণ দেৱৰ দ্বিতীয় ৰাণী সুভাষিনী দেৱীৰ পুত্ৰ সন্তানৰ বিষয়ে কায় কায় আছিল জানা নাযায়। ৰাণীৰ বংশাৱলী শালকোচাত বৰ্তমানেও আছে।

অজিত নাৰায়ণ দেৱ পাটনাৰ বাকীপুৰ প্ৰিন্স কলেজৰ পাৰা শিক্ষালাভ কৰিয়া আসিয়া ১৯৪৮ ইং চনত চিদলীৰ ৰাজ সিংহাসনত বহে। বাকীপুৰ প্ৰিন্স কলেজত পঢ়িয়া থাকা সময়ত মাদ্ৰাজৰ (বৰ্ত্তমানে চেন্নাই) পিঠাপুৰম্ মহাৰাজাৰ ৰাজকুমাৰী মঞ্জুলা দেবীৰ লগত চিনা-জানা হৈছিল আৰো শিক্ষা সাং কৰিয়া আসিয়া পিঠা পুৰম্ মহাৰাজৰ একমাত্ৰ উচ্চ শিক্ষিতা পুত্ৰৰ লগত বিবাহ হৈছিল।

সমাজ সেৱাত ৰাজা অজিত নাৰায়ণ দেৱ আৰো ৰাণী মঞ্জুলা দেৱী -

ৰাজা অজিত নাৰায়ণ দেৱ আৰো ৰাণী মঞ্জুলা দেৱী দুয়োজন স্বাধীন ভাৰতৰ প্ৰথম গণ ভোট অৰ্থাৎ ১৯৩৭ ইং চনৰ সাধাৰণ নিৰ্ব্বাচনত প্ৰাৰ্থী মনোনীত হয়। ১৯৩৭ ইং চনৰে পাৰাই ভাৰতবৰ্ষত বিধানসভা, ৰাজ্য সভা প্ৰৱৰ্ত্তিত হয়। ১৯৩৭ ইং চনত বিজনী-চিদলী-আৰো কোকৰাঝাৰ থানা লোৱা এখন সমষ্টি

আছিল বিধানসভাৰ । পোণ প্রথমে এই সমষ্টিৰ পাৰা সাধাৰণ আসনত ৰাজা অজিত নাৰায়ণ দেৱ এম, এ. বি, এল, বিধানসভাৰ সদস্য নির্বাচিত হয় । ১৯৫১ ইং চনতো বিলাসী পাৰা বিধান সভাৰ সমষ্টিৰ পাৰা নির্ব্বাচিত হয় । আৰো ৰাণী মঞ্জুলা দেৱী ১৯৫১ ইং চনৰ সাধাৰণ নির্ব্বাচনত ধুবুৰী লোক সভাৰ সমষ্টিৰ পৰাৰ এম, পি, নির্ব্বাচিত হয় । ১৯৬৭ ইং চনত কোকৰাঝাৰ পূৱ বিধানসভাৰ সমষ্টিৰ পাৰা পুণৰ সদস্য নির্ব্বাচিত হয় । ১৯৭২ ইং চনৰ পাৰা ১৯৭৭ ইং চন পর্য্যন্ত ৰাণী মঞ্জুলা দেৱীয়ে সমাজ কল্যাণ বিভাগৰ চেয়াৰমেন পদত অধিষ্ঠিত থাকিয়া অসমৰ মহিলা সমিতি গিলাৰ সংগঠন কৰিয়া মহিলা গিলাৰ কর্মমুখী আচনি ৰূপায়ণ কৰিছিল । ভাৰতৰ বাহিৰা চাৰিখানমান ৰাষ্ট্রত জায়া মহিলা গিলাৰ উন্নতি কল্পে কর্মমুখী আঁচনিৰ পৰিকল্পনা গিলা বুজাবুজি কৰিয়া আসিয়া অসমৰ মহিলা সমিতি গিলাত পৰামর্শ দিয়া আঁচনিৰ কামত দেহে কেহে খাতিছিল । আৰো ৰাজা অজিত নাৰায়ণ দেৱ এম, এ, বি, এল, অয়েল ইণ্ডিয়া চেয়াৰমেন পদত থাকাৰ বেলা অসমৰ তৈলক্ষেত্র আৰো উদ্যোগত আমাৰ অসমীয়া লোকক নিয়োগ কৰাৰ জন্য চেষ্টা চলাই বহুত মানুহৰ প্রতি পালনৰ ব্যৱস্থা কৰিয়া দিছিল । ৰাজা অজিত নাৰায়ণদেৱ অসম লোক সেৱা আয়োগৰো সদস্য আছিল । ১৯৫২/৫৩/৫৪ ইং চনত ৰাজা অজিত নাৰাযণদেৱ সদৌ অসম কোচ-ৰাজবংশী ক্ষত্রিয় সন্মিলনৰ সভাপতি আছিল । ১৯৫৪ ইং চনত চিদলীৰ নমলপুৰৰ প্রাচীন ৰাজবাৰী (মহাৰাজ গৌৰী নাৰায়ণ দেৱ) ৰ পৰিয়া থাকা শুনাবাৰীৰ উত্তৰ কোলাত সদৌ অসম কোচ ৰাজবংশী ক্ষত্রিয় সন্মিলনীৰ অধিবেশনৰ মুকলি সভাত সভাপতিত্ব কৰিছিল । ৰাজা অজিত নাৰায়ণ দেৱ সদায় কোচ ৰাজবংশী ভাষা কৈছিল । সিদিনাখনো কোচ ৰাজবংশী ভাষাৰে সভাপতিৰ সাৱৰা ভাষণ দিছিল । মুকুলি সভাত এই লিখকেও কোচ- ৰাজবংশী সন্মিলনীৰ সংগঠনৰ দিশত বক্তব্য দাঙি ধৰিছিলুং আৰো সন্মিলনৰ প্রধাণ গেটখানত ঢাল - তৰোৱাল আঁকি দি নিজে বান্ধাইছিলুং ।

ৰাজা অজিত নাৰায়ণ দেৱ সদৌ অসম কোচ ৰাজবংশী ক্ষত্রিয় সন্মিলনীত বহু বছৰ ধৰিয়া সভাপতিৰ আসনত থাকিব লাগা হৈছিল । তাৰ দিনতে বিজয় গাঁও (বাসুগাঁও) অধিবেশনত (১৯৫৫ ইং চন) সংবিধান সংশোধন হয় আৰো ১৯৫৯/৬০ ইং চনত সন্মিলন খান পঞ্জিযন ভুক্ত কৰা হয় আৰো পঞ্জীয়ন খানৰ নম্বৰ ৯১হয় ।

ৰাজা অজিত নাৰায়ণৰ পুত্র আছিল কুমাৰ জয়ন্ত নাৰায়ণ দেৱ । ছিলঙৰ মটৰ দূৰ্ঘটনাত জয়ন্ত নাৰায়ণ দেৱৰ অকালতে মৃত্যু ঘটে । সেই সময়ত জয়ন্তৰ বয়স হৈছিল ১৫-১৬ বছৰ মাত্র । জয়ন্তৰ স্মৃতি ৰাখাৰ জন্য বিদ্যাপুৰ ৰাজবাৰীত কিছুবছৰৰ আগতে 'জয়ন্ত অনাথ আশ্রম' নামেৰে এখান আশ্রম পাতিছিল । আৰো ৰাজবাৰীৰ খৰচত এই আশ্রমখান ৰাজাই চলাইছিল । ৰাজাৰ মৃত্যুৰ পাছত আশ্রমখান বন্ধ হয় । ৰাজা অজিত নাৰায়ণৰ ছোট ভাই কুমাৰ শৈলেন্দ্র নাৰায়ণ দেব তাক কুমাৰ বাহাদুৰ বুলিয়া কৈছিল । তায় ফুটবল খেলাৰ নামকৰা খেলুৰাৰ আছিল । তায় বাসুগাঁও চহৰৰ মাজতে একটা খুটা ফালোৱা কাৰখানা খুলিয়া স্বাধীন ব্যৱসা কৰিছিল । ১৯৪৫ ইং চনত চিদলী সমষ্টিৰ পাৰা ধুবুৰী লোকেল বোৰ্ডৰ সদস্য নির্ব্বাচিত হৈছিল । বর্তমান বিদ্যাপুৰ ৰাজবাৰীত কুমাৰ শৈলেন্দ্র নাৰায়ণ দেৱৰ একমাত্র পুত্র শ্রী জয়েস নাৰায়ণ দেৱ জীৱিত আছে । তায় কলিকাতাৰ বাসিন্দা একজন পাইলটৰ কন্যা বিয়া কৰিয়া ৰাজবাৰীত খেতি বাতিৰ কামৰ বাদেয়ে স্বাধীন ব্যৱসা কৰি আছে । বর্তমান ৰাজা অজিত নাৰায়ণ দেৱৰ বংশধৰগিলাৰ পৰিয়াল বাসুগাঁও এলাও আছে । স্বর্গীয় অনন্ত নাৰায়ণ দেৱ, কুমাৰ সুধীৰ নাৰায়ণ দেৱ, মনোৰঞ্জন কর্তা ইত্যাদিয । ৰাজা অজিত নাৰায়ণ দেৱৰ বিদ্যাপুৰ ৰাজবাৰীৰ বাদে ছিলং, কলিকাতা, ধুবুৰী আদি জায়গা গিলাত ঘৰ আছিল ।

চিদলী ৰাজ্যৰ ৰাজা গিলাৰ যুগুমীয়া কুনো অনুষ্ঠান নাই । বিদ্যাপুৰ ৰাজবাৰী । মহাৰাজ অভয় নাৰায়ণে স্থাপন কৰা একমাত্র বিদ্যালয়খান কিছুবছৰ আগতে বিদ্যাপুৰ ৰাইজে " অভয় নাৰায়ণ দেৱ মধ্য ইংৰাজী বিদ্যালয়ৰ " নামত আৰো ৰাণী বনলতা দেৱীৰ নামত এখান প্রাইমাৰী বিদ্যালয় নামকৰণ কৰিয়া ৰাজাৰ স্মৃতি বর্তিয়া ৰাখাৰ জন্য ৰাইজগিলা শলাগৰ পাত্র । ৰাজা অভয়নাৰায়ণ দেৱ ও ৰাজা অজিত নাৰায়ণ দেৱ আৰো ৰাণী মঞ্জুলী দেৱীৰ সমাজ সেৱাৰ নিদর্শন যুগুমীয়া কৰিয়া ৰাখাৰ জন্য এই লিখকে চিদলীৰ স্থানীয় ছাত্রগিলাৰ লগত (আজি কালি শিক্ষক, কেৰাণী অফিচাৰ গাঁৱৰ মূৰব্বী) পৰা পৰামর্শ কৰিয়া যোৱা ১৯৮০ ইং চনত " ৰাজা অজিত নাৰায়ণ দেৱ" হাই স্কুল চিদলী বাসী ৰাইজৰ সাহার্য্যত খুলা হয় । আৰো সুর্দীঘ এঘাৰ বছৰৰ পাছত ১৯৯১ ইং চনত অসম চৰকাৰে স্কুলখন মঞ্জুৰী দিয়ে । অসম চৰকাৰে এই হাইস্কুলখান হাতত লোৱাৰ জন্য ৰাজা অজিত নাৰায়ণ দেৱৰ নাম লগতে চিদলী ৰাজ্যৰ নামও বুৰঞ্জীৰ পাতত যুগমীয়া কৰিয়া থকাৰ ব্যৱস্থা । হোৱাৰ জন্য সঁচা যে চিদলী অঞ্চলৰ ৰাইজৰ একটা মনৰ বাসনা পূর্ণ হয় ।

চিদলী ৰাজ্যৰ শেষ ৰাজা প্রজাবৎসল সু-শিক্ষিত, গৌৰৰ বিহীন ৰাজা অজিত নাৰায়ণদেৱৰ যোৱা ১৭-৪-৮৪ ইং চনত

মৃত্যু হয়। ৰাজা অজিত নাৰায়ণ দেৱৰ মৃত্যুৰ পাছত ৰাণী মঞ্জুলা দেৱী অকলশৰীয়া হয়া পৰিল। একমাত্ৰ ভাতিজা শ্ৰীমতী অনঙ্গৰেখা দেবীৰো বিয়া হয়া গিছে। ৰাজবাৰীত ভাতিজী জয়েস নাৰায়ণ দেৱ আৰো ভাই বোৱাৰী জন মাত্ৰ । ৰাণী মঞ্জুলা দেৱীৰ চলা ফিৰা , খোৱা লোৱাত অনবৰত একজন আলপৈচান ধৰি থকা লোক নাথাকাৰ জন্য ৰাণীমাৰ কিছু অসুবিধা ভুগিব লগাত পৰিল। ৰাণীমাৰ কথা বার্তাগিলা আছিল একেবাৰে নৰম। মানুহগিলাৰ লগত খুলা মনেৰে সব কাথা বার্তা কোচ ৰাজবংশী ভাষাতে পাতিছিল। এলা কথাপাতাৰো লগ নোহোৱা হ'ল। সেই জন্যে নানা চিন্তা ভাৱনা মনত আহাত মৃত্যু নাহাৰ আগতে ধ্যান ধাৰণা, চলন ফুৰণ ছোট আপি চাওয়াব হেনা হৈছিল। যোৱা ১৯৯৩ ইং চনত ৰাণীমাৰ মৃত্যু হয়।

ৰাজা অজিত নাৰায়ণদেৱ জীৱিত থাকা কালতে দুয়ো একমাত্ৰ পুত্ৰ জয়ন্ত নাৰায়ণ দেৱ ৰ মৃত্যুত পুত্ৰশোকত চিন্তা জাল্লাত ভাগৰিয়া পৰিছিল। আৰো আৰতে একমাত্ৰ ভাতিজী আপি শ্ৰীমতী অনঙ্গৰেখা দেবীক পোষ্য হিচাবে লয়া চিদলী ৰাজ্যৰ আধাংশ তাৰ নামতে দিছিল। সেই সময় ভাতিজা জয়েস নাৰায়ণ দেৱ মত্তৰ গর্ভত।

এক কালত অসমৰ মহিলা গিলাৰ কল্যাণৰ কাৰণত মহিলা সমিতিত যোগদান কৰে ৰাণী মঞ্জুলা দেৱীয়ে।

অসম মহিলা সমিতি আৰো ৰাণী মঞ্জুলা দেৱী ঃ


১৯২৬ ইং চনত অসমত মহিলা সমিতি গঠন হয়। সেই সময় অসমৰ বাহিৰে ভাৰতবর্ষত অন্য কুনো প্ৰদেশত গঠন হোৱা নাছিল। ১৯৪৬ ইং চনত গুৱাহাটীত অসমৰ মহিলা গিলাৰ প্ৰতিনিধি সভা বহে সংবিধান সমর্থনৰ জন্যে। এই সভাত ভূৱনেশ্বৰী দেৱী গোস্বামী সভানেত্ৰী, চন্দ্ৰ প্ৰভা শইকীয়া, ইন্দু প্ৰভা বৰুৱা যুটীয়া প্ৰধান সম্পাদিকা মনোনীত হয়। তাৰ পাছত ভূবনেশ্বৰী দেৱী গোস্বামীৰ কার্য্যকাল শেষ হোৱাৰ পাছত ৰাণী মঞ্জুলা দেৱী সভানেত্ৰী নির্ব্বাচিত হয়। মঞ্জুলা দেৱীৰ কার্য্য কালতে ১৯৫০ ইং চনৰ ১৫ আগষ্টৰ দিনা উজনি অসমত হঠাৎ প্ৰলয়ংকাৰী ভূমিকম্প হোৱাৰ জন্যে বিস্তৰ ক্ষতি হয়। মহিলা সমিতিৰ পক্ষৰ পৰা সভানেত্ৰী মঞ্জুলা দেৱীয়ে উৰাজাহাজত ডিব্ৰুগড়ত পৰিদর্শনৰ জন্য যায়। লগত দুগৰাকী সম্পাদিকা, সহ-সভানেত্ৰী মিচ, পি ৰুচুল, সদস্যা মনোৰমা মেহতা, ললিতা ফুকন আৰো অঞ্জুমান আৰাৰক লয়া গিছিল। মঞ্জুলা দেৱীয়ে টাকা পইচা আৰো যথেষ্ট কাপুৰ কানি যোগাৰ কৰিয়া ক্ষতি গ্ৰস্ত ৰাইজক সাহায্য কৰিছিল।

প্ৰত্যেক তিনি বছৰে বছৰে বহা বিশ্ব গ্ৰামীন নাৰী সন্থাৰ অধিবেশনত অসম , প্ৰাদেশিক মহিলা সমিতিৰ পক্ষৰ পাৰা সর্ববভাৰতীয় প্ৰতিনিধি হিচাপে ১৯৬৭ ইং চনত ফিলিপাইনৰ মেলিনা চহৰত বহা চতুর্থ এচিয়াটিক কনফাৰেঞ্চত প্ৰতিনিধিত্ব কৰে - ৰাণী মঞ্জুলা দেৱী, উষা দাস আৰো লক্ষীমা চৌধুৰী । ১৯৬৮ চনৰ জুলাই মাহত কৰাচীত (পাকিস্থান) বহা আন্তজার্তিক চেমিনাৰ, ১৯৭১ ইং চনৰ নৰৱেৰ ৰাজধানী ওচলোত বহা ত্ৰিবার্ষিক সন্মিলনীত ৰাণী মঞ্জুলা দেৱী, কল্যাণী ফুকন, নুৰজাহান বেগম আৰো ডলী তালুকদাৰে যোগদান কৰে। ১৯৭৪ ইং চনত অষ্ট্রেলিয়াত বহা সন্মিলনীত ৰাণী মঞ্জুলী দেৱী, লক্ষীমী চৌধুৰী, ক্ষীৰদা বুজৰবৰুৱা আৰো মালতী বৰাই যোগদান কৰিছিল।

ৰাণীমঞ্জুলা দেৱীয়ে এই দৰে দেশ বিদেশ জায়া জ্ঞান - আহৰণ কৰিয়া আহিয়া নিজ জায়গা অসমৰ মহিলা গিলাক জাগ্রত কৰিয়া তুলিয়া অসমৰ মহিলা সংগঠন শক্তিশালী কর্মার্থ কৰিয়া সমাজ সেৱাৰ জলন্ত উদাহৰণেৰে নেতৃত্ব বহন কৰি মৃত্যু হোৱাৰ লগতে ভাৰতর্বষৰ উত্তৰ পূর্বাঞ্চলৰ এক কালৰ স্বাধীন চিদলী ৰাজ্যৰ বিলুপ্ত ঘটিল। ❑

*****

OKDISCD




কালু পণ্ডিত

সুনীল বর্মণ

খইলস্যামাৰীৰ কালু পণ্ডিত
বিদ্যা মাইনৰ পাস,
ডাঙৰ ছোট নামানে কাকো,
কথা খাটাং খাস্।
একদিন তাৰ পাঠশালা খান,
পৰিদর্শন হইবে,
শহৰ থাকিয়া এস্, আই সাহেব
আসিলেক নীৰবে।
স্কুল খানত ঢুকিয়া দ্যাখে
কালু পণ্ডিত নাই,
ছাওয়া গুলায় গুটি খেলায়
কৰিয়া কাঁইমাই।
খবৰ পায়া পণ্ডিতেৰ
লাগিল দৌৰাদৌৰি,
সাহেবে, কয় " এই হে আহিল,
চাওক চোন আপোনাৰ ঘড়ী।
কালু কয় " ৰোয়া গাড়াৰ সময় এইটো
হয়না ক্যানে দেৰী,
লেখাপড়া ঠিকে চইল্‌ছে
দ্যাখেন পৰীক্ষা কৰি।
ঐ ঢ্যাপৰা খাড়া হ
দেখাও ভূগোলেৰ খাতা,
সাহেবে কিন্তুক পৰীক্ষা নিবে
একনাও নড়িবুনা।"
এস্ আই সাহেব খাতা দেখিয়া,
চক্ষু ডাঙৰ কৰে-,
ব্রহ্মপুত্র হিমালয়ত উৎপন্ন হৈ, অসমৰ মাজেৰে বৈ
মানাহৰ খালত পৰে।"
তিনটা ছাওয়াৰ তিনখান খাতাত
একে বাক্য লেখা
সাহেবে কয়-'ক ছোন তহঁতক এইবোৰ কথা
কোন পাগলে শিকোৱা ?"
ছাওয়া গুলায় কয়- "ছাৰ, আমাৰ পণ্ডিত আমাক
যেমনে শিকাইচে।"
এস্ আই কয় - 'পণ্ডিত চাহাব
এয়া কি শিক্ষা দিলে।
ব্রহ্মপুত্র বৈ গৈ শেষত
মানাহ নদীত মিলে!'
কালু কয়- " ঠিকে শিকাইচং
একনাও নাই হয় ভুল,
এমন কৰিয়ায় চইলবে আমাৰ
খইলস্যামাৰীৰ স্কুল।"
সাহেবে কয়- " সেইবাবে কি ল'ৰাবোৰক
এই শিক্ষা দিব,
ব্রহ্মপুত্র বৈ গৈ শেষত
মানাহত মিলিব ?"
কালু কয়- " এস, আই সাহেব শোনেন দিয়া মন,
তিনশ ট্যাকা মাস বেতনত
ব্রহ্মপুত্রক আৰো ক'তদূৰ যাবাৰ কন ?"
বেতন যতয় বাড়িয়া যাইবে
নদীও ততয় আগবাঢ়িবে-
যখন দিবেন আমাৰ বেতন হাজাৰেৰ উপৰ
ব্রহ্মপুত্রও পইৰবে যায়া বঙ্গপোসাগৰ।



OKDISCD




উমাৰো অতীত আছিল

বিভু চক্ৰৱৰ্তী , লিপিকা চক্ৰৱৰ্তী

প্ৰতিশ্ৰুতিৰ ডেনা মাৰি
বৈছিল একঝাক কুসুম কুসুম হাৱা
বিশাল সংস্কৃতিৰ স'তে
ধমনিত মিলি গেছিল পৰিশোধিত ৰক্ত
দ্ৰাবিড় আৰ্য্য অনাৰ্য্য আৰ'
মঙ্গোলীয় অষ্ট্ৰিকেৰ
ওটি কোনো দিন পৰি নাছিল মেঘ গুলা
সংঘাতেৰ ডোঙা বান্ধা দস্তাবেজ হয়য়া।

ওৰে মোৰ চেংৰা ছাওয়া
হাৰিয়া মণ্ডলেৰ পৰিনাতি
অতীতেৰ স্মৃতিচাৰণ কৰি
তোমৰা এ্যালা পাইবেন কি
আদৰেৰ পৰিত্যক্ত 'দেহুৰী' আজি
আছে পৰি ৰংপুৰত
কোচবিহাৰেৰ 'ভেলাভাঙা'
আছিল তোমাৰেই দখলত
হায়ৰে !
ৰাজহাউলী আজি পৰিত্যক্ত
বীৰ ক্ষত্ৰিয়েৰ
নাই ভক্তেৰ চন্দ্ৰাতপ
মহাৰাজ নৰানাৰায়ণ 'শুক্লধ্বজ ৰায়'
আজি শংকৰো নাই এটি
কিবা দেখিবাৰ আসিলু
কি নাছিল কি
'তাঁতীনী'য়ে বোৱাইছিল 'ছেওটা -পাটানী'
'পাছাৰা ইসিৰা কৰে আজিও
বৌদ্ধ সম্প্ৰীতিৰ
'হুদুমদেও' ৰ নৃত্য কৰি
'বিশুৱা' তিথিত বয়য়া দিছিল অমৃতেৰ নদী
শৈৰ-শাক্ত সংস্কৃতিৰ ভেটিত
'নামাতি'য়ে গাইছিলেক হৰ-গৌৰীৰ গান
সুস্বাদু 'পাটীসাপ্টা' পিঠা
আৰ' লাখল ভাত'
দেখছিছ না কোনো দিন
দ্বিতীয় কাশীৰূপ শ্ৰীসূৰ্য্য পাহাৰ
আইসো আজি
উদ্ধাৰ কৰি
ৰত্নপীঠেৰ ৰত্নগুলা
নাহইলে হয়তো
খসি পইৰবে
কুসুম কুসুম হাৱা ঝাক
শুকান পাতেৰ লগত।

(মূল অসমীয়া মুনীন হাজৰিকাৰ)



OKDISCD

কোচ-ৰাজবংশী সাংস্কৃতিক সমাৰোহৰ মুখ্য সম্পাদকৰ দু-আষাৰ.....

প্ৰাচীন ঐতিহ্যৰে সমৃদ্ধ কামৰূপ-কমতা সাম্ৰাজ্যৰ ভাষা-সাহিত্য-কলা-কৃষ্টি, চৰ্চাৰ অভাৱতে আজি পাহৰণিৰ গৰ্ভত লীন যোৱাৰ উপক্ৰম হৈছে । কোচ-ৰাজবংশী জাতিৰ জাতীয় সংস্কৃতি, বৰ্ণাঢ্য ইতিহাস আজি কালৰ সোঁতত ম্লান হৈ অস্তিত্বৰ সংকটত ভুগিছে । এনে সংকটময় অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি নৱগঠিত কোচ-ৰাজবংশী সাংস্কৃতিক পৰিষদে বিশেষকৈ লোক-সংস্কৃতি, ভাষা আৰু সাহিত্য বিষয়ত আলোচনা চক্ৰ, থলুৱা কলা সংস্কৃতিৰ প্ৰদৰ্শনেৰে ঐতিহ্য-মণ্ডিত দেৱদাৰু নগৰী অভয়াপুৰী চহৰত চাৰিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে এক বিশাল সাংস্কৃতিক সমাৰোহৰ আয়োজন কৰা হৈছে । এনে বিশাল সাংস্কৃতিক সমাৰোহৰ কাৰ্য্যসূচী ৰূপায়ন কৰিবলৈ যাওঁতে বহুতো ভুল ভ্ৰান্তি অজানিতে হৈ যোৱাটো স্বাভাবিক ।

সমাৰোহৰ মুল উদ্দেশ্য সমূহ যাতে সফল হয়, তাৰ প্ৰতি সচেতন চিন্তাশীল ব্যক্তি তথা ৰাইজৰ গঠন মূলক সু-পৰামৰ্শ আগবঢ়াব বুলি আশা কৰিলো ।

শ্ৰদ্ধাৰে -

তাৰিখ ঃ ২৮-০৩-০৪
অভয়াপুৰী

বিষ্ণুজ্যোতি বৰুৱা
মুখ্য সম্পাদক
অভ্যৰ্থনা সমিতি
কোচ-ৰাজবংশী সাংস্কৃতিক সমাৰোহ

OKDISCD

কোচ-ৰাজবংশী সাংস্কৃতিক পৰিষদৰ যুটীয়া সম্পাদকৰ দু-আষাৰ.....

প্ৰাচীন ঐতিহ্যৰে সমৃদ্ধ কামৰূপ-কমতা সাম্ৰাজ্যৰ ভাষা-সাহিত্য-কলা-কৃষ্টি, চৰ্চ্চাৰ অভাৱতে আজি পাহৰণিৰ গৰ্ভত মৃতপ্ৰায় অৱস্থাপ্ৰাপ্ত হৈছে । ইয়াক পুনৰায় ন'দি কোৱাৰ প্ৰয়োজন নাই । ফলত এই অঞ্চলৰ বৈশিষ্ট্য আজি হেৰোৱাৰ উপক্ৰম । কামৰূপ-কমতা ৰাজ্যাঞ্চলৰ ভূমিপুত্ৰসকলৰ আজি আত্মপৰিচয় বিপন্ন। অজ্ঞতা, দৰিদ্ৰতা আৰু চৰ্চ্চাৰ অনুকুল পৰিৱেশৰ অভাৱেই ইয়াৰ মূল কাৰণ । বহু থলুৱা জনগোষ্ঠী আৰু উপ-গোষ্ঠীৰ সুকীয়া কলা-কৃষ্টি ইতিমধ্যে হেৰাই গৈছে বা বাহিৰৰ প্ৰলেপ পৰি বিজতৰীয়া হৈছে । উদাহৰণস্বৰূপে, ৰামায়ণ, মহাভাৰতৰ উপৰিও পুৰাণ তন্ত্ৰশাস্ত্ৰ আদিত স্থান পোৱা কোচ-ৰাজবংশীৰ সু-প্ৰাচীন বৰ্ণাঢ্য ইতিহাস আজি কালৰ সোঁতত ম্লান হৈ অস্তিত্বৰ সংকটত ভূগিছে । অইন সৰু-সুৰা উপগোষ্ঠীসমূহৰ কথা উল্লেখ নকৰিলেও হ'ব । আজিৰ সৰ্বভাৰতীয় আৰু বিশ্বায়নৰ সৰ্বগ্ৰাসী প্ৰভাৱৰ ফলত ইতিহাসৰ কল্‌কল্‌ৰবে প্ৰৱাহিত হোৱা সংস্কৃতিৰ ধাৰাও মৰাসুঁতিত পৰিণত হ'ব পাৰে, যদিহে সু-পৰিকল্পিত চৰ্চ্চাৰ যোগেদি উদ্ধাৰ আৰু উত্তৰণৰ আঁচনি লোৱা নহয়। এনে অনুভৱক সাৰোগত কৰিয়েই নৱ-গঠিত 'কোচ-ৰাজবংশী সাংস্কৃতিক পৰিষদ'ৰ উদ্যোগত চাৰিদিনীয়া কাৰ্য্যসূচীৰে থলুৱা কলা-সংস্কৃতিৰ এখনি বিশাল সাংস্কৃতিক সমাৰোহৰ আয়োজন কৰা হৈছে । ইং ১৬৭১ চনত স্থাপিত হোৱা বিজনী ৰাজ্যৰ অন্তিম ৰাজধানী দেৱদাৰু নগৰীখ্যাত অভয়াপুৰী চহৰত চলিত বছৰৰ মাৰ্চ মাহৰ ২৮, ২৯, ৩০ আৰু ৩১ ইং তাৰিখে আয়োজন কৰা ভাষা-কলা-সংস্কৃতিৰ এই সমাৰোহত আপোনাৰ শাৰিৰীক, মানসিক সহযোগিতা আন্তৰিকতাৰে কামনা কৰা হ'ল ।

শ্ৰদ্ধাৰে -

তাৰিখ ঃ ২৮-০৩-০৪
অভয়াপুৰী

ভাস্কৰ সিংহ
হিৰণময় ৰায়
যুটীয়া সম্পাদক

ORDISCD

কোচ-ৰাজবংশী সাংস্কৃতিক সমাৰোহৰ বিত্ত সম্পাদকৰ দু-আষাৰ.....

প্রজাবৎলা ৰাণী অভয়েশ্বৰীৰ সপোনপুৰী ইতিহাস প্রসিদ্ধ দেৰুদাৱু নগৰীখ্যাত অভয়াপুৰী চহৰত জন্ম লয় কোচ-ৰাজবংশী সাংস্কৃতিক পৰিষদ নামেৰে । এই নৱ গঠিত পৰিষদৰ মূল উদ্দেশ্য হ'ল বিভিন্ন ঠাইত সিচৰিত হৈ থকা আৰু লাহে লাহে পাহৰণিৰ গর্ভত লীন হোৱা থলুৱা কৃষ্টি সংস্কৃতিৰ পুণৰুদ্ধাৰ এই মহৎ উদ্দেশ্য আগত ৰাখি কোচ-ৰাজবংশী সাংস্কৃতিক সমাৰোহৰ এক বিশাল আয়োজন কৰা হৈছে ।

সমাৰোহত সমৱেত হোৱা প্রতিনিধি, চিন্তাশীল ব্যক্তি তথা ৰাইজৰ পৰা গঠনমূলক পৰামর্শ আন্তৰিকতাৰে কামনা কৰিলো ।

শ্রদ্ধাৰে -

তাৰিখ ঃ ২৮-০৩-০৪
অভয়াপুৰী

সঞ্জীৱ কুমাৰ ৰায়
বিত্ত সম্পাদক
কোচ-ৰাজবংশী সাংস্কৃতিক সমাৰোহ

OKDISCD